বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

৪
২০০০-০১



সম্পাদক

ডেৰৰ ঠাকুৰীয়া

বিমলা প্রসাদ চলিহা মহাবিদ্যালয় আলোচনী

বিমলা প্রসাদ চলিহা মহাবিদ্যালয়, নগৰবেৰা, কামৰূপ (অসম)

অষ্টম সংখ্যা (২০০০-২০০১)

শ্রদ্ধাৰে/প্রীতিৰে

প্রতি,

_____

_____

সভাপতি — নিৰোদ ৰঞ্জন দাস

তত্ত্বাবধায়ক — নগেন্দ্র নাৰায়ণ দেৱান

সম্পাদক — ভৈৰৱ ঠাকুৰীয়া

শ্রদ্ধাঞ্জলি

হৰেন্দ্ৰ নাৰায়ণ পাঠক
জন্ম : ৪ অক্টোবৰ, ১৯১৫
মৃত্যু : ৫ জুলাই, ২০০০

পঞ্চানন মেধি
জন্ম : ১৬ জুন, ১৯১৪
মৃত্যু : ২ জানুৱাৰী, ২০০১

সাগৰ আলী মণ্ডল
জন্ম : ১ জুন, ১৯১৯
মৃত্যু : ৪ জুলাই, ২০০২

উমেশ পাঠক
জন্ম : ১৯২৮ ইং চন
মৃত্যু : ২৩ ফেব্রুৱাৰী, ২০০১

ইন্তাজ আলী চৰকাৰ

শুকুৰ আলী আহমেদ
জন্ম : ১৯২৬ ইং চন
মৃত্যু : ২৬ মার্চ, ২০০০

আমাৰ শ্ৰদ্ধাৰ বিশিষ্ট ব্যক্তি কেইগৰাকীয়ে বৃহত্তৰ নগৰবেৰা অঞ্চলৰ বিভিন্ন দিশত উন্নতিৰ হকে আজীৱন প্ৰচেষ্টা চলাই যোৱাৰ লগতে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান এই মহাবিদ্যালয়খনিৰ জন্মলগ্নৰে পৰা বৰ্ত্তমানৰ অৱস্থাত উপনীত হোৱালৈকে বিশেষ অৱদান আগবঢ়াইছে। মহাবিদ্যালয়ৰ তৰফৰ পৰা তেখেত সকলৰ প্ৰতি গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰি নিবেদন কৰিছোঁ আন্তৰিক শ্ৰদ্ধাঞ্জলি। তেখেতসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ। বিগত সময়ত আমাৰ দেশ তথা ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা উপৰাষ্ট্ৰপতি কৃষ্ণকান্ত, লক্ষ্যধৰ চৌধুৰী, হেৰম্বকান্ত বৰপূজাৰী, চৈয়দ আব্দুল মালিক, বিশ্বনাৰায়ণ শাস্ত্ৰী, নৱকান্ত বৰুৱা, বীৰেণ বৰকটকী, অক্ষয় মহাস্তি, আইদেউ সন্দিকৈ, প্ৰতিমা পাণ্ডে বৰুৱা প্ৰমুখে জ্ঞাত-অজ্ঞাত যিসকল বিশিষ্ট ব্যক্তি আমাৰ মাজৰ পৰা চিৰকালৰ বাবে আঁতৰি গ'লতেখেতসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ। উপৰ্যুক্ত সমূহ শোক-সন্তপ্ত পৰিয়ালৰ প্ৰতি আন্তৰিক সমবেদনা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতি

Mr. Nirode Baran Das, Principal (in-charge)
at work in his chamber

Editorial Board

B. P. Chaliha College Magazine, 2000-2001

Sitting (L to R) **:J. N. Talukdar (Member), A. B. Siddique (Member), N. N. Dewan (Magazine-in-charge), N. B. Das (President), U. C. Das (Adviser), N. C. Bhoi (Adviser), D. R. P. Mazumdar (Member)**

Standing (L to R) **: B. Thakuria (Editor), R. A. Ahmed (Member), H. Thakuria (Member)**

TEACHING COMMUNITY OF B. P. CHALIHA COLLEGE, NAGARBERA

1st Row (L to R) : N. N. Dewan , N. N. Begum, A. Keot, D. K. Das, N. K. Bordaloi, A. S. Ali, N. B. Das (Principal-in-charge), U. C. Das, U. N. Das, A. Hakim, D. R. P. Mazumdar, N. B. Chetri.

2nd Row (L to R) : J. Das, P. Ahmed, T. Goswami, H. Patowary, N. C. Bhoi, D. Debnath, D. Chakrabarty, B. Nag, D. Kalita, H. Singh, N. Saikia, N. C. Kalita, B. S. Barpujari, J. N. Talukdar.

3rd Row (L to R) : A. B. Siddique, S. Dewan, B. R. Talukdar, A. Rahman, T. Patowary, S. Z. Mollah, B. B. Panda, K. A. Ahmed, U. Saha, P. Chakrabarty, A. Thakuria.

(The names of the absentee teachers along with the teachers in the picture are stated in teaching staff list)

Non-Teaching Staff of B. P. Chaliha College, Nagarbera

1st Row (L to R) : J. Thakuria, N. Kalita (U. D.A.) S. Kalita (U.D.A.), N. B. Das (Principal-in-charge), D. Talukdar (Librarian), B. Thakuria (L.D.A.), S. Kalita (L.D.A.), J. Goswami (Lib. Asstt.), K. Kakati (L.D.A)

2nd Row (L to R) : S. Hoque, K. Pathak, R. Kalita, K. Islam, K. Pathak, D. Kalita, K. Kalita, L. Medhi, B. Kalita.

3rd Row (L to R) : S. Das, D. Pathak, T. N. Pathak, P. Kalita. (The names of the absentee employees of non-teaching staff along with the employees in the picture are stated in non-teaching staff list)

Students' Union of B. P. Chaliha College, Nagarbera

Sitting(L to R) :A. Keot (Girls' Common Room), B. R. Talukdar (Social Service), N. C. Kalita (Overall in-charge),
(IN-CHARGES) N. B. Das (President), B. S. Barpujari (Major Games), S. Z. Mollah (Literary), N. N. Dewan (Magazine), A. Thakuria. Standing (L to R) : H. Thakuria (Cultural), N. Islam (Boys' Common Room), G. Soud (A.G.S.), N Hoque (Minor

(SECRETARIES) Games), M. Islam (Social Service), C. Thakuria (Major Games) R. A. Ahmed (G.S.), M. Hussain (Debate & Symp.), A. H. Mondol (Literary), B. Thakuria (Magazine), R. Hoque (Athletics). Not seen in the Photograph (INCHARGES) : A. Hussain (Cultural), B. Borah (Minor Games), B. Kalita (Athletics), S. Kalita (Debate & Symp.), A. Salam (Boys' Com. Room).

VICE-PRESIDENT :S. Pathak, SECRETARY: G. Kalita (Girls' Common Room).

CLICKING SOME GLORIOUS MOMENTS

Eminent Folklorist Dr. Nabin Chandra Sarma is delivering D. P. Saikia Memorial Lecture in Sahitya Divas 2002.

Dr. Kulendu Pathak, V. C. Dibrugarh University is delivering a lecture on the occasion of his falicitation.

Mr. Gopinath Das, M.L.A., President, G. B. is addressing a workshop in Science for Primary Teachers.

Mr. Devajit Bhuyan, State Co-Ordinator, P.C.R.A. addressing the students and staff in a Youth Programme.

Prize Distribution Ceremony of the College Week, 2000-2001, by G. C. Nath, Ex-Principal, Nagarbera H.S. School.

A view of the Cultural Programme of our College Week 2000- 2001

P. C. College inter-class cricket competition 2000-2001

inter-class football competition 2000-2001

শুভেচ্ছা বাণী

ড° কুলেন্দু পাঠক
উপাচার্য
ডিব্রুগড় বিশ্ববিদ্যালয়
ডিব্রুগড়, অসম

বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনীৰ নতুন সংখ্যা ওলাব বুলি গম পাই সুখী হৈছোঁ। মহাবিদ্যালয়ৰ আলোচনীখনে ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্রীৰ আশা-আকাংক্ষা, রুচি, প্রতিভা আদিৰ স্বাক্ষৰ বহন কৰে। সেয়েহে আলোচনীখন সুরুচি পূর্ণ হ'ব লাগে।

মই মহাবিদ্যালয়ৰ সকলো ছাত্র, শিক্ষক আৰু কর্মচাৰীলৈকে মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

ডিব্রুগড়
২২-১১-২০০২

কুলেন্দু পাঠক
উপাচার্য,
ডিব্রুগড় বিশ্ববিদ্যালয়

শুভেচ্ছা বাণী

Sri Gopi Nath Das, MLA
48-Boko(Sc) Constituency
New MLA Hostel, Qr. No. 305
Dispur, Guwahati -6

সত্যমেব জয়তে

Phone : 472254 (R)
228632 (R)

তাৰিখ ঃ ২-১১-০২

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় মোৰ অতিকে আপোন। মোৰ কলেজীয়া শিক্ষাৰ থলী এই মহাবিদ্যালয়ৰ লগত ছাত্ৰ জীৱনৰ পৰাই ঘনিষ্ঠ সম্পৰ্ক। বৰ্ত্তমানেও মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে মহাবিদ্যালয়ৰ সমস্যা সমূহৰ সমাধানত তথা উন্নয়নৰ কামত বিশেষ ভাবে জড়িত হৈ আছোঁ। মহাবিদ্যালযখনৰ সৰ্বতো প্ৰকাৰ উন্নতিৰ প্ৰচেষ্টা অব্যাহত আছে। মোৰ আন্তৰিক ইচ্ছা মহাবিদ্যালয়খনে পূৰ্ণাঙ্গ ৰূপত আত্মপ্ৰকাশ কৰি অধিক সুনামেৰে এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গৌৰৱ ধ্বজা বহন কৰি থাকক।

এই মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী - বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ 'অষ্টম সংখ্যা' বিবিধ সম্ভাৰেৰে প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি সুখী হৈছোঁ। আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সাহিত্য চৰ্চা তথা চিন্তাশীল মনৰ সম্যক পৰিচয় দাঙি ধৰি অঞ্চলটোৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰটো বৰঙণি যোগাব বুলি মই আশাবাদী। ইতি -

শ্ৰীগোপীনাথ দাস

শুভেচ্ছা বাণী

কার্য্যালয়

নগৰবেৰা আঞ্চলিক মৌজা কমিটি

ডাকঘৰ ঃ- নগৰবেৰা, জিলা ঃ- কামৰূপ(অসম)

পিন নং - ৭৮১১২৭ ফোন নং ঃ ৪৫০০৬

প্রতি ,

দিনাঙ্ক ঃ ১২/১২/০২

সম্পাদক

বিমলা প্রসাদ চলিহা মহাবিদ্যালয় আলোচনী, নগৰবেৰা

যোৰা ৯-১২-০২ ইং তাৰিখৰ চিঠিখন পাই সন্তুষ্টি প্রকাশ কৰিলোঁ। মহাবিদ্যালয়খনৰ সৈতে আৰম্ভণিৰ পৰাই নগৰবেৰা আঞ্চলিক ৰাইজ জৰিত হৈ থকাতো কাৰোৱে অবিদিত নহয়। আঞ্চলিক ৰাইজে আশা কৰা মতে বর্ত্তমান যদিও চৰকাৰী ঘাটি মঞ্জুৰি প্রাপ্ত এখন পূর্ণাঙ্গ আৰু আগশাৰীৰ কলেজ, তথাপি কলেজখনৰ লগত ওতঃপ্রোত সম্বন্ধ এৰাৰ মানস ৰাইজৰ নাই। কিন্তু ইয়াৰ মাজতে মাজে সময়ে সমাজৰ সম্পর্কৰ কিছু ত্রুটি বিচ্যুতি হোৱা দেখা যায়; সেইটো নোহোৱা ভাল।

যি হওক কলেজখনৰ ভৰিষ্যৎ সর্বতো প্রকাৰ উন্নয়নৰ আশা ৰাখি চিঠিত উল্লেখ কৰা মতে কলেজৰ অষ্টম সংখ্যা আলোচনীৰ প্রকাশৰ প্রস্তুতি আগবঢ়া বুলি জানিব পাৰি সন্তুষ্টি লাভ কৰিলোঁ। আশাকৰোঁ এই অঞ্চলৰ স্বার্থত সর্বতো প্রকাৰ উন্নয়নৰ কাৰণে ভৰিষ্যতলৈও কার্যসূচী চলাই যোৱাৰ আশাৰে আলোচনীখনৰ প্রতি শুভেচ্ছা প্রদান কৰিলোঁ। ইতি –

ধন্যবাদ সহকাৰে

নগেন্দ্র নাৰায়ণ দাস

সভাপতি

নগৰবেৰা আঞ্চলিক মৌজা কমিটি, নগৰবেৰা

শুভেচ্ছা বাণী

নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা কলেজৰ
শিক্ষাৰ্থীসকলৰ মুখপত্ৰৰ সম্পাদকলৈ।

নগৰবেৰা বিমলা প্ৰসাদ চলিহা কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ এইবছৰৰ মুখপত্ৰখনৰ বাবে মোৰ পৰা 'শুভেচ্ছা মূলক বাণী' এটা লাগে বুলি কলেজখনৰ অধ্যাপক যতীন্দ্ৰ নাথ তালুকদাৰে জনোৱাত এই একেষাৰ লিখি পঠিয়ালোঁ । অসমৰ ঘনবসতি পূৰ্ণ বৃহৎ অঞ্চল এটাৰ অতি গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান এই কলেজখনৰ নাম শুনি আহিছিলোঁ 'দৈনিক অসম'ৰ প্ৰকাশ আৰম্ভ হোৱাৰ পাঁচ -ছবছৰ মানৰ পিছৰ পৰাই । কিন্তু কলেজখনৰ বৈশিষ্ট্য আৰু বৈচিত্ৰ্যৰ বিষয়ে জানিবলৈ পালোঁ তাৰ বহুদিনৰ পিছতহে, অধ্যাপক তালুকদাৰে 'দৈনিক অসম'ত লিখিবলৈ লোৱা সময়ৰ পৰা - তেওঁৰ লগত হোৱা ঘনিষ্ঠতা আৰু কথা-বতৰাৰ মাজত।

শিক্ষানুষ্ঠান একোখন থলৰ জ্ঞান বাহিৰলৈ আৰু বাহিৰৰ বিজ্ঞান থললৈ অহাৰ বাট। গাঁও প্ৰধান অঞ্চল একোটাত শিক্ষানুষ্ঠানে তৰুণ আৰু উদীয়মান প্ৰজন্মৰ যোগেদি আৰু এটা অতি মহৎ কাৰ্য সম্পাদন কৰে আৰু সেইটো হ'ল ঃ অঞ্চলটোৰ সমূহ বাইজক জ্ঞান-বিজ্ঞানৰ পোহৰত নতুন নতুন দৃষ্টি আৰু বীক্ষাৰে সাংস্কৃতিক ভাবে সংগঠিত কৰা।

এই মহৎ কৰ্ম-কাণ্ডৰ মাধ্যম হৈছে শিক্ষানুষ্ঠানৰ মুখপত্ৰখন। আশা কৰিছোঁ ,এই মুখপত্ৰখনে ছাত্ৰ-ছাত্ৰীসকলৰ, লগতে শিক্ষক -শিক্ষয়িত্ৰীসকলৰো, সাংস্কৃতিক ভাবনা প্ৰকাশ কৰি থকাৰ লগতে বৃহৎ অঞ্চলটোৰ সংস্কৃতিৰ সন্তান বাইজকো তেওঁলোকৰ নতুন নতুন ভাবনাৰ সহযাত্ৰী হ'বলৈ অনুপ্ৰাণিত কৰি যাব।

আন্তৰিক শুভেচ্ছাৰে, ইতি ।

অনিল বৰুৱা
প্ৰাক্তন সম্পাদক / দৈনিক অসম
১৬.৯.০২

অসমীয়া বিভাগ ঃ

▶ সুহৃদ বন্ধু শ্বাহ আলমৰ সৌৱৰণত	নুৰ আলম	১১
▶ নগৰবেৰা অঞ্চলৰ ভৌগোলিক পৰিৱেশ আৰু আর্থসামাজিক অৱস্থাঃএটি দৃষ্টিপাত	ড০ ভাৰত কলিতা	১৩
▶ নগৰবেৰা অঞ্চলৰ আর্থ-সামাজিক উন্নয়নত নগৰবেৰা বজাৰৰ ভূমিকা ঃ এটি চমু আলোচনা	ড০ নীলকমল বৰদলৈ, দুলাল দেৱনাথ	১৪
▶ অসমীয়া জাতি গঠনত মহাপুৰুষ শ্রীমন্তশংকৰদেৱ	ছোলেমান সিকদাৰ	১৯
▶ সুউজ্জ্বল প্রতিভাৰ গৰাকী ঃ কৃষ্ণকান্ত সন্দিকৈ	জ্যোতিষ শর্মা	২১
▶ অসমীয়া চুটিগল্পৰ উদয়াচলত মহিলা লেখিকাৰ ভূমিকা	দীপ্তিৰেখা পাঠক মজুমদাৰ	২২
▶ মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত উপভাষাৰ প্রয়োগ ঃ এটি ভাষাতাত্ত্বিক বিশ্লেষণ	নগেন্দ্র নাৰায়ণ দেৱান	২৮
▶ ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসম	আব্দুছ ছামাদ আলী	৩০
▶ বিজ্ঞান, বিজ্ঞান মানসিকতা আৰু সমাজ	সূর্য কলিতা	৩২
▶ পদার্থৰ চতুর্থ অৱস্থা 'প্লাজমা'	নিপুল চন্দ্র শইকীয়া	৩৫
▶ এইড্‌ছ আৰু আমাৰ চিন্তাধাৰা	শ্বহিদুল ইছলাম	৩৯
▶ মনোৰম শিলঙত এভুমুকি	প্রাঞ্জল কলিতা	৪১
▶ আছুতীয়া সাক্ষাৎকাৰত বিশিষ্ট সাহিত্যিক মহিম বৰা	যতীন্দ্র নাথ তালুকদাৰ	৪৪
▶ বিমলা প্রসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ পূর্ব-প্রকাশিত সংখ্যাবোৰ — -এটি দৃষ্টিপাত	অপূর্ব ঠাকুৰীয়া	৪৮
▶ অর্ঘ্য	প্রভাত চক্রৱর্ত্তী	৫১
▶ স্মৃতি	ৰমিছা খাতুন	৫২
▶ নতুন উপলব্ধি	নন্দনীতা পাঠক	৫২
▶ আমাক কৃষ্টি লাগে	কোৰৱান আলী আহমেদ	৫৩
▶ আহা, বগা কপৌ যুৰি বিচাৰি যাওঁ	ৰবিউল হুছাইন	৫৩
▶ বিপ্লৱ	মাধুনী কলিতা	৫৪
▶ এটি ভাল লগা নিশা	সঞ্জিৰ কলিতা	৫৪
▶ জীৱন	কুলদ্বীপ কলিতা	৫৫
▶ ফাগুনৰ প্রথম বতাহজাক	জয়মতী কলিতা	৫৫
▶ মোক এটা শৰৎ দিছিলা তুমি	ৰঞ্জুমণি কলিতা	৫৬
▶ আজিও তোমালৈ মনত পৰে	মোঃ মহিদুল ইচলাম	৫৬
▶ পণ	নীলাঞ্জন কলিতা	৫৭
▶ শেৱালি	চন্দন বনিক্য	৫৭
▶ প্রতিশ্রুতি	চন্দন দাস	৫৭
▶ ছহিদৰ সপোনৰ দেশ	অৰুণজ্যোতি দাস	৫৮
▶ মৰীচিকা	কপিল পাঠক	৫৮
▶ সপোন	হান্নানুল আহমেদ	৫৯
▶ বেদনাৰে ভৰা এপাহ গোলাপ	ৰূপাঞ্জলি মেধি	৫৯
▶ মৰমী নদী	চম্পক কলিতা	৫৯
▶ স্মৃতিৰ দাপোণ	মোঃ মুছা আলী	৬০

▸ অ' বাইজ!	নজমুল হক	৬০
▸ মৃত্যু	আর্জুবাবা বেগম	৬১
▸ হৃদয়ৰ বতৰা	আবুল বাসাৰ আনছাৰী	৬১
▸ ব্যর্থতা	মনোৱাৰ হুছেইন	৬১
▸ জোনাকৰ স'তে লুকাভাকু নেখেলিবা	দিগন্ত বড়া	৬২
▸ এজাক বৰষুণৰ অপেক্ষাত	উৎপল কলিতা	৬২
▸ বসন্ত	শেইখ্ জলুফিক্কাৰ আলী	৬২
▸ সাপ	আবু বক্কৰ ছিদ্দিক	৬৩
▸ বুভুক্ষা	হুছনি আবু চাদ্দাৰ	৬৪
▸ তিমিৰ ফেৰিয়া বাজ	যতীন্দ্র নাথ তালুকদাৰ	৬৬
▸ ব্যর্থ জীৱনৰ ইতিহাস	যুগস্মিতা চৌধুৰী	৬৯
▸ অৱশেষত	ৰিপুঞ্জয় কলিতা	৭২
▸ নিশাৰ আলহী	সুৰভি দাস	৭৬
▸ বিভ্রাট	আব্দুল বাতেন আকন্দ	৭৮
▸ উল্কা	আজমল হক	৭৮
▸ দৃষ্টিভঙ্গী		৭৯
▸ সম্পাদকসকলৰ প্রতিবেদন		৮৩

English Section :

▸ The Global Environment	Umesh Chandra Das,	৯৫
▸ Role of guidance in the empowerment of youth in North EastIndia	Dr. Bibhuti Bhusan Panda	৯৭
▸ Inntellectual Freedom and Compromise	Nirmal Ch. Bhoi	১০০
▸ The Scouting- A part of education	Nirmal Ch. Kalita	১০২
▸ The College Magazine	Md. Akbar Hussain	১০৪
▸ Democracy and Students Politics	Mainul Hoque Akaund	১০৫
▸ The Teacher -Student Mutual Interaction	Godhuli Thakuria	১০৭
▸ Love	Hannanul Ahmed	১০৯
▸ Our Creator	Rahim Ahmed	১০৯
▸ Ecstasy	Mustan Hussain Talukdar	১১০
▸ Our college	Arfan Ali Ahmed	১১০
▸ My love	Ainul Sikdur	১১০
▸ The Rose	Anupama Das	১১১
▸ My Future	Billal Hussain	১১১
▸ Life	Alis Hasan Muktarul Hoque.	১১১
▸ Yet a Smile	Hrushikesh Singh	১১২
▸ List of Faculty Members		১১৩
▸ Governing Body		১১৪
▸ Results of the College Week		১১৫
▸ Results of HS and TDC Examination		১১৭/১১৮

সম্পাদকীয়

মানৱ সভ্যতাৰ অন্তৰালত সাহিত্যই যে এক অবিস্মৰণীয় স্থান দখল কৰি আহিছে তাক ইতিহাসৰ পাত লুটিয়াই চালে বুজিব পাৰি । সাহিত্য এনে এটি কলা যাৰ সৃষ্টি আছে ধ্বংস নাই। সাহিত্যৰ জৰিয়তে কোনো এটা জাতিৰ সভ্যতা, সংস্কৃতি কিমান পুৰণি তাক জানিব পাৰোঁ। সাহিত্যৰ জৰিয়তে কোনো এটা যুগৰ সামাজিক,ৰাজনৈতিক সভ্যতা আদিৰ বিশদভাবে জ্ঞান পাব পাৰোঁ। সাহিত্যৰ জৰিয়তে জীৱশ্ৰেষ্ঠ মানুহে যুগে যুগে নান্দনিক আনন্দ লাভ কৰি আহিছে।

আমি অসমৰ অসমীয়া। নানা জাতি উপজাতি লগ লাগি আমি অসমীয়া জাতি হিচাপে জায়াই আছোঁ। আজি আৰু সেই সোণৰ অসম নাই যি নেকি সুজলা-সুফলা আছিল। চাৰিওপিনে অন্ধকাৰ। বৰ্ত্তমান আমাৰ অস্তিত্ব এক ভয়াবহ পৰিস্থিতিৰ মাজত। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ন ন আবিষ্কাৰে মানুহক এক নতুন পথেৰে পৰিচালিত কৰি আছে। মানুহ স্থূল ভোগ বিলাসত মত্ত হৈ বৰ্ত্তমান অপ সংস্কৃতিৰ কৰাল গ্ৰাসত। মানুহ এই পথৰ পৰা ওলাই অহাত বিশেষ ভাবে অৰিহণা যোগায় সাহিত্যই । এই পৰিস্থিতি নিৰাময় কৰিবলৈ সাহিত্যই বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

মানৱ সভ্যতাই উন্নতিৰ শিখৰত উপস্থিত হৈয়ো সামাজিক, ৰাজনৈতিক,অৰ্থনৈতিক আদি সমস্যাৰোৱৰ পৰা সমাজক মুক্ত কৰিব পৰা নাই। মানুহে নিজকে জীৱশ্ৰেষ্ঠ বুলি দাবী কৰি আহিছে। কিন্তু বৰ্ত্তমান মানুহৰ কাৰ্য-কলাপৰ বিচাৰ কৰি এই কথা ক'ব নোৱাৰি। বৰ্ত্তমান আমাৰ দেশখনৰ পৰিস্থিতি একেবাৰে গম্ভীৰ বিশেষকৈ অসমৰ। বিদেশী শত্ৰুৰ কুটাঘাটমূলক কাৰ্য কলাপ , হত্যা, লুণ্ঠন আদিয়ে সামাজিক জীৱন বিপদাপন্ন কৰি তুলিছে। এনে পৰিস্থিতিত সাহিত্যিকসকলে তেওঁলোকৰ লিখনিৰ জৰিয়তে সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। প্ৰবীণসকলৰ লগতে তৰুণ সকলেও উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। এই সমস্যা বহুল জীৱনত সাহিত্য চৰ্চা এক উত্তম উপায়। সাহিত্যৰ জৰিয়তে মনত এক প্ৰকাৰৰ শান্তি লাভ কৰিব পাৰি। মানসিক উৎকৰ্ষ সাধন কৰিবলৈ হ'লে ছাত্ৰ অবস্থাৰ পৰাই সাহিত্য অধ্যয়ন কৰিব লাগিব।

দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ বিশেষ সুবিধা নাই। ইয়াৰ কাৰণ বহুতো। সাহিত্য চৰ্চাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন নিয়মীয়া নহয়। প্ৰাচীৰ পত্ৰিকা 'ফল্গু', 'প্ৰবাহ' (সাহিত্য কানন),

সোপান (শিক্ষা বিভাগ), প্রাৱন (ভূগোল বিভাগ) আৰু 'সাহিত্য কাননৰ' হাতে লিখা আলোচনী 'প্রতিতি'ৰ যোগেদি সাহিত্য চর্চাৰ সুবিধা আছে। এই পত্রিকা সমূহৰ জৰিয়তে সীমিত সংখ্যক কবিতা, গল্প আদি প্রকাশ কৰিব পৰা যায়। বহুতো ছাত্র-ছাত্রী সাহিত্য চর্চাৰ পৰা বঞ্চিত হয়। এই কাৰণে বার্ষিক আলোচনীখন নিয়মীয়া হোৱাতো নিতান্ত প্রয়োজনীয়।

আলোচনীখনৰ বাবে ছাত্র- ছাত্রী তথা শ্রদ্ধাৰ শিক্ষাগুৰু সকলৰ পৰা বহুতো প্রবন্ধ , গল্প, কবিতা পাইছোঁ। ইয়াৰ উপৰিও বিগত দুবছৰৰ আলোচনীৰ বাবে জমা দিয়া প্রবন্ধ-পাতিৰ পৰাও নির্বাচন কৰা হয়।

নতুন ৰূপেৰে এখন সুন্দৰ আলোচনী প্রকাশ কৰাৰ হেঁপাহ পুহি ৰাখি সম্পাদকৰ গুৰু দায়িত্ব লৈছিলোঁ। প্রথম অৱস্থাত কিছু পৰিমাণে সমস্যাৰ সন্মুখীন হৈছিলোঁ। তত্ত্বাৱধায়ক মাননীয় শ্রীযুত নগেন্দ্র নাৰায়ণ দেৱান ছাৰে মোক সহায় কৰি কাম উজু কৰি দিছিল। দেৱান ছাৰৰ যত্নতে ফাল্গুৰ এটি সংখ্যা প্রকাশ হয়। আলোচনীৰ বাবে যি সম্পাদনা সমিতিৰ প্রয়োজন তাক গঠন কৰোঁতে যথেষ্ট পলম হৈছিল।

আলোচনী প্রকাশৰ ক্ষেত্রত দিহা পৰামর্শ তথা ধনৰ যোগানেৰে সহায় কৰা সম্পাদনা সমিতিৰ সভাপতি তথা অধ্যক্ষ (ভাৰপ্রাপ্ত) মহোদয় শ্রীযুত নিৰোদ ৰঞ্জন দাসদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰি প্রবন্ধ- পাতি চাই ঠিক কৰি দিয়াৰ ক্ষেত্রতসহায় কৰা শ্রদ্ধেয় শ্রীযুত নির্ম্মল চন্দ্র ভোই , শ্রীযুত শ্যামাচৰণ ঠাকুৰীয়া, শ্রীযুতা দীপ্তিৰেখা পাঠক মজুমদাৰ, শ্রীযুত যতীন্দ্র নাথ তালুকদাৰ ,মহঃ আবু বক্কৰ ছিদ্দিক, মহঃ শাহ জামাল মোল্লা আৰু বিশেষ পৰামর্শ দি সহায় কৰা শ্রদ্ধেয় শ্রীযুত উমেশ চন্দ্র দাস আৰু শ্রীযুত নির্ম্মল চন্দ্র কলিতা ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন ক্ষেত্রত বহুমূলীয়া সময় নষ্ট কৰি মোক সহায় কৰা পূজনীয় শিক্ষাগুৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা তত্ত্বাৱধায়ক মাননীয় শ্রীযুত নগেন্দ্র নাৰায়ণ দেৱান ছাৰৰ ওচৰত মই চিৰ ঋণী। মই ছাৰলৈ বিশেষ ভাবে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।মোৰ সমুহ বন্ধু-বান্ধৱ তথা ছাত্র একতা সাধাৰণ সম্পাদক মহঃ ৰজব আলী আহমেদ আৰু সাংস্কৃতিক সম্পাদক শ্রীহিমাংশু ঠাকুৰীয়ালৈ প্রীতি আৰু শলাগ যাচিছোঁ।

শেষত, যিসকল বন্ধু-বান্ধৱ ,ছাত্র-ছাত্রীৰ ইচ্ছাত এই দায়িত্বভাৰ গ্রহণ কৰাৰ সুযোগ পালোঁ সেই সকললৈ মই আন্তৰিক কৃতজ্ঞতা যাচিছোঁ । সম্ভাব্য ভুল-ত্রুটিৰ বাবে ক্ষমা প্রার্থনা কৰি গঠন মূলক সমালোচনা আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

জয়তু বিমলা প্রসাদ চলিহা মহাবিদ্যালয়

ভৈৰৱ ঠাকুৰীয়া

সুহৃদ বন্ধু শ্বাহ আলমৰ সোঁৱৰণত

নূৰ আলম

প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

'মৃত্যু' জীৱনৰ নিষ্ঠুৰতম অন্তিম পৰিঘটনা। প্ৰত্যেকৰে ৰাবে এয়া অৱধাৰিত। আমাৰ আটাইৰে প্ৰিয়, মোৰ সহকৰ্মী বন্ধু শ্বাহ অৰবালমৰ জীৱন ৰেখাও মঁচ খাই গ'ল অকালতে; যোৱা ২৩ জুন ২০০১ তাৰিখ শনিবাৰে।

১৯৫৯ চনৰ জুলাই মাহৰ পহিলা তাৰিখে ৰৰপেটা জিলাৰ খোলাবন্ধা গাঁৱত নিয়ামত আলী মুন্সীৰ ঔৰসত শ্বাহ আলমৰ জন্ম হয়। গাঁৱত প্ৰাথমিক শিক্ষা সমাপ্ত কৰি ১৯৭৪ চনত আলোপতি মাজৰচৰ এম. ই. স্কুলত নামভৰ্তি কৰে। সুখ্যাতিৰে এম. ই. স্কুলৰ শিক্ষা সমাপ্ত কৰি নগৰৰেৰা (বৰ্ত্তমান হায়াৰ ছেকেণ্ডাৰী) হাইস্কুলত নাম ভৰ্ত্তি কৰে। ১৯৭৭ চনত দ্বিতীয় বিভাগত উচ্চ মাধ্যমিক শেহান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ স্থানীয় বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত নামভৰ্ত্তি কৰে। অৰ্থনীতিত সন্মানসহ সুখ্যাতিৰে বি. এ. পাছ কৰি সাময়িকভাৰে খোলাবন্ধা হাইস্কুলত শিক্ষকতা কৰে। পৰৱৰ্ত্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰি ১৯৮৭ চনত সুখ্যাতিৰে এম. এ. ডিগ্ৰী লাভ কৰে। এম. এ. পাছ কৰি মন্দিয়া আঞ্চলিক কলেজত কিছুদিন অধ্যাপনা কৰি নগৰৰেৰা বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অৰ্থনীতিৰ অধ্যাপকৰূপে কৰ্ম জীৱনৰ পাতনি মেলে। সমসাময়িকভাৰে তেখেতে লুইতপৰীয়া কলেজৰ প্ৰতিষ্ঠাপক অবৈতনিক অধ্যক্ষৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰয়াত শ্বাহ আলম অসমৰ সংখ্যালঘু আন্দোলনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকাৰ উপৰি বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল।

শ্বাহ আলম মোৰ বাল্যবন্ধু। ১৯৭৩ চনত মই পঢ়ি থকা আলোপতি নিচানৰ চৰ এম ই স্কুলৰ লগত শ্বাহ আলম অধ্যয়নৰত স্কুলৰ মাজত প্ৰীতি ফুটবল খেল অনুষ্ঠিত হৈছিল। সেই খেলৰ দৰ্শকৰূপে আমাৰ দুয়োৰে প্ৰথম সাক্ষাৎ আৰু পৰিচয়। আমাৰ নামৰ শেহাংশ (আলম)ৰ অভিন্নতাত আমি সেই দিনাৰ পৰা দুয়ো দুয়োকে 'মিত্ৰ' বুলি সম্বোধন কৰিবলৈ লওঁ। এম. ই. স্কুল পাছ কৰি দুয়ো নগৰৰেৰা হাইস্কুলত নামভৰ্ত্তি কৰি একেলগে পঢ়িবলৈ লোৱাত স্বাভাৱিকতেই আমাৰ মিত্ৰতা গাঢ় হয়। মাধ্যমিক শিক্ষা সমাপ্ত কৰি মই সোণতলী উচ্চতৰ মাধ্যমিক স্কুলত পঢ়িবলৈ যাওঁ ; শ্বাহ আলমে নামভৰ্ত্তি কৰে স্থানীয় বিমলা প্ৰসাদ চলিহা কলেজত। দুবছৰ পিছতে স্নাতক শ্ৰেণীত পুনৰ শ্বাহ আলমক সহপাঠী হিচাপে পাওঁ একেখন কলেজতে। চিনাকি হোৱা দিনটোৰ পৰা মৃত্যুৰ মুহূৰ্ত্তলৈকে শ্বাহ আলমৰ লগত মোৰ সম্পৰ্ক আছিল অতি মধুৰ। ছাত্ৰ ইউনিয়ন, সামাজিক সংগঠন আৰু অন্যান্য সাংগঠনিক কাম-কাজত আমি সহমতেৰে আগবাঢ়িছিলোঁ। এনেকি আমাৰ দুয়োৰো ৰাজনৈতিক ভাবাদৰ্শও আছিল অভিন্ন। এসময়ত দক্ষিণ ৰৰপেটাৰ চৰ অঞ্চলৰ জন-জীৱন দুৰ্বিসহ কৰি তোলা এক কুখ্যাত চৰৰ ডকাইতৰ দলক দমন কৰিবলৈ 'দুৰমুজ কমিটি' গঠন কৰি আমি সফলকাম হৈছিলোঁ। শ্বাহ আলম ৰাজনৈতিক পাহপ্ৰদীপলৈ আহে সংখ্যালঘু আন্দোলনৰ সময়ত। সংখ্যালঘু আন্দোলনৰ লগত প্ৰত্যক্ষভাৱে জড়িত হোৱাৰ ফলত তেওঁ এ. এফ. গোলাম ওছমানী (সাংসদ), শান্তিৰঞ্জন দাসগুপ্ত, স্বৰ্গীয় কালিপদ সেন, মৌলনা আব্দুল হক, হাফিজ ৰশিদ চৌধুৰী, আব্দুল হামিদ (সাংসদ), ওৰাজেদ আলী চৌধুৰী (মন্ত্ৰী), শুকুৰ আলী আহমেদ (মন্ত্ৰী), দিলদাৰ ৰেজ্জা (প্ৰাক্তন মন্ত্ৰী), গোপীনাথ দাস (প্ৰাক্তন মন্ত্ৰী), মুক্তাৰ খান (প্ৰাক্তন বিধায়ক), প্ৰয়াত শ্বেইখ সামান আলী (প্ৰাক্তন বিধায়ক), আলী আকবৰ মিঞা (বিধায়ক), প্ৰমুখ্যে বহু

ৰাজনৈতিক নেতাৰ নিকট সান্নিধ্যলৈ আহে। প্ৰশংসনীয় ব্যৱহাৰৰ বাবেই সম্পূৰ্ণ বিপৰীতমুখী ৰাজনৈতিক ভাবধাৰাত অৱস্থান কৰা তদানীন্তন ছাত্ৰ নেতা কেশৰ মহন্ত (প্ৰাক্তন সাংসদ), ৰমেন কলিতা (প্ৰাক্তন মন্ত্ৰী), জয়শ্ৰী মহন্ত (প্ৰাক্তন সাংসদ), হিতেশ ডেকা (প্ৰাক্তন বিধায়ক) ইত্যাদি নেতাসকলৰ লগতো শ্বাহ আলমৰ মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল।

১৯৯১ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত নিযুক্তি লাভ কৰি মই শ্বাহ আলমৰ সহকৰ্মীৰূপে কাম কৰাৰ সুযোগ লাভ কৰোঁ। ফলত আমাৰ বাল্যকালৰ মিত্ৰতাই নতুন ছন্দ বিচাৰি পায়। আমি উভয়ে উভয়ৰ ব্যক্তিগত সমস্যাবাজিৰ সমাধানত নিৰ্ণায়ক সিদ্ধান্ত দিব-ল'ব পাৰিছিলোঁ। শ্বাহ আলম সমাজ জীৱনৰ এজন সৰবহী তথা জনপ্ৰিয় ব্যক্তি আছিল। তেওঁৰ জনপ্ৰিয়তাৰ উমান পাইছিলোঁ ১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনৰ আগমুহূৰ্ত্তত। সেই নিৰ্বাচনত চেঙা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে কংগ্ৰেজ (ই) দলৰ মনোনয়নৰ দাবীদাৰ হৈ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰোঁতে মই তেওঁৰ সহযাত্ৰী আছিলোঁ। তেতিয়াই তেওঁৰ এই বিপুল জনপ্ৰিয়তা মই প্ৰত্যক্ষ কৰিছিলোঁ। মনোনয়ন পোৱাৰ প্ৰবল সম্ভাৱনা থকা স্বত্ত্বেও শেষ মুহূৰ্ত্তত ৰাজনৈতিক মেৰপাকত তেওঁ বঞ্চিত হয় যদিও মনোনীত প্ৰাৰ্থী শুকুৰ আলী আহমেদ (মন্ত্ৰী)ৰ সপক্ষে নিৰ্বাচনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৰাজনৈতিক আদৰ্শবাদীতাৰ পৰিচয় দিছিল।

শ্বাহ আলম আজি আমাৰ মাজত নাই, কিন্তু তেওঁৰ কৰ্মৰাজি, শত্ৰু-মিত্ৰ সকলোৰে লগত হাঁহিমুখে ভাব বিনিময় কৰিব পৰা প্ৰশংসনীয় ব্যক্তিত্ব, আনৰ বিপদত সহায় কৰিবলৈ আগবাঢ়ি যোৱা বিৰল চৰিত্ৰক আমি কেতিয়াও পাহৰিব নোৱাৰিম। ব্যক্তিগতভাৱে মই হেৰুৱাইছোঁ এজন সুহৃদ বন্ধু, কলেজখনে হেৰুৱালে এজন কৃতি শিক্ষক আৰু সুহৃদ বন্ধু সমাজে হেৰুৱালে এজন নিঃস্বাৰ্থ সেৱক। আল্লাই তেওঁৰ ৰূহক চিৰশান্তি দান কৰক।

নগৰবেৰা অঞ্চলৰ ভৌগোলিক পৰিৱেশ আৰু আৰ্থসামাজিক অৱস্থাঃ এটি দৃষ্টিপাত

ড০ ভাৰত কলিতা
প্ৰবক্তা, ভূগোল বিভাগ

উত্তৰে বিশাল ব্ৰহ্মপুত্ৰ। ইয়াৰ দক্ষিণ ফাললৈ ক্ৰমশঃ এক বিস্তৃত প্লাৱন ভূমি। এই প্লাৱন ভূমিৰ দক্ষিণ মুৰত আন এক নৈ নাম জলজলী। পুবৰ পৰা পশ্চিম ফাললৈ বৈ আহি ব্ৰহ্মপুত্ৰৰ এক সুঁতিৰ লগত নগৰবেৰা বজাৰৰ ওচৰত ৰঙ্গ-মিলি পৰিছে। এই দুই নদীৰ মিলন স্থলীতে অৱস্থিত নগৰবেৰা পাহাৰ। এই পাহাৰৰ টিঙৰ পৰা চাৰিওফালে দৃষ্টি ফুৰালে অঞ্চলটোৰ প্ৰাকৃতিক সৌন্দৰ্যৰ এক অপূৰ্ব শোভা চকুত ভাহি উঠে। কৃষি পথাৰ, গাঁও, নদী, বিল আদিৰ অনন্য মনোমুগ্ধকৰ পৰিৱেশ। জলজলী নদীৰ দক্ষিণ ফালে প্ৰায় দহ কিলোমিটাৰ জুৰি এই বিস্তৃত আদ্ৰভূমি। পিজুপাৰা, হেকৰা, মন্দিৰা আদি বিলবোৰ ইয়াতেই অৱস্থিত। এই অঞ্চলৰ দক্ষিণ-পশ্চিম ফালে গোৱালপাৰা জিলাৰ সীমাত অৱস্থিত নাইটবাৰ-চৌতাৰা জলাহভূমি। ইয়াৰ উপৰিও দেওশীলা, খামেৰী, কৰৈনে আদি অনেক সৰু সৰু নৈ আৰু অসংখ্য প্ৰাকৃতিক খাল বিলেৰে গোটেই অঞ্চলটো আৱৰি আছে। প্লাৱনভূমি আৰু আদ্ৰভূমিৰে আবৃত বাৰিষা অহৰহ বন্যা বিধৌত — এয়াই নগৰবেৰা অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ।

১৩০ বৰ্গ কিলোমিটাৰ এলেকা আৱৰি থকা ২৪ খন গাঁৱেৰে গঠিত নগৰবেৰা মৌজাৰ ভৌগলিক পৰিৱেশ জিলাখনৰ আন ঠাইৰ পৰা কিছু পৃথক। কামৰূপ জিলাৰ একেবাৰে পশ্চিম কোণত আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা প্ৰায় ২৫ কিঃ মিঃ দূৰৈত অৱস্থিত। প্ৰায় চাৰিওপিনে নদী আৰু আদ্ৰভূমিৰে পৰিৱেষ্টিত বাবে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা বৰ্হিজগতৰ লগত অতি ক্ষীণ। সাধাৰণতে কোনো এটা অঞ্চলৰ আৰ্থসামাজিক অৱস্থাৰ উন্নতি অঞ্চলটোৰ ভৌগলিক পৰিৱেশৰ লগত ওতঃপ্ৰোত ভাবে জড়িত। আৰ্থ সামাজিক অৱস্থা বুলিলে আকৌ অঞ্চলটোৰ জনবসতি, জনসংখ্যা বৃদ্ধি, যাতায়তৰ সা-সুবিধা, শিক্ষা ব্যৱস্থা বা অন্যান্য আন্তঃ গাঁথনিৰ সা-সুবিধাবোৰৰ কথাও আহি পৰে। ১৯৯১ চনৰ লোক পিয়ল অনুসৰি নগৰবেৰা মৌজাৰ জনসংখ্যা ৪৬,৫০৩ জন। ১৯৭১ ৰ পৰা ১৯৯১ লৈ ইয়াৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ শতকৰা ৮০.৭৪ জন। আনহাতে এই একে সময়তে সমগ্ৰ অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হয় শতকৰা ৫৩.২৬ জন। গতিকে পৰিসংখ্যা অনুসৰি অঞ্চলটোত জনসংখ্যাৰ বৃদ্ধিয়ে ভয়াবহ ৰূপ ধাৰণ কৰা বুলি অনুমান কৰিব পাৰি। আকৌ ১৯৭১ চনৰ জনসংখ্যাৰ ঘনত্ব ১৯৮ জনৰ বিপৰীতে ১৯৯১ চনত এই ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ৩৫৮ জন হয়গৈ। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত অঞ্চলটোত থকা এসময়ৰ প্ৰাকৃতিক ঘাঁহনি সমূহৰ সম্পূৰ্ণ অবলুপ্তি ঘটিল, আনকি ইয়াত থকা আদ্ৰেভূমি সমূহত মানুহৰ হেঁচা পৰিল। ফলত অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশৰ দ্ৰুত অৱক্ষয় আৰম্ভ হৈ পৰিল। কৃষি ভূমিৰ ওপৰত জনসংখ্যাৰ অত্যন্ত হেঁচা আৰম্ভ হ'ল আৰু ইয়াৰ ফলত কৃষি প্ৰধান এই অঞ্চলটোৰ জনসাধাৰণৰ আৰ্থিক দিশতো প্ৰচুৰ প্ৰভাৱ পেলালে।

শিক্ষা তথা অন্যান্য আন্তঃ গাঁথনিৰ ক্ষেত্ৰতো অঞ্চলটো ৰাজ্যখনৰ আন ঠাইতকৈ যথেষ্ট পিচপৰা। অসমৰ গড় স্বাক্ষৰতাৰ হাৰ শতকৰা ৫২.২০ জনৰ বিপৰীতে ইয়াত মাত্ৰ শতকৰা ২৮.৬১ জন লোকহে স্বাক্ষৰ। যোগাযোগৰ ফালৰ পৰাও অঞ্চলটো বৰ অনগ্ৰসৰ হৈ আছে। ভৌগলিক পৰিৱেশেই এই ক্ষেত্ৰত বহু পৰিমাণে দায়ী। সমগ্ৰ মৌজাখনতেই মাত্ৰ ৪৫.১ কিঃ মিঃ দৈৰ্ঘৰ আলি-পদুলি আছে। তাৰো বেছি অংশই যাতায়তৰ বাবে যথাযোগ্য নহয়। নগৰবেৰা বজাৰখনেই অঞ্চলটোৰ একমাত্ৰ প্ৰাণ কেন্দ্ৰ যদিও বহু ক্ষেত্ৰত ইয়াত থকা সা-সুবিধা খিনিও সীমিত। মুঠতে আৰ্থ সামাজিক অনগ্ৰসৰতাৰ বাবে নগৰবেৰা অঞ্চলৰ ভৌগলিক পৰিৱেশ আৰু দীৰ্ঘদিনীয়া বঞ্চনাই অন্যতম প্ৰধান কাৰণ বুলি চিহ্নিত কৰিব পাৰি।

প্ৰসঙ্গ পুথি ঃ

Kalita Bharat : 1995 : Problems and Prospects of Socio-Economic Development of Lower Kulsi Basin in Assam, Ph. D. Thesis, G.U.

নগৰবেৰা অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নত নগৰবেৰা বজাৰৰ ভূমিকা ঃ এটি চমু আলোচনা

ড° নীলকমল বৰদলৈ,
দুলাল দেৱনাথ
প্ৰবক্তা, ভূগোল বিভাগ,

ভূমিকা ঃ

এইটো জনাজাত কথা যে বজাৰ এখন একোটা অঞ্চলৰ বাবে প্ৰাণকেন্দ্ৰস্বৰূপ। অৰ্থনৈতিক লেনদেন, ব্যৱসায়-বাণিজ্য, উৎপাদিত সামগ্ৰীৰ বেচা-কিনাৰ কেন্দ্ৰ হিচাপে বজাৰখনে কাম কৰে। তদুপৰি ৰাজহুৱা প্ৰচাৰ, মানুহৰ মাজত বিভিন্ন যোগাযোগৰ থলী তথা সাংস্কৃতিক কেন্দ্ৰ হিচাপেও বজাৰে কাম কৰে। পুখুৰীৰ পানীৰ মাজত শিলগুটি দলিয়াই দিলে চৌদিশে ঢৌ বিয়পি পৰাৰ দৰে বজাৰৰ পৰাই চৌদিশে বিয়পি যায় খবৰ। মানুহৰ প্ৰয়োজনীয় চাহিদা পুৰণৰ বাবে বজাৰ এখন গঢ় লৈ উঠে। সাধাৰণতে যোগাযোগৰ সংযোগস্থলত বা সুচল ঠাইত বজাৰ গঢ়ি উঠে। ধৰ্মানুষ্ঠান, শিক্ষাকেন্দ্ৰ, প্ৰশাসনিক কেন্দ্ৰ, উদ্যোগ কেন্দ্ৰ আদিৰ লগতে জনবসতি গঢ়ি উঠে বজাৰ। কিছুমান বজাৰ পৰিকল্পিতভাবে গঢ়ি তোলা হয়। পুৰণা দিনৰ গ্ৰামাঞ্চলৰ বজাৰ গঢ়ি উঠিছিল স্বাভাৰিকভাবে। মুঠতে যোগাযোগৰ সুচল ঠাইতে গঢ়ি উঠে বজাৰ। একোটা অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নত বজাৰে অৱধাৰিতভাৱেই বিশেষ অৰিহণা যোগায় আৰু অঞ্চলটোৰ আৰ্থ-সামাজিক, সাংস্কৃতিক মনৰ আভাসো বজাৰখনৰ মাজতেই প্ৰতিফলিত হয়।

নগৰবেৰা অঞ্চলটো ঃ

দক্ষিণ কামৰূপৰ একেবাৰে উত্তৰ-পশ্চিম প্ৰান্তৰ কামৰূপ, গোৱালপাৰা আৰু বৰপেটা জিলাৰ সংযোগস্থলত এই অঞ্চলটো অৱস্থিত। গুৱাহাটী মহানগৰীৰ পৰা ঠাইখনৰ দূৰত্ব মন্দিৰা-হেকৰা হৈ প্ৰায় এশ কিঃ মিঃ। ভৌগোলিক অৱস্থান হ'ল ৯০°৫৭′ - ৯১°৪′ পূব দ্ৰাঘিমাংশ আৰু ২৬°৩′ - ২৬°৮′ উত্তৰ অক্ষাংশৰ ভিতৰত। নগৰবেৰা গাঁৱিক কেন্দ্ৰ কৰি আশ-পাশৰ শগুণবাহী, মেধিপাৰা, মালঞ্চা, কালুবাৰী, পলাহৰটাৰী, নাইটৰ, জামলাই, পিজুপাৰা, দোকুছি, ভখুৰাদিয়া, ৰঙ্গেশ্বৰী, টুপামাৰীকে ধৰি পোন্ধৰ-ষোলখন ৰাজহ গাওঁ অঞ্চলটোৱে সামৰি লৈছে।

ব্ৰহ্মপুত্ৰৰ নামনিভাগৰ প্লাৱনভূমিত অৱস্থিত অঞ্চলটো খাল-বিলেৰে পূৰ্ণ আৰু বান অধ্যুষিত। অঞ্চলটোৰ মাজেৰে মেঘালয়ৰ পৰা উদ্ভূত জলজলী নৈ প্ৰবাহিত হৈছে আৰু অঞ্চলটোত থকা নগৰবেৰা পাহাৰৰ (১৬৭মিঃ) পশ্চিম দাঁতিয়েদি ব্ৰহ্মপুত্ৰৰ সুঁতিৰ লগত মিলিছে। জলজলীৰ এক শাখা কৰনৈ বৈ জলজলীৰ লগত বজাৰৰ ওচৰতে মিলিত হৈছে। এই ত্ৰি জলধাৰাই বজাৰৰ ওচৰত এক মনোৰম নদী বন্দৰৰ সৃষ্টি কৰিছে। বাৰিষা কালত সমুদ্ৰ সদৃশ জলৰাশিয়ে নয়নাভিৰাম দৃশ্যৰ সৃষ্টি কৰে। জলজলীৰ পূব ভাগত পলসুৱা মাটি আৰু পশ্চিমভাগত ঘাইকৈ ৰঙা আলতীয়া মাটিৰ প্ৰাধান্য দেখা যায়। অনেক সৰু-বৰ বিলত ক'লা বৰণৰ সাৰুৱা পিতনি মাটি আছে। জলজলীৰ পশ্চিমাংশ যথেষ্ট ওখোৱা মোখোৱা।

মূলত কৃষিজীৱী অঞ্চলটোৰ মাটি কালি প্ৰায় ১১৫০০ হেক্টৰ আৰু জনসংখ্যা চল্লিশ হাজাৰৰো অধিক হ'ব। চাৰিশ বছৰৰো আগৰ সেৱেঙা জনবসতিৰ প্ৰমাণ থকা অঞ্চলটোত সোতৰশ শতিকাৰ প্ৰাকৃতিক দুৰ্যোগৰ বাবে বেছিভাগ লোক ভাগি যোৱাৰ সাক্ষ্য পোৱা যায়। পুনৰ ১৮৯৭ চনৰ বৰ ভূঁইকপৰ পিচত বৰপেটা জিলাৰ বহুবি, তাৰাবাৰী আদিৰ পৰা জনস্ৰোত বয় আৰু প্লাৱনমুক্ত এলেকাত বসতি কৰে। তদুপৰি স্বাধীনতাৰ আগে পিছে বৰ্ত্তমান বাংলাদেশৰ পৰা প্ৰব্ৰজিত ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু লোকসকল অঞ্চলটোত বসতি কৰে। তাহানিৰ হাবি-জঙঘল, জলাহ, পিতনি, বনৰীয়া জীৱ-জন্তু, মাছ-কাছেৰে পূৰ্ণ অঞ্চলটো এতিয়া জনাকীৰ্ণ। বৰ্ত্তমানে খিলঞ্জীয়া, ধৰ্মীয় সংখ্যালঘু আৰু ভাষিক সংখ্যালঘুৰ সংখ্যা যথাক্ৰমে প্ৰায় চৌৱিশ, ছয়ষষ্ঠি আৰু দহ শতাংশ হ'ব। এইখিনিতে উল্লেখযোগ্য যে নগৰবেৰা বজাৰৰ উত্তৰ দিশৰ বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰ আলোপতি মাজৰচৰ আদি

এক বিস্তৃত এলেকাৰ জনসমষ্টিত অঞ্চলটোৰ লগত ওতঃপ্রোতভাবে জড়িত। বজাৰ এলেকাত নগণ্য সংখ্যক মাৰোৱাৰী, বিহাৰী লোকো আছে।

বজাৰখনৰ গঠন ঃ

নগৰবেৰা অঞ্চলটোৰ উন্নয়নৰ বাবে উনৈশ শতিকাৰ শেষৰ দশকত চিন্তাশীল ব্যক্তিসকলৰ দ্বাৰা গঠিত হৈছিল-পৰগণীয়া সমাজ ব্যৱস্থা (ছমৰীয়া পৰগণা)। এই সমাজৰ নেতৃত্বত ১৯০৬ চনত উল্লিখিত নদীবন্দৰৰ সমীপত হাট বহিছিল। সেই সময়ত অঞ্চলটোত আজিৰ দৰে ৰাস্তা-ঘাট নাছিল। ব্ৰহ্মপুত্ৰ, জলজলি, কৰৈনে আদিৰ জলপথেই আছিল যাতায়তৰ সুন্দৰ মাধ্যম। আজিও এই জলপথৰ গুৰুত্ব কমা নাই। এই হাট কালক্ৰমত বজাৰলৈ ৰূপান্তৰিত হয় আৰু ১৯৪৮ চনত নগৰবেৰাৰ সমাজকৰ্মী স্বৰ্গীয় পদ্মলোচন চৌধুৰী (মৌজাদাৰ) আৰু একেই গাঁৱৰ মণ্ডলপাৰাৰ মৰহুম আলফাজউদ্দিন আহমদক যথাক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে আঞ্চলিক ভিত্তিত প্ৰথম বজাৰ কমিটি গঠিত হৈছিল। প্ৰাসঙ্গিকভাবে এই কথা উনকিওৱা প্ৰয়োজন যে অঞ্চলটোৰ সকলো অনুষ্ঠান, প্ৰতিষ্ঠানৰ জন্মৰ গুৰি ধৰোঁতা ১৯২৩ চনত গঠিত হোৱা আঞ্চলিক মৌজা কমিটিয়েই এই বজাৰ সৃষ্টিৰো গুৰি ধৰোঁতা।

বজাৰখন, ইয়াৰ অতীত আৰু বৰ্ত্তমান ঃ

নগৰবেৰা বজাৰখন নগৰবেৰা গাঁৱৰ পুবৰ একাংশ আৰু দোকুছি গাঁৱৰ পশ্চিমফালৰ এক ক্ষুদ্ৰাংশ সামৰি গঢ়ি উঠিছে। বজাৰ এলেকাই এতিয়া চহৰলৈ উন্নীত হোৱাৰ পথত অগ্ৰসৰ হৈছে। বৰ্ত্তমান ইয়াৰ চাৰিসীমা বুলিলে উত্তৰে জলজলী নৈ, দক্ষিণে কৰৈনে, আঞ্চলিক তৰুণ সংঘ, পুবে দোকুছি গাঁও আৰু পশ্চিমে নগৰবেৰা গাঁও আছে। বজাৰৰ নামত আবন্টিত মাটিৰ পৰিমাণ পাঁচ বিঘাৰ কিছু বেছি যদিও বজাৰ সংলগ্ন ব্যক্তিগত লোকৰ মাটিত ব্যৱসায়িক উদ্দেশ্যত নিৰ্মিত ঘৰ-দুৱাৰ, চৰকাৰী মাটিত গঢ়ি উঠা প্ৰতিষ্ঠানসহ বৰ্ত্তমনে এশ বিঘাৰো ওপৰ এলেকা ই বিস্তৃত হৈছে। মূল ব্যৱসায়িক কেন্দ্ৰৰ পৰিসৰ প্ৰায় ত্ৰিশ বিঘাৰো অধিক হ'ব। এই কেন্দ্ৰৰ পুবে কৰৈনে প্ৰবাহিত হৈছে আৰু দক্ষিণফালে আছে গড়কাপ্তানি পথটো। সময়ৰ লগে লগে বজাৰ এলেকা পুব, দক্ষিণ আৰু পশ্চিমফালে সম্প্ৰসাৰিত হৈ আছে। বজাৰখন অৰ্ধসাপ্তাহিক। প্ৰতি সপ্তাহৰ মঙ্গলবাৰ আৰু শনিবাৰে বহে। দৈনিক বজাৰখন ১৯৬০ চনৰ পৰা আৰম্ভ হয়। শনিবৰীয়া বজাৰখন আটাইতকৈ ডাঙৰ।

বজাৰখনৰ অতীত আৰু বৰ্ত্তমানৰ কথা আলোচনাৰ ক্ষেত্ৰত ১৯৭৯ চনৰ বিদেশী বিতাড়ন আন্দোলনৰ প্ৰাসঙ্গিকতা আছি পৰে। উক্ত সময়ৰ পৰা বজাৰখনলৈ অহা উৎপাদিত সামগ্ৰীৰ আমদানি ৰপ্তানিৰ পৰিমাণৰ লগতে জন সমাগমো যথেষ্ট হ্ৰাস পায়। অৱশ্যে অঞ্চলটোৰ দুৱাৰমুখস্বৰূপ বজাৰখনৰ গুৰুত্ব এতিয়াও অনস্বীকাৰ্য। অঞ্চলটোৰ ৰাইজৰ নিত্য প্ৰয়োজনীয় সা-সামগ্ৰীৰ অধিকাংশ এই বজাৰৰ মাজেৰেই সৰবৰাহ হয়।

তথ্যমতে নগৰেৰা বজাৰখন আছিল অবিভক্ত-কামৰূপ জিলাৰ দ্বিতীয় বৃহত্তম বজাৰ প্ৰথম স্থানত গোৰেশ্বৰ বজাৰ। উল্লিখিত চনৰ পিচত এই বজাৰ ভাণ্ডি উত্তৰ পশ্চিমে জলজলিৰ সিপাৰে বৰপেটা জিলাত সম্পূৰ্ণ নতুনকৈ আলোপতি - মাজৰচৰ, উত্তৰ পুবত একেই জিলাৰ আণ্ডাভাঙা, অঞ্চলটোৰ দক্ষিণে জামলাই, কল্যাণপুৰ আদি বজাৰ নতুনকৈ গঠন হয় আৰু পশ্চিমৰ গোৱালপাৰা জিলাৰ শিমলীতোলা, সুতাৰপাৰা, অঞ্চলটোৰ পুবৰ টুপামাৰী আদি সৰু বজাৰ কেইখনৰ কলেৱৰ যথেষ্ট বৃদ্ধি পায়।

নগৰবেৰা বজাৰলৈ অঞ্চলটো আৰু ইয়াৰ চৌপাশৰ এলেকা সোণতলী, ছমৰীয়া, মালিবাৰী, হেকৰা, গোৱালপাৰা জিলাৰ ধুপধৰা, টিপলাই,ধনতোলা, শিমলীতোলা, আমবাৰী, পদুমপাৰা, বৰপেটা জিলাৰ বহৰি, ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ এক বিস্তৃত এলেকাৰ পৰা বেচা-কিনাৰ বাবে লোক আহিছিল। সুদূৰ ধুবুৰী, গোৱালপাৰা, গুৱাহাটী, খাৰুপেটীয়া আদিৰ পৰা বেপাৰী শ্ৰেণী আহিছিল ধান, মাহ, সৰিয়হ, গৰু, ছাগলী, হাঁহ, পাৰ, কুকুৰা, কণী, খেৰ, বাঁহ আদি কিনিবলৈ। আনকি বৰ্ত্তমানৰ উদ্যোগপতি বিৰলা, ডালমিয়াও আহিছিল এই বজাৰলৈ বস্তু কিনাৰ বাবে।

শনিবাৰৰ বজাৰখন আছিল বৃহৎ। শুক্ৰবাৰৰ পৰাই সৰু বৰ বেপাৰী সকলে তেওঁলোকৰ বেহানিৰ বাবে বজাৰত স্থান দখল আৰম্ভ কৰিছিল। এই বজাৰ ৰবিবাৰলৈকে চলিছিল। লোকে লোকাৰণ্য বজাৰত বিৰ দি বাট পাবলৈ নাছিল। প্ৰায় পঁচিশ ত্ৰিশ হাজাৰ লোকৰ সমাগম হৈছিল। বহু দূৰলৈকে শুনা গৈছিল কোলাহল। তাৰবাবেই শনিবাৰে ওচৰৰ স্কুল ৰাতিপুৱা সাত বজাত বহি দহ বজাত ছুটী দিয়া হৈছিল। কৃষকসকল আহিছিল তেওঁলোকৰ উৎপাদিত সামগ্ৰী লৈ আৰু অস্থায়ী ক্ষুদ্ৰ বেপাৰী, দোকানী পোহাৰীয়ে কাপোৰ-কানি, জোতা-চেণ্ডেল, মনিহাৰী বস্তু, আলু, পিয়াজ, মা-মছলা, চিৰা, মুড়ি, পকা মিঠৈ, কুটীৰ শিল্পজাত সামগ্ৰীৰ বেহানিলৈ। বজৰখনে সৃষ্টি কৰিছিল এক মধ্যভোগী শ্ৰেণী, ক্ষুদ্ৰ ব্যৱসায়ী শ্ৰেণী, শ্ৰমিক শ্ৰেণীৰ। বজাৰৰ মূল লেনদেনৰ

গুৰি ধৰছিল মাৰোৱাৰী আৰু কিছু স্থানীয় অসমীয়া লোকে। ১৯৫৬ - ৫৭ চনৰ আগলৈ ব্ৰহ্মপুত্ৰৰ বান প্ৰতিৰোধৰ বাবে মথাউৰি নসজালৈকে বাৰিষাকালি বজাৰ এলেকা পানীত বুৰ গৈছিল। তেতিয়া পশ্চিমৰ ফৰেষ্ট অফিচৰ ওখ ঠাইলৈ বজাৰ স্থানান্তৰিত হৈছিল। সেই সময়ত অঞ্চল নিবাসী বাইজৰ প্ৰায় ঘৰে ঘৰে নাও আছিল। মঙ্গলবাৰৰ বজাৰখন তুলনামূলক ভাৱে শনিবৰীয়া বজাৰখনতকৈ তেতিয়াও সৰু আৰু এতিয়াও সৰু হয়।

বজাৰখনত অতীত আৰু বৰ্তমানে লেনদেন হোৱা কেইবিধমান কৃষিজাত সামগ্ৰীৰ পৰিমানগত পৰিসংখ্যা

সামগ্ৰীৰ নাম	*১৯৭৯ চনৰ আগলৈ*	*১৯৭৯ চনৰ পিচত*
মৰাপাট	২/২.৫ লাখ	২০/২৫ হাজাৰ
ধান	৩০/৪০ হাজাৰ	৬/৭ ,,
সৰিয়হ	৭০/৮০ ,,	১৫/১৮ ,,
মাটিমাহ	৯/১০ ,,	২ ,,
ধনীয়া	২০/২৫ ,,	৫/৬ ,,
গম	১৫/২০ ,,	১৫/১৮ ,,

মোনৰ হিচাপত ওপৰত উল্লেখ কৰা হ'ল -

নগৰবেৰা অঞ্চলত এসময়ত মাছ-গাখীৰ উৎভেনদী আছিল। প্ৰতিদিনে ট্ৰাকেৰে মাছ বাহিৰলৈ গৈছিল। শুকান মাছো যথেষ্ট ৰপ্তানি হৈছিল। জনসংখ্যা বৃদ্ধিৰ লগে লগে খাল বিলৰ সংকোচন, মাছ মৰাৰ কু-পদ্ধতি, চৰণীয়া পথাৰৰ অভাৱৰ বাবে মাছ গাখীৰৰ সেই আমদানি আজি আৰু নাই। তিনি চাৰিমোন মাছহে প্ৰতিদিনে বজাৰত উঠে। পৰিস্থিতি এনেকুৱা চালানি মাছ বজাৰলৈ আনিব লগা হৈছে। স্কোৱাছ, পটল আদি পাচলি বেপাৰীয়ে বাহিৰৰ পৰা এতিয়া আনে সময় বিশেষে। পূৰ্বৰ দৰে বজাৰখনত এতিয়া সমাগম নহয়। দূৰৰ লোক কম পৰিমাণ বজাৰ কৰিবলৈ আহে। কিনা-বেচাৰ বাবে অহা উৎপাদিত সামগ্ৰীৰ পৰিমাণো কমিছে। তথাপি গৰু, ছাগলীৰ বাহিৰে অন্যান্য সামগ্ৰী সমূহৰ আমদানি আৰু ৰপ্তানি পূৰ্বৰ দৰেই হৈ আছে। অস্থায়ী ক্ষুদ্ৰ ব্যৱসায়ীৰ দলো আহে তেওঁলোকৰ বেহানি লৈ। গোৱালপাৰা, ধুবুৰী, বহৰি, গুৱাহাটীৰ পৰা অঞ্চলটোৰ বাইজৰ প্ৰয়োজনীয় সামগ্ৰী এই বজাৰৰ মাজেৰেই সৰবৰাহ হয়।

সি যি নহওক বৰ্ত্তমানে বজাৰ এলেকাত স্থায়ীভাবে থকা বিভিন্ন দোকান-পোহাৰৰ এক খতিয়ান দাঙি ধৰা হ'ল-

গেলামাল	২১	কাপোৰ	১০
কাটা কাপোৰ	৮	বেকাৰী	২
হার্ডৱেৰ	৪	ফার্মচী	৮
চাহদোকান	১১	কিতাপ	৭
কমাৰশালি	৬	জোতা-চেণ্ডেল	৮
বিস্কুট	৫	মনোহাৰী	১২
লোহা	৫	আলু-পিয়াঁজ	৪
চাইকেল	৭	পান দোকান	২৬
চেলুন	৬	ধোবা	৪
মুচী	২	লেপ-তুলি	৩
সাৰ	৪	ঘড়ী	৫

চিলভাৰ আৰু অন্যান্য বাচন	৩
মেছিনাৰী	৩
টেন্ট হাউচ	৩
তৰকাৰী	১০
বৰফ কাৰখানা	১
চামৰাৰ বাদ্য	১
তেল ডিপো	১
ফটো ষ্টুডিও	৩
সোণাৰী	৭
হোটেল	৩
হলাৰ মিল	২
ফটোষ্টেট	২
মাংস	১
টিভি, ৰেডিও মেৰামতি আৰু বিক্রী	৩

তদুপৰি অন্যান্য সৰু সুৰা দোকান দৈনিক বজাৰত বহে।

বজাৰৰ প্রশাসনিক দিশ ঃ

ইতিমধ্যে উল্লেখ কৰা হৈছে যে, ১৯৪৮ চনত আঞ্চলিক ভিত্তিত বজাৰ কমিটিখন গঠিত হয়। দুজন উপদেষ্টাসহ কমিটিখন পোন্ধৰজনীয়া। বজাৰ কমিটি গঠন হোৱাৰ আগলৈকে আঞ্চলিক মৌজা কমিটিৰ তত্ত্বাবধানতেই বজাৰৰ প্রশাসনিক কার্য চলিছিল। বজাৰৰ মাজত বজাৰ কমিটিৰ নিজা কার্যালয় আছে। বজাৰ শৃঙ্খলা ৰক্ষা কৰা, সমস্যা আৰু উন্নয়নৰ চিন্তা-চর্চা বজাৰ কমিটিয়ে কৰে। বজাৰৰ কৰ-কাটল তোলাৰ তদাৰক কৰে। বজাৰৰ দিনা বিক্রীৰ বাবে অনা বয়-বস্তুৰ কৰ-কাটল তোলাৰ বাবে দক্ষিণে বিমলা প্রসাদ চলিহা মহাবিদ্যালয়, পশ্চিমে নগৰবেৰা থানাৰ আগত, পূবে বজাৰ সংলগ্ন দলঙৰ দোকুছি গাওঁলৈ যোৱা ৰাস্তাৰ সংযোগস্থলত আৰু উত্তৰ দিশে ৰাস মৈদানৰ মুখত লোক নিয়োগ কৰা হয়। কোনো কাজিয়া-পেচাল বা সমস্যাৰ উদ্ভৱ হ'লে বজাৰ কমিটিয়ে হস্তক্ষেপ কৰে। ৰাতি আৰু দিনৰ বাবে দুজন চকীদাৰ, চাফ-চিকুণ কৰাৰ বাবে এজন জামাদাৰ আছে। বজাৰ কমিটিৰ নিজাবৰীয়াকৈ থকা বা-চালি ঘৰ আদিৰ মেৰামতিৰ দায়িত্বৰ উপৰিও বজাৰলৈ বিক্রীৰ বাবে অনা বয়বস্তুৰ ভাগে ভাগে স্থান নিৰূপণ কৰা আদিৰ চোৱা-চিতা বজাৰ কমিটিয়ে কৰে। উদাহৰণ স্বৰূপে কৰনৈৰ পূব পাৰে বাঁহ খেৰৰ বজাৰ, ৰাসমৈদানৰ ফালে হাঁহ, পাৰ, মুৰ্গীৰ বজাৰ, বজাৰৰ পুবফালে ধান, মাহ, সৰিয়হৰ বজাৰ আদি। বা চালিবোৰত অস্থায়ী কাপোৰ, জোতা-চেণ্ডেল আদিৰ ব্যৱসায়ীৰ বাবে নির্দিষ্ট। ১৯৮৬ চনত মাছ বজাৰ আৰু ১৯৯৩-৯৪ চনত তৰি-তৰকাৰী আদিৰ স্থায়ী দোকানৰ বাবে চাৰিখন 'মাকেটিং ছেড' নির্মিত হয়।

কাৰোবাৰ কিবা বয়বস্তু হেৰালে বা অন্য বিষয়ৰ প্রচাৰৰ বাবে বজাৰ কমিটিৰ পক্ষৰ পৰা ঘোষণা দিয়াৰ ব্যৱস্থা আছে। বজাৰৰ ব্যৱসায়ী শ্রেণীয়ে ধান, মৰাপাট আদি জমা ৰখাৰ বাবে ব্যক্তিগত লোকৰ প্রায় পঞ্চাশটাৰো অধিক গুদামঘৰ বজাৰ এলেকাত আছে।

বজাৰ এলেকা আৰু আশে পাশে থকা অনুষ্ঠান-প্রতিষ্ঠান ঃ

বজাৰৰ ভিতৰতেই আছে মৌজা কমিটিৰ কার্যালয়, টুপামাৰী, সোণতলী আৰু বাঘবৰৰ সমবায় কার্যালয়, বজাৰ কমিটিৰ কার্যালয়, মৎস্য ব্যৱসায়ী সম্ভাৰ কার্যালয়, হনুমান মন্দিৰ, নির্মাণৰত কালীমন্দিৰ, কৰনৈৰ পূব পাৰে শিৱ মন্দিৰ, মৌজা কমিটিৰ কার্যালয়ৰ পশ্চিমকাষত ডাঙৰ মছজিদটো। বজাৰৰ পশ্চিমফালে আছে ৰাসমৈদান আৰু ৰাস উৎসৱৰ হোতা ৰাইজৰ আদৰৰ ৰাস কমিটিৰ কার্যালয়, মিলন প্রাথমিক বিদ্যালয়, ইংৰাজী মাধ্যমৰ বিদ্যালয়, নগৰবেৰা চাইন্ডচ্ একাডেমী, পঞ্চায়ত অফিচ, ফৰেষ্ট অফিচ, নির্মীয়মান টেলিফোন একচেঞ্জ কার্যালয়, নবনির্মিত ডাকঘৰ, গড়কাপ্তানী ডাকবঙলা, নগৰবেৰা থানা আদি। বজাৰৰ দক্ষিণফালে আছে চেন্ট্রেলবেঙ্কৰ শাখা, আঞ্চলিক তৰুণ সংঘ, নগৰবেৰা সমবায় সমিতি গৃহ, পূবে একমাত্র প্রেছটো, পিজুপাৰা মহিলা সমবায়, আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ কার্যালয় আদি।

সমস্যা আৰু উন্নয়ন ঃ

নগৰবেৰাৰ যাতায়তৰ দুৰবস্থাৰ লগত উন্নয়নৰ সমস্যাও জড়িত হৈ আছে। ৩৭ নং ৰাষ্ট্রীয় ঘাই পথৰ লগত যুক্ত গড়কাপ্তানী পথ কেইটা পৰিবহনৰ অনুপযোগী হৈ পৰিছে। তিনিটা পথৰ ভিতৰত নগৰবেৰা-ধুপধৰা পথটোৰেহে কোনামতে বর্ত্তমানে গাড়ী - মটৰ চলাচল কৰি আছে। বাৰিষাকালি বাহ চলাচল বন্ধ কৰিবলগীয়া অবস্থা হয়। সি যি নহওক বজাৰৰ পৰা দহ বাৰখন যাত্রীবাহী বাহ প্রতিদিনে গুৱাহাটীলৈ যায়। বাৰিষাকালি বজাৰৰ পৰা বহৰি, তাৰাবাৰী, গোৱালপাৰা, গুৱাহাটী আৰু ধুবুৰীলৈ জলপথেৰে

যন্ত্রচালিত নাৱেৰে যাবৰ ব্যবস্থা আছে। বহৰিলৈ যাবৰ এই ব্যবস্থা প্রতিদিনে আছে যদিও বাকীবোৰ ঠাইলৈ সপ্তাহৰ নির্দিষ্ট দিনতহে এই সেৱা আছে। বহু পুৰণি এই ঠাইখনত এতিয়াহে টেলিফোন সেৱা আৰম্ভ হৈছে।

বজাৰৰ এক বিশেষ সমস্যা হ'ল কৰৰ্নে আৰু জলজলীৰ খহনীয়া। চৰকাৰৰ পৰা খহনীয়া ৰোধ আৰু উন্নয়নৰ বাবে প্রায় চাৰি লক্ষ টকাৰ অনুদান পোৱা হৈছিল যদিও ই যথেষ্ট নহয়। খহনীয়া ৰোধৰ বাবে শিলেৰে পাৰ বন্ধাৰ ব্যবস্থা কৰাটো প্রয়োজন। বজাৰত এতিয়াও পকী ড্রেইন, ষ্ট্রীট লাইট, চেনিটাৰী পায়খানাৰ অভাৱ। বজাৰৰ আৱর্জনা পেলাবৰ বাবে নির্ধাৰিত ঠাই থকা ভাল। বা- চালি ঘৰবোৰৰ উন্নয়ন দৰ্কাৰ। যাত্রীবাহী বাছ আস্থান নোহোৱা বাবে বজাৰৰ কাষত ৰাস্তাৰ ওপৰত দহ বাৰখন বাছ থাকিব লগা হোৱাত সমস্যা হয়। ঠেলা, ৰিক্সা আদিৰ ক্ষেত্রতো এই অসুবিধা হৈ থাকে। বজাৰৰ মাজেৰে কৰনৈৰ পাৰলৈ যোৱা ৰাস্তাটো আৰু বজাৰলৈ সোমোৱা পুৰণি লোকেল বোর্ডৰ ৰাস্তা কেইটাৰ উন্নতি সাধনৰ প্রয়োজন। উৎপাদিত শাক-পাচলিৰ সংৰক্ষণৰ বাবে বজাৰত এটা হিমঘৰ, সাংস্কৃতিক কর্মৰ বাবে সাংস্কৃতিক ভৱন, ৰাজহুৱা সভাঘৰ বজাৰ এলেকাত প্রয়োজন। উৎপাদিত কৃষি সামগ্রীৰ ভিত্তিত বজাৰ এলেকাত ক্ষুদ্র উদ্যোগ গঢ়ি উঠিব পাৰে। তাৰবাবে অৱশ্যে যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ প্রয়োজন আছে।

সামৰণি আৰু মন্তব্য :

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট যে নগৰবেৰা বজাৰখনে অঞ্চলটোৰ আর্থ-সামাজিক উন্নয়নৰ ক্ষেত্রত এক বলিষ্ঠ ভূমিকা পালন কৰি আহিছে। বজাৰৰ আয়ৰ একাংশ স্বাভাৱিকতে অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠান গঢ়ি উঠাৰ ক্ষেত্রত প্রত্যক্ষ আৰু পৰোক্ষভাবে, হলেও নিয়োজিত হৈছে। মজলীয়া এক ব্যবসায়ী শ্রেণীৰ লগতে বিভিন্ন দোকানী পোহাৰী, ক্ষুদ্র ব্যবসায়ী শ্রেণীৰ জীৱিকাৰ বাট মুকলি হৈছে। লগতে ঠেলা, ৰিক্সা চিলাইকর্মী, দোকান-পোহাৰৰ কর্মচাৰীসহ এক বুজন সংখ্যক শ্রমিক বাহিনীৰ জীৱিকাৰ বাটো ওলাইছে। কৃষিজীৱী বাইজে তেওঁলোকৰ উৎপাদিত বস্তু কিছু হ'লেও উপযুক্ত দামত বিক্রীৰ সুযোগ পাইছে। কুটীৰ শিল্পজাত সামগ্রীবোৰ এখন বজাৰ পাইছে। বিভিন্ন ধৰণৰ অর্থনৈতিক লেনদেন, বেঙ্ক সেৱাৰ প্রচলন, সামাজিক, সাংস্কৃতিক আদান প্রদানৰ মাধ্যম হিচাপে বজাৰখনে ভূমিকা পালন কৰি আছে। বিভিন্ন অঞ্চলৰ মানুহৰ মাজত সমন্বয়ক্ষেত্র হিচাপে বজাৰখনে কাম কৰি আছে। যদিও ১৯৭৯ চনৰ পিচত বজাৰখনৰ কলেৱৰ যথেষ্ট সংকুচিত হৈছে অঞ্চলটোৰ দুৱাৰমুখ হিচাপে, জলপথ, স্থলপথৰ সংগমস্থলী হিচাপে বজাৰখনৰ গুৰুত্ব অটুত আছে। অদূৰ ভৱিষ্যতে চহৰমুখী বজাৰখনৰ পুনৰ সম্প্রসাৰণৰ সম্ভাৱনা বৈ আছে। অতি সম্প্রতি বজাৰখনে সন্মুখীন হৈ থকা উল্লিখিত সমস্যা সমূহৰ সমাধানৰ চেষ্টা বজাৰ কমিটিয়ে কৰিব লাগিব। উন্নয়নৰ বাবেও প্রচেষ্টা চলাব লাগিব। বজাৰখনৰ চাফ-চিকুণতাৰ প্রতি বজাৰ কমিটিয়ে আৰু অধিক গুৰুত্ব দিব লাগিব। নগৰবেৰা অঞ্চলৰ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ দাপোণস্বৰূপ বজাৰখনৰ অধিক সম্প্রসাৰণ আৰু বিকাশৰ থল নিশ্চয় আছে।

কৃতজ্ঞতা স্বীকাৰ : বজাৰ কমিটিৰ বর্ত্তমান সভাপতি শ্রীযুত উদয় শঙ্কৰ মেধি প্রমুখ্যে বজাৰ কমিটিৰ সদস্যবৃন্দ।

অসমীয়া জাতি গঠনত মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ

ছেলেমান সিকদাৰ
স্নাতক, তৃতীয় বৰ্ষ

মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ অসমীয়া জাতীয় জীৱনত এজন কেৱল ব্যক্তি নহয়, তেখেত এটা সুমহান জাতীয় প্ৰতিষ্ঠান বিশেষ। অসমীয়া তথা ভাৰতীয় জাতীয় জীৱনৰ এনে এটা দিশ নাই, য'ত মহাপুৰুষে পদক্ষেপ লোৱা নাই। কি ধৰ্ম, কি আচাৰ-নীতি, কি সমাজ, সাহিত্য, কলা, কৃষ্টি, অসমীয়া সামগ্ৰিক জীৱনৰ স্তৰে স্তৰে, কোঁহে কোহেঁ মহাপুৰুষৰ বলিষ্ঠ ব্যক্তিৰ পৰশ ঘটিছিল। দিগন্ত প্ৰসাৰী প্ৰতিভাৰ শাশ্বত প্ৰমূল্যৰ বলত মহাপুৰুষ নিজেও আজি সমুজ্জ্বল হৈ জিলিকি আছে। লগতে অসমীয়া জাতিকো বিশিষ্ট মৰ্যাদাৰে জীয়াই থাকিবলৈ উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰি ৰাখিব পাৰিছে।

তেওঁ অকল ধৰ্ম গুৰু আৰু সংস্কৃতিৰ গুৰুৱেই নহয় সমগ্ৰ অসমীয়া জাতীয় জীৱনৰো গুৰিধৰোঁতা। গুৰুজনাই যি জাতীয় ঐক্যৰ ভেটি বান্ধি থৈ গৈছে সেই আদৰ্শই আমাক অনুপ্ৰেৰণা দি আহিছে আৰু দি থাকিব। অসমীয়া সমাজত যুগ যুগ ধৰি চলি অহা সামাজিক বিশৃংখলতাবোৰ আঁতৰ কৰি এখন নিকা সমাজৰ ভেটি গঠন কৰিবলৈ অসমত এইজনা মহাপুৰুষৰ আবিৰ্ভাৱ হৈছিল। শংকৰদেৱ আছিল সমাজৰ ঐক্যৰ প্ৰতিভূ। পণ্ডিত প্ৰৱৰ প্ৰয়াত বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ ভাষাত — "A Cementing force"

পোন্ধৰ শতিকাৰ সময়ছোৱাত সমাজৰ ৰজা, জমিদাৰ, পৰিষদবৰ্গ আৰু তান্ত্ৰিক সকলেই আছিল ধৰ্ম-কৰ্মৰ প্ৰতিভূ। মন্দিৰত নৰবলি দিয়া হৈছিল আৰু কুমাৰী পূজাৰ আয়োজন কৰা হৈছিল। সাধাৰণ ৰাইজৰ অধিকাৰ বুলিবলৈ একো নাছিল। তেতিয়া শংকৰদেৱে ভাবিছিল সমাজৰ নিষ্পেষিত জনসাধাৰণক স্বাৰ্থ জড়িত কৰলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে অসমীয়া সমাজৰ অস্তিত্ব বিপন্ন হ'ব। সমাজখনৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ বৈষম্য ব্যভিচাৰবোৰ আঁতৰোৱাৰ বাবে ঐকান্তিক নিষ্ঠা আৰু সাধনাৰে বৈষ্ণৱ ধৰ্মৰ সৎ আদৰ্শক সমাজ সংস্কাৰৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল।

জাতি গঠনত মহাপুৰুষ জনাৰ মহৎ কীৰ্তি হৈছে সমাজত সকলো সম্প্ৰদায়ৰ মাজত উদাৰ সাম্য ভাৰ বিস্তাৰ কৰা। তেওঁৰ এই সাম্য ভাৰ আৰু উদাৰ মন্ত্ৰৰ বলতেই অসমীয়া জাতি আজিও ভাৰতবৰ্ষৰ আন প্ৰদেশতকৈ উদাৰ আৰু কু-সংস্কাৰ মুক্ত। মহাত্মা গান্ধীৰ পাঁচশ বছৰৰ পূৰ্বতে শংকৰদেৱে অস্পৃশ্যতাৰ বিৰুদ্ধে সৰল মতবাদ ৰচনা কৰিছিল-

"কুকুৰ শৃগাল গৰ্দভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম"।
"ব্ৰাহ্মণৰ চণ্ডালৰ নিৰিচাকুল
দাতাত চোৰ, যেন দৃষ্টি এক তুল"।।

জাতীয় সংহতি প্ৰতিষ্ঠাৰ বাবে মছুলমান সকলৰ লগতো সু-সম্পৰ্ক গঢ়ি তুলিছিল। সমাজ গঠনৰ বাবেই মহাপুৰুষ জনাই নামঘৰ প্ৰতিষ্ঠা কৰিছিল। বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছে, "ভাওনা ঘৰত সকলোৰে অধিকাৰ আছে, আৰু আছে ধনী দুখীয়া সকলোৰে নিমিত্তে এক কঠ-কুঁহিলাৰ আসন। উপযুক্ত সকলো বৰ্ণৰ লোকেই ভাওনাত ভাও ল'ব পাৰে, সূত্ৰধাৰহে ব্যাখ্যা কৰিব পাৰে, নটুৱা হৈ নাচিব পাৰে, গায়ন হৈ খোল - মৃদংগ বজাব পাৰে। ভাওনা ঘৰে এনেধৰণে অসমীয়া সামাজিক সমতা ৰক্ষা কৰি আহিছে।"

অন্ধকাৰৰ গৰ্ভত পোত যোৱা অসমীয়া সমাজখনক সৰ্বাংগ সুন্দৰ ভাৱে সজাই তুলিবলৈ আৰু সমাজত বাসকৰা লোক সকলক বৈষ্ণৱ ধৰ্ম - তত্ত্ববোৰ সহজে বুজাই দিবৰ বাবে মহাপুৰুষ জনাই সাহিত্যৰ সৃষ্টি কৰিছিল। পৰ্বত-ভৈয়ামৰ সকলো সমাজৰ সম্প্ৰীতিৰ অৰ্থে নগা, মিৰি, মিকিৰ আদি পৰ্বতীয়া জাতিৰ মানুহৰ মাজতো তেৱাই এই ধৰ্ম প্ৰচাৰ কৰি এটা বৃহৎ অসমীয়া জাতি গঢ়াৰ চেষ্টা চলাইছিল। সমাজ গঠনত উপজাতি সমূহৰ ঐক্যৰ ভাৱ যে অতীৱ প্ৰয়োজন, সেই কথা উপলব্ধি কৰি সেই স্ত্ৰী, শুদ্ৰ, চণ্ডাল মুছলমান, নগা, গাৰো, মিকিৰ আদিৰ মাজত থকা বৈষম্যবোৰ আঁতৰাই সমাজত সাম্যৰ জয়ধ্বজা উৰুৱাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

নামঘৰৰ মাজেদি তেওঁ গণতন্ত্ৰৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। শংকৰদেৱ আছিল গণতন্ত্ৰৰ প্ৰথম পূজাৰী। মহত্মা গান্ধীয়ে সমগ্ৰ ভাৰতবৰ্ষৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে আন্দোলন কৰিছিল, কিন্তু সেই গণতন্ত্ৰৰ বীজ সুদূৰ পঞ্চদশ শতিকাতে শংকৰদেৱে অসমৰ মাটিতে সিঁচি থৈ গৈছে নামঘৰৰ মাজেৰে।

অসমীয়া সাহিত্যলৈ তেখেতৰ অৱদান সমূহক গদ্য বা ৰূপ অনুসৰি এইদৰে ভগাব পাৰি কাব্য, ভক্তি তত্ত্ব প্ৰকাশক গ্ৰন্থ, অংকীয়া নাট, অনুবাদ মূলক, ভটিমা, নাম প্ৰসংগ আৰু বৰগীত।

মহাপুৰুষ জনাই ছকুৰি বছৰীয়া কৰ্মময় জীৱনত অসমীয়া জাতিত বৈষ্ণৱ সাহিত্যৰ যোগেদি 'সমতত্ত্ববাদ' স্থাপন কৰিছিল। অৰ্থাৎ ভক্তি মাৰ্গত সকলোৰে অধিকাৰ সমান।

অসমীয়া জাতি গঠনত মহাপুৰুষজনাৰ যি কৃতিত্ব, মহানুভৱতা আৰু বিপ্লৱীয় অৱদান, সি সমসাময়িক ভাৰতৰ আন আন ঠাইৰো ধৰ্ম-কৰ্ম সাধক মহাপুৰুষ সকলৰ তুলনাত বিশেষ বিশেষত্বৰে বিভূষিত। অসমীয়া জাতিত এনে এটি গৃহ নাই যাৰ গৃহত গুৰু জনাৰ আদৰ্শ নাই। শংকৰদেৱ অসমীয়া জাতিৰ গুৰু, অসমীয়া সমাজৰ পিতৃ-

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাহি নাহি আৰ
আমাৰ পৰম গুৰু।।

গুৰুজনাৰ প্ৰতি আমাৰ আন্তৰিক শ্ৰদ্ধা প্ৰদান কৰা হ'ব তেতিয়া, যেতিয়া তেওঁ দি যোৱা পথৰ সন্ধানক বাস্তৱত পৰিণত কৰিব পাৰিম। মহাপুৰুষ জনাৰ জীৱনাদৰ্শৰ প্ৰাসঙ্গিকতা আমাৰ জীৱনৰ প্ৰত্যেকটি স্তৰতে অতি প্ৰয়োজনীয়, তাক গভীৰ ভাৱে উপলব্ধি কৰা সময় নিশ্চয় সমাগত। সেয়েহে মহাপুৰুষ মাধৱদেৱে লিখি থৈ গৈছে-

"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

এটি ঘোষণা ঃ

মহাবিদ্যালয়ৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কোনো কিতাপ, আলোচনী আদিত প্ৰকাশিত আনৰ লেখা নিজৰ নামত প্ৰকাশ কৰাৰ অপচেষ্টা কৰা দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত সম্পাদনা সমিতিয়ে যথেষ্ট সাৱধানতা অৱলম্বন কৰিছে। তথাপিও তেনে লেখা প্ৰকাশিত হোৱা প্ৰমাণিত হ'লে কৰ্তৃপক্ষই শাস্তি প্ৰদানৰ বিহিত ব্যৱস্থা কৰিব। মামলা-মোকৰ্দমাৰ কথা আহিলে সকল কৰোঁতাই সকলো দায়িত্ব গ্ৰহণ কৰিব লাগিব।

— সম্পাদনা সমিতি

সুউজ্জ্বল প্রতিভাৰ গৰাকী ঃ কৃষ্ণকান্ত সন্দিকৈ

জ্যোতিষ শর্মা
স্নাতক, প্রথম বর্ষ (কলা)

অকল অসম তথা ভাৰতবর্ষৰে নহয়, গোটেই বিশ্বৰ দৰবাৰতে নিজ প্রতিভাৰ বলত ভোটা তৰাৰ দৰে উজ্জ্বল হৈ ৰোৱা এটা নাম হ'ল — কৃষ্ণকান্ত সন্দিকৈ। অধ্যবসায়, কর্তব্যনিষ্ঠা তথা পাৰদর্শীতাৰ গুণত আজি আমাৰ মাজত অমৰত্ব লাভ কৰা ব্যক্তি সকলৰ মাজত সন্দিকৈ ডাঙৰীয়া অন্যতম।

হোমেন বৰগোহাঞিয়ে এটা প্রবন্ধত লিখিছিল — "নমস্য বুৰঞ্জীবিদ ড° সূর্য্য কুমাৰ ভূঞাই কোনোবা এটা প্রবন্ধত লিখি থৈ গৈছে যে, যোৱা পাঁচ হাজাৰ বছৰৰ ভিতৰত ভাৰতবর্ষলৈ অসমে মাত্র তিনিজনহে প্রতিনিধি পঠিয়াব পাৰিছে। সেই তিনি জন হ'ল — ভগদত্ত, ভাস্কৰ বর্মন আৰু আনন্দৰাম বৰুৱা। ড° ভূঞাই তেওঁৰ প্রবন্ধটো আৰু কেইবছৰমান পিছত লেখা হ'লে হয়তো কৃষ্ণকান্ত সন্দিকৈৰ নামটোও সেই ক্ষুদ্রাতিক্ষুদ্র তালিকাত যোগ দিব পাৰিলেহেঁতেন।" সন্দিকৈ ডাঙৰীয়াও ভাৰত সভাতেই নহয় বিশ্বসভাতো পণ্ডিত সমাজক চমক খুৱাইছিল। সন্দিকৈ ডাঙৰীয়াৰ জন্ম হৈছিল ১৮৯৮ চনৰ ২০ জুলাইত যোৰহাট জিলাত।

তেওঁ ১৯১৩ চনত যোৰহাট চৰকাৰী বিদ্যালয়ৰ পৰা প্রথম বিভাগত মেট্রিক পাছ কৰে। ১৯১৫ চনত কটন কলেজৰ পৰা প্রথম বিভাগত আই. এ. পাছ কৰে। ইয়াৰ পিছত তেওঁ কলিকতা সংস্কৃত কলেজত নাম ভর্ত্তি কৰে আৰু তাৰ পৰাও প্রথম বিভাগত বি.এ পাছ কৰি ওলাই আহে। সন্দিকৈয়ে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯১৯ চনত সংস্কৃতত প্রথম শ্রেণী লৈ এম. এ পাছ কৰে। পঢ়া জীৱন সিমানতে সমাপ্ত নকৰি তেওঁ ১৯২০ চনত অক্সফোর্ড বিশ্ববিদ্যালয়ত 'ইতিহাস' বিভাগত এম. এ পঢ়িবলৈ যায়। তেওঁৰ শিক্ষা জীৱনলৈ লক্ষ্য কৰিলে আমি সহজে অনুমান কৰিব পাৰোঁ যে, জ্ঞান আহৰণেই যেন সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ একমাত্র লক্ষ্য আছিল।

বিশ্ব সাহিত্যসমূহ তেওঁ সংশ্লিষ্ট বিদেশী ভাষাৰ পোনপটীয়া জ্ঞান আহৰণ কৰিহে অনুবাদ কৰিছিল। তেওঁ সংস্কৃত, পালি, প্রাকৃত, গ্রীক, ফৰাচী জার্মান, লেটিন, কছ, স্পেনিয়, ইংৰাজী আদি ভাষা ভালদৰে জানিছিল। দেশীয় আৰু স্থানীয় ভাষা সমূহৰ ওপৰতো তেওঁৰ দখল আছিল।

সন্দিকৈয়ে বহুবছৰ বিদেশত থাকিলেও তেওঁ নিজস্ব আৰু ভাৰতীয়ত্বক গাহৰি যোৱা নাছিল। এই কথা তেওঁৰ জীৱন সম্পর্কে পর্য্যালোচনা কৰা ব্যক্তিৰ লেখাৰ পৰা বুজিব পাৰি। তেওঁৰ আৰু এটা মন কৰিবলগীয়া কথা, বিশ্ববিশ্রুত হৈয়ো তেওঁ নিজৰ অসমখনতেই থাকিল। ইয়াৰ পৰা তেওঁৰ জন্মভূমিৰ প্রতি থকা শ্রদ্ধা আৰু অগাধ প্রেমৰ বিষয়ে সহজে অনুমান কৰিব পাৰি।

তেওঁ অসমৰ প্রথম বিশ্ববিদ্যালয়খনৰ প্রথম উপাচার্য হিচাপে গুৰি ধৰি দেশৰ এখন আগশাৰীৰ অনুষ্ঠানত পৰিণত কৰিলে। তদুপৰি তেওঁ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ প্রথম অধ্যক্ষ হিচাপে যি অৱদান দিছে, সেয়া আছিল নিজ জন্মস্থানৰ প্রতি উভতিচোৱা আৰু কৃতজ্ঞতাৰ চিন। বিশ্ববিদ্যালয়ৰ উপাচার্য পদত তিনি বছৰীয়া তিনিটা কার্যকাল সমাপ্ত কৰি তেওঁ সম্মানীয় পদৰ পৰা অব্যাহতি লৈছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়লৈ এক মহৎ অৱদান দি থৈ যায়। সেই দান হ'ল তেওঁৰ বহুলাখ টকীয়া নিজৰ পুথিভঁৰালটো। তেওঁ অধ্যয়ন কৰা পুথিৰ জ্ঞানামৃত আনেও গ্রহণ কৰি জ্ঞানেৰে পৰিপুষ্ট হওক, এইটোৱেই নিশ্চয় তেওঁৰ আশা আছিল।

ড° কৃষ্ণ কান্ত সন্দিকৈয়ে ইংৰাজী ভাষাৰ উপৰিও মাতৃ ভাষা অসমীয়াতো তেওঁৰ সাহিত্যৰাজি ৰচনা কৰিছিল। অসমীয়া ভাষাত লিখা তেওঁৰ ৰচনা ৰাজি — (১) প্রবন্ধ কুৰিটা, (২) জীৱন টোকা দুটা, (৩) অশ্রু অঞ্জলি দুটা, (৪) ভাষণ চাৰিটা, (৫) বিবিধ টোকা পাঁচটা, (৬) শিশু সাহিত্য চাৰিটা সাধু আখ্যান, (৭) ভূমিকা চাৰিটা, (৮) কবিতা চাৰিটা, (৯) গান এঘাৰটা। সন্দিকৈ দেৱৰ পুথি কেইখন হৈছে — নৈষধ চৰিত, যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি আৰু সেতুবন্ধন। এই তিনি খন পুথিৰ ওপৰত বিশ্বৰ বহুতো পণ্ডিতে বহুতো আলোচনা আগবঢ়াই সন্দিকৈদেৱৰ অসাধাৰণ প্রতিভাৰ কথা কৃতজ্ঞতাৰে স্বীকাৰ কৰিছে।

সন্দিকৈ দেৱে জীৱনত যিখিনি কৰিলে আৰু পালে, সেইবোৰৰ ভিতৰত হ'ল — জগন্নাথ বৰুৱা কলেজৰ প্রথম অধ্যক্ষ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্রথম উপাচার্য, অসম ছাত্র সম্মিলনৰ সভাপতি, অসম সাহিত্য সভাৰ সভাপতি, অসম সাহিত্য সভাৰ সর্বোচ্চ সম্মান 'সদস্য মহীয়ান', পুনাৰ ডেক্কান কলেজৰ অনাৰেৰী ফেল' সর্বভাৰতীয় প্রাচ্যবিদ্যা সম্মিলনৰ সভাপতি, চেন্নাইত বহা সর্বভাৰতীয় উপাচার্য সকলৰ প্রথম সম্মিলনৰ সভাপতি, পদ্মশ্রী, পদ্মভূষণ, গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ 'ডি লিট' আৰু অসমীয়া ৰচনাৱলীৰ ৰাবে মৰণোত্তৰভাৱে পোৱা সাহিত্য অকাডেমী বঁটা উল্লেখযোগ্য।

তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য পদৰ পৰা অব্যাহতি লোৱাৰ পিছত নিজ জন্মস্থান যোৰহাটৰ ঘৰতে জীৱনৰ অন্তিম সময়লৈকে কটাইছিল।

(সহায় লোৱা হৈছে)

অসমীয়া চুটিগল্পৰ উদয়াচলত মহিলা লেখিকাৰ ভূমিকা

(১৯২৯ ৰ পৰা ১৯৬০ লৈকে)

দীপ্তিৰেখা পাঠক মজুমদাৰ
প্ৰবক্তা, অসমীয়া বিভাগ

অৱতৰণিকা :

আৱহমান কালৰে পৰা সমাজৰ যুগজয়ী পৰিবৰ্তন সাধনত মহিলা সকলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বেদ-বেদান্ত, পুৰাণ আদি ধৰ্মগ্ৰন্থবোৰতো নাৰীৰ শিক্ষা, সংস্কৃতি আদিৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। বৈদিক যুগত বিশ্ববাৰা,ঘোষা অপলা, লোপমুদ্ৰা আদি ঋষিকন্যা সকলে বেদৰ মন্ত্ৰ ৰচনা কৰাৰ দৰে দাৰ্শনিক যুগতো মৈত্ৰেয়ী, লীলাৱতী, খনা আদি মহিলাসকলে ভাৰতভূমি ধন্য আৰু পৱিত্ৰ কৰি থৈ গৈছে। এই প্ৰসংগত গ্ৰীচৰ চেফো, ফ্ৰান্সৰ 'মাৰি অফ্ ফ্ৰান্স' আদি লেখিকাসকলৰ অৱদানো স্মৰণযোগ্য। অৱশ্যে এইটো সঁচা যে সমাজৰ বিভিন্ন সমস্যাত আলোকপাত কৰি এওঁলোকৰ লেখনী আগবঢ়া নাছিল।

সভ্যতাৰ অগ্ৰগতি আৰু আধুনিক জ্ঞান বিজ্ঞানৰ বাঢ়োনমুখী প্ৰগতিয়ে মানৱ মনৰ চিন্তা চৰ্চাৰ উৎকৰ্ষ সাধন কৰিলে। প্ৰচলিত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন হ'ল। লগে লগে সলনি হ'ল নাৰীৰ প্ৰাত্যহিক জীৱনৰ গতিপথ। জীৱনত লাভ কৰা সৰু বৰ অভিজ্ঞতাই এওঁলোকৰ মনৰ দিগন্তও প্ৰশস্ত কৰিলে। গৃহস্থালীৰ এক সংকীৰ্ণ পৰিসৰৰ মাজত নিজস্ব চেতনাক বিসৰ্জন নিদি নাৰী প্ৰগতিৰ পথত থকা কাঁইট আৰু জাৱৰ-জোথৰ আঁতৰাই সকলো ক্ষেত্ৰতে সম-অধিকাৰ লাভ কৰিবলৈ এচাম মহিলা আগবাঢ়ি আহিল। অষ্টাদশ শতিকাত ইংলেণ্ড আৰু ইউৰোপত হোৱা বিপ্লৱৰ ফলস্বৰূপে মহিলাসকলৰ মাজত এই নৱচেতনা জাগ্ৰত হয়। অসমত এই চেতনা জাগ্ৰত হয় ইংৰাজসকলৰ আগমনৰ কিছুবছৰ পিছত। পাশ্চাত্য শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰ অসমৰ সাহিত্য ইতিহাসত এক যুগান্তকাৰী ঘটনা। স্ত্ৰী শিক্ষাৰ প্ৰসাৰ ঘটিল। পুৰুষ সকলৰ দৰে সমাজত বিশেষকৈ ভাষা, সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত অৱিহণা যোগোৱাৰ মানসেৰে এচাম লেখিকা আগবাঢ়ি আহিল। এনে প্ৰচেষ্টাৰ ফলস্বৰূপে স্বাধীনতাৰ পূৰ্ববৰ্তী কালছোৱাত বিভিন্ন আলোচনীৰ পাতত চুটিগল্প লেখিকা কেইগৰাকীমানৰ জন্ম হয়। এই সকল গল্প লেখিকাই গল্প ৰচনাৰ সুযোগ পাইছিল 'আৱাহন' (১৯২৯) ৰ পাতত। আৱাহনৰ সম্পাদক প্ৰমুখ্যে কৰ্মকৰ্তা সকলেও এই বিষয়ত কিছু সহানুভূতিশীল দৃষ্টিভংগী লোৱা যেন অনুমান হয়।

অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশ শতিকাৰ প্ৰথম ভাগত 'ডি লেডিজ মাষ্থলি মিউজিয়াম' কাকতে লেখিকা সকলক আকৰ্ষিত আৰু অনুপ্ৰাণিত কৰিবলৈ তেওঁলোকৰ পৰা যিদৰে লেখা আহ্বান কৰা হৈছিল ঠিক তেনেদৰে আৱাহনেও লেখিকা সকলক গল্প ৰচনাৰ প্ৰতি উৎসাহ উদ্দীপনা যোগোৱাৰ বাবে এচাম নতুন চুটিগল্প লেখিকাৰ জন্ম হৈছিল। অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশত 'আৱাহন'ৰ যুগান্তকাৰী প্ৰভাৱৰ কথা অনস্বীকাৰ্য, আৱাহনে অসমীয়া চুটিগল্প সাহিত্যলৈ এক নৱ সম্ভাৱনাৰ বীজ কঢ়িয়াই আনে। এই সময়ত জন্মলাভ কৰা চুটি গল্প লেখিকা সকলৰ ভিতৰত পৰে- অলকা পটংগীয়া, আৰতী দেৱী, ঊষা দেৱী, কুঞ্জকুমাৰী মহন্ত, চন্দ্ৰ প্ৰভা শইকীয়ানী, চশ্‌মে নুৰজাহান বেগম, জ্ঞানবালা বৰুৱা, দীপান্বিতা চৌধাৰী, দেৱবালা দেৱী, ধনদা দেৱী বৰুৱানী, নিৰ্মলা দেৱী, পদ্মকুমাৰী বৰগোঁহাই, পুণ্যপ্ৰভা দাস, ফুল শইকীয়া, যমুনেশ্বৰী খাটনীয়াৰ, সুধা বৰুৱা আদি।

'আৱাহন'ৰ উপৰিও 'চেতনা' (১৯১৯) 'জয়ন্তী' (১৯৩৬) 'সুৰভি' (১৯৪০) 'ৰৰদৈচিলা' (১৯৩৬) আদিত কেইগৰাকীমান লেখিকাই ছোগা-ছোৱোকাকৈ গল্প ৰচনা কৰিছিল। তেওঁলোকৰ ভিতৰত পৰে- পদ্মা আগৰৱালা, প্ৰতিমা দেৱী, প্ৰণীতা দেৱী, লাৱণ্যপ্ৰভা দেৱী, লতিকা শইকীয়া, সুপ্ৰভা গোস্বামী, স্নেহলতা ভট্টাচাৰ্য আদি।

দ্বিতীয় মহাসমৰৰ (১৯৩৯) লগে লগে দেশজুৰি চলা নানা ধৰণৰ সামাজিক, ৰাজনৈতিক অস্থিৰতাৰ ফলস্বৰূপে সাহিত্য সেৱা কৰা বা আলোচনী, বাতৰি কাকত আদি জীয়াই ৰখাটো সম্ভৱপৰ নাছিল। ১৯৪৩ চনত আৱাহন বন্ধ হোৱাৰ লগে লগে অসমীয়া গল্প সাহিত্যৰ দ্বিতীয় যুগটোৰ অৱসান ঘটিল। ১৯৪৫ চনত যুদ্ধ শেষ হ'ল যদিও আগৰ পৰিৱেশ ঘুৰাই পাবলৈ কিছু সময় লাগিল। ইতিমধ্যে

১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে।

১৯৪৮ চনৰ জুন মাহত হেম বৰুৱা সম্পাদিত 'পচোৱা' প্ৰকাশ পায়। 'পচোৱা' মাথোঁ এবছৰহে জীয়াই আছিল। ফলস্বৰূপে অসমীয়া আলোচনীৰ অভাৱ পূৰণৰ বাবে ডাঃ বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত শিশু আলোচনী 'ৰংঘৰ'ক (১৯৪৮-৪৯) দ্বিতীয় বছৰৰ ৬ষ্ঠ সংখ্যাৰ পৰা 'ডাঙৰৰ আলোচনী' কৰা হৈছিল। এইখন ডাঙৰৰ 'ৰংঘৰ'কে 'ৰামধেনু' নামকৰণ কৰা হয়। ১৮৭২ শকৰ ব'হাগৰ পৰা (১৯৫০চন) প্ৰথম বছৰ, প্ৰথম সংখ্যা বুলি 'ৰামধেনু' আৰম্ভ কৰা হৈছিল যদিও দ্বিতীয় সংখ্যাৰ পৰা 'ৰংঘৰ'ৰ ক্ৰম ধৰি তৃতীয় বছৰ বুলিবলৈ লোৱা হয়।

অসমীয়া চুটিগল্পৰ ইতিহাসত 'ৰামধেনু'ৰ ফেঁহুজালিয়ে নতুন যুগৰ উন্মোচন কৰিলে। এই সময়তে কেইগৰাকীমান চুটিগল্প লেখক-লেখিকাই নতুন মূল্যবোধৰ আদৰ্শ আগত ৰাখি তেওঁলোকৰ লেখনী হাতত তুলি ল'লে। গল্পৰ বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰতো নতুন সাহসৰ পৰিচয় দিবলৈ সক্ষম হ'ল।

এই কথা সত্য যে প্ৰাক্ স্বাধীনতা কালৰ লেখিকা সকলে তেওঁলোকৰ লেখনীৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিব পৰা নাই। বেছিভাগ লেখিকাই দুই চাৰিটা গল্প লিখিয়েই সাহিত্যিক জীৱনৰ সামৰণি মাৰিছে। স্বাধীনোত্তৰ কালত লেখিকা সকলৰ মাজত নৱ চেতনাৰ জোৱাৰে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰে। এই সময়ত গল্প লেখিবলৈ আৰম্ভ কৰি অসমীয়া সাহিত্য ভঁৰাল চহকী কৰা কেইগৰাকীমান লেখিকাই এতিয়াও তেওঁলোকৰ কলম সামৰা নাই। এই প্ৰসংগতে নিৰুপমা ৰৱগোহাঞি, মামণি ৰয়ছম গোস্বামী আদিৰ নাম উল্লেখযোগ্য। এওঁলোকে বিভিন্ন দৃষ্টিকোণৰ পৰা সমাজৰ বিভিন্ন সমস্যা বিশেষকৈ সমাজত নাৰীয়ে ভোগ কৰি অহা সমস্যাবোৰৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰিছিল।

'ৰামধেনু'ৰ উপৰিও 'মিনাৰ', 'পূৰ্বাকাশ', 'জয়ন্তী', 'আমাৰ প্ৰতিনিধি', কটন মহাবিদ্যালয়ৰ আলোচনী, সন্দিকৈ মহাবিদ্যালয়ৰ আলোচনী আদিৰ জৰিয়তেও কেইগৰাকীমান লেখিকাই ভূমুকি মৰা দেখা যায়।

মননশীল পৰিৱেশ সৃষ্টিৰ মানসেৰে 'ৰামধেনু'খন সাহিত্যৰ বিভিন্ন শিতানৰ ন ন সম্ভাৰেৰে আটক ধুনীয়াকৈ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা দেখা যায়। 'ৰামধেনু'ৰে সাত ৰঙৰ নৱ আলোকেৰে অসমৰ সাহিত্যাকাশ ৰঞ্জিত কৰি চহৰে নগৰে, গাঁৱে-ভূঁয়ে এক অভূতপূৰ্ব সমাদৰ লাভ কৰিলে। এই সময়ৰ চুটিগল্প লেখিকা সকল হ'ল — অনিমা ভঁৰালী, অলকা চৌধুৰী, অলকা ফুকন, আৰতি ঠাকুৰ, আৰতি ৰৈৰাগী, আলিমুননিছা পিয়াৰ, উমাৰাণী তালুকদাৰ, ওৰাহেদ ছুহেইন, কমলা দাস, কমলিনী ৰৱৰা, কল্যাণী মহন্ত, কুসুম ৰৱদলৈ, কাঞ্চন চৌধুৰী, গুল আনাৰ বেগম, চন্দ্ৰপ্ৰভা চৌধুৰী, চিত্ৰলতা ফুকন, চফিকা চৌধুৰী, ছন্না দেৱী, জোনালী বৰুৱা, জাহানাৰা ৰহমান, ডলী তালুকদাৰ, তৃপ্তি গোস্বামী, দীপালি ৰৱা, দেবী চুতীয়া, নিৰ্মল প্ৰভা ৰৱদলৈ, নিৰুপমা ৰৱগোহাঞি, নিৰুপমা ফুকন, নীলিমা শৰ্মা, নীলিমা দত্ত, প্ৰীতি বৰুৱা, প্ৰতিভা তহবিলদাৰ, প্ৰণীতা দেৱী, প্ৰবীণা শইকীয়া, প্ৰেমদা ৰৱঠাকুৰ, বীণা দেৱী, ভুৱনেশ্বৰী মজুমদাৰ, মৰ্জিয়ানা বেগম, মণিকা চলিহা, মনোৰমা পাটগিৰি, মনোৰমা গোঁহাই, মামণি গোস্বামী (মামণি ৰয়ছম গোস্বামী), মীৰা শইকীয়া, মঞ্জুমালা ৰাজখোৱা, যশোদা চৌধুৰী, ৰেণু দেৱী, ৰুণু বৰুৱা, ৰিনি বৰুৱা, লাৱণ্য দত্ত, লীলা ৰৱগোহাঁই, লক্ষ্মীপ্ৰিয়া চাংকাকতি, লক্ষহীৰা দাস, লাৱণ্য দেৱী, স্নেহ দেৱী, সান্ত্বনা বৰুৱা, সুব্ৰতা গোস্বামী, সলিতা দেৱী, স্বপ্না বৰুৱা, হিমাদ্ৰী দেৱী, হিৰণ্যময়ী দেৱী আদি।

প্ৰাক-স্বাধীনতা কালৰ গল্পৰ ৰূপৰেখা ঃ

প্ৰাক্ স্বাধীনতা কালৰ লেখিকা সকলৰ গল্পৰাজি সাধাৰণভাৱে সম-সাময়িক সমাজত নাৰীসকলে ভোগ কৰি অহা বিভিন্ন সমস্যাৰ ওপৰত প্ৰতিষ্ঠিত। পুৰুষ প্ৰধান সমাজত নাৰীসকলে পোৱা অৱহেলা, নিষ্পেষণ, উপেক্ষা আদিৰ প্ৰতি তুচ্ছ তাচ্ছিল্য কৰি তাৰ অৱসান ঘটোৱাই আছিল তেওঁলোকৰ উদ্দেশ্য। সমাজত বিধবা, অৱহেলিতা আৰু বঞ্চিতা মহিলাসকলে কিদৰে নিপীড়ন ভোগ কৰি আহিছে, সমাজৰ কঠোৰ নিয়ম নীতিৰ কবলত তেওঁলোকৰ মনৰ চিৰন্তন আশা আকাংক্ষা, ইচ্ছা-অভিৰুচি আদিক কিদৰে অৱদমন কৰি ৰাখিছে তাৰ, চিত্ৰও এই গল্প সমূহত পোৱা যায়।

পদ্ম কুমাৰী ৰৱগোহাঁইৰ 'ভুল' (আৱা ৫ ঃ ১১)গল্পটোত সমসাময়িক সমাজত নাৰীশিক্ষা, নাৰী জাগৰণ আদিয়ে কিদৰে গা কৰি উঠিছিল তাৰ ছবি পোৱা যায়। নাৰীৰ স্বাধীনতা বা সম অধিকাৰ বিচাৰিলেও গল্পৰ নায়িকা মৃণালৰ স্বামীৰ প্ৰতি আনুগত্যৰ অভাৱ নাছিল, কেৱল অভাৱ আছিল পাৰস্পৰিক বুজাপৰা আৰু এৰাধৰা মনোভাৱ। ইয়াৰ পৰিণতি স্বৰূপেই পাৰিবাৰিক জীৱনৰ চিৰ আকাংক্ষিত সুখ শান্তি অন্তৰ্হিত হ'ল।

পুন্যপ্ৰভা দাসৰ 'আই' ত (আৱা, ১ ঃ ৯) সমাজৰ পূৰ্বাপৰ প্ৰচলিত বিশ্বাসৰ বিপৰীতে মাহীমাকৰ মৰমৰ

গভীৰতা, আন্তৰিকতা আদিৰ বিষয়ে উমান পোৱা যায়।

সুধা বৰুৱাৰ 'টোকাৰীৰ প্ৰাণ' (আৱা, ৪ ঃ ৪) গল্পটোত সমাজৰ দৰিদ্ৰ পীড়িতলোকৰ বাস্তৱ জীৱনৰ সত্য চিত্ৰ অংকিত হৈছে। বাস্তৱৰ কুটিল জগতখন সম্বন্ধে সম্পূৰ্ণ অনভিজ্ঞ অন্ধ অক্ষম পিতৃৰ সন্তানৰ প্ৰতি থকা হিয়াভৰা মৰম চেনেহৰ চিত্ৰই গল্পটোক কৰুণ ৰসাভিসিক্ত কৰি তুলিছে।

নিৰ্মলা দেৱীৰ 'দেৱতাৰ আশীৰ্বাদ'ত (আৱা, ১০ ঃ ২) গাঁৱলীয়া মানুহৰ সহজ সৰল আৰু ভগৱান বিশ্বাসী স্বভাৱৰ পৰিচয় দাঙি ধৰাৰ বিপৰীতে এচাম লোকে তেওঁলোকৰ সৰলতাৰ সুযোগ লৈ কিদৰে প্ৰতাৰণা কৰিছিল তাক ব্যংগাত্মকভাৱে দাঙি ধৰিছে।

অলকা পটংগীয়াৰ 'বান্দীৰ জীয়েক'ত (আৱা, ৪ ঃ ৭) সমাজত দৰিদ্ৰজনৰ প্ৰতি কৰা অন্যায়, শোষণ, আৰু নিষ্ঠুৰতাৰ বিপৰীতে আৰ্ত আৰু দুখীয়াৰ প্ৰতি দুখীয়াজনৰ মৰম, চেনেহ, সহায়-সহানুভূতিৰ চিত্ৰ সুন্দৰভাবে প্ৰতিফলিত হৈছে।

যুগমানৰ মহাত্মা গান্ধীয়ে অহিংসা আৰু প্ৰেমনীতিৰে মানৱসেৱাৰ যি উৎকৃষ্ট নিদৰ্শন দেখুৱাইছিল তাৰ প্ৰতিফলন এই সময়ৰ গল্পত পোৱা যায়। স্নেহলতা ভট্টাচাৰ্যৰ 'অন্নদা' (চেতনা ,৪ ঃ ৯-১১) গল্পটো মানৱসেৱাৰ এক উৎকৃষ্ট নিদৰ্শন। ইয়াত দেশমাতৃৰ সেৱাত আত্মোৎসৰ্গা কৰা অন্নদা নামৰ মহিয়সী নাৰী এগৰাকীক ত্যাগ আৰু প্ৰেমৰ প্ৰতিমূৰ্তিৰূপে অংকিত কৰা হৈছে।

দৰিদ্ৰ নাৰায়ণৰ সেৱাই ভগৱানৰ সেৱা, ভগৱানক বিচাৰি মঠ মন্দিৰত ঘুৰি ফুৰিব নালাগে, মানুহৰ মাজতেই ভগৱানক বিচাৰি পাব পাৰি- মানৱ সেৱাৰ এই আদৰ্শ উষা দেৱীয়ে তেওঁৰ 'শেষ পৰিচয়'ত (আৱা., ৮ ঃ ৬) সুন্দৰভাবে দাঙি ধৰিছে।

জ্ঞানবালা বৰুৱাৰ 'দুদিনীয়া প্ৰীতি'ত (আৱা, ৫ ঃ ৫) সমাজত নাৰীয়ে ভোগ কৰি অহা অন্যায় অবিচাৰৰ ছবি পোৱা যায়। সমাজত নাৰীৰ জীৱনৰ যেন কোনো মূল্য নাই। নাৰী সদায় পুৰুষৰ হাতৰ পুতলা। পুৰুষে বহুসময়ত নাৰীৰ নিজৰ উপভোগৰ আহিলা হিচাপে ব্যৱহাৰ কৰি আহিছে। ইয়াৰ বাবে নাৰীৰ প্ৰতিবাদৰ কোনো অধিকাৰ নাই। সেয়েহে গল্পৰ নায়িকা শলিতাই স্বামীৰ পৰা পোৱা প্ৰতিটো আঘাতৰ জ্বালা নিৰ্বিবাদে সহ্য কৰিবলগীয়া হৈছে।

> *—স্বাধীনোত্তৰ কালত লেখিকা সকলৰ মাজত নৱ চেতনাৰ জোৱাৰে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰে। এই সময়ত গল্প লেখিবলৈ আৰম্ভ কৰি অসমীয়া সাহিত্য ভঁৰাল চহকী কৰা কেইগৰাকীমান লেখিকাই এতিয়াও তেওঁলোকৰ কলম সামৰা নাই। এই প্ৰসংগতে নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী আদিৰ নাম উল্লেখযোগ্য। এওঁলোকে বিভিন্ন দৃষ্টিকোণৰ পৰা সমাজৰ বিভিন্ন সমস্যা বিশেষকৈ সমাজত নাৰীয়ে ভোগ কৰি অহা সমস্যাবোৰৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰিছিল।*

পদ্মকুমাৰী বৰগোহাঁইৰ 'অভিমানৰ আত্মদান'ৰ (আৱা, ৫ ঃ ৮) নায়িকা লীলা দৰাচলতে লেখিকাৰ সমসাময়িক সমাজৰ এক উপেক্ষিতা আৰু প্ৰবঞ্চিতা নাৰীৰ প্ৰতিনিধি স্বৰূপ। জীৱনৰ সংঘাত, প্ৰতিঘাতত অধীৰ হ'লেও লীলাৰ মনৰ দৃঢ়তা মষিমুৰ হোৱা নাই।

লাৱণ্য প্ৰভা দেৱীৰ 'সাবিত্ৰী' (জয়ন্তী, ১ ঃ ২০) নিৰ্যাতিত বাল বিধৱাৰ হিয়াভৰা ক্ৰন্দন ধ্বনিৰ মূৰ্ত্ত প্ৰকাশ।

নিৰ্মলা দেৱীয়ে 'আপোন পৰ'ৰ (আৱা, ১ ঃ ৮) জৰিয়তে প্ৰেমিক প্ৰেমিকাৰ প্ৰেমৰ গভীৰতাৰ ছবি আঁকিছে।

দ্বীপান্বিতা চৌধুৰীৰ 'ৰোমান্সৰ মৃত্যু' (আৱা, ৫ ঃ ১২) 'যৌৱনৰ অপৰাধ' (আৱা, ৫ ঃ ৭) যমুনেশ্বৰী খাটনিয়াৰৰ 'কলঙি' (চেতনা, ৪ ঃ ১২) আদি গতানুগতিক প্ৰেমৰ গল্প।

মানুহৰ জীৱনত অদৃষ্ট আৰু ভাগ্যৰ যি অখণ্ডনীয় প্ৰভাৱ তাক দাঙি ধৰা হৈছে দেৱ বালা দেৱীৰ 'ভাগ্যচক্ৰ' (আৱা, ৮ ঃ ৬) গল্পটোত।

প্ৰাক্-স্বাধীনতাকালৰ গল্পৰোৱতকৈ স্বাধীনোত্তৰ কালৰ গল্পৰাজি অধিক বলিষ্ঠ। এই সময়ছোৱাতে তিৰোতাৰ মুক্ত মনৰ পৰিচয় দি এচাম নতুন লেখিকাৰ আগমন ঘটে। পৰিবৰ্তিত সমাজ ব্যৱস্থাত নিজস্ব ধ্যান ধাৰণাৰে অনুপ্ৰাণিত হৈ ন ন আশা উদ্দীপনা লৈ প্ৰগতিশীল দৃষ্টি ভংগীৰে তেওঁলোকে লেখনী হাতত তুলি লয়। সামন্তবাদী সমাজ ব্যৱস্থাত নাৰীৰ ওপৰত অবাধে জাপি দিয়া চুৰা-ভাল, বাধা-নিষেধ, ঘৰখনৰ বিবিধ দায়িত্ব আদিয়ে নাৰীৰ মৌলিক প্ৰতিভা বিকাশৰ পথত বোজাস্বৰূপ হোৱাই নহয় সামাজিক কাম কাজত অগ্ৰসৰ হোৱাতো বাধা জন্মায়। এই ক্ষেত্ৰত সামাজিক কুসংস্কাৰ আৰু অন্ধ ৰীতি-নীতি আদিৰ

অপ্রয়োজনীয়তা আৰু অপকাৰিতাৰ বিষয়ে সমাজৰ সকলো লোককে সচেতন কৰি দিবলৈ এওঁলোকে কলম হাতত তুলি লয়।

এক বুজন সংখ্যক লেখিকাই এই সময়ত গল্প লিখিছে যদিও স্নেহ দেৱী, নিৰুপমা বৰগোহাঞি, নীলিমা শর্মা, আলিমুন্নিছা পিয়াৰ, প্ৰীতি বৰুৱা, লক্ষ্মীৰা দাস আদি লেখিকাই সূক্ষ্ম পর্যবেক্ষণ আৰু মনস্তাত্ত্বিক অন্তর্দৃষ্টিৰেঃ সমীক্ষাৰ বিশেষকৈ নাৰী মনস্তত্ত্বৰ বিভিন্ন দিশৰ বতৰা আৰু সমাজৰ বিভিন্ন সমস্যাৰ চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। আধুনিক যুগতো এওঁলোকে বলিষ্ঠ লিখনীৰে অসমীয়া চুটিগল্পৰ ভঁৰাল চহকী কৰি তুলিছে। আনহাতে এই সময়তে গল্প লিখিবলৈ আৰম্ভ কৰা মামণি গোস্বামী, নীলিমা দত্ত, আৰতি বৈৰাগী, প্ৰবীণা শইকীয়া আদিয়ে পৰৱর্তী কালত অসমীয়া চুটিগল্পক নৱ পত্ৰ-পল্লৱেৰে সুশোভিত কৰি তুলিছে।

দৈনন্দিন জীৱনত সন্মুখীন হৈ থকা সর্বসাধাৰণ মানুহৰ বিবিধ কল্পনা আৰু অভিজ্ঞতাই স্নেহ দেৱীৰ গল্পৰ মূল বিষয়বস্তু। নাৰী চৰিত্ৰ সমূহ সহানুভূতিশীল দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰাটো তেওঁলোকৰ গল্পৰ অন্যতম বৈশিষ্ট্য। 'জননী'ত (ৰাম., ১০ ঃ ৬) এগৰাকী চিৰন্তন মাতৃৰ সন্তানৰ প্ৰতি থকা মোহৰ গভীৰ ছবি প্ৰতিফলিত কৰাৰ বিপৰীতে অইন এগৰাকী মাতৃয়ে নিজৰ সন্তানৰ প্ৰতি কৰা বেয়া ব্যৱহাৰৰ ছবি ফুটি উঠিছে। গল্পটোত পত্নীৰ টুটুকীয়া কথাত বিশ্বাস কৰি পুতেকে মাতৃক নানা ধৰণে অত্যাচাৰ কৰা চিত্ৰৰ জৰিয়তে সমাজত সচাৰাচৰ ঘটি থকা চিত্ৰৰ সফল ৰূপায়ণ কৰা হৈছে। 'ধুমুহাৰ মাজেদি'ত (ৰাম., ১০ ঃ ১১) পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত নাৰীয়ে পোৱা অৱহেলা আৰু অবিচাৰৰ বিপক্ষে প্ৰকাশ কৰা ক্ষোভ স্পষ্ট। 'অনুসন্ধান'ত (ৰাম., ১১ ঃ ৯) স্বামীৰ অকাল মৃত্যুৰ পিছত প্ৰিয় পৰিজনৰপৰা বিতাড়িত হৈ মানুহৰ মৰম চেনেহৰ প্ৰতি আস্থা হেৰুৱাই পেলোৱা নাৰী এগৰাকীৰ জৰিয়তে সমাজত বিধবা নাৰীয়ে সন্মুখীন হৈ অহা চিৰন্তন সমস্যা কিছুমানৰ সমাধান বিচাৰিছে। 'সূচনা'ত (ৰাম., ১১ ঃ ২) সূচনা নামৰ মহিলা এগৰাকীৰ উন্মাদ উন্মাদ যেন লগা অথচ উন্মাদ নোহোৱা আচৰণৰ জৰিয়তে নাৰীৰ অৱচেতন মনত লুকাই থকা আশা-আকাংক্ষা, হর্ষ-বিষাদৰ ছবি দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। 'সমৰ', লক্ষ্যভ্ৰষ্ট','প্ৰেৰণাৰ সমাধি', 'পৰিপূৰক' আদি তেওঁৰ অন্যান্য উল্লেখযোগ্য মনস্তত্ত্বমূলক গল্প। ইয়াৰ উপৰিও 'জোৱাৰৰ পিছত', 'অন্তৰালত', 'ফুলীবাই', 'উপলব্ধি' ,'অপ্রত্যাশিত', 'বিনিময়', 'অফুৰন্ত আশা', আদি গল্পতো প্ৰতিভাৰ স্বাক্ষৰ দেখা যায়।

আলিমুন্নিছা পিয়াৰৰ গল্পত সমাজ জীৱনত সাধাৰণতে আওকাণ কৰি থকা তল খাপৰ নৰ-নাৰীৰ সৰু অথচ ভয়াবহ অভিজ্ঞতাবোৰৰ বর্ণনা পোৱা যায়। তেওঁৰ গল্পত মানৱীয় অনুভূতিৰ যথাযথ ৰূপায়ণ ঘটিছে। 'কুহিলা'ত (মাজনিশা, পৃ. ১) পুৰুষ শাসিত সমাজত নাৰীয়ে সন্মুখীন হ'ব লগীয়া হোৱা অন্যায় অবিচাৰৰ সফল ৰূপায়ণ ঘটিছে। গল্পৰ নায়িকা মেৰীৰ অনাকিঙ্খিত মাতৃত্বৰ বাবে নিজে দায়ী নহয়, দায়ী তাইৰ মালিক ৰহমতইঁতৰ দৰে কামুক নৰপশুবোৰহে। এইবোৰৰ উচিত বিচাৰ আমাৰ সমাজ ব্যৱস্থাত নাই। 'মাজনিশা তৰাই উচুপে' (মাজনিশা., পৃ.১৩৩) গল্পটোৰ নায়িকা অপৰূপাৰ অন্তর্দ্বন্দ্বৰ জৰিয়তে এজন হৃদয়ৱান স্বামী আৰু সন্তানৰ মৌ ৰৱষা মাতেৰে পৰিপূর্ণ এখন সংসাৰৰ অধিকাৰিনী হ'ব বিচৰা নাৰী হৃদয়ৰ অনন্ত বাসনাৰ চিত্ৰ সুন্দৰভাৱে দাঙি ধৰিছে। আত্ম বিবৃত্তিমূলক গল্প 'বিনিময়'ত (মাজনিশা, পৃ.৮৯) সমাজত ৰঘুমলাৰ দৰে আৰবি থকা মানুহৰ স্বার্থপৰতা আৰু নীচতাৰ চৰম নিদর্শন ফুটি উঠিছে। 'সি আৰু তেও'ত (মাজনিশা, পৃ.৪৯) দাৰিদ্ৰ পীড়িত আৰু অৱহেলিত লোকৰ প্ৰতি লেখিকাৰ সহানুভূতিশীল মনোভাৱ ফুটি উঠিছে। 'সমাধি' (মিনাৰ., ২ ঃ৪) গল্পটো গায়ক, শিল্পী আৰু কবি অসীমৰ দৰিদ্ৰ নিপীড়িত জীৱনৰ হিয়া ভগা প্ৰকাশ। 'বর্ণমালা', 'শামুক', 'মৰহা পাপৰি আৰু হেৰোৱা সুৱাস', 'তৃপ্তি', 'মুহূর্ত', 'তোমাক পাহৰা নাই' আদি গল্পৰ জৰিয়তে তেওঁ সামাজিক জীৱনৰ বিশেষকৈ ঘৰুৱা জীৱনৰ চিত্ৰ আঁকি পাৰদর্শিতা লাভ কৰিছে।

নিৰুপমা বৰগোহাঞিৰ গল্পতো সমাজত নাৰীয়ে সন্মুখীন হোৱা সমস্যাই বিশেষ স্থান লাভ কৰিছে। আমাৰ সামাজিক জীৱনৰ নানা স্তৰত দেখা দিয়া নাৰীৰ সংকুচিত স্থান, বিয়াবাৰুৰ সমস্যা আদিৰ দৰে বাস্তৱ সমস্যাবোৰৰ নাৰী সুলভ দৃষ্টিভংগীৰে উপস্থাপন কৰি সমাধান বিচাৰিছে। 'ঢেকীৰ সৰগ'ত (ৰাম., ১০ : ১২) মাতৃহীনা স্মৃতিয়ে পৰিয়ালৰ সকলো দায়িত্ব কান্ধ পাতিলৈ অষ্টপ্রহৰ চকৰিৰ দৰে কাম কৰে। বিয়াৰ পিচত এই দায়িত্ববোৰৰ পৰা কিছু ৰেহাই পাব বুলি ভাবিছিল। কিন্তু সেইটো হৈ উঠা নাই। স্বামীগৃহত সকলো মহিলাৰে চিৰআকাংক্ষিত স্বাধীনতাকণ স্মৃতিৰ নাই। তাই যেন এটা কাম কৰা মেচিন, নিজৰ ইচ্ছা অভিৰুচিৰ কোনো মূল্য নাই। তথাপিও কর্মতৎপৰা স্মৃতিয়ে ব্যস্ততাৰ মাজতো যি আনন্দ আৰু পৰিপূর্ণতা পাইছে তাক শিক্ষিতা ভনীয়েক নীতিয়ে উপলব্ধি কৰিব পৰা নাই। 'জন্ম'ত

(ৰাম., ১২ : ৩) সন্মান আৰু অৰ্থৰ আকাশচুম্বী আকাংক্ষাই পাৰিবাৰিক জীৱনৰ মৰম-চেনেহ, প্ৰেম-প্ৰীতি আৰু সজ প্ৰবৃত্তিবোৰৰ কিদৰে অৱলুপ্তি কৰে তাক চিত্ৰিত কৰা হৈছে। 'চ্যুতি' (ৰাম., ১১ : ১১) নাৰী মনৰ বতৰা থকা এটা উল্লেখযোগ্য গল্প।গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ অমলা আৰু ৰুবী। দুয়োৰে মনৰ মাজত লুকাই থকা নাৰী সুলভ ঈৰ্ষা-দ্বেষ আদি সুন্দৰভাৰে ফুটাই তোলাত লেখিকা সফল হৈছে। 'দ্বিতীয় মৃত্যু'ত (ৰাম., ১২ : ১২) জীৱনত দেখা প্ৰথমটো মৃত্যুৰ ঘনঘোৰ বিভীষিকাই পূৰ্ণিমা নামৰ কুসুমৰ দৰে কোমল হৃদয়ৰ ছোৱালী এজনীৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল সেই ছবি দাঙি ধৰা হৈছে। 'বিক্ৰমাদিত্যৰ সিংহাসন', 'পেহীদেউ' আদি তেওঁৰ আন উল্লেখযোগ্য গল্প।

নীলিমা শৰ্মাৰ গল্পত নাৰীৰ মনোবিশ্লেষণৰ প্ৰচেষ্টা আছে।নাৰী হৃদয়ত সদাজাগ্ৰত আশা-আকাংক্ষা আদি তেওঁ সবলভাৱে গল্পত ৰূপদান কৰিছে। তেওঁৰ গল্পৰ বিষয়বস্তু হৈছে সমাজৰ মধ্যবিত্ত আৰু অভিজাত শ্ৰেণীৰ লোকসকলে প্ৰাত্যহিক জীৱন যাত্ৰাত লাভ কৰা বিভিন্ন অভিজ্ঞতা। তেওঁৰ 'প্ৰতিবিম্ব' (ৰাম., ৬ : ৭) গল্পটোত আধুনিক শিক্ষা আৰু সমাজ ব্যৱস্থাত হতাশাগ্ৰস্ত হৈ পৰা যুৱক যুৱতীৰ মানসিক ছবি ফুটাই তুলিবলৈ যত্ন কৰা হৈছে। 'তেণ্টালাচ'ত (ৰাম, ৬ : ২) জীবিত মানুহ এজনক তেণ্টালাচ সদৃশ কৰা ছবি অংকিত কৰা হৈছে। পাৰিবাৰিক দাৰিদ্ৰতাই মেধাবী ছাত্ৰ নবীনৰ অন্তৰৰ আশা- আকাংক্ষা নিঃশেষ কৰি তাৰ জীৱনলৈ নমাই আনিছে নিষ্প্ৰাণ গতানুগতিকতা। ফলত গল্পটো কৰুণ হৈ পৰিছে। 'সহযাত্ৰী'ত (অন্যসুঁতি, পৃ. ২৩) কুসুমৰ দৰে কোমল হৈও সময়ত ব্ৰজৰ দৰে কঠিন হৈ পৰা নাৰী হৃদয়ৰ ছবি চমৎকাৰভাৱে ৰূপায়িত হৈছে। কাহিনীৰ আকস্মিকতাই শেষ মুহুৰ্তলৈ পাঠকক উৎকণ্ঠিত কৰি ৰাখিব পৰা হেতুকে গল্পটো উপাদেয় হৈছে। 'ওৰণি নালাগে গুচাব' ত (ৰাম. ১৩ :৯) সমাজৰ অন্যায় অবিচাৰত মানসিক ৰোগাগ্ৰস্ত হৈ পৰা ছোৱালী এজনীৰ জীৱনৰ কৰুণ কাহিনী মনোৰমকৈ বৰ্ণনা কৰা হৈছে। 'ধূলিৰ মৰম'ত (অন্যসুঁতি, পৃ. ৫২) সন্তানহীনা নাৰীৰ অন্তৰ্বেদনা সুন্দৰকৈ দেখুৱাইছে। 'অন্যসুঁতি ', 'সেতু বন্ধন', 'আঁৰপটত', আদি গল্পটো নাৰী মনস্তত্ব সুন্দৰকৈ ফুটি উঠিছে, আনহাতে 'মিডাছৰ ট্ৰেজেডি', 'ফল্গু', 'প্ৰতিবিম্ব', 'নিমিলা সুৰ' আদিত নাৰীয়ে সন্মুখীন হোৱা বিভিন্ন সমস্যাত আলোকপাত কৰা হৈছে।

প্ৰীতি বৰুৱাৰ গল্পত সৰ্বসাধাৰণ মানুহৰ আশা-আকাংক্ষা আদিৰ ছবি পোৱা যায়। তেওঁৰ গল্প কাহিনীত সংঘাত আছে, সেই সংঘাতৰ মাজেৰে মানৱ মনৰ চিৰন্তন আশা-আকাংক্ষা, সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি সহজভাৱে বৰ্ণনা কৰিছে। তেওঁৰ 'নিৰৰ্থক' স্বৰ্বাচ্চ গল্পৰ বুজন আকাৰৰ এটা উল্লেখযোগ্য সংকলন। ইয়াত সন্নিবিষ্ট কৰা 'ৰ'দে বৰষুণে' আৰু 'মুক্তি'ত চহৰৰ ধনী মানুহৰ ঘৰত লগুৱা হিচাপে থকা দুজন গাঁৱৰ কিশোৰৰ মানসিক চিন্তা ভাৱনা আদিৰ কথা লেখিকাৰ তুলিকাত কেমেৰাৰ সার্থক ছবিৰ দৰে ধৰা দিছে। 'চাৰ্কাছৰ ভালুক'ত (নিৰৰ্থক , পৃ. ৩২) জনজাতি লোক বাস কৰা শান্ত গাওঁ এখনলৈ চাৰ্কাছৰ দল এটা অহাৰ ফলস্বৰূপে কেনে ধৰণৰ উদুলি মুদুলিৰ সৃষ্টি হৈছিল তাৰ সুন্দৰ বৰ্ণনা পোৱা যায়। 'ফল্গু'ত (নিৰৰ্থক, পৃ. ১৬) দুৰ্দ্দান্ত, ৰুক্ষ, ঈৰ্ষাকাতৰ ছবছৰীয়া শিশু এটিৰ মানসিক ছবি ফুটাই তুলিবলৈ যত্ন কৰা হৈছে যদিও কাহিনীভাগ কিছু অস্পষ্ট। 'আহত গধুলি'ত (নিৰৰ্থক , পৃ. ৮) ধনী আৰু দুখীয়াৰ মাজত থকা সামাজিক ব্যৱধানৰ সীমাৰেখা স্পষ্টকৈ দাঙি ধৰা হৈছে। মিছেছ্ খাখলাৰীহঁতৰ দৰে আভিজাত্যৰ প্ৰাচুৰ্যত উথলি উঠা তথাকথিত শ্ৰেণীটোৰ আচাৰ ব্যৱহাৰ আদিৰ প্ৰতি লেখিকাৰ ব্যংগভাৰ ফুটি উঠিছে। নাটকীয় স্বগতোক্তি ভংগীমাত লিখা 'হিলবয়' (নিৰৰ্থক , পৃ. ২০) দৰিদ্ৰ ভিক্টৰৰ জীৱনৰ এটা কৰুণ হুমুনিয়াহ। জীৱন 'ৰেছ'ত সি পৰাজিত সৈনিক। পৃথিৱীত দৰিদ্ৰতাৰ সমান ডাঙৰ অভিশাপ একোকেই নাই - ভিক্টৰৰ জীৱনৰ সংগ্ৰামৰ কৰুণ চিত্ৰই এই কথাস্পষ্টকৈ ফুটাই তুলিছে। কলা-কৌশলৰ ফালৰপৰা এই গল্পটো লেখিকাৰ সার্থক সৃষ্টি। 'স্বৰ্গচ্যুতি', 'লেডীজ চিট', 'অশান্ত টো', 'পাহাৰীয়া সোঁৱৰণী', 'সপোন সপোন লাগে' আদিৰ জৰিয়তে লেখিকাই সমাজৰ বিভিন্ন দিশৰ ছবি অংকন কৰিছে।

লক্ষহীৰা দাসৰ গল্পত নিপীড়িত আৰু নিষ্পেষিত জনৰ প্ৰতি থকা আন্তৰিক সহানুভূতি মনকৰিবলগীয়া। তেওঁৰ 'তাপসী' গল্প সংকলনত সন্নিবিষ্ট একে নামৰ গল্পটোত পিতৃমাতৃহীনা সমীৰণৰ গাভৰু হৃদয়ৰ আশা-আকাংক্ষা আৰু সোণালী সপোন এজন ষাঠি বছৰীয়া বৃদ্ধৰ লগত অপ্ৰত্যাশিত ভাৱে হোৱা বৈবাহিক সম্বন্ধই কিদৰে মষিমূৰ কৰি দিছে তাক অংকিত কৰা হৈছে। 'যাৰ জীৱনৰ জেউতি হেৰাল' (তাপসী , পৃ. ৫০) পুৰুষৰ প্ৰতাৰণাত অবৈধ ভাৱে মাতৃ হোৱা নাৰী জীৱনৰ কৰুণ চকুলো আৰু হিয়াভঙা হুমুনিয়াহৰ প্ৰকাশ। 'উদ্‌গীৰণ'ত (তাপসী , পৃ. ২৩) প্ৰেম, প্ৰতাৰণা আৰু প্ৰতিহিংসাই মানুহৰ জীৱনলৈ কঢ়িয়াই অনা সংঘাত-প্ৰতিঘাতৰ উপৰিও মানৱ মনত শুই থকা দানৱীয় সত্তাটোৱে চেগ পালেই কিদৰে জাগ্ৰত হৈ পৰে-সেই ছবি দাঙি ধৰাত লেখিকা কৃতকার্য হৈছে। 'উজাগৰী নিশা', 'প্ৰিয় বান্ধৱী'

'শেষ পথ', 'বাসব' আদি তেওঁৰ অন্যান্য উল্লেখযোগ্য গল্প।

ৰুণু বৰুৱাৰ 'মহিয়সীত' (ৰাম , পৃ. ১২ : ১) মাতৃ হৃদয়ৰ আকুলতা, কৰুণতা আৰু দৃঢ়তাৰ পৰিচয় পোৱা যায়। 'উত্তৰ' (ৰাম , পৃ. ৮ : ১) গল্পটো সমাজে ৰেয়া বুলি ভবা অথচ ভাল হ'বলৈ সুযোগ নিদিয়া ছোৱালী এজনীৰ কৰুণ ইতিহাস। গল্পটোত প্ৰচলিত সমাজ আৰু শিক্ষা ব্যৱস্থাৰ প্ৰতি প্ৰচণ্ড ক্ষোভ ফুটি উঠিছে। 'বকুল বাইদেউ'ত (ৰাম., ১২ : ৭) প্ৰচলিত সমাজ ব্যৱস্থাত নাৰী যে যথেষ্ট পৰিমাণে অনাদৃতা আৰু অৱহেলিতা সেই কথাকে প্ৰতিবিম্বিত কৰা হৈছে।

মামনি ৰয়ছম গোস্বামীৰ 'ৰূপসজ্জা' (পূৰ্বকাশ) 'ফাগুনৰ ভুল' (পূৰ্বকাশ)' সূৰ্যমুখী' (আমাৰ প্ৰতিনিধি), আৰতি বৰঠাকুৰৰ 'বিজয়ী' (আৱাহন) ডলী তালুকদাৰৰ 'নন্দিতা চৌধুৰী' (আৱাহন), নীলিমা দত্তৰ 'পণ্ডিত শালা' (ৰামধেনু), ৰেণু দেৱীৰ 'সাদৰী' (আৱাহন), 'প্ৰতিভা' (ৰামধেনু) চিত্ৰলতা ফুকনৰ 'দুবৰিৰ মুকুতা' (আৱাহন), মৰীচিকা (আৱাহন), বিস্ময়(আৱাহন), আবিষ্কাৰ (আৱাহন), কমলিনী বৰবৰাৰ 'পূজাৰচোলা' (ৰামাধেনু), জোনালী বৰুৱাৰ'মৰুতৃষ্ণা' (ৰামধেনু), আৰতি বৈৰাগীৰ 'অপেক্ষা' (আমাৰ প্ৰতিনিধি), অনিমা ভৰালীৰ 'অৱশ্যম্ভাৱী' (ৰামধেনু), প্ৰবীণা শইকীয়াৰ 'বৃত্ত' (আৱাহন), স্বপ্না বৰুৱাৰ 'শতাব্দীৰ শিহঁৰণ (জয়ন্তী) আদিতো সমাজৰ বিভিন্ন দিশৰ চিত্ৰ ফুটি উঠিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায়যে আৱাহন যুগৰ গল্প লেখিকা সকলতকৈ পৰৱৰ্তী কালৰ গল্প লেখিকা সকলে নাৰী সুলভ দৃষ্টি ভংগীৰে চৌপাশে আবৰি থকা সমাজখনৰ জনজীৱনৰ চিন্তা ধাৰা, আচাৰ-নীতি , যুগে যুগে চলি অহা অন্যায়, অবিচাৰ, কুসংস্কাৰ আদিৰ ওপৰত আলোকপাত কৰি সেইবোৰ আঁতৰ কৰিবলৈ যত্ন কৰিছিল। সমাজৰ নীতি-নিয়ম অথবা অন্ধবিশ্বাস আদিৰ অৱসান ঘটাই এটা সুস্থ মানবীয়তাবোধ গঢ়ি তুলিব পাৰিলেহে সমাজৰ কল্যাণমূলক আঁচনিবোৰৰ যথাযথ ৰূপ দিব পৰা যায় — এই কথা তেওঁলোকে উপলব্ধি কৰিছিল। তদুপৰি পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত স্বামী-স্ত্ৰী উভয়ৰে মাজত পাৰস্পৰিক বুজাপৰা, এৰাধৰাৰ মনোভাব আদি নাথাকিলে সমাজৰ ভেটি শিথিল হৈ যাব — লেখিকা সকলে এই কথাও উপলব্ধি কৰিছিল। সেয়ে এই আসোৱাহসমূহ আঁতৰাই সমাজক আত্ম সংশোধনৰ পথ দেখুৱাই দিবলৈ প্ৰয়াস কৰিছিল। সমাজত ধনী আৰু দুখীয়াৰ মাজত থকা সামাজিক আৰু অৰ্থনৈতিক বৈষম্য আঁতৰাই এখন সমতাপূৰ্ণ সমাজ গঢ়াৰ চেষ্টা অব্যাহত আছিল।

অৱশ্যে সমাজত প্ৰচলিত ৰীতি-নীতি আদিৰ সংশোধন কিম্বা পৰিৱৰ্তন কৰিবলৈ কিছু সময় আৰু ধৈর্য্যৰ প্ৰয়োজন। সেয়েহে নাৰীৰ প্ৰগতিৰ অৰ্থে, স্ত্ৰী স্বাধীনতাৰ হকে সকলো নাৰীকে সচেতন কৰি তোলাই আছিল এওঁলোকৰ প্ৰধান উদ্দেশ্য। শেষত ক'ব পাৰি যে অসমীয়া চুটিগল্পৰ ভঁৰাল চহকী কৰাত এই লেখিকা সকলৰ অৱদান চিৰদিন জিলিকি থাকিব।

সংক্ষিপ্ত ৰূপ :

১। আৱা.	আৱাহন।
২। ৰাম.	ৰামধেনু।
৩। মাজনিশা.	মাজনিশা তৰাই উচুপে।

প্ৰসঙ্গপুথি :

Canby, H.S. :1956	:	English short story.
আলি, তফজ্জুল (সম্পা.), ১৯৭৪	:	মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য। অসম সাহিত্য সভা, মঙ্গলদৈ।
গোস্বামী, ত্ৰৈলোক্য নাথ, ১৯৭২	:	আধুনিক গল্প সাহিত্য, লয়ার্ছ।
গোস্বামী, ত্ৰৈলোক্যনাথ (সম্পা.), ১৯৭১	:	আধুনিক অসমীয়া গল্প সংগ্ৰহ। সাহিত্য অকাডেমী, নতুন দিল্লী।
গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ, ১৯৬৭	:	অসমীয়া সাহিত্যৰ কথা, লয়ার্ছ।
দাস, লক্ষহীৰা, ১৯৫৭	:	তাপসী, স্বপ্ন প্ৰকাশ।
পিয়াৰ, আলিমুন্নিছা, ১৯৬১	:	মাজনিশা তৰাই উচুপে, লয়ার্ছ।
বৰগোহাঞি, হোমেন (সম্পা.), ১৯৭৬	:	অসমীয়া গল্প সংকলন ২য় খণ্ড, অসম প্ৰকাশন পৰিষদ।
বৰুৱা, প্ৰীতি, ১৯৬২	:	নিৰৰ্থক, জনতা বুকষ্টল।
ভৰালী, শৈলেন, ১৯৭৬	:	আধুনিক অসমীয়া সাহিত্য : দুটি তৰঙ্গ, নিউ বুক ষ্টল।
ভাগৱতী, বিমল, ১৯৭৮	:	সামাজিক ক্ৰান্তি আৰু নাৰী, অসম প্ৰকাশন পৰিষদ।
শৰ্মা, নীলিমা, ১৯৬৭	:	অন্যসুঁতি, অসম প্ৰকাশনী।

মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত উপভাষাৰ প্ৰয়োগ ঃ এটি ভাষাতাত্ত্বিক বিশ্লেষণ

নগেন্দ্ৰ নাৰায়ণ দেৱান
মুৰব্বী, অসমীয়া বিভাগ

প্ৰথিতযশা সাহিত্যিক মামণি ৰয়ছম গোস্বামীৰ প্ৰত্যক্ষ অভিজ্ঞতা সঞ্জাত 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাস অসমীয়া সাহিত্যলৈ এক অনবদ্য অৱদান। উপন্যাসখনত কাহিনী, চৰিত্ৰ চিত্ৰণ আদি কেবাটাও উজ্জ্বল আৰু আকৰ্ষণীয় উপাদান আছে। সেই সমূহৰ ভিতৰত অন্যতম আকৰ্ষণীয় উপাদন হ'ল ভাষা। ভাষাৰ পৰিমিত, আয়াসহীন আৰু স্বাচ্ছন্দ্য প্ৰয়োগ ঘটিছে। উপন্যাসখনত দক্ষিণ কামৰূপৰ আমৰঙাৰ বৈষ্ণৱ সত্ৰক কেন্দ্ৰ কৰি কুৰি শতিকাৰ মাজভাগৰ ধৰ্মীয়, সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক জীৱনৰ প্ৰতিচ্ছবি ৰূপায়িত হৈছে। কাহিনীৰ পটভূমি যিহেতু দক্ষিণ কামৰূপ সেয়ে মান্য অসমীয়াৰ লগত কামৰূপীৰ অন্যতম আঞ্চলিক ৰূপ 'দক্ষিণ কামৰূপী উপভাষাৰ সুসমন্বয় ঘটোৱা হৈছে। কাহিনীৰ বৰ্ণনা মান্য অসমীয়াত কৰা হৈছে যদিও মাজে মাজে দক্ষিণ কামৰূপীৰ শব্দ প্ৰয়োগ কৰা হৈছে। প্ৰায়ভাগ চৰিত্ৰৰ কথা-বতৰাত দক্ষিণ কামৰূপী প্ৰয়োগ কৰিছে। এই উপভাষাৰ ওপৰত মান্যভাষাৰ প্ৰভাৱো সঠিক ভাবেই দেখুৱাইছে।

উপন্যাসখনত প্ৰকাশ পোৱা দক্ষিণ কামৰূপী উপভাষাৰ ধ্বনিতত্ত্বমূলক, ৰূপতত্ত্বমূলক, শব্দমূলক আৰু বাক্যতত্ত্বমূলক বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

ধ্বনিতত্ত্বমূলক বৈশিষ্ট্য ঃ (১) মান্য অসমীয়াত উচ্চাৰিত নোহোৱা 'ঝ' দক্ষিণ কামৰূপীত বিশিষ্ট ধ্বনিৰূপে পোৱা যায়। যেনে— অঝা (ওজা), ঝীয়াক (জীয়েক), ঝকৱা (পঁইতা), মাঝকুছি আদি।

(২) দক্ষিণ কামৰূপীত বলাঘাত শব্দৰ আদি অক্ষৰত পৰে। সেয়ে শব্দৰ মাজত স্বৰধ্বনি উচ্চাৰিত নহয়। যেনে— ভোল্কা (ভলুকা) দম্হি (দোমাহী) এন্কে (এনেকৈ), নাল্গে (নালাগে) ইত্যাদি।

(৩) মান্য অসমীয়াৰ কিছুমান শব্দৰ অল্পপ্ৰাণ ধ্বনি দক্ষিণ কামৰূপীত মহাপ্ৰাণ ধ্বনিৰূপে উচ্চাৰিত হয়। যেনে— শুখান (শুকান), হাথী (হাতী) আদি।

(৪) মান্য অসমীয়াৰ কিছুমান শব্দত 'আ' স্বৰৰ আগত থকা 'অ'স্বৰ দক্ষিণ কামৰূপীত 'আ'ৰূপে উচ্চাৰিত হয়। যেনে— ৰাজা (ৰজা), ৰাঙা (ৰঙা), পাঠা (পঠা), টাকা (টকা), বাতাহ (বতাহ) ইত্যাদি।

(৫) মান্য অসমীয়াৰ দ্বি-অক্ষৰযুক্ত শব্দৰ প্ৰথম অক্ষৰত 'ও' আৰু দ্বিতীয় অক্ষৰত 'আ' স্বৰ থাকিলে দক্ষিণ কামৰূপীত 'ও' স্বৰ 'অ' ৰূপে উচ্চাৰিত হয়। যেনে— জতা (জোতা), দভাগ (দোভাগ), যগাৰ (যোগাৰ) ঘৰা (ঘোঁৰা) ইত্যাদি।

(৬) মান্য অসমীয়াৰ কিছুমান শব্দৰ শেষত 'আ' স্বৰ নাথাকিলেও দক্ষিণ কামৰূপীত 'আ' উচ্চাৰিত হয়। যেনে— সনা (সোণ), ৰূপা (ৰূপ), থিয়া (থিয়), কিয়া (কিয়) ইত্যাদি।

ৰূপতত্ত্বমূলক বৈশিষ্ট্য ঃ (১) দক্ষিণ কামৰূপীৰ নিৰ্দিষ্টতাৰাচক প্ৰত্যয় কিছুমান হ'লঃ টো, খান, হাত, থৰা, হাল, ডাল, ঝপা।

উদাহৰণ ঃ বাকচটো, হাতখান, শিচহাত, একথৰা, দাতযৰা, গৰুহাল, দুডাল, বাহঝপা।

(২) বহুবচন বুজোৱা প্ৰত্যয় কিছুমান হ'ল ঃ গিলা, হানা, সপা, মখা। উদাহৰণ ঃ আপী গিলা, পণ্ডিত হানা, ভ'লণ্টিয়াৰ সপা, তিৰীমখা।

(৩) শব্দ-বিভক্তিৰ ক্ষেত্ৰত দেখা যায় চতুৰ্থী বিভক্তি বুজাবলৈ 'লৈ'ৰ সলনি 'ক' আৰু 'গেলি' প্ৰয়োগ হৈছে। উদাহৰণ ঃ ঘৰক গেল (ঘৰলৈ গ'ল), মাঝৰাতিক গেলি (মাজৰাতিলৈ)।

(৪) ক্ৰিয়া-বিভক্তিৰ ক্ষেত্ৰত দেখা যায় বৰ্তমান বুজাবলৈ দ্বিতীয় পুৰুষত 'আহ' যোগ হয়। যেনে ঃ হৈছাহ, আছাহ, কৰাহ, পাইছাহ, জানাহ ইত্যাদি।

(৫) তৃতীয় পুৰুষৰ ভূতকালৰ ক্ৰিয়াপদৰ শেষত 'ৰ' আৰু 'ল' থাকিলে সমীভবন হৈ লটো দ্বিত্ব হয়। যেন ঃ মাল্লা (মাৰিলে), ধল্লা (ধৰিলে), নল্লা (নোৱাৰিলে), পাল্লা (পাৰিলে) ইত্যাদি।

(৬) তৃতীয় পুৰুষৰ পূৰ্ণ বৰ্তমান আৰু পূৰ্ণভূত কালৰ ক্ৰিয়াপদত 'ছ'ৰ আগত 'ৰ' থাকিলে সমীভবন হৈ 'ছ' দ্বিত্ব হয়। যেনে— ফুচ্ছি (ফুৰিছে), মাচ্ছিল (মাৰিছিল), কচ্ছি

(কৰিছিল), ধৰিছিল (ধৰিছিল) ইত্যাদি।

(৭) মান্য অসমীয়াৰ দ্বিতীয় পুৰুষৰ 'তই'ৰ লগত প্ৰয়োগ হোৱা ক্ৰিয়াপদেই দক্ষিণ কামৰূপীত তইৰ লগতে 'তুমি' আৰু 'আপুনি'ৰ লগতো প্ৰয়োগ হয়। যেনে ঃ

মোৰ ভয় হৈছে, তুমি শুচি যাবি।

আপুনি শুনা নাছিলি?

শব্দমূলক বৈশিষ্ট্য ঃ দক্ষিণ কামৰূপী আৰু মান্য অসমীয়াত জীৱজন্তু, সম্বন্ধবাচক শব্দ, বিয়া-বাৰু, বিশেষণ, ধাতু, জতুৱাঠাঁচ, খণ্ডবাক্য আদিৰ ক্ষেত্ৰত ভিন ভিন শব্দ প্ৰয়োগ কৰা দেখা যায়। উদাহৰণ স্বৰূপে উপন্যাসখনত থকা কিছুমান শব্দ উল্লেখ কৰা হ'ল ঃ উৰিয়াম (মধুৰী আম), মোদফাল/মইদফাল (অমিতা), নগৰবেৰা (জাৰ্মানবন), ঠানি (ডাল), আতা (ককাদেউতা), আবু (আইতা), আপা (ল'ৰা), আপী (ছোৱালী), মিয়াক (মাক), ভিয়াক (ভায়েক), বৰ (দৰা), ছানা (পোৱালী), কুৰমা (মিতিৰ), টেকেনীয়া (যৌবনপুষ্ট), ঠগুৰা (ধুনীয়া), দঙ্গা (বৰডাঙৰ), লেঙ্টা/লাঙ্টা (নাঙঠ), মুকছা (গামোচা), গাতালা (চাদৰ), ভাখেৰী (ভঁৰাল), পলি (কোঠা), পস্তাক (সময়), ডিমা (কণী), কুণ্ডী (কপৌ), পাৰৱা /পাৰৱা (পাৰচৰাই), বল্লি (বৰালি), কাইমা (সেউজীয়া), ভহৰা (জাৰৰ), কাঁথি (পিৰালি), ভিজ্ (তিত্), গেৰিয়া (চিগ্ৰৰ্) ইত্যাদি।

জতুৱা ঠাঁচ আৰু খণ্ডবাক্য কিছুমান হ'ল ঃ আই ছিকৌ (বিস্ময়সূচক বা ঘৃণাভাব), তেলৰ ভাৰ (জোৰণ), ভিতৰত যা (বান্ধিবলৈ যা), শিচ ফুৰ্, মুৰা খা, মান্নাত মৰা (জহনীত যোৱা), ডাঙাৰ হ (পুষ্পিতা হ), চুৱা যা (অশুচি হ), পাগৰ বাহিৰ (ৰজস্বলা), পেট হ (গৰ্ভৱতী হ), পেট খালি কৰ্ (গৰ্ভপাত কৰ্)।

বাক্যতত্ত্বমূলক বৈশিষ্ট্য ঃ দক্ষিণ কামৰূপীৰ বাক্যক প্ৰধানভাবে দুটা ভাগত ভাগ কৰিব পাৰি— ক্ৰিয়াবিহীন বাক্য আৰু ক্ৰিয়াযুক্ত বাক্য। ভাব অনুযায়ী প্ৰত্যেক বিধৰে বৰ্ণনাত্মক, প্ৰশ্নবোধক, বিস্ময়সূচক আদি বাক্য পোৱা যায়। উপন্যাসখনত দক্ষিণ কামৰূপীৰ প্ৰয়োগ অনুযায়ী বাক্যসমূহক প্ৰধানভাবে দুটা ভাগত ভাগ কৰিব পাৰি (ক) মান্য অসমীয়াৰ বাক্যত দক্ষিণ কামৰূপীৰ শব্দ প্ৰয়োগ কৰা হৈছে। (খ) দক্ষিণ কামৰূপীৰ শব্দেৰে গঠিত হৈছে। উদাহৰণ স্বৰূপে প্ৰত্যেক বিধৰে কিছুমান বাক্য উল্লেখ কৰা হ'ল ঃ

(ক) (১) ওচৰে পাঁজৰে চাগৈ কত কুৰমা আছে, (২) সৰু গোসাঁনীয়ে গাৰ গাতালাখন খকামকাকৈ ঠিক কৰি ল'লে। (৩) মাছ হেতিয়াই থকা ছোৱালীজাকে খিলখিলাই হাঁহিবলৈ ধৰিলে। (৪) স্বামী ভিঠা এৰি অহা তিৰী আৰু লেঙ্টা হৈ বাটে-ঘাটে ঘুৰি ফুৰা তিৰীৰ মাজত কোনো ফাৰাক নাই। (৫) নহ'লে তাক চট্‌কি খেনখেনীয়া কৰি পেলালেহেঁতেন।

(খ) (১) কাইমা? (সেউজীয়া?), (২) শুন হেলৈ! (শুনাহঁক!), (৩) পেট হছিল! (গৰ্ভৱতী হৈছিল!), (৪) নি সৰুবাপা নি। (নিয়া সৰুবোপা নিয়া), (৫) বাঃ পেটত ডিমা থাকা কুণ্ডী চৰাইৰ দৰে! (বাঃ পেটত কণী থকা কপৌ চৰাইৰ দৰে!), (৬) কায় আনি দিলাহা খুৰী এই চচ্‌পেন? (কোনে আনি দিলেনো খুৰী এই চচ্‌পেন?), (৭) কহাই যে তাই কানিৰ বড়ি কেইটা অদৃশ্য কৰি ফেল্লা কায়ো তৰ্কিবই নল্লা। (ক'ত যে তাই কানিৰ বড়ি কেইটা অদৃশ্য কৰি পেলালে কোনেও ধৰিবই নোৱাৰিলে), (৮) মান্নাত মৰা বুঢ়ী, মহাপ্ৰভুক নিন্দা কৰিলে সাত নৰকত পচিবি। (জহনীত যোৱা বুঢ়ী, মহাপ্ৰভুক নিন্দা কৰিলে সাত নৰকত পচিবি), (৯) দৰাপিটা বৈঢ়ান আহিল। (দৰাপিটা বৰষুণ দিলে), (১০) এই সৰেদি সৰি পৰা বেহাৰে পোখা মেলিলা। (এই ফুটাৰে সৰি পৰা সৰিয়হে গজালি মেলিলে), (১১) লালাকৰ অস্থি দিবা নৰাৰ বেজাৰত শুখে লৰ হৈ গেছিল। (গিৰিয়েকৰ অস্থি বিসৰ্জন দিব নোৱাৰাৰ বেজাৰত খিনাই এছাৰি যেন হৈছিল)।

ওপৰৰ বিশ্লেষণৰ পৰা দেখা গ'ল উপন্যাসখনত দক্ষিণ কামৰূপী উপভাষাৰ বৈশিষ্ট্যসমূহ ভালদৰে প্ৰকাশ পাইছে। উপন্যাসখন পঢ়িলে উপভাষা প্ৰয়োগৰ ফলত কাহিনী, চৰিত্ৰ আদি স্পষ্ট ৰূপত পৰিস্ফুট হৈ অধিক সংবেদনশীল হৈ উঠা পৰিলক্ষিত হয়।

প্ৰসঙ্গপুথি ঃ

গোস্বামী, মামণি ৰয়ছম,১৯৯২ ঃ দঁতাল হাতীৰ উৰে খোৱা হাওদা, বাণী প্ৰকাশ, গুৱাহাটী, পাঠশালা, কলকাতা

গোস্বামী, উপেন্দ্ৰ নাথ, ১৯৮৬ ঃ অসমীয়া ভাষা আৰু উপভাষা, মণিমাণিক প্ৰকাশ, গুৱাহাটী

গোস্বামী, উপেন্দ্ৰ নাথ, ১৯৮১ ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, মণিমাণিক প্ৰকাশ, গুৱাহাটী

গোস্বামী, গোলোক চন্দ্ৰ,১৯৮৭ ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, বীণা লাইব্ৰেৰী, গুৱাহাটী

Kakati, B.K., 1972 : Assamese, Its Formation and Development, Lawyer's Book Stall, Guwahati

Goswami, U.N., 1970 : A Study on Kamrupi, A Dialect of Assamese, Deptt. of History and Antiquarian Studies, Assam, Guwahati.



ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসম

আব্দুছ ছামাদ আলী
নুমলী, বুৰঞ্জী বিভাগ

ভাৰতবৰ্ষৰ উৰ্ভেনদী থকা সম্পদ বাজিয়ে সাত সাগৰ তেৰ নদীৰ সিপাৰত থকা ডেনিচ, চুইডিছ, ফৰাচী আৰু ইংৰাজসকলক ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰ চলাবলৈ আকৰ্ষিত কৰে। ইংৰাজসকলে ইউৰোপীয় শক্তিবৰ্গ বিশেষকৈ ফৰাচী সকলৰ লগত সূচনা হোৱা প্রতিদ্বন্দ্বিতাত জয়ী হৈ তেওঁলোকে ব্যৱসায়-বাণিজ্যৰ পৰিসৰ ভাৰতবৰ্ষত ব্যাপক কৰি তোলে। আনকি বাণিজ্যৰ শ্রীবৃদ্ধিৰ উদ্দেশ্যে মোগল সম্রাট জাহাঙ্গীৰৰ পৰা চনদো লাভ কৰে। এইদৰে ইংৰাজ সকলে বেহা-বেপাৰৰ ক্ষেত্রত এক অভাৱনীয় আধিপত্য বিস্তাৰ কৰি এক চেটিয়া ব্যৱসায় -বাণিজ্যৰ অধিকাৰী হয়। ইয়াৰ উপৰিও তেওঁলোকে ভাৰতবৰ্ষত সাম্রাজ্য স্থাপনৰ সপোন দেখে। এই উদ্দেশ্যে তেওঁলোকে অবিৰাম প্রয়াস চলাই থাকে। ইংৰাজসকলে বিৰোধী চক্রক হাত কৰিলে। বংগৰ নবাব চিৰাজ-উদ-দৌলাক বিখ্যাত পলাশী যুদ্ধত শোচনীয় ভাৱে পৰাস্ত কৰে। পলাশী যুদ্ধৰ বিজয় গৌৰৱে তেওঁলোকৰ সাম্রাজ্য স্থাপনৰ বাট সুগম কৰি দিয়ে। ইয়াৰ উপৰি ইংৰাজসকলে ঐতিহাসিক বক্সাৰ যুদ্ধ জয়ী হৈ বংগ দেশৰ দেৱানী লাভ কৰে। তাৰ ফলত ভাৰতবৰ্ষত ইংৰাজ সকলৰ আর্থিক অৱস্থা অধিক স্বচ্ছল হৈ পৰে। চিপাহী বিদ্রোহৰ চৰম ব্যর্থতাই ভাৰতৰ প্রথম স্বাধীনতা সংগ্রামৰ ওপৰত চেচাঁ পানী ঢালি দিয়ে। আনহাতে ইংৰাজ সকলৰ সাম্রাজ্য স্থাপনৰ ভেটি সুদৃঢ় কৰি তোলে। চিপাহী বিদ্রোহৰ পিছতে খ্রীঃ১৮৫৮ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ভাৰতবৰ্ষৰ শাসন ভাৰ বিটিছ চৰকাৰে নিজৰ হাতলৈ নিয়ে। সমগ্র ভাৰতবর্ষ বিটিছৰ অধীনলৈ যায়। এই দৰে ইংৰাজ সকলে ভাৰতবৰ্ষত একচ্ছত্রী শাসক শক্তি হৈ পৰে। ইংৰাজ সকলে প্রায় ১৯০ বছৰ কাল ভাৰতবর্ষ শাসন কৰে।

ভাৰতবৰ্ষত একচ্ছত্রী ক্ষমতা লাভ কৰি ইংৰাজসকলে ভাৰতত স্বেচ্ছাচাৰী আৰু দমনমূলক শাসন চলায়। তেওঁলোকৰ শাসনৰ মূল উদ্দেশ্য আছিল ভাৰতবৰ্ষৰ সর্বোচ্চ ক্ষমতালাভ কৰা। ভাৰতবৰ্ষত তেওঁলোকে শোষণ নীতিহে চলাইছিল। ইংৰাজসকলে ভাৰতবৰ্ষৰ ধন সম্পদবোৰ অবাধে লুটি নি ইংলণ্ডক চহকী কৰে। ভাৰতবৰ্ষৰ জনকল্যাণমূলক কামৰ প্রতি তেওঁলোকে মুঠেই চকু দিয়া নাছিল। তেওঁলোকে যি জনকল্যাণমূলক কাম কৰিছিল সেইবোৰ মাথোঁণ বৃটিছ সাম্রাজ্য সুদৃঢ় কৰাৰ কাৰণেহে কৰিছিল। ইংৰাজ সকলে ইংৰাজী শিক্ষা ভাৰতবৰ্ষত প্রচলনৰ বাবে যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল সঁচা কিন্তু তাৰ মূল উদ্দেশ্য আছিল ভাৰতবাসীসকলে যাতে ইংৰাজী শিক্ষা লাভ কৰি ইংৰাজ সকলক অফিচ-আদালতৰ কাম-কাজত সহায় কৰিব পাৰে। আনহাতে ভাৰতবৰ্ষৰ উচ্চ পদবোৰ অলংকৃত কৰিছিল ইংলণ্ডৰ পৰা আমদানি কৰি অনা মানুহে নিম্নখাপৰ পদবোৰতহে ভাৰতীয় মানুহক নিয়োগ কৰিছিল। ভাৰতবাসী ইংৰাজসকলৰ এনেকুৱা বৈষম্যমূলক কাম-কাজত সন্তুষ্ট হ'ব পৰা নাছিল, দিনক দিনে ভাৰতবাসী অতীষ্ঠ হৈ পৰিছিল। ইংৰাজসকলে ভাৰতবাসীৰ স্বাধীনতা আৰু জন্মগত অধিকাৰ সম্পূর্ণৰূপে খর্ব কৰি পেলাইছিল। ভাৰতবাসী ইংৰাজ সকলৰ স্বেচ্ছাচাৰী শাসন আৰু দমনমূলক কার্যকলাপৰ বিৰুদ্ধে মাত মাতিব পৰা নাছিল। আনহাতে ইংৰাজসকলৰ অমানমীয় অত্যাচাৰ আৰু নির্য্যাতনত অতীষ্ঠ হৈ ভাৰতবৰ্ষৰ কিছুমান যুৱকে ইংৰাজসকলৰ বিৰুদ্ধে সন্ত্রাসবাদী কার্য্যকলাপত লিপ্ত হয়। ক্ষুদিৰাম আৰু সুখদেৱ সিঙে ইংৰাজৰ বিৰুদ্ধে সন্ত্রাসবাদী কার্য্যত লিপ্ত হোৱাৰ অভিযোগত ফাঁচী কাঠত ওলমিব লগীয়া হয়। ভাৰতবাসী ইংৰাজৰ অবর্ণনীয় আৰু পাশৱিক অত্যাচাৰৰলৈ মুঠেই ভ্রূক্ষেপ কৰা নাছিল। আনহাতে ভাৰতবাসী আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ঐতিহাসিক ফৰাচী বিপ্লৱৰ দ্বাৰা অনুপ্রাণিত আৰু উৎসাহিত হৈ জননী জন্মভূমিক, ভাৰত মাতৃক ইংৰাজৰ পৰাধীনতাৰ কৱলৰ পৰা মুক্ত কৰাৰ অর্থে ইংৰাজৰ বিৰুদ্ধে আন্দোলন কৰাৰ সংকল্প গ্রহণ কৰে। খ্রী ঃ ১৯২০ চনত ভাৰতীয় কংগ্রেছৰ নাগপুৰ অধিৱেশনে অসহযোগ আন্দোলনৰ প্রস্তাৱ গ্রহণ কৰে। আফ্রিকাৰ পৰা ভাৰতলৈ প্রত্যাৱর্ত্তন কৰি মহামানৱ মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনত সক্রিয়ভাৱে যোগদান কৰি উক্ত আন্দোলন অহিংসা নীতিৰে চলাই নিয়াৰ দায়িত্বও পালন কৰে। ভাৰতবাসীয়ে তেওঁৰ বলিষ্ঠ নেতৃত্বৰ প্রতি পূর্ণ আস্থা

আৰু সমৰ্থন আগবঢ়ায়। জাতিৰ পিতা মহাত্মা গান্ধী ভাৰতীয় আন্দোলনৰ অবিসম্বাদী নেতা হৈ পৰে।

উক্ত অসহযোগ আন্দোলনত সৰ্বভাৰতীয় নেতা মতিলাল নেহৰু, পণ্ডিত জৱাহৰলাল নেহৰু, সুভাসচন্দ্ৰ বসু, বাল গঙ্গাধৰ তিলক, মৌলনা আবুল কালাম আজাদ, চৌকত আলী, মহম্মদ আলী, অসমৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ফকৰুদ্দিন আলী আহমেদ, মঃ তৈয়বুল্লা আৰু বহুতে যোগ দিছিল। তৰুণৰাম ফুকন প্ৰমুখে বিশিষ্ট নেতা কেইগৰাকীৰ অনুৰোধত খ্ৰী ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ আহে। তৰুণৰাম ফুকনৰ আলহীৰূপে থাকি আন্দোলনৰ কাৰ্যসূচী প্ৰচাৰ কৰে। অসহযোগ আন্দোলনৰ সূচী আছিল চৰকাৰী উপাধি বৰ্জন, আদালত, ওকালতি বৰ্জন, বিধান সভা বৰ্জন, আৰু বিলাতত তৈয়াৰী সকলো ধৰণৰ পণ্যদ্ৰব্য বৰ্জন। মহত্মা গান্ধীৰ উপস্থিতিত তৰুণৰাম ফুকনৰ হাউলিতে বিলাতী কাপোৰ দহন যজ্ঞ সমাপন কৰা হয়।

অসম ছাত্ৰ সম্মিলনে ১৯২১ চনৰ পৰা সক্ৰিয় ভাবে অসহযোগ আন্দোলনত যোগ দিছিল। ছাত্ৰ-ছাত্ৰীসকলে ব্ৰিটিছৰ দ্বাৰা পৰিচালিত স্কুল-কলেজ বৰ্জন কৰে। অসমৰ ছাত্ৰ সকলে অসহযোগ আন্দোলনৰ প্ৰতি অভূতপূৰ্ব সঁহাৰি জনাইছিল। আনহাতে অসহযোগ আন্দোলনৰ প্ৰতি সঁহাৰি দি উকিল সকলে আদালত বৰ্জন কৰে। অসমৰ চাহ শ্ৰমিক সকলেও আন্দোলনৰ প্ৰতি অভূতপূৰ্ব সহাৰি দিছিল। আন্দোলনত সকলো স্তৰৰ নৰ-নাৰী জপিয়াই পৰিছিল। টেলিফোন লাইন কাটি দিয়ে; ৰেল গাড়ী বগৰাই দিয়ে আৰু চৰকাৰী অফিচবোৰত অগ্নি সংযোগ কৰে। অসহযোগ আন্দোলনৰ বিৰুদ্ধে বৃটিছ চৰকাৰে দমনমূলক নীতি লৈছিল। পুলিচ, মিলিটাৰীয়ে জনসাধাৰণক মাৰ-পিট, লাঠি চালনা কৰিছিল, নিতৌ শ শ লোকক গ্ৰেপ্তাৰ কৰি অমানৱীয় অত্যাচাৰ কৰিছিল, সভা-সমিতিবোৰক বে-আইনী বুলি ঘোষণা কৰা হৈছিল। গণ্যমাণ্য নেতা সকলক গ্ৰেপ্তাৰ কৰি নি তেজপুৰ আৰু শিলচৰ জেলত ভৰাই দিছিল। ক্ৰমে ক্ৰমে অসহযোগ আন্দোলন অসমৰ গাঁৱে-ভূঞে তীব্ৰতৰ ৰূপে বিয়পি পৰিছিল।

খ্ৰী ঃ ১৯৩০ চনৰ ২৬ জানুৱাৰী দিনটো স্বাধীনতা দিৱস হিচাপে পালন কৰাৰ আহ্বান আৰু সকলো কংগ্ৰেছ সভাক বিধান সভাৰ পৰা পদত্যাগ কৰাৰ নিৰ্দেশ আদিৰ দ্বাৰা এই নতুন আইন অমান্য আন্দোলনৰ সূচনা হয়। অসমতো স্বাধীনতা দিৱস উদ্‌যাপিত হৈছিল। ১৯৩০ চনৰ এপ্ৰিল মাহত জাতিৰ পিতা মহাত্মাই শ শ লোকেৰে সৈতে দাণ্ডি উপকূললৈ যাত্ৰা কৰি গৈ লোণ আইন ভঙ্গ কৰে। অসমতো আইন অমান্য আন্দোলন আৰম্ভ হয়। হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস, ড° ভুবনেশ্বৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, দেবেশ্বৰ শৰ্মা আদি কৰি ভালেমান বিশিষ্ট লোকে উক্ত আইন অমান্য আন্দোলনত যোগ দিয়ে । মহিলা সকলে চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু দুৰ্গাপ্ৰভা বৰাৰ নেতৃত্বত আন্দোলনত যোগ দিয়ে। আইন অমান্য আন্দোলন আছিল অধিক বিপ্লৱাত্মক। মহাত্মা গান্ধীৰ দাবী পূৰণ নকৰাত ১৯৩২ চনত আইন অমান্য আন্দোলনৰ দ্বিতীয় পৰ্যায় আৰম্ভ হয়। অসমতো উক্ত আন্দোলনৰ আকৌ সূচনা হয়। খ্ৰীঃ ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে মৌলনা আবুল কালাম আজাদৰ সভাপতিত্বত অনুষ্ঠিত অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ বোম্বাই অধিবেশনত বিখ্যাত ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত হয়। ভাৰত ত্যাগ আন্দোলনৰ মূল বাণী আছিল " কৰিম নহয় মৰিম"। উক্ত মন্ত্ৰেৰে দীক্ষিত হৈ অহিংসা পন্থাৰে সমগ্ৰ ভাৰতবৰ্ষত এক ব্যাপক আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনোৱা হৈছিল। অসমতো বিয়াল্লিছৰ আন্দোলন দপ্ দপ্ কৈ জ্বলি উঠে। গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, বিমলাপ্ৰসাদ চলিহা, মহেন্দ্ৰমোহন চৌধুৰী, ফকৰুদ্দিন আলী আহমেদ, মঃ তৈয়বুল্লা,গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপিত্ৰম্বৰ দেৱগোস্বামীকে ধৰি বৰমূৰীয়াসকল আৰু বহুতো নেতা গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থ'লে। হেজাৰ হেজাৰ বীৰ-বীৰঙ্গণাই মৃত্যু বাহিনীত যোগ দি দেশ মাতৃৰ মুক্তিৰ বাবে জীৱন পণ কৰিলে।

সশস্ত্ৰ পুলিচ, মিলিটাৰী বাহিনী নিৰস্ত্ৰ সত্যাগ্ৰহীৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাইছিল। 'বন্দে মাতৰম' ধ্বনিয়ে আকাশ বতাহ নিনাদিত কৰি তুলিলে।জ্যোতিপ্ৰসাদ, ত্যাগবীৰ হেম বৰুৱা আদিৰ অগ্নিমন্ত্ৰই অসমৰ প্ৰতিজন ডেকা-গাভৰুক মুক্তি যুঁজলৈ উদ্বুদ্ধ কৰিলে।

বিয়াল্লিছৰ ২০ চেপ্তেম্বৰ দিনটো অসমৰ বাবে যুগান্তকাৰী ইতিহাস প্ৰসিদ্ধ দিন। গহপুৰ পুলিচ থানাৰ প্ৰাঙ্গণত পতাকা উত্তোলন কৰিবলৈ যাওঁতে চৈধ্য বছৰীয়া কনকলতা আৰু কুৰি বছৰীয়া মুকুন্দ কাকতিয়ে পুলিচৰ গুলীত প্ৰাণ বিসৰ্জন দিলে আৰু লগতে কুশল কোঁৱৰ, ভোগেশ্বৰী ফুকননী, ঠগীৰাম সুত, লক্ষী হাজৰিকা, বলোৰাম সুত আৰু কমলা মিৰি আদি ব্যক্তি সকলেও দেশৰ হকে হাঁহি মুখে ছহিদ হৈছিল।

অসমবাসীৰ আন্দোলনৰ প্ৰতি অকুণ্ঠ সমৰ্থনৰ ফলত। ব্ৰিটিছৰ শাসন যন্ত্ৰ অচল হৈ পৰে। অসমবাসী তথা ভাৰতবাসীৰ নেৰা নেপেৰা আবিৰাম প্ৰৱল আন্দোলনৰ ফলত ব্ৰিটি ছ শক্তি ভাৰতত তিষ্ঠিব নোৱাৰি ভাৰতবৰ্ষ এৰি যাবলৈ বাধ্য হয়। অৰ্থাৎ ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষ বিটিছৰ কৱলৰ পৰা স্বাধীন হয়। ই অসম তথা ভাৰতবাসীৰ চৰম ত্যাগৰ জলন্ত নিদৰ্শন। যুগে যুগে ভাৰতবাসীৰ মহান ত্যাগৰ চানেকি বিশ্বৰ ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব । জয়তু ভাৰতবাসী, জয়তু অসম বাসী।

বিজ্ঞান, বিজ্ঞান মানসিকতা আৰু সমাজ

সূর্য কলিতা
প্ৰবক্তা, উদ্ভিদ-বিজ্ঞান বিভাগ

বিজ্ঞান ঃ

প্ৰকৃতিত সংঘটিত বিভিন্ন ঘটনা- পৰিঘটনাৰ কাৰ্য কাৰণ সম্বন্ধ উদঘাটন কৰিবলৈ আদিম মানৱ অপাৰগ আছিল। চকুত চাট মাৰি ধৰা বিজুলী গাজযনিৰ বাবে ভয়-শংকা, দিন দুপৰতে অন্ধকাৰ সৃষ্টি কৰা সূৰ্য গ্ৰহণ আৰু আন্ধাৰে ঢাকি পেলোৱা চন্দ্ৰ গ্ৰহণৰ প্ৰতি পৰম বিস্ময়, মৃত্যু ভয় আদিৰ দৰে এশ এটা ঘটনাই বিভিন্ন ধাৰণাৰ সৃষ্টি কৰিছিল। সেই ধাৰণাবোৰেই ভিন ভিন আচাৰ, অনুষ্ঠান আৰু বিশ্বাসৰ জন্ম দিছিল। খাদ্য সংগ্ৰহকাৰী মানুহে চিকাৰ, পশুপালন, কৃষি আদি স্তৰবোৰ অতিক্ৰম কৰোঁতে আৰু আন কিছুমান ধাৰণা নতুনকৈ জন্ম হ'ল। জুইৰ ব্যৱহাৰ, অংকণ আৰু লিখন পদ্ধতি, ভাষাৰ উৎপত্তি, লোৰ ব্যৱহাৰত, শ্ৰম উৎপাদন আদিয়ে মানুহক এখোজ এখোজকৈ প্ৰকৃতিৰ চাৰিওফালে আগ্ৰহ আৰু কৌতূহলেৰে নিৰীক্ষণ কৰিবলৈ, পৰীক্ষা কৰি চাবলৈ শিকালে। এক সুদীৰ্ঘ পৰিক্ৰমাৰ অন্তত মানুহে প্ৰকৃতিৰ ৰহস্যৰ দুৱাৰবোৰ ইখনৰ পাচত সিখনকৈ খুলি নিয়ন্ত্ৰণত আনি এবাৰ এই প্ৰক্ৰিয়াটো (বিজ্ঞান) যি আৰম্ভ কৰিলে সি আৰু থমকি ৰোৱা নাই। শ্ৰমবিকাশৰ এই যাত্ৰা পথত ঐতিহাসিক এই প্ৰক্ৰিয়াটোৰে খুঁজি গৈ আছে বিভিন্ন প্ৰতিক্ৰিয়াশীল আচাৰ, অনুষ্ঠান আৰু বিশ্বাসৰ বিৰুদ্ধে। বিভিন্ন জনে অশেষ নিৰ্যাতন ভুগিছে, মৃত্যুদণ্ডেৰেও দণ্ডিত হৈছে কিন্তু একোৱেই এই যাত্ৰাক ৰোধ কৰিব পৰা নাই আৰু নোৱাৰে।

বিজ্ঞানক ইয়াৰ উৎপাদিত বস্তুবোৰৰ লগত অতি তৰল ভাৱে একাকাৰ কৰি পেলোৱা ; শ্ৰেণীকোঠাত শিকাৰ -শিকিবৰ বাবে এটা আৰু ঘৰত পালন কৰিবৰ বাবে আন এটা মত, বিজ্ঞানৰ সৰ্বোচ্চ ডিগ্ৰী লাভ কৰিও দৈনন্দিন জীৱনত পালন কৰা ভূমিকা আদি কেবাটাও কাৰণৰ বাবে বিজ্ঞান মানেনো দৰাচলতে কি বুজাত কিছু খেলিমেলিৰ সৃষ্টি হয়।

বিজ্ঞানৰ একেটাই মাত্ৰ অৰ্থ থকা সংজ্ঞা এটি সমাজৰ সকলো স্তৰৰ মানুহৰ বাবে সকলো সময়তে প্ৰয়োজ্য হোৱাকৈ দিয়াও কঠিন। বিভিন্ন জনৰ কাৰণে সময় সাপেক্ষে ই ভিন ভিন হয় আৰু সকলোৱে নিজ উদ্দেশ্য পূৰণত সহায়ক হোৱাকৈ একোটা সংজ্ঞা দি লয়। অশিক্ষিত হোজা এজনৰ বাবে বিজ্ঞান বুজিব নোৱাৰা ৰহস্যৰে ভৰা এটা অতিকৈ দৰকাৰী বস্তু । সৰহভাগ বিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে আন আন বিষয়ৰ দৰে বিজ্ঞানো এটি পাঠদান গ্ৰহণ কৰিবলগীয়া বিষয়। ৰজনীতিক, প্ৰশাসক, আমোলা আদিৰ বাবে দৰিদ্ৰতা নিৰ্মূল, সৰ্বাংগীণ উন্নতি আৰু বিকাশেৰে নতুন শতিকাত প্ৰৱেশৰ একমাত্ৰ উপায় হ'ল বিজ্ঞান। গৱেষকৰ বাবে বিজ্ঞান হ'ল আলোচনা, অধিবেশন, কৰ্মশালা আদিত উপস্থিত আটাইকে প্ৰভাৱিত কৰিব পৰাকৈ উপস্থাপন কৰিবলগীয়া বস্তু। আন কিছুমানৰ বাবে বিজ্ঞান হ'ল নিজৰ খ্যাতি, যশস্যা সমাদৰ আহৰণৰ বাবে কেৰিয়াৰ গঢ়িবলৈ এখন সম্ভাৱনাপূৰ্ণ ফিল্ড।

উক্ত তালিকাখন আৰু দীঘল হ'ব। আনহাতে বিজ্ঞান মানুহৰ জীৱন-জীৱিকাৰ লগতে চিন্তা-চৰ্চাৰ লগত ওতঃপ্ৰোত বাবে জড়িত এটি পদ্ধতি। ই অনবৰতে মানুহৰ আন সকলোবোৰ ক্ৰিয়া-কাণ্ডৰ লগত মোকাবিলা কৰি চলি আছে। মানৱ সভ্যতাৰ ভেটিও এইদৰেই গঢ় লৈ উঠিছে। বিভিন্ন সময়ত বিজ্ঞানে ইয়াক বিভিন্ন ধৰণে আগুৱাই আনি বৰ্তমান অৱস্থাত উপনীত কৰাইছে। ঐতিহাসিক ভাৱেই আমি কিছুমান মজ্জাগত আচাৰ-আচৰণৰ বোকোচাত লালিত পালিত হওঁ বাবে যুক্তি পূৰ্ণ, বিজ্ঞানসন্মত বুলি জানিও দৈনন্দিন জীৱনত কিছুমান কথা এৰাই চলিবলৈ টান পাওঁ। তাৎক্ষণিকতভাৱে একো অসুবিধাত নপৰা আৰু ভতিয়নী সোঁতত লাভ কৰা এক ধৰণৰ উত্তেজনাই আমাৰ

মনোজগতক এই বিৰ্তকৰ পৰা আঁতৰাই ৰাখে। বিজ্ঞানৰ প্ৰক্ৰিয়াটোত এইদৰে কিছু ভ্ৰান্ত ধাৰণা সোমাই পৰাত আমি সহায় কৰোঁ। লগতে ৰীতি-নীতি, পৰম্পৰা, বোপা-ককাৰ দিনৰ পৰা চলি অহা আদি কথাবেও আমাৰ আচৰণৰ ব্যাখ্যা দিয়াৰ প্ৰয়াস কৰোঁ।

ওপৰৰ আলোচনাৰ ভিত্তিত বিজ্ঞানক আমি সৰলভাবে এইদৰে সংজ্ঞাৱদ্ধ কৰিব পাৰোঁ ঃ " নিজৰ আকোঁ-অনুভূতি আৰু আকাংক্ষা পৰিহাৰ কৰি, আসক্তিপূৰ্ণ ভাবে কোনো পক্ষ নলৈ, উপলব্ধ তথ্য ,সাক্ষ্য আৰু যুক্তি সমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন আৰু পৰ্যবেক্ষণ, পৰীক্ষণেৰে সিদ্ধান্তত উপনীত হোৱা প্ৰক্ৰিয়াটোৰেই হ'ল বিজ্ঞান।"

বিজ্ঞান মানসিকতা আৰু সমাজ ঃ

আমাৰ পৃথিৱীখন হাতীপটী তাৰকা ৰাজ্যৰ অৰ্ন্তগত সৌৰজগতৰ এটি গ্ৰহ। ইয়াৰ সৃষ্টিৰ আদি চোৱাত থকা পৰিৱেশত জীৱনৰ কথা বাদেই আজিৰ দৰে বায়ুমণ্ডলো নাছিল; জড় জগতখনো এতিয়াৰ দৰে নাছিল। কালক্ৰমত ইয়াৰ পৰিৱৰ্তন ঘটিল আৰু বিভিন্ন বস্তুৰ সৃষ্টি হ'বলৈ ধৰিলে। সেই সময়তেই জীৱন আৰু জীৱৰোৰ সৃষ্টি হ'ব পাৰে বুলি আজিকালি কৰা বিভিন্ন পৰীক্ষা-নিৰীক্ষা, প্ৰত্নতাত্ত্বিক আৰু নৃতাত্ত্বিক অনুসন্ধানে প্ৰমাণ কৰিছে আৰু এই দিশত পৰীক্ষা চলিও আছে। এই জীৱবোৰৰ বিকাশৰ এটা স্তৰত মানুহৰ আৰিৰ্ভাবো সাক্ষ্য সহকাৰে প্ৰমাণিত হৈছে।

অতীতত কৰা ভুল-ভ্ৰান্তি, আসোঁৱাহ আঁতৰাই ভৱিষ্যতৰ বাবে নিখুঁত পৰিকল্পনা সম্ভৱ। মানুহে সন্মুখৰ ভৰি দুখন খোজ কঢ়াত ব্যৱহাৰ কৰাৰ সলনি বিভিন্ন কামত হাত হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু বিভিন্ন কৌশল পুৰুষানুক্ৰমে আয়ত্ব কৰি গ'ল। এনেদৰে পৰিৱৰ্তনৰ লগত নিবিড়ভাবে জড়িত হৈ মানুহৰ মগজুৰো প্ৰসাৰ হ'ল, কৰ্মক্ষমতা বাঢ়িল আৰু বিকশিত হৈ গৈ থাকিল। চিকাৰ, খাদ্য সংগ্ৰহ, জুইৰ ব্যৱহাৰ, পশুপালন, কৃষি, চকাৰ ব্যৱহাৰ , অংকন আৰু লিখন পদ্ধতি, আকাশৰ গ্ৰহ-নক্ষত্ৰৰ অধ্যয়ন, লোৰ ব্যৱহাৰ আদি বিভিন্ন সাংস্কৃতিক স্তৰৰ মাজেদি মানৱ সভ্যতা আগবাঢ়িবলৈ ধৰিলে। চিন্তাধাৰা, পৰ্যালোচনা ক্ষমতা আৰু চেতনা বিকাশ হ'বলৈ ধৰিলে মানুহৰ শ্ৰমৰ মাজেদি। খাদ্য সংগ্ৰহকাৰী মানুহ উৎপাদনকাৰীলৈ ৰূপান্তৰ হোৱাৰ পথত ইজনে সিজনৰ লগত ভাব বিনিময় কৰাতো প্ৰয়োজন হৈ পৰিছিল আৰু মাধ্যম হিচাপে ভাষাৰ সৃষ্টি হ'ল। সেই ভাষাৰে নিজৰ অভিজ্ঞতাবোৰ আনৰ আগত বৰ্ণনা কৰিবলৈ ধৰিলে। প্ৰাকৃতিক ঘটনাৱলীৰ নিয়মানুবৰ্ত্তিতাই, যেনে গ্ৰীষ্মৰ পিছত ধুমুহা-ববষুণ পৰা ৰক্ষা পোৱাৰ উপায়, শীত কালত নিজকে ৰক্ষা কৰাৰ চিন্তা আদিয়ে তেওঁলোকৰ মনত কিছুমান ক্ৰমৰ সৃষ্টি কৰিছিল। গৃহহীন, বস্ত্ৰহীন, আশ্ৰয়হীন জীৱনৰ প্ৰতি মুহুৰ্ত্ততে প্ৰকৃতিৰ স্বাভাৱিক ধাৰাৰ সামান্য তাৰতাম্যই অত্যন্ত ভয় আৰু অমংগলৰ ইংগিত বুলি সন্ত্ৰস্ত কৰি তুলিছিল। সেয়ে বাস্তৱ আৰু কাল্পনিক সকলো ঘটনা-পৰিঘটনাই কাৰোবাৰ নিয়ন্ত্ৰণত ঘটি থাকে বুলি ভাবিছিল । জীৱন ৰক্ষাৰ স্বাৰ্থত অহৰহ ব্যস্ত হৈ থাকিবলগীয়া হোৱাত কাৰ্য-কাৰণৰ নিৰ্মোহ বিশ্লেষণ তেওঁলোকৰ বাবে সম্ভৱ নাছিল। দুটা ঘটনাৰ মাজত কাৰণৰ সম্পৰ্ক স্থাপন কৰি প্ৰকৃতিৰ ৰহস্যময় সম্পৰ্কৰ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল আৰু সেইমতে কিছুমান কথা বিশ্বাস কৰিবলৈ বাধ্য হৈছিল। কোনো বছৰ যথেষ্ট শ্ৰম কৰাৰ সত্বেও ফচল ভাল নোহোৱা, কোনো দিনত কম আয়াসতে বেছি চিকাৰ পোৱা, আকাশত বিভিন্ন তৰা দেখা-নেদেখাৰ বাবে শুভ-অশুভ হয় বুলি ভৱা, কোনো মানুহে বেমাৰত ভ্ৰম বকিলে অশৰীৰীয়ে লম্ভা বুলি ভাবি বিভিন্ন উপায়ে পৰিত্ৰাণ পাবলৈ যত্ন কৰা আদি এক ধাৰণাৰ জন্ম দিছিল। কালক্ৰমত সেইৱোৰ আদিম মানুহৰ জীৱনৰ লগৰীয়া হৈ পৰিছিল। আজিও সেইবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা আচাৰ, অনুষ্ঠান আৰু বিশ্বাসত থকা ভুল-ভ্ৰান্তি আঁতৰাবলৈ আমি সচেতন ভাবে কিবা প্ৰচেষ্টা হাতত লৈছোঁ নেকি? ই এটা অতি চিন্তনীয় বিষয়।

মানৱ সভ্যতাৰ বিকাশৰ লগে লগে প্ৰকৃতিৰ এনেকুৱা ৰহস্যৰ দুৱাৰ খুলি খুলি আগবাঢ়িছিল আৰু ঘটনাবোৰৰ কাৰ্য-কাৰণ সম্বন্ধ স্থাপিত হৈছিল। জুইৰ আবিষ্কাৰে মানুহক বহুত আগুৱাই আনিছিল আৰু জুই কেনেকৈ অনবৰতে জ্বলাই ৰাখিব পাৰি, এঠাইৰ পৰা আন এঠাইলৈ অনায়াসে লৈ যাব পাৰি সেই চিন্তা আদিম মানুহৰ মনতো সোমাইছিল যাৰ ফলত আমি আজি বিভিন্ন ঘাট-প্ৰতিঘাট অতিক্ৰম কৰি বৰ্তমানৰ অৱস্থা পাইছোঁ। বিভিন্ন প্ৰাকৃতিক ঘটনাৰ কাৰ্য-কাৰণ বিশ্লেষণ প্ৰক্ৰিয়া ত্বৰান্বিত কৰি নিয়ন্ত্ৰণ কৰিছোঁ আৰু আমাৰ কামত লগাইছোঁ। আজিও নিৰন্তৰ এই প্ৰক্ৰিয়া চলিয়েই আছে। এক দীঘলীয়া পৰিক্ৰমাৰ অন্তত আমি আজিৰ অৱস্থা পাইছোঁ। অভিজ্ঞতাৰ ভিত্তিত আমি অতীতৰ বিভিন্ন আচাৰ অনুষ্ঠান, বিশ্বাসৰ সাৰখিনি গ্ৰহণ কৰি অলাগতিয়ালখিনি বৰ্জন কৰি

আগবাঢ়ি আছোঁ।

তথাপিও বিজ্ঞানী, অবিজ্ঞানী আৰু সাধৰণ মানুহৰ দৈনন্দিন জীৱনৰ বাস্তৱ ছবিখন কিন্তু ৰৰ সন্তোষজনক নহয়। মানৱ শিশু এটিৰ জন্মৰ মুহূর্ত্তৰ পৰাই, আনকি মাতৃ গর্ভত স্থিতি লোৱাৰ পৰা মৃত্যুলৈ বিভিন্ন উপলক্ষ্যত মজ্জাগত কৰি লোৱা ধাৰণাবোৰকেই আমি জীৱনৰ আদি আৰু শেষ বুলি ভাবিবলৈ শিকোঁ। সেইবোৰৰ লালন পালন আৰু সংবর্ধনৰ নতুন নতুন কৌশল উদ্ভাৱন কৰোঁ। প্রয়োজনত আনকি বিজ্ঞানৰ বিভিন্ন অৱদানকো এই কামত ব্যৱহাৰ কৰোঁ। আমি আমাৰ অগোচৰে এইদৰে বিজ্ঞান সংস্কৃতিৰ বোঁৱতী সুঁতিৰ গতিৰোধ কৰোঁ, নতুন নতুন পথৰ অনুধাৱনত বাধা হৈ পৰোঁ। এই খিনিতেই বিজ্ঞান মানসিকতাৰ প্রশ্নটো আহি পৰে। এই বিজ্ঞান মানসিকতানো কি?

কথা এটা ভালদৰে বিশ্লেষণ কৰি চাই বিশদভাবে জানি লোৱাৰ ইচ্ছা, জানি লৈ প্রয়োজন সাপেক্ষে পৰীক্ষণৰে ভুল-শুদ্ধ নির্ণয় কৰি নিজাকৈ এটা সিদ্ধান্তত উপনীত হৈ অনুসন্ধিৎসা পূৰণৰ হেঁপাহেই হ'ল বিজ্ঞান মানসিকতাঁ। বিজ্ঞান শিক্ষাৰে শিক্ষিত হ'লেই এই মানসিক অবস্থা লাভ কৰিবই বুলি ক'ব নোৱাৰি, হোজা -চহা লোক এজনো এনেকুৱা মন এটিৰ অধিকাৰী হ'ব পাৰে। কোনো গুৰুৰে বা মহান ব্যক্তিয়ে কৈ গৈছে, গতিকে এই বিষয়ত ভাব - চিন্তা কৰাৰ কোনো দৰকাৰ নাই, -প্রয়োজন নাই, আনকি এক্তিয়াৰো নাই এই মনোবৃত্তি থাকিব নালাগিব।

কৌতূহলী আৰু মুক্ত মনেৰে প্রশ্ন সোধা, উত্তৰৰ বাবে তথ্য সংগ্রহ, পর্যবেক্ষণ, বিশ্লেষণ, পৰীক্ষণ, প্রয়োজনত নতুন তত্ত্বৰ সৃষ্টি আদি হ'ল বিজ্ঞান মানসিকতাৰ ফলশ্রুতি। মুম্বাইৰ নেহৰু কেন্দ্রই প্রকাশ কৰা A Document on Scientific Temper ত সেয়ে উল্লেখ কৰিছে – " বিজ্ঞান মানসিকতা সম্পন্ন লোকক তেওঁৰ দৃষ্টিভংগী আৰু আচৰণ পৰা চিনিব পাৰি। মানুহৰ ৰাজনৈতিক, আর্থ-সামাজিক, শৈক্ষিক, সাংস্কৃতিক আদি প্রতিটো কামেই এই মানসিকতাৰে ব্যাখ্যা কৰিব পাৰি আৰু আন বিভিন্ন সমস্যাৰ সমাধান পাব পাৰি। বিজ্ঞান মানসিকতাৰ লগত জড়িত স্বীকার্য কেইটি হ'ল :—

(ক) বিজ্ঞানৰ পদ্ধতি জ্ঞান আহৰণৰ বাবে এক কার্যকৰী পদ্ধতি।

(খ) বিজ্ঞানৰ পদ্ধতি প্রয়োগেৰে মানুহৰ সমস্যাসমূহৰ আঁতিগুৰি বুজি লৈ সমাধান কৰা সম্ভৱ।

(গ) সমগ্র মানৱ জাতিৰ উন্নতি , বিকাশ আৰু স্থায়িত্বৰ বাবে জীৱনৰ সকলো কামতে বিজ্ঞান সম্মত সমাধান উলিওৱা যুগুত।

(ঘ)বিজ্ঞানৰ পদ্ধতিৰে আহৰণ কৰা জ্ঞানেই চৰম সত্য নহয়, সেই সময়ৰ বাবেহে সত্য। এনে জ্ঞানৰ লগত নিমিলা তথ্য দলিয়াই নেপেলাই ভালদৰে পুনৰ পৰীক্ষা কৰি চোৱা উচিত"।

আমাৰ সংবিধানতো দেশৰ নাগৰিকৰ মনত বিজ্ঞান মানসিকতা, মানৱতাবোধ, অনুসন্ধিৎস আৰু সংস্কাৰী মনোভাৱ জাগ্রত কৰিবলৈ ৰাষ্ট্রৰ ওপৰত দায়িত্ব ন্যস্ত আছে। আহক আমি নিজৰ পৰাই আৰম্ভ কৰোঁ এই যাত্রা।

প্রসঙ্গ পুথি :

(১) Science in History. Vol . I. J. D. Bernal.
(২) Ancient Society. L. H. Morgan.
(৩) A Document on Scientific Temper, Nehru Cenere, Mumbay.
(৪) বিজ্ঞান, অন্ধবিশ্বাস আৰু সমাজ- প্রাজ্যোতিষ মহাবিদ্যালয় বিজ্ঞান সমিতি।
(৫) বিজ্ঞান আৰু মূলবোধ- প্রাজ্যোতিষ মহাবিদ্যালয় বিজ্ঞান সমিতি।
(৬)লোক-কৃষ্টিৰ উৎস : শিৱনাথ বর্মন

চিন্তনীয়

অসমৰ ভূমি অতি উর্ৱৰা। প্রাকৃতিক পৰিৱেশ তাৰ প্রমাণ। কিন্তু এনে উর্ৱৰা ভূমিটো অধিক শস্য উৎপাদনৰ নামত ৰাসায়নিক সাৰ ব্যৱহাৰ কৰি ভয়াৱহ সমস্যা(প্রদূষণ)ক আমন্ত্রণ কৰি আনিব খোজা হৈছে। সম্প্রতি সমগ্র বিশ্বতে ৰাসায়নিক সাৰৰ বিৰুদ্ধে হোৱা জাগৰণৰ উমান অসমৰ কৃষক ৰাইজে নোপোৱাটো আৰু চৰকাৰী ভাবেও এই ক্ষেত্রত গুৰুত্ব নিদিয়াটো অতি আচৰিত। ৰাসায়নিক সাৰে আচিৰেই অসমলৈ ভয়াৱহতা নমাই আনিব।

— ড° লিয়নি ক্রেনান
— ড° গ্রেগ বেৰী
(পৰিৱেশ বিজ্ঞানী, অষ্ট্রেলীয়া)

পদার্থৰ চতুর্থ অৱস্থা

'প্লাজমা'

নিপুল চন্দ্র শইকীয়া
প্রবক্তা,গণিত বিভাগ

প্লাজমা কি? আমি ইয়াক ক'ত পাওঁ? ইয়াক চকুৰে দেখা পাওঁ নেকি? ইত্যাদি ইত্যাদি প্রশ্নবিলাক যদি আমাৰ মনলৈ উদয় হয় সঁচাকৈ আচৰিত যেন লাগে। শীতৰ প্রকোপ বেছি হ'লে অর্থাৎ তাপ যদি ০° ছেঃগ্রেঃ তলত নামে তেতিয়া পানী গোট মাৰি বৰফ হয়। তাপ পালে বৰফ গলি পানী হোৱাও সকলোৱে দেখে। তাপৰ প্রকোপত পানী বাষ্প হৈ উৰি যায় সেইটো অনুমানহে কৰিব পাৰে কিন্তু চকুৰে উৰি যোৱা নেদেখে।

তাপ প্রয়োগৰ ফলত সাধাৰণতে আমি তিনিটা অৱস্থা দেখিবলৈ পাওঁ। গোটা অৱস্থাত বৰফ, জুলীয়া অৱস্থাত পানী, পানীৰ পৰাই ভাপ হৈ বাষ্প বা গেচীয় অৱস্থাত পৰিণত হয়। গেচীয় অৱস্থাৰ পৰা পদার্থ এটা এনে অৱস্থালৈ পৰিবর্ত্তন কৰিব পাৰি যিটোৰ বৈশিষ্ট্য সমূহ বাকী তিনিওটাতকৈ অলপ হলেও বেলেগ।

আমি পাইছোঁ যে সকলো পদার্থ অণু- পৰমাণুৰে গঠিত। গোটা আৰু জুলীয়া অৱস্থাত থকা পদার্থৰ অণু-পৰমাণু বিলাক পৰস্পৰে দৃঢ়ভাবে বান্ধ খাই থাকি ইফালে সিফালে চলাফুৰা কৰিব নোৱাৰে। কিন্তু গেচীয় অৱস্থাত থকা পদার্থ এটাক যদি তাপ দিয়া যায় কি ঘটিব পাৰে? যদি পাত্র এটা গেছ ভৰাই পাত্রটো বন্ধ কৰি তাপ প্রয়োগ কৰিলে গেছৰ উষ্ণতা বৃদ্ধি পায়, গেছসমূহে দ্রুতগতি লাভ কৰে। তেতিয়া অণুসমূহৰ মাজত সংঘর্ষৰ ফলত সিহঁতৰ গতিৰ দিশ পৰিবর্তন হৈ ইফালে সিফালে ধাবিত হ'ব। পৰমাণুৰ মাজত হোৱা সংঘর্ষৰ ফলত ইয়াৰ বাহিৰৰ কক্ষত থকা ইলেক্‌ট্রনবোৰ পৰমাণুৰ পৰা এৰাই যায় আৰু এই এৰাই যোৱা পৰমাণুবোৰক আমি ধনাত্মক আধান যুক্ত আয়ন বুলি কওঁ আৰু ইলেক্‌ট্রনবোৰ হ'ল ঋণাত্মক আধান কণা। প্রচুৰ তাপ প্রয়োগ কৰাৰ ফলত গেছখিনি ধনাত্মক আৰু ঋণাত্মক আধানলৈ পৰিবর্ত্তন হয়। গেছৰ এই প্রক্রিয়াক আয়নীকৃত হোৱা বোলা হয়। এই আয়নীকৃত গেছক প্লাজমা বোলা হয়।





যিকোনো ধৰণৰ আয়নীকৃত গেছক প্লাজমা বুলি ক'ব নোৱাৰি। আয়নীকৃত গেছ কেনেধৰণৰ হোৱা উচিত। যদি তেনে গেছত ধনাত্মক ভাৱে আহিত কণাৰ সংখ্যা ঋণাত্মক ভাবে আহিত কণাৰ সংখ্যা সমান হয়, মোটমুটি ভাৱে ই উদাসীন অৱস্থা পাব। তদুপৰি আহিত কণাসমূহ একেলগে থাকিলে ইটোৱে সিটোক আকর্ষণ বা বিকর্ষণ কৰিব। গতিকে ই স্বাধীনভাৱে চলাফুৰা কৰিব নোৱাৰে। থুপখাই থাকি কণাবোৰে নিজৰ স্বাধীনত্ব ধর্ম হেৰুৱাই সুকীয়া ধর্ম প্রদর্শন কৰিব। গতিকে যি আয়নীকৃত মাধ্যমে আধানৰ উদাসীনতা ৰক্ষা কৰি সমূহীয়া ধর্ম প্রকাশ কৰে তেনে মাধ্যমেই হ'ব প্লাজমা (Plasma)।

কুৰি শতিকাৰ আৰম্ভণিতে কেইবাজনো বৈজ্ঞানিকে পৰীক্ষা চলাইছিল। তাৰ ভিতৰত জে.জে. থমচনে কেথড ৰশ্মিৰ নলীপৰীক্ষা কৰি আধান আৰু ভৰৰ অনুপাতৰ (e/m ratio) পাছত প্রমাণিত হ'ল যে গেছৰ মাজত ইলেক্ট্রনেহে বিদ্যুৎ প্রবাহৰ সৃষ্টি কৰে। আকৌ ১৮২১ চনত হামফ্রী ডেভীয়ে বিদ্যুৎ শিখাৰ পৰীক্ষা কৰাত প্লাজমাৰ উমান পায়। ১৮৭৯ চনত চাৰ উইলিয়াম ক্রুক্স'এ ভিন্নমুখী পদার্থক চতুর্থ অৱস্থা বুলি ব্যাখ্যা দিয়ে ১৯২৮ চনত আয়াৰভিং লেং ম্যুগৰে এই চতুর্থ অৱস্থাত প্রাজমা নাম দিয়ে। কাৰণ শামুকে খোলাৰ ভিতৰত থকাদি প্লাজমাও চাৰিওফালে এখন আৱৰণ সৃষ্টি কৰি বাহিৰৰ প্রভাৱৰ পৰা মুক্ত হ'ব বিচাৰে। আয়নীকৃত গেছৰ কোষীয় আচৰণৰ বাবে লেংম্যুৰে 'প্লাজমা' আখ্যা দিয়ে।

পৰীক্ষাগাৰত বৈজ্ঞানিক সকলে প্লাজমা প্রস্তুত কৰাৰ পাছত প্লাজমাখিনিক সাধাৰণভাৱে দুটা অৱস্থাত দেখিবলৈ পোৱা যায়।

(i) উষ্মীয় (Thermal) প্লাজমা

(ii) শীতল (cold) প্লাজমা।

উষ্মীয় প্লাজমাত থকা গধুৰ কণাবোৰেযেনে- অণু-পৰমাণু, আয়ন আদিৰ উষ্ণতা ইলেকট্রনৰ দৰে পাতল কণাৰ উষ্ণতাৰ সমান হ'লে তাক উষ্মীয় প্লাজমা বুলি কোৱা হয়। এই প্লাজমা বায়ুৰ উচ্চ চাপত প্রস্তুত হয়। সাধাৰণতে এই অৱস্থাত প্লাজমা উষ্ণতা ১০০০ ৰ পৰা ৩০,০০০ ছেন্টিগ্রেড পর্য্যন্ত দেখা যায়। আকৌ ১ টৰতকৈ (১ টৰ =০° ছে. গ্রেত ১ মি.মি. পাৰাৰ চাপ) কম চাপত প্রস্তুত কৰা প্লাজমা সাম্যবস্থা পোৱা নাযায় আৰু ইয়াত ইলেকট্রন আৰু আয়নৰ উষ্ণতা একে নহয়।

প্লাজমা উষ্ণতা জুখিবৰ বাবে ফাৰেণহাইট, ছেলছিয়াচ, কেলভিন স্কেল ব্যৱহাৰ কৰা হয়। কিন্তু দৈনন্দিন জীৱনত সুবিধাৰ বাবে সাধাৰণতে ফাৰেণহাইট আৰু ছেলছিয়াচ ব্যৱহাৰ কৰা হয়। পানী গোটমৰা অৱস্থাত ০° ছেলছিয়াচ আৰু উতলা অৱস্থাত ১০০° ছেলচিয়াচ আৰু ০° তকৈ কম (-) চিনেৰে চিহ্নিত কৰা হয়। ইয়াকেলিভিন স্কেলত পৰম শূণ্য মান বুলি কোৱা হয় কাৰণ পৰমশূণ্য অৱস্থাত পদার্থৰ অণুবোৰ একেবাৰে গতিবিহীন হৈ পৰে। যদি অণুবোৰৰ গতি বৃদ্ধি পায় তাৰ উষ্ণতাও বাঢ়ে। কেলভিন স্কেলত তাৰ উষ্ণতাৰ মান ধনাত্মক (+) দিশত বাঢ়ি যাব। সেয়েহে প্লাজমা উষ্ণতা জুখিবলৈ কেলভিনক ev, প্রকাশ কৰাহয়। ev শক্তিৰ একক। একক বিভৱৰ বৈদ্যুতিক ক্ষেত্রৰ মাজেদি এটি ইলেকট্রন পাৰ হওঁতে যি শক্তিৰ প্রয়োজন হয় তাক 1ev বোলা হয়।

1 ev= 11, 600 kk (k=কেল্‌ভিন)

সাধাৰণতে, ইয়াত ইলেকট্রন আৰু আয়নৰ উষ্ণতাৰ কিছু পার্থক্য দেখা যায়। যিহেতু ইলেকট্রনবিলাক আয়নতকৈ বহুত পাতল, সেইবাবে ইয়াৰ গতিশক্তিও বহুত বেছি হয়। প্লাজমাৰ মাজত যিহেতু তাপ শক্তি যথেষ্ট পৰিমাণে থাকে সেয়ে ইলেকট্রন আৰু আয়নবোৰ একলগহৈ গতি কৰি উদাসীন হোৱাৰ সম্ভাৱনা কম থাকে। ইয়াতে আৰু এটা কথা প্লাজমাৰ ঘনত্ব অন্য পদার্থতকৈ বহুত কম। ঘনত্ব কম হোৱাৰ বাবে কণাবোৰৰ মাজৰ ঠাই ইমান বেছি যে ইহঁতে একেলগে বান্ধ খাই উদাসীন হোৱাৰ সুযোগেই নাপায়।

Debye নামৰ এজন বৈজ্ঞানিকে এটা বৈদ্যুতিক পৰিবেষ্টনীৰ সহায়ত ধনাত্মক আৰু ঋণাত্মক ভাৱে কেনেদৰে আয়নবোৰ গোট খাই থাকে তাক পৰীক্ষাৰ সহায়ত দেখুৱাইছিল। এটা প্লাজমাৰে পৰিপূর্ণ পাত্রত দুটা ধাতুৰ বল সুমোৱাই দিয়া হয়। বল দুটা বেটাৰীৰ সহায়ত ধনাত্মক আৰু ঋণাত্মক মূৰৰ লগত সংযুক্ত কৰাত এটা বল ধনাত্মক ভাৱে আর্হিত হ'ব আৰু আনটো বল ঋণাত্মক ভাৱে আর্হিত হ'ব। যদি বল ঋণাত্মক ভাৱে আর্হিত হয় তাৰ চাৰিওফালে ধনাত্মক আয়নবোৰ গোটখাব আৰু এটা ইলেকট্রনৰ পৰিবেষ্টনী হ'ব। বাহিৰত থকা বলটোৰ বৈদ্যুতিক ক্ষেত্রৰ প্রভাৱ নাথাকিব। যিমান দুৰত্বলৈকে বলটোৰ বৈদ্যুতিক ক্ষেত্রৰ প্রভাৱ থাকিব তাকে Debye length বোলে। পৰিবেষ্টনীটোও বিপৰীত ধর্মী আধানেৰে পৰিবেষ্টিতহৈ থকা ঘটনাকে ডিবাই আৱৰণ (Debye Shielding)

বোলে। প্লাজমা যদি শীতল হয় আৰু কণাসমূহৰ উষ্মীয় গতি নাথাকে তেনে ক্ষেত্ৰত বলত থকা আধানৰ সমান সংখ্যক বিপৰীত আধানে বলটো বেবি থাকিব। অনহাতে বলটোৰ বৈদ্যুতিক ক্ষেত্ৰৰ প্ৰভাৱ পৰিবেষ্টনীৰ বাহিৰলৈ নাযায়। আকৌ প্লাজমা যদি উষ্মীয় হয় তেন্তে উচ্চ উষ্ণতাৰ হেতু গতিশক্তি বৃদ্ধি পোৱাৰ ফলত ইলেকট্ৰন পৰিবেষ্টনীৰ পৰা এৰাই যাব। এই ক্ষেত্ৰত Debye আৱৰণ সম্পূৰ্ণ নহয়।

তাপশক্তি কম হ'লে প্লাজমা কণাৰ গতিবেগো কম হয়। তেতিয়া প্লাজমা কণাবোৰৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। সংঘৰ্ষ বেছি হলে কণাবোৰ বাধাপ্ৰাপ্ত হয়। অৰ্থাৎ মাধ্যমটোৰ বোধ বাঢ়ি যায়। গতিকে প্লাজমাৰ উষ্মীয় তাপ এনেদৰে ৰাখিব লাগিব যাতে সিহঁতৰ মাজৰ সংঘৰ্ষৰ পৰিমাণ কম হয় আৰু তাৰ ফলত কণাবোৰে মুক্ত ভাৱে বিচৰণ কৰিব পাৰে।

গেছ এবিধ যদি আমি প্লাজমালৈ ৰূপান্তৰিত কৰোঁ তাক লগা উষ্ণতাৰ পৰিমাণ গেছৰ প্ৰকৃতিৰ ওপৰত নিভৰশীল। এলকেলি ধাতু যেনে- লিথিয়াম, পটাচিয়াম, চডিয়াম, ইত্যাদি বাহিৰৰ কক্ষত থকা ইলেকট্ৰনবোৰ সহজে আঁতৰাই নিব পাৰে। অন্যহাতে হিলিয়াম, নিয়ন, আৰ্গন, জেনন ইত্যাদি নিষ্ক্ৰিয় গেছ ব্যৱহাৰ কৰিও প্লাজমা প্ৰস্তুত কৰিব পাৰি। এইবিলাক গেছৰ প্লাজমা পাবলৈ যথেষ্ট বিদ্যুৎশক্তি প্ৰয়োগ কৰিব লগা হয়।

প্লাজমাত থকা ইলেকট্ৰনবোৰ বিভিন্ন গতিত চলাচল কৰি থাকে। গতিকে প্লাজমাৰ ইলেকট্ৰন সমূহক নিয়মিত গতিলৈ আনিবলৈ হ'লে আমি চুম্বক ক্ষেত্ৰৰ সহায় ল'বলগীয়া হয়। প্লাজমা উষ্ণতা বেছি হোৱা হেতুকে তাক গেছৰ যিকোনো ধাতুৰ বাকাচৰ পাত্ৰত আবদ্ধ কৰি ৰখা সহজ নহয়। অৱশ্যে শীতল আৰু উষ্মীয় প্লাজমাৰ মাজত উষ্ণতাৰ পাৰ্থক্যও নথকা নহয়। শীতল প্লাজমাৰ উষ্ণতা এক বা কেইবা ইলেকট্ৰন ভল্ট। কেলভিন স্কেলত ই বহু হেজাৰ ডিগ্ৰীৰ বেছি হ'ব। অন্যহাতে শীতল প্লাজমাৰ তুলনাত উষ্মীয় প্লাজমাৰ উষ্ণতা কেইবাশ গুণে বেছি অৰ্থাৎ প্ৰায় কোটি ডিগ্ৰী ছেন্টিগ্ৰেড।

প্লাজমাক আবদ্ধ কৰি ৰাখিবলৈ হ'লে চুম্বক ক্ষেত্ৰৰ আৱশ্যক। চুম্বকক্ষেত্ৰ চুম্বক বলৰেখাৰ সমষ্টি। এটুকুৰা চুম্বক ললে আমি তাত দুটা মেৰু পাওঁ, উত্তৰ মেৰু আৰু দক্ষিণমেৰু। দুডাল দণ্ড চুম্বক লৈ তাৰ বিপৰীত মেৰু দুটা ওচৰা উচৰিকৈ ৰাখিবলৈ উত্তৰ মেৰুৰ পৰা বলৰেখাসমূহ ওলাই আহি দক্ষিণ মেৰুত সোমাব। এটা ফাটা চুম্বকৰ সহায়ত ইয়াক উত্তৰমেৰুৰ পৰা দক্ষিণ মেৰুলৈ লৈ গ'লে বলৰেখা সমূহ অঙ্কন কৰিব পাৰি। প্লাজমাৰ মাধ্যমত এনে বলৰেখাৰ সৃষ্টি কৰিলে ইলেকট্ৰন আৰু আয়নবিলাক বলৰেখাৰ চাৰিওফালে পাক খাই এটা দিশৰ পৰা ইটো দিশলৈ গতি কৰিব। আয়ন আৰু ইলেকট্ৰনৰ গতিৰ দিশ বিপৰীত মুখী হ'ব। চুম্বক ক্ষেত্ৰখন যদি সুষম হয় কুণ্ডলীৰ প্ৰতিটো পাকত যি বৃত্ত হয় সেই বৃত্তবোৰৰ ব্যাসাৰ্দ্ধৰ সমান। কুণ্ডলীৰ এই ব্যাসাৰ্দ্ধক লাৰ্মম চুম্বকীয় (Gyro-Magnetic) বা লাৰমাৰ (Larmor) ব্যাসাৰ্দ্ধ বুলি কোৱা হয়। প্ৰতি চেকেণ্ডত আধানটোৱে যিমান পাক ঘূৰিব সিমানেই হ'ব তাৰ কমপনাংক (Gyro-frequency) চুম্বকক্ষেত্ৰৰ তীব্ৰতা বেছি হ'লে অৰ্থাৎ একক ক্ষেত্ৰত বেছি সংখ্যক বলৰেখা থাকিলে কুণ্ডলীটোৰ ব্যাসাৰ্দ্ধ সৰু হয়। অন্যহাতে আয়নৰ কুণ্ডলীৰ ব্যাসাৰ্দ্ধ ইলেকট্ৰন কুণ্ডলীৰ ব্যাসাৰ্দ্ধতকৈ ডাঙৰ।

১৯৪২ চনত নোবেল বঁটা বিজয়ী ছুইদেনৰ বিজ্ঞানী হানচ্ আলফ্ভেনে এটা নতুন তৰঙ্গ আবিষ্কাৰ কৰে। তেখেতে কৈছিল প্লাজমাক তৰল পদাৰ্থ হিচাপে ধৰিব পাৰি। যদি তৰল প্লাজমা বিলাক শক্তিশালী চুম্বক ক্ষেত্ৰত ৰখা হয় তেনে চুম্বকক্ষেত্ৰৰ ওপৰত বিশেষ ধৰণৰ তৰঙ্গৰ সৃষ্টি হ'ব। এই তৰঙ্গ কম্পন চুম্বক বলৰেখাৰ দিশৰ লম্ব ভাৱে হ'ব আৰু তৰঙ্গৰ গতিৰ দিশ চুম্বকক্ষেত্ৰৰ দিশত সমান্তৰাল ভাৱে ধাৱিত হ'ব। এই তৰঙ্গকে আলফ্ভেন তৰঙ্গ বুলি কোৱা হয়।

পৃথিবীৰ উপৰিভাগত প্লাজমা নাথাকে। ই থকা হ'লে প্ৰাণী আৰু উদ্ভিদৰ বাসোপযোগী নহলেহেতেঁন। কিন্তু মহাকাশত সকলো ঠাইে আয়নীকৃত গেছেৰে ভৰা। বিশ্ব ব্ৰহ্মাণ্ডত থকা সকলো নক্ষত্ৰ গৰ্ভ প্লাজমা পদাৰ্থেৰে গঠিত। নক্ষত্ৰ গৰ্ভত সৃষ্টি হোৱা প্লাজমা উচ্চ ঘনত্ব আৰু অধি উষ্ণতাত বহুত দূৰলৈ প্ৰসাৰিত হৈ থাকে। পৃথিৱীক থকা বায়ুমণ্ডলতো পাঁচোটা ভাগত বিভক্ত কৰি

ট্রপ ছিয়েৰ, ষ্ট্রেটচ্ছি য়েৰ, মেছ ছিয়েৰ অঞ্চলত প্লাজমাৰ পৰিমাণ খুব কমহে পোৱা যায় অর্থাৎ কনিকাসমূহৰ মাজত কাচিৎহে সংঘর্ষ হয়। আয়নোচ্ছিয়েৰ প্লাজমাৰে ভৰা অর্থাৎ এই স্তৰত কণাবোৰ আয়নীকৃত অৱস্থাতে পোৱা যায়। প্লাজমাত থকা পদার্থবোৰৰ মাজত শক্তিয়ে ক্রিয়া কৰিলে কনাবোৰৰ সংঘর্ষ হয়। এই সংঘর্ষ নির্ভৰশীল পদার্থৰ ঘনত্ব আৰু ভৰৰ ওপৰত। ঘনত্ব বেছি হ'লে কম্পনাংকও খুবেই বেছি হয় আৰু সেই অৱস্থাত পোহৰৰ দৰে ৰশ্মি বা বেঁতাৰ তৰঙ্গ আয়োনোস্ফিয়েৰলৈ পঠোৱা হয়, ই অন্য ধর্মহে পৰিলক্ষিত হ'ব। যিহেতু বিদ্যুৎ চুম্বকীয় তৰঙ্গৰ বিশেষ একেটা নিজাৰবীয়া কম্পন থাকে। প্লাজমাতকৈ কম কম্পনাংকৰ বিদ্যুৎ চুম্বকীয় ঢৌ প্লাজমাৰ মাজেদি পঠালে সি প্রতিফলিত হৈ গুচি আহিব আৰু প্লাজমা ঘনত্ব বেলেগ বেলেগ ঠাইত ভিন্ন আকৃতিত পোৱা যাব।

প্রায় ছয় বছৰ মান আগৰ কথা। ১৯৯৫ চনৰ ৫ জুনত আমেৰিকাৰ কল'ৰাডোৰ পদার্থ বিজ্ঞানীসকলৰ প্রচেষ্টাৰ ফলত পদার্থৰ পঞ্চম অৱস্থা আছে বুলিএকমত হয়। তেওঁলোকে আমেৰিকাৰ ব'লডৰাত থকা "National institute of standard and Technology, join institute of Laboratory Astrophysic, গৱেষক সকলে লগহৈ এই প্রচেষ্টাৰ মুৰত "বসু-আইনষ্টাইন ঘনীভৱন (Bose-Einstein condenstation) উদ্ভাৱন কৰে। কিন্তু এই শতিকাৰ কুৰিৰ দশকতে পদার্থ বিদ সত্যেন্দ বসু আৰু আলবার্ট আইনষ্টাইনে তাত্ত্বিক দৃষ্টিকোনেৰে নিম্ন উষ্ণতাত পদার্থ এটা থাকিব পাৰে বুলি মতপোষণ কৰিছিল। বর্ত্তমান বৈজ্ঞানিক সকলে সেই বিশেষ কপত পৰীক্ষা নিৰীক্ষা চলাই পদার্থৰ সেই অৱস্থা পাবলৈ সক্ষম হ'ল। এই বিশেষ অৱস্থাৰ পদার্থৰ বৈজ্ঞানিক সকলে নাম থ'লে "বসু-আইনষ্টাইন ঘনীভূত পদার্থ" চমুকৈ বি-ই-চি (BEC)

প্রসঙ্গ পুথি :

(১) প্লাজমা - জয়ন্তী চুতীয়া
(২) Plasma Physics - S. N. Sen

ভিন্নভাস্ৰ

অনুভূতি মাথোঁ মোৰ

হিমাংশু ঠাকুৰীয়া
স্নাতক, ১ম বর্ষ (কলা)

তুমি কিয় হৃদয় গচকি যোৱা মৰমবোৰ মোক দিছিলা! তুমি দেখোন প্রেমৰ সূত্রকে নাজানা। তোমাৰ হৃদয় নদীত এনেয়ে সাঁতুৰি থাকিলোঁ মই। তোমাৰ স্মৃতিৰ বিনিনিত কেনেকৈ যে নিমিষতে মই হেৰাই গ'লোঁ। ..! যেনেকৈ দুচকুৰ পৰা নিমিষতে আঁতৰি যোৱা বিজুলী শিখা.....!

এতিয়াও তোমাৰ মনত আছেনে সোয়া? তুমি যে সংগোপনে আহি দিছিলা মোক তোমাৰ ওঁঠৰ অমিয়া হাঁহি, যি হাঁহিয়ে মোৰ বিষাদ উকৰাই নিছিল। মনত পৰেনে সোণ তোমাৰ যে মিঠা চাৱনিবোৰে মোৰ বেদনা ধুই নিছিল?

এতিয়া যে মোৰ আপোন কোনো নাই। মাথোঁ স্মৃতি, যি স্মৃতিৰ বুকুত শুই অছোঁ মই চকুলো মচি মচি কেৱল তোমাকে বাট চাই।

তুমি কেতিয়াওঁ নুবুজিবা, মই যে এতিয়াও আশাৰ বৃক্ষ কই চিৰ শান্তিৰ কোলাত শুই আছোঁ, আৰু হয়টো নুবুজিবা মৃত্যুৰ সেই গোপন পৃথিৰীতো.....!

এইড্‌ছ আৰু আমাৰ চিন্তাধাৰা

শ্বহিদুল ইছলাম
স্নাতক, তৃতীয় বর্ষ

বিশ্বই ইতিমধ্যে কুৰি শতিকা অতিক্রম কৰি নতুন সহস্রাব্দত পদার্পণ কৰিলে। বিজ্ঞাপনৰ ন ন আবিষ্কাৰে মানৱ জীৱনলৈ কঢ়িয়াই আনিলে নতুন বতৰা, নতুন কর্মব্যস্ততা আৰু নতুন ফলাফল। প্রতিটো পুৱাৰ সূর্য্যই যেন কঢ়িয়াই আনিলে নতুন নতুন পোহৰ। প্রতিটো বস্তুৰ ওপৰতে বিজ্ঞানৰ গৱেষণাৰ অন্ত নাই। কিন্তু তাৰ মাজতেই আমি একৈশ শতিকাৰ মানৱ সমাজ হতাশত থমকি ৰওঁ- "বিজ্ঞান ইমান কৰিও বিফল কিয়"?

বর্তমান সমগ্র বিশ্বতেই পাৰমাণৱিক অস্ত্রৰ ধ্বনিয়ে মানৱ সমাজলৈ যি ভয়াবহতা কঢ়িয়াই আনিছে তাতকৈ বেছি ভয়াবহতা কঢ়িয়াই আনিছে HIV ৰিজাণুৰ দ্বাৰা আক্রান্ত ৰৰবিহ সদৃশ এইড্‌ছ ৰোগ বিধে। এই ৰোগৰ পৰা সম্পূর্ণভাবে মুক্ত দেশ বিশ্বত এখনো নাই। অৱশ্যে অনুন্নত নাইবা উন্নয়নশীল দেশত ইয়াৰ প্রভাৱ বেছি। ইয়াৰ প্রধান কাৰণ অধিকাংশ লোক অশিক্ষিত আৰু বহুজনৰ লগত থকা অৱৈধ যৌন সম্পর্কৰ ফলত এই ৰোগ বিধে এক নির্দিষ্ট বয়সৰ ল'ৰা-ছোৱালীৰ মাজত অবিশ্বাস্যভাবে বৃদ্ধি পাই পৰিয়াল তথা সমাজৰ প্রতি তীব্র ভাবুকিৰ সৃষ্টি কৰিছে। এই ক্ষেত্রত চিকিৎসা বিজ্ঞানে মুৰ ঘমাইছে যদিও সুফল লাভ কৰা আমাৰ দৃষ্টি গোচৰ হোৱা নাই। যদি চিকিৎসা বিজ্ঞানে এইদৰে ব্যর্থতাকে প্রদর্শন কৰি থাকে তেনেহ'লে এই সহস্রাব্দৰ কেইবছৰ মানৱ ভিতৰত আমাৰ পিতৃ মাতৃ, সমাজ আৰু দেশে আকোঁৱালি ল'ব লাগিব প্রতিটো নৱজাত শিশুক এজন এইড্‌ছ ৰোগী হিচাপে। যিটো হ'ব মানৱ সমাজৰ বাবে এক ভীষণ অভিশাপ স্বৰূপ।

বিশ্বই এই ভয়াবহ ৰোগৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তুলিবলৈ প্রতি বছৰে এক ডিচেম্বৰৰ দিনা পালন কৰে 'বিশ্ব এইড্‌ছ দিৱস'। এই সন্দর্ভত 'বিশ্ব স্বাস্থ্য সংস্থা' (WHO) এই প্রকাশ কৰা মতে ২০০৫ চনৰ ভিতৰত বিশ্বত এইড্‌ছ আক্রান্ত শিশু আৰু মহিলাৰ সংখ্যা হ'ব ৬০ নিযুত। ইয়াৰে ৯০ শতাংশতকৈ অধিক হ'ব উন্নয়নশীল দেশৰ। আমাৰ ভাৰতবর্ষ আনকি অসমেও ইয়াৰ ব্যতিক্রম নহ'ব নিশ্চয়। কাৰণ এইখন দেশতো ইতিমধ্যে ৪ নিযুত বুলি বিশেষজ্ঞ সকলে নিশ্চিত হ'ব পাৰিছে। ভাৰতবর্ষত এই ৰোগ তীব্র গতিত বাঢ়ি যোৱাৰ মূল কাৰণ হ'ল নিম্ন আর্থ-সামাজিক উন্নয়ন, সুস্বাস্থ্যৰ প্রতি জনসাধাৰণৰ অসচেতনতা আৰু দিনে দিনে বাঢ়ি অহা অবিবাহিত যুৱকৰ সংখ্যা। সেয়েহে আগত দিনবোৰত আমাৰ দেশত এই ৰোগ বিধে বিস্ফোৰক ৰূপ লোৱাৰ আশংকাই অধিক। ভাৰতত এই ৰোগে প্রথম ভুমুকি মৰাৰ এক দশকেই পাৰ হ'ল।

উল্লেখযোগ্য যে প্রথমে ডাঙৰ চহৰত এই ৰোগ বিয়পি পৰিছিল যদিও এতিয়া সৰু সৰু চহৰ আনকি গাওঁ অঞ্চলতো এই ৰোগে সাংঘাতিক ৰূপ লোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত অৱৈধ যৌন সম্পর্কীয় ৭৫ শতাংশ, তেজ গ্রহণৰ ফলত ৮ শতাংশ, আৰু শৰীৰত ড্রাগছ সোমোৱাৰ বাবে ব্যৱহাৰ কৰা অসুৰক্ষিত ছিটাৰ দ্বাৰা ৮ শতাংশ লোক আক্রান্ত হয়। ফলস্বৰূপে দেশৰ চৰকাৰৰ লগতে বেচৰকাৰী সংগঠন কিছুমানেও এই ৰোগ নির্মূলৰ বাবে কৰা প্রচেষ্টাও সফল হোৱা বুলি ক'ব নোৱাৰি।

মন কৰিবলগীয়া কথা হ'ল যে কেৱল এক বা একাধিক লোকৰ লগত থকা যৌন সম্পর্ক আৰু ড্রাগছ সেৱনৰ দ্বাৰাই এই ৰোগ বিয়পে বুলি ক'লে ভুল হ'ব। কাৰণ যদি পিতৃ- মাতৃ HIV আক্রান্ত হয় তেন্তে তেওঁলোকৰ সন্তানো এইড্‌ছ আক্রান্ত হোৱাটো নিশ্চিত। ইয়াৰ বাবে সন্তানক দোষাৰোপ কৰাৰ আগতেই পিতৃ - মাতৃয়ে সচেতন হোৱা নিতান্তই

প্রয়োজন। কিয়নো এনে ঘটনা বর্তমান সর্বজনবিদিত।

এই ক্ষেত্রত আমি ক'ব পাৰোঁ, যে মানৱ জাতিয়েই অধিক ভয়াবহ কৰি তোলা এই ৰোগৰ পৰা পৰিত্রাণ পোৱাৰ পথ সকলোৱে বাবে খোলা আছে। মাথোঁ " সংক্রামিতক নহৈ সজাগ হোৱা"ই একমাত্র পৰিত্রাণৰ পথ। তাকে নকৰিলে কি জানি আৰু কেই বছৰ পিছত বিশ্বত এইড্‌ছ মুক্ত লোক কেৱল বিচাৰি পোৱাই টান হ'ব।

আক্রান্ত হোৱাৰ কাৰণ ঃ

- আক্রান্ত ব্যক্তিৰ তেজ, যোনিৰস, ৰীর্য আৰু মাতৃ দুগ্ধত HIV বিজাণু থাকিলে এজনৰ গাৰ পৰা আন এজনৰ গালৈ যাব পাৰে।
- আক্রান্ত ব্যক্তিৰ সতে অসুৰক্ষিত ভাবে যৌন সম্পর্ক ৰাখিলে।
- HIV বিজাণুযুক্ত তেজ গ্রহণ কৰিলে।
- HIV বিজাণুয়ে আক্রান্ত কৰা ব্যক্তিৰ বেজী বা চিৰিঞ্জ ব্যৱহাৰ কৰিলে। এইৰোৰ কামৰ দ্বাৰা আক্রান্ত নহয়।
- HIV বিজাণু আক্রান্ত ব্যক্তিৰ সৈতে কৰমর্দন কৰিলে।
- আক্রান্ত ব্যক্তিৰ সৈতে খাদ্য, কাপোৰ, শৌচালয় আৰু স্নানাগাৰ ব্যৱহাৰ কৰিলে।
- মহে কামুৰিলে বা কাহিলে এই ৰোগ বিয়পিব নোৱাৰে।

পৰিত্রাণৰ উপায় ঃ

- নিজৰ সংগীৰ প্রতি বিশ্বাস পৰায়ণ হোৱা আৰু একাধিক যৌন সংগী ত্যাগ কৰা।
- HIV বিজাণু যিহেতু তেজত থাকে সেইৰোৰে তেজ গ্রহণ কৰাৰ আগতে উপযুক্ত ভাবে পৰীক্ষা কৰা।
- বিজাণু মুক্ত বেজী বা চিৰিঞ্জ ব্যৱহাৰ কৰা।
- কনড'ম ব্যৱহাৰ কৰি সুৰক্ষিত ভাবে যৌন সম্পর্ক ৰক্ষা কৰা।

পৰিত্রাণ পোৱাৰ পথবোৰলৈ লক্ষ্য কৰিলে দেখা যায় যে তীব্র গতিত বাঢ়ি অহা এই ৰোগ নিৰাময়ৰ ব্যৱস্থা একমাত্র জনসাধৰণৰ মাজতেই ন্যস্ত হৈ আছে। মাথোঁ প্রয়োজন সচেনতাৰ। এইড্‌ছ আক্রান্ত এজন ব্যক্তি সমাজৰ বাবে অভিশাপ বা কলংক নহয়। তেওঁলোকক মাথোঁ সহানুভূতিৰে চোৱা প্রতিজন জীব শ্রেষ্ঠ মানুহৰ কর্ত্তব্য।

গতিকে আমি প্রতিজন নাগৰিক সচেতন হৈ এইৰোগ হ'ব পৰা বিষয়ৰ পৰা আঁতৰি থাকি সুস্বাস্থ্য গঠন কৰাৰ লগতে এখন এইড্‌ছ মুক্ত দেশ গঢ়াৰ অৰিহণা যোগাবলৈ সংকল্পবদ্ধ হওঁ আহক।।

(প্রবন্ধটো যুগুত কৰোঁতে বিভিন্ন লেখাৰ সহায় লোৱা হৈছে।)

মনোৰম শ্বিলঙত এভুমুকি

প্ৰাঞ্জল কলিতা
উ : মা : ২য় বর্ষ (বিজ্ঞান)

নজনা কথা জনা, নেদেখা বস্তু চোৱা মানুহৰ জন্মগত প্ৰবৃত্তি। সেই উদ্দেশ্যৰে মানুহে ভ্ৰমণ কৰে। অৱশ্যে কিছুমানে স্বাস্থ্যৰ উন্নতিৰ বাবে জলবায়ু পৰিবৰ্ত্তন, কিছুমানে কৌতূহল নিবৃত্তিৰ দ্বাৰা আনন্দ লাভ, কিছুমানে শিক্ষামূলক আৰু কিছুমানে ব্যৱসায় বাণিজ্য সংক্ৰান্তত ভ্ৰমণ কৰে। আগৰ কালত ভ্ৰমণ বৰ ব্যয় বহুল আৰু বিপদ সংকুল আছিল। তথাপি কৌতূহলী আৰু অনুসন্ধিৎসু জনে ভ্ৰমণ নকৰাকৈ থকা নাছিল কিন্তু আজিকালি বহুত সুবিধা হৈছে।

বহুতদিনৰ পৰা আমাৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰাণী, অবিভক্ত অসমৰ ৰাজধানী আৰু বৰ্ত্তমান মেঘালয়ৰ ৰাজধানী শ্বিলং চোৱাৰ হেঁপাহ মনতে পুঁহি ৰাখিছিলোঁ। এদিনাখন সেই বহু প্ৰতীক্ষিত সময় আহি উপস্থিত হৈছিল।

আমাৰ মা-দেউতা যিহেতু চৰকাৰী চাকৰিয়াল আৰু আমি স্কুলৰ ছাত্ৰ সেয়েহে আমি গৰমৰ বন্ধটোকে উত্তম সময় হিচাপে লৈ ১৯৯৮ চনৰ ২০ জুলাই তাৰিখে, মা-দেউতা, মই , সৰু ভাইটি দুজন আৰু দেউতাৰ বন্ধু এগৰাকীৰে শ্বিলঙলৈ যাত্ৰা কৰিলোঁ। যদিও আমি ২০ জুলাইত যাত্ৰা কৰিছিলোঁ, আমাৰ মনটো কিন্তু এসপ্তাহ মান আগৰ পৰাই উগুল থুগুল আৰু উৎকণ্ঠাৰে ভৰি পৰিছিল। আমাৰ শ্বিলং ভ্ৰমণৰ মূল উদ্দেশ্য আছিল কৌতুহল নিবৃত্তিৰ দ্বাৰা আনন্দ লাভ।

আমি নগৰবেৰাৰ পৰা পোনে পোনে গুৱাহাটীলৈ গৈ তাতে দুপৰীয়া আহাৰ গ্ৰহণ কৰি প্ৰায় একমান বজাত শ্বিলং অভিমুখী বাছত উঠিছিলোঁ। বাছৰ বহা ছিটবোৰত বাহু আছিল, যাতে ধৰি থাকিব পাৰি। শ্বিলঙলৈ যোৱা ৰাস্তাবোৰ পাহাৰৰ মাজেৰে কাটি উলিয়াইছে। ৰাস্তাবোৰ অকোৱা পকোৱা কিন্তু পকী আৰু আহল-বহল। গৈ থাকোঁতে মনতে ভাব হয় যেন পৰি যাম, কিন্তু মনটোক নিৰ্ভয় দি ভাবো যে, সদায় দেখোন এনেদৰে গাড়ীৰে মানুহ অহা-যোৱা কৰি থাকে। আমি আকৌ এবাৰ ভয় খাওঁ যে, গৈ পাওঁতে যদি সন্ধিয়া লাগে তেতিয়াহ'লে আমাৰ এই অচিনাকি ঠাইখনত নিশ্চয় অসুবিধা হ'ব। শ্বিলঙত আমাৰ গাঁৱৰে সম্বন্ধত জেঠা হয়, তেওঁ তাত কেবাবছৰ ধৰি চাকৰি কৰি আছে আৰু তেওঁ এবাৰ আমাৰ ঘৰলৈ আহোঁতে তেওঁৰ ঠিকনাটো দি গৈছিল।

এইবোৰ ভাবি থাকোঁতে আমি গৈ নংপু নামৰ চহৰ পালোঁ। নংপু নামটো মই আগতে শুনিছিলোঁ ভূপেন হাজৰিকাৰ কণ্ঠত...

.....নংপুলৈ এবাৰ আহানা
ময়ো যাম নংপুলৈ ..... বুলি।

নংপুত কিছু সময়ৰ বাবে গাড়ী ৰখালে। আমি গাড়ীৰ পৰা নানামিলোঁ অৱশ্যে দেউতা আৰু দেউতাৰ বন্ধুজন নামিছিল। তেওঁলোকে আমাৰ বাবে মাটি কঠাল বাকলি গুচাই আনিছিল। এটা মাটি কঠালৰ চাৰি ভাগৰ এভাগ প্ৰত্যেকৰে বাবে। ভাগবোৰ পুনৰ সৰু সৰু টুকুৰাত বিভিক্ত কৰা হৈছিল আৰু নিমখ সানি দিছিল। খাবৰ সুবিধাৰ বাবে এডালকৈ বাঁহৰ শলা দিছিল। সেই মাটি কঠাল যিনি খাই কেনে তৃপ্তি পাইছিলোঁ ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি।

আমাৰ গাড়ীৰ যাত্ৰা আকৌ আৰম্ভ হৈছিল। আমি যাওঁতে কলগছ আৰু সৰল গছ ইমান দেখিছিলোঁ সিমান আগতে কেতিয়াও দেখা নাছিলোঁ। আমি শ্বিলঙলৈ যাওঁতে বাটত বৰিডুকা, যোৰাবাট, বৰ্ণিহাট, নংপু, উমছি, উমছে মৰালই, মাউটং আদি ঠাই পাইছিলোঁ।

আমি সন্ধিয়া ৫ মান বজাত শ্বিলং পাইছিলোঁ। আমাক গুৱাহাটীৰ পৰা কঢ়িয়াই নিয়া বাছখনে শ্বিলঙৰ চিভিল হস্পিটালৰ সন্মুখত নমাই দিছিল। আমি তাত এখন্তেকো পলম নকৰি জেঠাই দি থোৱা ঠিকনা অনুসৰি এখন টেক্সীৰে যাত্ৰা কৰিছিলোঁ। তেওঁ বিষ্ণুপুৰত থাকে। আমাক টেক্সীখনে বিষ্ণুপুৰৰ শ্বিলং স্কুলৰ সন্মুখত নমাই দিছিল। তাৰে এজন মানুহৰ সহযোগত জেঠা থকা ঘৰলৈ বুলি যাব খোজতে জেঠা আৰু আমাৰ গাঁৱৰ এজন খুৰা আহি আমাক লগ পালে আৰু আমাক তেওঁৰ কোঠালৈ লৈ গ'ল। আমি তাত হাত ভৰি ধুই অলপ সময় জিৰণি ল'লোঁ। তেওঁৰ কোঠাটো সৰু বাবে তাত আমি থকা অসুবিধা হৈছিল।

আমি তাৰ পৰা আহি জেঠাইঁতৰ সহযোগত এখন হোটেলৰ দুটা কোঠা ভাড়া লৈ থৈছিলোঁ। হেটোলখনৰ নাম গ্ৰেণ্ড হোটেল। আমি সিদিনাখন গ্ৰেণ্ড হোটেলত ভাত খাই ওচৰতে অন্নপূৰ্ণা ৰেষ্টুৰেণ্টত নিশাৰ আহাৰ গ্ৰহণ কৰিছিলোঁ। সিদিনাৰ খাদ্য আছিল নিৰামিষ। গ্ৰেণ্ড হোটেলৰ কোঠাত টোপনিয়াই থাকোঁতে মনত পৰিছিল ভূপেন হাজৰিকাদেৱৰ এটি গীতলৈ ' শ্বিলঙৰে মনালিছা লিংডো

তোমাৰ হাতৰ গীটাৰ খনিত

হিলিবিলি মিউজিক বজাই যোৱা।".....

এটা সময়ত নিদ্ৰা দেৱীৰ কোলাত নিজকে সমৰ্পণ কৰিলোঁ।

পিছদিনা ৰাতিপুৱা শুই উঠি হাত-মুখ ধুই আৰু পৰঠাৰে চাহ-জলপান খাই থাকোঁতে জেঠাইঁতে টেক্সীৰে আহি থকা হোটেলখনৰ সন্মুখত ৰ'ল আৰু আমি জেঠাইঁতে অনা টেক্সীখনেৰে ফুৰিবলৈ ওলালোঁ।

প্ৰথমে 'লেডী হাইড' নামৰ পাৰ্ক এখনত সোমাইছিলোঁ। তাত সোমালে ২ টকা মূল্যৰ টিকট কাটিব লাগে আৰু কেমেৰা নিলে ১০ টকা মূল্যৰ টিকট লাগে। দুৰ্ভাগ্যৰ বিষয় যে আমি কেমেৰাটো ঘৰত এৰি থৈ গৈছিলোঁ। তাত সোমালে গেটত প্ৰতিজন সৰু ল'ৰা ছোৱালীক একোটাকে চকলেট দিছিল। তাত সোমায়ে কি যে স্ফূৰ্তি লাগিছিল। কি সুন্দৰ পৰিপাটি, চাফ চিকুণ পৰিৱেশ। তাত আছিল ভিন্নৰঙী ফুল সৰু ল'ৰা -ছোৱালীৰ খেলৰ সামগ্ৰী আৰু আছিল কেইবাবিধো পক্ষী আৰু জন্তু, এখন সৰু চিৰিয়াখানাৰ দৰে। তাত আমি কেমেৰাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিলোঁ। তাৰ পৰা আমি উভতিছিলোঁ।

এইবাৰ আমি ৰাওনা হৈছিলোঁ শ্বিলং পিকলৈ। শ্বিলং পিকলৈ যোৱা ৰাস্তাৰ চাৰিওকাষে দেখিছিলোঁ কেৱল খেতি পথাৰ বিশেষকৈ মূলাৰ খেতি। পিকত গৈ উপস্থিত হৈছিলোঁ। পিকত থিয় হৈ কিযে ভাল লাগিছিল। তাৰ পৰা গোটেই শ্বিলং খন দেখা পায়, সুদূৰ ৰঙাপানীলৈ। শ্বিলং পিকত খাছীয়া পাহাৰত অৱস্থিত। শ্বিলং পিক্ থকা ঠাইখিনিক আপাৰ শ্বিলং বুলি কয়। শ্বিলং পিক্টোৰ উচ্চতা হেনো ১৮০০ মিটাৰ (৬০০০ ফুট প্ৰায়)। পিক্টোৰ চাৰিও ফালে লোৰ বেৰ দিয়া আছিল। পিক্টোৰ ওচৰতে আছিল এটা মিলিটাৰী কেম্প। আমি তাত এবিধ বস্তু দাম দি খাইছিলোঁ যিটো আমি ঘৰত অৱহেলা কৰোঁ। সেয়া হ'ল মাকৈ। প্ৰটিতো মাকৈক পুৰি দিয়ে, বিনিময়ত ৫ টকা লয়। পিকৰ পৰা আমাৰ গাড়ী নামিছিল।

এবাৰ আমি গৈছিলোঁ 'এলিফেণ্ট ফলচ' নামৰ জলপ্ৰপাতটো চাবলৈ। মই ইয়াৰ আগতে বাস্তৱত জলপ্ৰপাত কেতিয়াও দেখা নাছিলোঁ। জলপ্ৰপাতটো বহু ওখৰ পৰা পৰি আছে, যিটো আমি মনিব নোৱাৰোঁ। তীব্ৰ গতিত এই পানী পৰি আছে আৰু ঘৰ ঘৰ শব্দ। আমি তাত বেছি পৰ নাথাকিলোঁ। তাৰ দোকান বোৰত কেৱল বাঁহ কাঠেৰে নিৰ্মিত সামগ্ৰী পোৱা যায়। তাৰ পৰাও আমাৰ গাড়ী উভতিছিল

কিন্তু দুর্ভাগ্য শ্বিলঙত বিদন-বিপচ নামৰ অন্য এটা বৃহৎ জলপ্রপাত আছে কিন্তু সন্ত্রাসবাদীৰ উৎপাতৰ কাৰণে আমাৰ গাড়ীৰ ড্রাইভাৰ তলে যাবলৈ অস্বীকাৰ কৰে।

—শ্বিলঙৰ ঠাইবোৰৰ লগতে ৰাস্তা-ঘাটবোৰ সদায় পৰিষ্কাৰ। আমাৰ গুৱাহাটীৰ লগত আকাশ পাতাল পার্থক্য। বাটত এটুকুৰা চিঙা কাগজ দেখা নাপালোঁ বা কোনো খালী চিগাৰেটৰ পেকেট দেখা পোৱা নাছিলোঁ।—

এইবাৰ আমি 'ৱার্ড লেক' নামৰ হ্রদটো চাবলৈ গৈছিলোঁ। হ্রদটো মূল ৰাজধানীৰ প্রৱেশ পথৰ সন্মুখতে। সেই হ্রদটো ১৮৯ চনত উইলিয়াম ৱার্ড নামৰ এজন বৃটিছে হেনো ভালদৰে খন্দাইছিল। সেয়েহে এই হ্রদটোৰ নাম 'ৱার্ড লেক'। তাত থকা ভিন্ন ৰঙী মাছবোৰ আছিল চাবলগীয়া। পানীত কিবা পেলাই দিলে মাছবোৰ জুম বান্ধি খাবলৈ অহা দৃশ্য কি যে মনোৰম। হ্রদটোৰ চাৰিওফালে এখন সুন্দৰ পার্ক গঢ়ি উঠিছে। তাত সোমাওঁতে কোনো প্রৱেশমূল্য দিবলগীয়া হোৱা নাছিল। তাৰ পৰা উভতি আহিছিলোঁ। আহোতে বাটত আন্ত : ৰাষ্ট্রীয় 'গল্‌ফ ফিল্ড' খন দেখা পাইছিলোঁ।

এইবোৰ চাই চিতি আমি 'দিল্লী' নামৰ হোটেলখনত গোট খাইছিলোঁ। তাৰ পৰা আমি ভাড়া কৰি নিয়া টেক্সীখন যাবলৈ দিয়া হৈছিল। ভাত পানী খাই উঠি আটাইকেইজনে আহি গ্রেণ্ড হোটেলত জিৰণি লৈছিলোঁ। এইবাৰ আমি আমাৰ সুবিধার্থে আগৰ কোঠা দুটা এৰি দি অন্য এটা কোঠা লৈছিলোঁ য'ৰ পৰা শ্বিলং চহৰখন দেখা যায়।

কিছু সময় জিৰণি লোৱাৰ পিছত আমি নগৰখনৰ বজাৰ-সমাৰ চাবলৈ গৈছিলোঁ। তাত আমি আমাৰ কিছুমান প্রিয় বস্তু কিনি লৈছিলোঁ। তাৰ বজাৰত প্রচুৰ পৰিমাণে নাচপতি পোৱা যায় আৰু চাহিদাও কম। নাচপতিবোৰ দিবৰ বাবে প্লাষ্টিক বেগৰ পৰিৱর্তে বাঁহেৰে নির্মিত মোনা চলে।

আমি ঘৰি পকি চাই গম পাইছিলোঁ যে তাৰ প্রধান বাসিন্দাসকল খাচীয়া জন-জাতিৰ, ধর্মত খ্রীষ্টান। তাত আমি এচিয়া মহাদেশৰ ভিতৰত দ্বিতীয় বৃহৎ গীঁজা ঘৰটো দেখিছিলোঁ। তাৰ স্কুল-কলেজত ইংৰাজী ভাষা চলে। অৱশ্যে তাৰ বাসিন্দাসকলে লিপি নোহোৱা খাচীয়া ভাষা কয়। মেঘালয় যিহেতু মাতৃ প্রধান ৰাজ্য সেয়েহে তাৰ বেছিভাগ কর্ম ক্ষেত্রতে মহিলাৰ প্রাধান্য দেখা যায়।

শ্বিলঙৰ ঠাইবোৰৰ লগতে ৰাস্তা-ঘাটবোৰ সদায় পৰিষ্কাৰ। আমাৰ গুৱাহাটীৰ লগত আকাশ পাতাল পার্থক্য। বাটত এটুকুৰা চিঙা কাগজ দেখা নাপালোঁ বা কোনো খালী চিগাৰেটৰ পেকেট দেখা পোৱা নাছিলোঁ। সেইবোৰ পেলাৰৰ বাবে ডাষ্টবিন বোৰ 'use me' বুলি ৰৈ আছিল।

সন্ধিয়া ফুৰি-চাকি আহি গ্রেণ্ড হোটেলতে নৈশ আহাৰ গ্রহণ কৰিলোঁ। জেঠা আৰু খুৰা তেওঁলোকৰ কোঠালৈ গুচি গৈছিল। নৈশ আহাৰ গ্রহণ কৰি টোপনি আহিবৰ বাবে বিচনাত পৰিছিলোঁ।

দেউতাইঁতে কথা পাতি থকা বাবে বহুত সময় টোপনি অহা নাছিল। সেই খিনি সময়তে ভাবিছিলোঁ শ্বিলং সঁচায়ে পর্যটকৰ বাবে আকর্ষণীয়। শ্বিলঙৰ জলবায়ু আছিল শীতল সেয়েহে আমি তাত লেপ্ উৰিব লগীয়া হৈছিল, যি সময়ত অসমত গৰমৰ বাবে গাত চোলা ৰাখিব পৰা নাছিলোঁ। এইবোৰ ভাৰি থাকোঁতে কেতিয়া টোপনিত পৰিছিলোঁ গমেই নাপালোঁ।

পিছদিনা ৰাতি পুৱা শুই উঠি মুখ হাত ধুই চাহ জলপান খাই ৮ মান বজাত ঘৰলৈ আহিবৰ বাবে সাজু হৈছিলোঁ। ইতিমধ্যে জেঠাইঁতে আমাক আগবঢ়াই থ'বলৈ আমি থকা হোটেলখনত উপস্থিত হৈছিল।

আমি হোটেলৰ পৰা গুৱাহাটী অভিমুখী ৰাছত উঠিবলৈ পুলিচ বজাৰলৈ গৈছিলোঁ। তাতে আমি ৰাছত উঠিছিলোঁ। ৰাছখন আগবাঢ়িছিল। শ্বিলঙৰ পৰা বিদায় মাগিছিলোঁ। পাহাৰৰ মাজে মাজে আমাৰ গাড়ী দ্রুৱন্ত গতিত আগবাঢ়িছিল। ৰৱা পানী হ্রদৰ ওপৰত থকা দীঘল দলংখনৰ ওপৰেৰে আমাৰ ৰাছ নামি আহিছিল গুৱাহাটীলৈ। নামোতে বেছিভাগ সময় গাড়ীখনৰ ষ্টার্ট বন্ধ কৰি দিছিল। আহোঁতে শ্বিলঙৰ এৰি অহা স্মৃতিৰ মাজত হেৰাই গৈছিলোঁ। ভাবিছিলোঁ ভ্রমণ সঁচাকৈ আনন্দকৰ। নিশা ১০ মান বজাত আমি নগৰৰেৰাত উপস্থিত হৈছিলোঁ। এনেকুৱা লাগিছিল যেন এটি মিঠা সপোনৰ পৰা সাৰ পালোঁ।

আছুতীয়া সাক্ষাৎকাৰত
বিশিষ্ট সাহিত্যিক মহিম বৰা

(সাক্ষাৎকাৰ গ্ৰহণ কৰোঁতা পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰবক্তা *যতীন্দ্ৰ নাথ তালুকদাৰ।*)

পুৰুৰে সমাজত শ্ৰীযুত মহিম বৰাৰ পৰিচয় নতুনকৈ দিয়াৰ প্ৰয়োজন নাই। এই গৰাকী লেখকে চল্লিশৰ দশকৰ পৰা গল্প লিখিবলৈ আৰম্ভ কৰে যদিও সমালোচকলৰ দৃষ্টি আকৰ্ষণ কৰে ষাঠিৰ দশকটোতহে। কেইটামান অভিনৰ চুটি গল্পৰ মাজেৰে আত্মপ্ৰকাশ কৰা বৰাদেৱৰ গল্প 'ৰামধেনু', 'মণিদীপ', 'সপ্তাহিক নীলাচল', ' সাদিনীয়া নৱযুগ' আদি আলোচনীৰ পাতত সিঁচৰতি হৈ আছে। 'কাঠনিবাৰী ঘাট' নামৰ জনপ্ৰিয় গল্পটোৰ (বোধকৰো অসমীয়া ভাষাৰ গল্পৰ প্ৰথম দহোটা স্থানৰ ভিতৰত পৰিব) কথা বস্তুৰ ওপৰত তেওঁ প্ৰথমে কবিতাহে লিখিছিল। কবিতাটো লিখি সন্তুষ্ট হ'ব নোৱাৰিহে তেওঁ একোটা অভিজ্ঞতাৰ ভিত্তিতে সেই অবিস্মৰণীয় গল্পটো ৰচনা কৰিলে। অলপতে তেখেতৰ নগাঁৱৰ আমোলাপট্টিৰ বাসভৱনত অন্তৰঙ্গতাৰে কথা পাতিছিলোঁ। তাহানি শৈশৱৰ কথাৰ পৰা সমকালীন অসমীয়া চুটি গল্পৰ আঙ্গিকৰ ন ন পৰীক্ষালৈ। গভীৰ বুদ্ধি দীপ্ত আৰু জীৱনৰ প্ৰতি গভীৰ মৰমবোধে আমাৰ অন্তৰত দোলা দিছিল। তেখেতৰ সান্নিধ্যত কটোৱা দিন চেৰেকৰ অভিজ্ঞতাৰ ভিত্তিতে আমাৰ এই লেখা প্ৰস্তুত কৰা হৈছে। উল্লেখ্য যে সাহিত্য অকাডমী বঁটা পোৱাৰ মাথোন দুদিন আগতেহে এই সাক্ষাৎকাৰটো অঁনাতাৰ কেন্দ্ৰ আৰু দৈনিক কাকতৰ বাবে বাণীবদ্ধ কৰা হৈছিল। সাক্ষাৎকাৰটোৰ প্ৰাসঙ্গিকতা আৰু প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ সজোৱা হৈছে। টেলিফোনেৰে হোৱা কথা বতৰাৰ কিয়দাংশও কিছু সন্নিবিষ্ট কৰা হৈছে। সাক্ষাৎকাৰৰ পূৰ্ণ পাঠ দিয়া হ'ল । য. না. তা)

> *ঘটনাৰ বৈচিত্ৰতা, জীৱনৰ প্ৰতি মৰম নাথাকিলে কোনেও সাৰ্থক গল্প লিখিব নোৱাৰে*

যতীন্দ্ৰ নাথ তালুকদাৰ ঃ প্ৰায়বোৰ গল্পকাৰৰ শৈশৱৰ কালটো একোটাইত ঘটনাৰে বিধৌত হোৱা দেখা যায়। আপুনি শৈশৱ কালটো গাঁৱতে থাকি কটালে। শৈশৱৰ দুই এটা ঘটনাৰে আৰম্ভ কৰোঁ। নহয়নে বাৰু?

মহিম বৰা ঃ আপুনি ঠিকেই অনুধাৱন কৰিছে। মই বৰষুণ বৰ ভাল পাওঁ। গতিকে এজাক বৰষুণ দিলেই হ'ল। মোক আৰু কোনে পায়। একে কোবে দৌৰি মুকলি পথাৰ পাওঁ। আমাৰ গাঁৱৰ (নগাঁও জিলাৰ) পথাৰত বদ্ধ হৈ থকা পানীৰ যুঁৱলিত অথবা পানীৰ ডোঙাত জুলুকিবে সেন্দুৰীয়া পুঠি মাছ ধৰিবলৈ যাওঁ। লগৰ সমনীয়াহঁতৰ সৈতে ৰবাৰ টেঙাৰ বল খেলোঁ। আবেলি হেঁপাহ পলুৱাই সাঁতুৰি-নাদুৰি ফুৰোঁ। শৈশৱৰ স্মৃতিৰ ডুখৰীয়া ছবিবোৰ এতিয়া কিছু অস্পষ্ট ধূসৰ হৈছে যদিও গোটেইবোৰ ঘটনাৰ অংশবিশেষ মোৰ স্মৃতিৰ সঁফুৰাত সযতেনে কঢ়িয়াই লৈ ফুৰিছোঁ।

য. না. তা ঃ পিছে ৰবাবটেঙা খেলি ফুৰা ল'ৰাটো এদিন নগাওঁ কলেজ পালে। আপুনি গল্প কেতিয়াৰ পৰা লিখিবলৈ ল'লে? কবিতা একা?

মহিম বৰা ঃ হয় জুলকিবে মাছ ধৰা ল'ৰাটোৱে এদিন নগাঁও কলেজ পালোঁ। মই কলেজলৈ আহিয়েই গল্প লিখিবলৈ আৰম্ভ কৰিলোঁ। মোৰ গল্প কোনোবাই চালে, কোনোবাই নাচালে। আমাৰ কলেজৰ অধ্যাপক সকলে বহুতে শলাগিলে। মই দৃঢ় মনা আছিলোঁ। ধৈর্য্য হেৰুৱালে নহ'ব বুলি মন স্থিৰ কৰি একাগ্ৰচিত্তে গল্প লিখিলোঁ। মনে মনে দুই চাৰিটা কবিতাও লিখিলোঁ।

য. না. তা ঃ আপোনাৰ কবিতাৰ কথা ওলাওতে কথা এটা কওঁ। 'কাঠনিবাৰী ঘাট' নামৰ গল্পটোৰ জুমুঠিটো প্ৰথমে আপুনি কবিতাৰ পৰা লৈছিল। গল্প লিখি উলিয়াই

নোৱাৰিলে যন্ত্ৰণা বেছি নে কবিতাৰ?

মহিম বৰা ঃ কবিতাৰ ৰূপতেই সঁচা কাহিনীভাগ লিখি উলিয়াইছিলোঁ যদিও মনত শান্তি নাপালোঁ। নৈৰ পাৰৰ শিমলু জোপাৰ গুৱিত বহি বিধবা মানুহ গৰাকীৰ জীৱনৰ পট পৰিবৰ্ত্তন কবিতাত বোলাব নোৱাৰি, তাক গল্পৰ সাঁচ দিলোঁ। পিছৰ খিনি আপুনি জানেই।

য. না. তা ঃ 'আপোনাৰ গল্পটোৱে হেনো তৃতীয় পুৰস্কাৰ পাইছিল। — 'ৰামধেনু' আলোচনীয়ে আয়োজন কৰা গল্প প্রতিযোগিতাত। কথাটো সচাঁনে বাৰু?

মহিম বৰা ঃ আপোনাৰ তথ্য সত্য। আপুনি যিহেতু তথ্য সংগ্রহ আৰু সৰবৰাহ কৰি গোটেই খবৰ পায়। এই কথাখিনি কোনে ক'লে ? (মিচিকিয়াই হাঁহি) হয়। মই প্রতিযোগিতালৈ গল্প পঠিয়াই পিছত গম পালোঁ যে মই তৃতীয় বাছনিতহে উঠিছোঁ। পিছত বহুকেইটা গল্প লিখি প্রকাশ কৰিলোঁ।

য. না. তা ঃ আপুনি বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে সঙ্গীতজ্ঞ মুকুল বৰুৱাৰ সৈতে লগ লাগি বহু কিবা কিবি লিখি উলিয়ালে। আপুনি অনাতাঁৰ কেন্দ্রৰ সৈতেও জড়িত আছিল বুলি আমি জানিব পাৰিছোঁ।

মহিম বৰা ঃ সঙ্গীতজ্ঞ মুকুল বৰুৱাৰ লগত কটোৱা সান্নিধ্য মোৰ বাবে জীৱনৰ উল্লেখনীয় কথা আছিল। মই বিশ্ববিদ্যালয়ত পঢ়ি থকা কালছোৱাত কেবাটাও গল্প, কবিতা, অনাতাঁৰ নাট কেৱল আকাশবাণীৰ (তেতিয়া অৱশ্যে অল ইণ্ডিয়া ৰেডিঅ' বুলিছিল) বাবে লিখি উলিয়াইছিলোঁ। মই কথিকা আৰু তথ্য চিত্র লিখি উলিয়াইছিলোঁ।

য. না. তা ঃ আপুনি লাহতী ৰচনাত হাত দিয়াৰ কথাটো কবি নৱকান্ত বৰুৱাই শলাগিছিল। "মোমাইৰ পদুলিত বান্ধিলোঁ ঘোঁৰা" নামৰ লাহতী ৰচনাখন সুখপাঠ্য হৈছে যদিও একাংশ পঢ়ুৱৈৰ বিশেষ সমাদৰ নাপালে। ইয়াৰ কাৰণ এইটোও হ'ব পাৰে নেকি যে গল্পকাৰ মহিম বৰাই কেৱল গল্প লিখাতহে অধিক মনোনিৱেশ কৰে?

মহিম বৰা ঃ হয়। আপুনি কোৱাৰ দৰে কবি নৱকান্ত বৰুৱাই মোৰ শব্দটো বৰ ভাল পালে। মই এই কথাখিনি মোৰ গ্রন্থত সন্নিবিষ্ট কৰিছোঁ। পিছে আপুনি দিয়া অনুযোগ কিছুপৰিমাণে মিথ্যা নহয় চাগে। নহ'লে কবিতা বা অইন ৰম্য ৰচনা সমূহতকৈ পাঠকে মোক কিয় আদৰি ল'ব। অৱশ্যে, গল্প লিখাৰ বাবে মই অধিক সময় কটাইছিলোঁ।

য. না. তা ঃ আপোনাৰ পৰিচয় কেৱল গল্পকাৰ হিচাপে ল'ব নোৱাৰি। আপুনি যে এগৰাকী ৰসিক কবি এই কথাটো এচাম ৰসিক পাঠকৰ বাহিৰে বাকীসকলৰ ওচৰত গৌণ হৈ ৰৈছে। আনহাতেদি, আপুনি এজন সফল ঔপন্যাসিক হিচাপে সমালোচক সকলৰ সমাদৰ পাইছে। কথাটো হ'ল— আশীৰ দশকৰ পিছৰ পৰা আপোনাৰ ৰচনাৰ ধাৰাবাহিকতাৰ কিছু অভাৱ লক্ষ্যণীয়ভাৱে ধৰা পৰিছে। ইয়াতো চুটিগল্পৰ পৰিধিৰ মাজত আপুনি বিচৰণ কৰি আঙ্গিকৰ ন ন পৰীক্ষা চলালে কিছুদূৰ যাব পৰিলেহেঁতেন।

মহিম বৰা ঃ আপোনাৰ কথাখিনিৰ গুৰুত্ব আছে। কিয়নো আপুনি কোৱাৰ দৰে মই গল্পৰ মাজতে সোমাই থাকিব লাগিছিল। মোৰ লেখাসমূহ পঢ়ি পাঠক বা সমালোচক সকলে যেনে ধৰণৰ মন্তব্য বা মতামত দিছে; সেইখিনি মই মানি লৈছোঁ। আশীৰ দশকৰ পিছতো মই কিবা কিবি লিখিছোঁ। আপুনি নিজেই মতামত দিছেই। মোৰ কবিতাৰ ৰচনাকাল খিনিয়ো আপুনি উলিয়াই দিছে।

য. না. তা ঃ জীৱন আৰু অপ্লাবিত সৌন্দর্য্যৰ ওপৰত আপোনাৰ কবিতাৰ গভীৰতম অনুভূতি আছে। আনহাতেদি, উপলব্ধিৰ প্রগাঢ়তা আৰু অনুভূতিৰ অকৃত্রিমতাই আপোনাৰ সমগ্র কবিতাকে নতুন আস্বাদন দিছে। তৎসত্বেও আপোনাৰ কবিতাই এতিয়াও পাঠকৰ দৃষ্টি আকর্ষণ কৰা নাই। প্রসঙ্গক্রমে কওঁ যে কবি হৰেকৃষ্ণ ডেকাহঁহে আপোনাৰ কবিতাক পাঠকক কিছু পৰিমাণে চিনাকি কৰি দিছে।

মহিম বৰা ঃ লোক জীৱনৰ পৰা বুটলি অনা সহজ সৰল শব্দ চয়ন আৰু চিত্রকল্পৰ বিষয়ে সমালোচকসকলে ইতিমধ্যে আঙুলিয়াই দিছে। 'ৰঙা জিঁয়া' কবিতা সংকলনখনত মোৰ কবিতাৰ উমান পাব। সাহিত্য অকাডেমীয়ে মোৰ কবিতাৰ অনুবাদ (ইংৰাজী, হিন্দী ভাষালৈ) কৰিছে। পিছে, মনৰ অনুভূতিক ঘঁহি পিহি ব্যঞ্জনাময় শিল্পলৈ উত্তৰণ ঘটাবলৈ হ'লে গভীৰ অধ্যয়নৰ প্রয়োজন।

য. না. তা ঃ আপুনি কৈছে যে "গংগাত নাও ডুবে" কিন্তু "ব্রহ্মপুত্রত নাও বুৰে"। আমাৰ অসমীয়া ভাষাত ব্যৱহৃত জতুৱা ঠাঁচৰ ইমান পয়োভৰ থকা সত্বেও একাংশ সংবাদপত্রকে ধৰি কিছুমানে ভাষা বিজতৰীয়া কৰিছে নেকি?

মহিম বৰা ঃ "ডুব মাৰিছে" শব্দটো লিখাতকৈ "বুৰ

মৰা" বুলি ক'লে অধিক শুকলা হ'ব। আমাৰ এতিহ্যমণ্ডিত ভাষাটো এচাম সংবাদপত্রই কিছু পৰিমাণে বিজতৰীয়া কৰা বুলি আমি ভাবিছোঁ। পিছে, এচাম কাকত-পত্রই বিজাতৰীয়া হ'বলৈ এৰি দিয়া নাই।

য. না. তা ঃ অলপ পৃথক কথা বস্তুলৈ আহিছোঁ। মোঁপাচা, বালজাক, গৰ্কী, ডষ্টয়েভস্কীৰ পৰা অৰুন্ধতী ৰয়, ঝুম্পা লাহিড়ী, বিক্রম শেঠলৈ — গল্পৰ এই সুদীর্ঘ পথ পৰিক্রমাৰ অন্তত সাম্প্রতিক গল্পৰ কিছু অৱক্ষয় লক্ষণীয় হৈ পৰিছে। আমাৰ অসমীয়া সাহিত্যৰ বেজবৰুৱাৰ পৰা আৰম্ভ কৰি অপূর্ব শর্মা, অৰূপা পটঙ্গীয়া কলিতালৈকে গল্পৰ এই সেন্দুৰীয়া পথ পৰিক্রমাৰ পথিক কলাকাৰ হিচাপে আপুনি সন্তুষ্ট নে?

মহিম বৰা ঃ চুটি গল্প বা গল্পৰ ইতিহাস প্রাচীন। মই কিছু গল্প পঢ়িছোঁ। বর্ত্তমানে চকুৰ অসুখৰ বাবে অতি সাম্প্রতিক গল্প পঢ়িব নোৱাৰোঁ। পিছে আমাৰ গল্পকাৰ সকলে সম্প্রতি ন ন আঙ্গিকেৰে পৰীক্ষা চলাই সফল হৈছে। বিশেষকৈ একাংশ মহিলা গল্প লেখিকাই আমাক নতুন আস্বাদন দিছে। মহিলা লেখিকাই ভালধৰণে লিখিব পাৰিছে। মই আশাবাদী। আমাৰ লেখক চামে যে নতুন আলোকৰ সন্ধান দিব এই বিষয়ে অকণো সন্দেহ নাই।

য. না তা ঃ আপুনি এতিয়া ভালদৰে লিখিব পঢ়িব নোৱাৰে। তাৰ ফলত অসমীয়া সাহিত্যৰ যথেষ্ট ক্ষতি হৈছে। আপোনাৰ শাৰীৰিক অসুস্থতাৰ প্রতি লক্ষ্য ৰাখি এগৰাকী অনুলিখনকাৰী ল'লে এই সমস্যাৰ সমাধান কিছু পৰিমাণে হ'লেও লাঘৱ হ'ব বুলি আমি বিশ্বাস কৰোঁ। প্রসঙ্গক্রমে কওঁ যে সাহিত্যাচার্য্য যজ্ঞেশ্বৰ শর্মা ডাঙৰীয়াইও এনে ধৰণৰ পদ্ধতি ব্যৱহাৰ কৰি সফল হৈছিল।

মহিম বৰা ঃ কথাখিনি ময়ো ভাবি চাইছোঁ। পিছে, অনুলিখনকাৰী পোৱাটো বৰ কঠিন। মই নিজেই চেষ্টা কৰিও পোৱা নাই। বর্ত্তমানে মই পো-বোৱাৰীৰ লগতহে আছোঁ। যিমান দিনলৈ জীয়াই থাকোঁ, লিখি যাম। মোৰ মৃত্যুৰ দিনাই মোৰ কলম বন্ধ হ'ব। মোৰ জীৱনৰ প্রতি গভীৰ মমতা বোধ আছে। যাৰ বাবে হয়তো মৃত্যুৰ কথা ভৱা নাই।

য.না.তা. অলপ পৃথক প্রসঙ্গ এটালৈ আহিছোঁ। বিজ্ঞান আৰু প্রযুক্তি বিদ্যাৰ ব্যাপক প্রসাৰৰ ফলস্বৰূপে মানৱ জীৱনৰ সর্বগ্রাসী প্রভাব ইতিমধ্যেই পৰিছে। এনে ব্যাপক জালৰ প্রসাৰত প্রজাত্যহিক জীৱনৰ লগতে আমাৰ সাহিত্যতো কিছু প্রভাব পৰা নাইনে?

মহিম বৰা ঃ কথাখিনি কেইবাটাও দৃষ্টিকোণৰ পৰা ফঁহিয়াই চাব পাৰি। ইলেক্টনিক মিডিয়াৰ কথাই ধৰি লওক। অভিযোগ উঠিছে যে এই মাধ্যমটো সর্বগ্রাসী প্রভাব পেলাইছে। পিছে বিজ্ঞান আৰু প্রযুক্তিৰ বিকাশ তথা পৰিবর্দ্ধনে সাহিত্যৰ বিশেষ ক্ষতি কৰিব নোৱাৰে; বৰঞ্চ আওপকীয়াকৈ সহায় কৰিব পাৰে বুলি মই বিশ্বাস কৰোঁ। আনহাতেদি গ্রন্থ পঢ়াৰ যিটো সুকীয়া আস্বাদন আছে। সেইটো কম্পিউটাৰ বা অইন মাধ্যমে ক্ষতি কৰিব নোৱাৰে। অবশ্যে গ্রন্থ সংৰক্ষণৰ ক্ষেত্রত এই মাধ্যমটোৰ ভূমিকা নুই কৰিব নোৱাৰি।

য.না.তা. গ্রন্থ উন্নয়নৰ কথা কওঁতে সাম্প্রতিক গ্রন্থ উন্নয়নৰ কথা কৈছোঁ। আমাৰ অসমৰ এচাম পাঠকৰ মহৎ গ্রন্থ পঢ়াৰ সৌভাগ্য হয়। বিশ্বৰ অইন দেশৰ কথা নকওৱেই আমাৰ প্রতিবেশী বাংলা সাহিত্য তথা সমকালীন ভাৰতীয় সাহিত্যৰ সাহিত্যিকসকলৰ সৃষ্টিৰ পৰা আমাৰ পাঠক সকল বিভিন্ন কাৰণত এফলীয়া হৈ পৰিছে বুলি অভিযোগ উঠিছে। কথাখিনি মুকলিকৈ কওকচোন। হয়তো অনুবাদ সাহিত্যৰ অভাবেই .....

মহিম বৰা ঃ অভিযোগটো পোনচাটেই নস্যাৎ কি ৰি দিব নোৱাৰি। আমাৰ অসমীয়া সাহিত্যৰ পাঠকে ভাৰতীয় অইন ভাষাৰ সাহিত্যৰ কর্মৰাজি পঢ়াৰ পৰা বঞ্চিত হোৱা কথাতো অসত্য বুলিব নোৱাৰি। আমাৰ অনুবাদ সাহিত্যৰ চালুকীয়া অবস্থাৰ বাবে পাঠক সকলে বঞ্চিত হোৱাৰ উপক্রম হৈছে। কথাখিনি অনুবাদ কৰোঁতা সকলে গমি চাব লাগে। আকৌ অনুবাদ কৰা কথাতোও ইমান সহজ সাধ্য নহয়। অনুবাদ কৰোঁতে চাব লাগে যাতে অনুবাদৰ নামত প্রহসন নহয় বা মৌলিকতা হেৰাই নাযায়।

য.না.তা. ভাল খেলুৰৈ বা চিত্রকৰ হ'বলৈ গভীৰ অনুশীলনৰ দৰকাৰ হোৱাৰ দৰে মহৎ গ্রন্থ লিখিবলৈ কলমৰ কিছু অনুশীলনৰ প্রয়োজন নাই নে? তেনেদৰে সাহিত্যিকসকলেও এই দিশত সাৱধান হ'ব নালাগেনে?

মহিম বৰা ঃ প্রতিতো সৃষ্টিৰ আঁৰতেই থাকে নিৰলস সাধনা। আনহাতেদি কলমৰ পৰিমিত অনুশীলনে সৃষ্টিক সুখ্যাত বা অখ্যাত কৰি তুলিব পাৰে। কথাখিনি নির্ভৰ কৰিব লেখক জনৰ ওপৰত। লেখকজনৰ দুটা ৰূপ হ'ব নোৱাৰে। তেওঁ কথা ক'ব এটা কৰিব এটা - এনেধৰণৰ কথা মুঠেই হ'ব নোৱাৰে। সাহিত্যিক সকলো বিচ্ছিন্ন দ্বীপ নহয়।

য.না.তা. অসমত কিছুদিন ধৰি ব্যাপক

হিংসাত্মক কার্য্য সংঘটিত হোৱাৰ বাতৰি ওলাইছে। আনহাতেদি বিগত দশক দুটাত প্ৰকাশিত গল্প উপন্যাস আদিয়ে উপযুক্ত মান বজায় ৰাখিব পৰা নাই বা ৰসোত্তীৰ্ণ হোৱা নাই বুলি একাংশ সমালোচকে আঙুলিয়াই দিছে। কথাখিনি আপুনিও সমৰ্থন কৰেনে?

মহিম বৰা ঃ কথাখিনি মই পূৰ্ণ সমৰ্থন নকৰোঁ। বিগত দশক দুটাত আমাৰ অসমীয়া সাহিত্যত কেইবাখনো উল্লেখনীয় গ্ৰন্থ প্ৰকাশিত হৈছে। আমাৰ এচাম সাহিত্যিকে ইতিমধ্যে প্ৰতিস্থা লাভ কৰিছে। দুই এজন লেখকে আন্তৰ্জাতিক খ্যাতিও লভিছে। পিছে যেনে ধৰণৰ হ'ব লাগিছিল, তেনেধৰণৰ হয়তো হোৱা নাই। পিছে মই আশাবাদী. মই ভাবোঁ আমাৰ অসমীয়া সাহিত্যতো এদিন সোণালী দিন অহিব।

সাহিত্য অকাডেমী বঁটা বিজয়ী 'মহিম বৰাৰ ৰচনাৱলীৰ একাংশ উল্লেখযোগ্য গ্ৰন্থ ঃ

(১) উপন্যাস —'হেৰোৱা দিনৰ মায়া' আৰু 'পুতলা ঘৰ'
(২) গল্প সংকলন— 'ৰথযাত্ৰী' আৰু বহুভূজী ত্ৰিভূজ'
(৩) অন্যান্য — 'এধানী মাহীৰ হাঁহি'
(৪) আত্ম জীৱনী — 'পাখী লগা এদিন'
(৫) কবিতা পুথি — 'ৰঙা জিঁয়া'
(৬) লাহতী ৰচনা — 'মোমাইৰ পদুলিত বান্ধিলোঁ ঘোঁৰা'
(৭) প্ৰবন্ধ — ' চিন্তা বিচিত্ৰা' আৰু 'প্ৰবন্ধ বিচিত্ৰা'

পুনঃ

মহিম ৰৰা কবিতাৰ অংশ বিশেষ

ভৰলীত পাতি থোৱা ঘাট-জালখনত
বেলিটোৱে ওলোমা বাদুলি দি
আমালেকে চাই আছিল
পুঠি মাছৰ জাক এটাই
আমাক কাষতে পাই
ফুলজাৰিৰ দৰে জপিয়াই উঠিছিল
সফৰি চকুৰ কেৰাহিৰে
আমাকেই উভতি উভতি চাই
ভৰলী গৈ আছিল.....



* 'লাহতী ' শব্দটো ফৰাচী শব্দ 'Belle letters' ৰ পৰা লোৱা হৈছে। ইয়াৰ সমাৰ্থক শব্দটো হৈছে—ৰম্য/ ৰমনীয় ৰচনা— ৰৰাদেৰে আমাৰ আগত কোৱাতে এই শব্দটো তেখেতৰ সম্পূৰ্ণ নিজৰ।

১৯৪৪ চনতে লিখা গল্পৰ পুৰণি টোকা বহী ভাল লাগিল। তেওঁৰ গল্পবোৰৰ ওপৰত একোটাইত ছবি আঁক-বাক থাকেই। তেওঁ দিয়া উপহাৰৰ কথা এই লিখনিৰে শলাগিলোঁ। তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ। য. না. তা.)

* ৰঙা জিঁয়া কাব্য সংকলনৰ পৰা 'ভৰলী পাৰৰ আবেলি' নামৰ কবিতাৰ অংশবিশেষ। (ৰচনা কাল ১৯৫২ চন)

* প্ৰখ্যাত সাহিত্যিক ইন্দ্ৰ প্ৰসাদ হাজৰিকাই ৰৰাদেৰৰ জীৱনৰ আধাৰত লিখি উলিয়াইছে ' ঘৰে পৰে মহিম ৰৰা'।



বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনীৰ পূৰ্ব-প্ৰকাশিত সংখ্যাবোৰ - -এটি দৃষ্টিপাত

অপূৰ্ব ঠাকুৰীয়া
প্ৰবক্তা, বাসায়ন বিদ্যা বিভাগ

"শিক্ষায়তনৰ **আলোচনীত ভাৰ** ছাত্ৰ শিক্ষক সকলৰ সাহিত্য-সমাজ-চিন্তাৰ চানেকি থাকে। সেইখিনি **ভৱিষ্যতৰ** বাবে ইতিহাসৰ সমল হৈ পৰে।" *-নৰকান্ত বৰুৱা*

১৯৭২ চনৰ আগষ্ট মাহৰ ২৬ তাৰিখে নগৰবেৰা হাইস্কুল চৌহদত অস্থায়ী ভাৱে ঘৰ সাজি বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহৰ শুভাৰম্ভ কৰাৰ যি এক সুদীৰ্ঘ ইতিহাস আছে, -সেইদৰে এই মহাবিদ্যালয়ৰ মুখপাত্ৰ হিচাপে প্ৰথমখন বাৰ্ষিক আলোচনী প্ৰকাশৰো এক বৰ্ণাঢ্য ইতিহাস আছে। ১৯৭২ চনত 'ছাত্ৰ একতা সভা' গঠিত হৈছিল যদিও মূলত আৰ্থিক অভাৱৰ বাবেই ১৯৭৭ চনলৈকে মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰি উলিওৱাতো সম্ভৱ হোৱা নাছিল। ১৯৭৭-৭৮ চনৰ বাবে গঠিত মহাবিদ্যালৰ 'ছাত্ৰ একতা সভা'ই আলোচনী এখন প্ৰকাশৰ গুৰুত্ব তথা প্ৰয়োজনীয়তা গভীৰভাৱে অনুধাৱন কৰে আৰু এক উদ্যমী মনোভাৱেৰে ৭৭ চনৰ জুলাই মাহত এখন সম্পাদনা সমিতি গঠন কৰি দিয়ে। তদানীন্তন অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়া সভাপতি, প্ৰবক্তা বীৰেন্দ্ৰ কুমাৰ দাস শিক্ষক-তত্ত্বাৱধায়ক আৰু মহানন্দ মেধিক সম্পাদক হিচাপে লৈ গঠিত ৭ জনীয়া সম্পাদনা সমিতিৰ প্ৰায় ৬ মাহৰ অবিৰত প্ৰচেষ্টাৰ ফল স্বৰূপে 'বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী'ৰ প্ৰথম সংখ্যাটোৱে আত্মপ্ৰকাশ কৰে।

১৯৭৮ চনত প্ৰকাশিত প্ৰথম সংখ্যা আলোচনীখনৰ কেবাটাও বিশেষত্ব মন কৰিবলগীয়া। অঙ্গ সজ্জা, অলংকৰণ, বৰ্ণাশুদ্ধি আদি দিশৰ পৰা সম্পূৰ্ণ নিখুত নহ'লেও আলোচনীখনত অসমীয়া আৰু ইংৰাজী উভয়শাখাতে প্ৰকাশিত গল্প, কবিতা আৰু বিশেষকৈ বিজ্ঞান-বিষয়ক, শিক্ষা-কেৰিয়াৰ-বিষয়ক, পৰিচয়মূলক প্ৰবন্ধ আদিয়ে সেই সময়ৰ মহাবিদ্যালয়ৰ বৌদ্ধিক চিন্তাচৰ্চাৰ এক সুন্দৰ স্বাক্ষৰ বহন কৰিছে। নগৰবেৰাৰ ইতিহাস সম্বলিত ছাত্ৰ শিৱচৰণ দাসৰ 'নগৰবেৰা আৰু ইয়াৰ ইতিহাস' শীৰ্ষক প্ৰবন্ধ এইখন আলোচনীতে প্ৰকাশ পায়। তদানীন্তন অধ্যক্ষ দেৱ প্ৰসাদ শইকীয়াৰ প্ৰবন্ধ 'The River flows'- ত লেখকে তেতিয়াৰ নগৰবেৰাৰ আৰ্থ-সামাজিক দিশৰ হুবহু প্ৰতিচ্ছবি আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীন দিশৰ এক ৰেঙণি দাঙি ধৰিছিল। বুৰ্জোৱা সমাজ ব্যৱস্থা আৰু চিন্তাধাৰাক বিসৰ্জন দি সৃষ্টিৰ নৱতম সংকল্প ল'বলৈ আহবান জনোৱা বৰ্তমানৰ ভাৱপ্ৰাপ্ত অধ্যক্ষ, কবি নিৰোদ বৰণ দাসৰ কবিতা 'আহুতি' এইটো সংখ্যাতে প্ৰকাশ পায়। এফালে যি দৰে প্ৰবক্তা প্ৰৱীণ দাসৰ 'মানুহ, গনিত আৰু সংখ্যাৰেখা' সকলোৰে বোধগম্য গণিত বিষয়ক এক সহজ প্ৰবন্ধ প্ৰকাশ পাইছিল, অন্যফালে ছাত্ৰ তথা বৰ্তমানৰ প্ৰবক্তা দীপ্তিৰেখা পাঠকৰ গল্প 'অব্যক্ত বেদনা' ই আলোচনীখনৰ সৌন্দৰ্য বৃদ্ধি কৰিছিল।

১৯৭৯ চনত নিয়মীয়াভাৱে ইংৰাজী আৰু অসমীয়া উভয়শাখাতে আলোচনীখনৰ দ্বিতীয়টো সংখ্যা প্ৰকাশ পায়। মহাবিদ্যালয়ৰ প্ৰতীকটোকে বেটুপাতত দিয়া এই সংখ্যাটোত প্ৰাচীৰপত্ৰিকা 'ফল্গু'ৰ পৰাও কিছু গল্প কবিতা সন্নিবিষ্ট কৰিবলগীয়া হয়। এহাতে, আলোচনীখনৰ মধ্যভাগতে প্ৰকাশিত 'পূৰ্ব্বাঞ্চল বেঙ্ক লিমিটেড'ৰ বিজ্ঞাপনটোৱে সংখ্যাটোৰসৌষ্ঠৱ কিছু লাঘৱ কৰিলেও অন্যহাতে, ছাত্ৰ-ছাত্ৰীৰ সৱহ সংখ্যক লেখাই এই সংখ্যাটোৰ শ্ৰীবৃদ্ধিও ঘটাইছিল। ছাত্ৰ মীৰ্জা মান্নান ৰ প্ৰবন্ধ 'ছাত্ৰৰ দৃষ্টিত আদৰ্শ শিক্ষক' , ছাত্ৰী শেৱালী পাঠকৰ কবিতা 'জীৱনৰ অন্ত' প্ৰবক্তাদ্বয় ৰঞ্জিত কুমাৰ ৰবা আৰু মানবেন্দ্ৰ কলিতাৰ 'পীৰাৰ শৰাই', ছাত্ৰ মোহিনী কুমাৰ দাসৰ ৰম্য ৰচনা আদি কেবাটি লেখাৰ উপৰিও প্ৰখ্যাত বোলছবি পৰিচালক সমৰে

নাৰায়ণদেৱৰ সৈতে 'মুখামুখি' আৰু সম্পাদক-অধ্যক্ষৰ 'প্ৰশ্নোত্তৰ'- শিতান দুটিয়ে আলোচনীখনক এক নতুনত্ব প্ৰদান কৰিছিল।

জ্ঞানপীঠ বঁটাপ্ৰাপ্ত সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ এটি চুটি টোকামূলক শুভেচ্ছাবাণী অন্তৰ্ভুক্ত মহাবিদ্যালয়ৰ আলোচনীখনৰ তৃতীয়টো সংখ্যা প্ৰকাশ পায় ৮৪ চনত। অনিয়মীয়া আৰু বহু পলমকৈ প্ৰকাশ পালেও এই সংখ্যাটোৰ বলিষ্ঠ সম্পাদকীয় আৰু বিভিন্ন শিতানত প্ৰকাশিত লেখাবোৰে আলোচনীখনৰ মান বজাই ৰাখিবলৈ সক্ষমহৈছিল। প্ৰবন্ধ মালাৰ অতিথি শিতান, মহাবিদ্যালয়ৰ প্ৰতিস্থাপক সম্পাদক উদয় শঙ্কৰ ঠাকুৰীয়াৰ 'নগৰবেৰাৰ সামাজিক ঐতিহ্য আৰু উন্নয়ন' শীৰ্ষক প্ৰবন্ধটো মহাবিদ্যালয় তথা নগৰবেৰাবাসীৰ বাবে আপুৰুগীয়া দলিল স্বৰূপ। অকল অসমীয়া শাখাহে থকা এই সংখ্যাটোত প্ৰাক্তন আলোচনী সম্পাদক দীপেন্দ্ৰ পাঠকৰ গল্প 'ক্ষয়িষ্ণু', প্ৰবক্তা উমেশ চন্দ্ৰ দাসৰ ব্যঙ্গাত্মক কবিতা 'মই এজন দেশ নেতা' আদিৰ লগতে প্ৰবক্তাদ্বয় ৰঞ্জিত কুমাৰ বৰা আৰু এম, হবিব উল্লাহ-ৰ 'মহাবিদ্যালয়ৰ ভিতৰ চ'ৰাত এভুমুকি' আৰু 'বছৰটোৰ অন্যান্য দিশত এটি দৃষ্টিপাত' শীৰ্ষক লেখা দুটিয়ে আলোচনীখনৰ গুণগত মান যথেষ্ট বঢ়াইছিল। গাঁৱলীয়া অনাখৰী মানুহৰ মাজত প্ৰচাৰিত লোক সাহিত্যৰ আঁত ধৰি প্ৰফুল্ল কুমাৰ ৰাভাই লিখা নিবন্ধ 'অসমীয়া লোক বিশ্বাস'-টোৱে আলোচনীখনক অনন্য ৰূপ দান কৰিছিল।

প্ৰাক্তন ছাত্ৰ পবিত্ৰ কুমৰ নাথৰ সুন্দৰ প্ৰচ্ছদপট আৰু একেজন শিল্পীৰ কবিতা 'বেটুপাতৰ ওৰণি গুচাই' দুৱাৰ দলিতে সন্নিবিষ্ট কৰা আলোচনীখনৰ চতুৰ্থ সংখ্যা প্ৰায় ৪ বছৰ বিৰতিৰ পাছত ৮৮ চনত প্ৰকাশ পায়। তাৎপৰ্য পূৰ্ণ ভাবে কোনো বিশিষ্ট ব্যক্তি বিশেষৰ শুভেচ্ছাবাণী নথকা এই সংখ্যাটিত ছাত্ৰ হানিফ উদ্দিন আহমেদৰ কবিতা, 'সময়ৰ মূল্য', প্ৰবক্তা প্ৰভাত চক্ৰৱৰ্ত্তীৰ কম্পিউটাৰ বিষয়ৰ প্ৰবন্ধ, প্ৰবক্তা বীৰেন্দ্ৰ কুমাৰ দাসৰ চুটি গল্প 'বিদুৰ' আদি আলোচনীখনত সময়পযোগী মূল্যবান লেখা প্ৰকাশ পাইছিল। ইংৰাজী শাখা প্ৰকাশ নোপোৱা এই সংখ্যাটিতে সু-অভিনেতা প্ৰাঞ্জল শইকীয়া আৰু সু-সাংবাদিক তিলক হাজৰিকাৰ সৈতে সাক্ষাৎকাৰ দুটি প্ৰকাশ পায়।

পুনৰ ৩ বছৰ বিৰতিৰ পছৰ বিৰতিৰ পিছত '৯১ চনত আলোচনীখনৰ পঞ্চম সংখ্যাটি প্ৰকাশ পায়। সংখ্যাটিৰ চিন্তাকৰ্ষক সুন্দৰ প্ৰচ্ছদ-পটৰ শিল্পী আছিল মহাবিদ্যালয়ৰ প্ৰতিভাধাৰী ছাত্ৰ প্ৰয়াত হেমন্ত কুমাৰ ৰাভা। অসমীয়া আৰু ইংৰাজী দুয়োটা শাখাতে মেটমৰা বিষয়বস্তুৰে প্ৰকাশিত এই সংখ্যাটিৰ কেবাটিও দিশ লক্ষণীয়। নগৰবেৰাৰ পুৰোধা ব্যক্তি কৃষ্ণকান্ত শৰ্ম্মা (হেড মাষ্টাৰ), হৰেন্দ্ৰ নাৰায়ণ পাঠক আৰু উদয় শঙ্কৰ ঠাকুৰীয়া এই ত্ৰিমূৰ্ত্তিৰ বিষয়ে ব্যক্তিগত উপলব্ধিৰে তদানীন্তন অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াই লেখা প্ৰবন্ধ 'সান্নিধ্য আৰু সন্ধান', প্ৰবক্তা ড° বিভূতি ভূষণ পাণ্ডাৰ 'Collegiate teaching : Problem & prospect'-ৰ দৰে তত্ত্বগধুৰ প্ৰবন্ধৰ উপৰিও ছাত্ৰ হীতেশ নাথৰ ভ্ৰমণ কাহিনী, প্ৰবক্তা এম, হবিব উল্লাহৰ 'লিমাৰিক', প্ৰবক্তা হৃষীকেশ সিঙৰ অনুবাদ কবিতা, ছাত্ৰ কমল চন্দ্ৰ পাঠকৰ অনুবাদ গল্প, সফল মঞ্চভিনেতা জীৱেশ্বৰ ডেকাৰ সৈতে সাক্ষাৎকাৰ আদিয়ে আলোচনীখনৰ সৌষ্ঠৱ বহুখিনি বঢ়াইছিল। মহাবিদ্যালয়ত অনুষ্ঠিত 'গুৱাহাটী বিশ্ববিদ্যালয়-আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্নামেণ্ট, '৯০ ৰ এটি খতিয়ান প্ৰবক্তা ড° আবুল বাসাৰে এই সংখ্যাটিতে দাঙি ধৰিছিল। প্ৰবক্তা নুৰ আলম হকৰ 'অসম বিজ্ঞান সমিতিৰ ভূমিকা' শীৰ্ষক এটি লেখাও এই ৫ম সংখ্যাতে প্ৰকাশ পাইছিল।

'৯৩ চনত আলোচনীখনৰ ষষ্ঠ সংখ্যাটি প্ৰকাশ পায়। ইংৰাজী আৰু অসমীয়া উভয়শাখাতে প্ৰকাশিত এই সংখ্যাটিৰ পাতত প্ৰবক্তা ড° এ, বাসাৰৰ ডিটেকটিভ গল্প 'কংকালেও কথা কয়', ছাত্ৰ প্ৰসেনজিত শইকীয়াৰ পৰিৱেশ সংৰক্ষণ বিষয়ক (SEPER পুৰস্কাৰ প্ৰাপ্ত) প্ৰবন্ধৰ উপৰিও প্ৰবক্তা শাহজামাল মোল্লাৰ ব্যঙ্গ ৰচনা 'দৈনিক মৰণ ভূমি'য়ে সংখ্যাটিলৈ সুকীয়া স্বাদ কঢ়িয়াইছিল। এই সংখ্যাটিতে প্ৰথম বাৰলৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ তালিকা এখনো প্ৰকাশ পায়।

মহাবিদ্যালয়ৰ আলোচনীৰ এতিয়ালৈকে সৰ্বশেষ তথা সপ্তম সংখ্যাটো' ৯৮ চনত উন্নত ছপা (D.T.P.) আৰু প্ৰায় নিখুঁত অঙ্গসজ্জাৰে প্ৰকাশ পায়। বৰ্ণাঢ্য নগণ্য এই সংখ্যাটিত প্ৰাক্তন আলোচনী সম্পাদক দীপেন্দ্ৰ পাঠকৰ উপন্যাসিকা, প্ৰবক্তা ড° নীলকমল বৰদলৈৰ গীত, প্ৰবক্তা নগেন্দ্ৰ নাৰায়ণ দেৱানৰ আলেখ্য 'সোণালী সোঁৱৰণি', প্ৰবক্তা অপূৰ্ব ঠাকুৰীয়াৰ কথা-কবিতা 'ভিন্ন ছন্দ', প্ৰাক্তন ছাত্ৰ প্ৰসেনজিত শইকীয়াৰ বিজ্ঞানভিত্তিক প্ৰবন্ধ 'অন্য এক পৃথিৱীৰ সন্ধানত', 'শিক্ষাৰ প্ৰসাৰ আৰু সমাজৰ প্ৰগতিত

শিক্ষকৰ ভূমিকা' শীৰ্ষক প্ৰবন্ধ আব্দুছ ছামাদ আলীৰ প্ৰবন্ধ, ছাত্ৰী নিজৰা পাঠকৰ এক মিনিটৰ গল্প 'নতুন পোহৰ' আদি ভিন্ন দৃষ্টিভঙ্গীৰ লেখা প্ৰকাশ পাইছিল। উৰিষ্যাৰ প্ৰখ্যাত চিকিৎসক ডাঃ মহেশ্বৰ দাশৰ শুভেচ্ছামূলক কবিতা 'ভক্ত আৰু সন্ন্যাসী'য়ে সংখ্যাটিৰ এক সুকীয়া শোভা বৰ্দ্ধন কৰিছিল। মহাবিদ্যালয়স্থ বিভিন্ন অনুষ্ঠানৰ প্ৰতিবেদন আৰু বিগত কেইটিমান বছৰৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ তালিকা এখন এই সংখ্যাটিত সন্নিবিষ্ট কৰা হৈছিল। প্ৰবক্তা নিৰ্মল চন্দ্ৰ ভোইৰ অনুবাদ কবিতা 'গোপা' আৰু প্ৰবক্তা হৃষিকেশ সিঙৰ কবিতা 'সপোনত সাক্ষাৎকাৰ' উল্লেখযোগ্য।

মহাবিদ্যালয়ৰ আলোচনী এখন ইয়াৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ মানসিক তথা বৌদ্ধিক চিন্তা-চৰ্চা উপস্থাপন কৰা সৰ্বোকৃষ্ট মঞ্চ। ভৰিষ্যতৰ বহু কবি-লেখক- শিল্পীৰ সৃজনশীল জিজ্ঞাসুমনৰ উত্তৰণৰ ই প্ৰাৰম্ভিক কঠিয়াতলীয়ে। সেয়ে, বহুতৰে মৌলিক সত্বাৰ বীজো অঙ্কুৰিত হয় ইয়াতেই। তদুপৰি, মহাবিদ্যালয়ৰ নবীনচাম সাহিত্যপ্ৰেমীৰ অনুশীলনৰ উৎস এই আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ নোহোৱাটো সমীচীন নহয়। আমাৰ মহাবিদ্যালয়ৰ আলোচনীৰ কোনো এটি সংখ্যাই এখন সৰ্বাঙ্গ সুন্দৰ আলোচনীত থাকিব পৰা সকলোবোৰ গুণৰ অধিকাৰী হ'ব পৰা নাই। উৎকৃষ্ট তথা সময়োপযোগী লেখাৰ সম্ভাৰ, চিত্তাকৰ্ষক প্ৰচ্ছদপট, নিখুঁত অঙ্গ সজ্জা, অলংকৰণ, উন্নত ছপা আৰু পাৰ্যমানে বৰ্ণাশুদ্ধি শূণ্য, নতুন নতুন শিতান সংযোজন, সৰ্বোপৰি এচাম সম্ভাবনাময় লেখকৰ সন্ধান আৰু মননশীল পাঠকৰ সৃষ্টিয়েহে আলোচনী এখনৰ মান বহুলাংশে উন্নীত কৰে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ চিন্তাৰ প্ৰতিফলন ঘটা মুখপত্ৰ-এই আলোচনীখনৰ সৈতে জড়িত সংশ্লিষ্ট সকলে এনেবোৰ কথা গুৰুত্ব সহকাৰে বিবেচনা কৰিলে ভাল। ইতিপূৰ্বে প্ৰকাশিত আলোচনীবোৰৰ প্ৰতিটো সম্পাদকীয়ত উল্লেখ কৰাৰ দৰে কেৱল অৰ্থ আৰু উৎকৃষ্ট মানৰ লেখাৰ অভাৱৰ বাবেই আলোচনীখন প্ৰকাশত বিলম্ব হয় অথবা প্ৰকাশ নাপায়। কিন্তু এয়াই একমাত্ৰ সমস্যা নে? অৰ্থৰ অভাৱ নেওচিবলৈ মহাবিদ্যালয়ৰ আলোচনীৰ পাতত বিজ্ঞাপন প্ৰকাশ কৰাটো সু-স্বাস্থ্যকৰ বা শুদ্ধ বিকল্প হ'ব নোৱাৰে। আমি সৰ্বন্তঃ কৰণে কামনা কৰোঁ এনেবোৰ সমস্যাৰ শীঘ্ৰে সমাধান হওক। আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ পাওক। অৱশ্যে ইয়াৰ বাবে একান্ত প্ৰয়োজন কৰ্ত্তৃ পক্ষৰ সদিচ্ছা, শিক্ষক-শিক্ষয়িত্ৰীৰ কিছু দায়বদ্ধতা আৰু সৰ্বোপৰি ছাত্ৰ-ছাত্ৰীৰ সৃজনধৰ্মী মনোভাব তথা দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সচেতনতা।।

বিগত বছৰবোৰত প্ৰকাশিত আলোচনীসমূহৰ পাৰিসাংখ্যিক বিৱৰণৰ তালিকা

আলোচনী সংখ্যা	প্ৰকাশ পোৱা বছৰ	সম্পাদক	শিক্ষক তত্বাবধায়ক	প্ৰবন্ধ-নিবন্ধ		গল্প/ অনুবাদ গল্প		কবিতা / অনুবাদ কবিতা		অন্যান্য লেখা		বিশেষ দ্ৰষ্টব্য
				অ	ইং	অ	ইং	অ	ইং	অ	ইং	
১ম	১৯৭৭-৭৮	মহানন্দ মেধি	বীৰেন্দ্ৰ কুমাৰ দাস	৬	৪	২	১	৮	৩	-	-	
২য়	১৯৭৮-৭৯	মহঃ ৰুহুল আমিন	মঃ এম. হবিব উল্লাহ	৩	৩	৫	-	১১	-	৫	-	
৩য়	১৯৮৩-৮৪	ধীৰেন্দ্ৰ পাঠক মহঃ ৰফিউল হুছেইন	ৰঞ্জিত কুমাৰ বৰা	৪	-	৬	-	১১	-	৫	-	
৪র্থ	১৯৮৭-৮৮	কুলেন তালুকদাৰ বসুদেৱ দাস	বীৰেন্দ্ৰ কুমাৰ দাস	৬	-	৫	-	১৪	-	২	-	
৫ম	১৯৯০-৯১	সৌৰভ ভাগৱতী মঃ নাজিম আহমেদ	এম. হবিব উল্লাহ নগেন্দ্ৰ নাৰায়ণ দেৱান	১০	৪	৫	-	২১	৫	৩	-	
৬ষ্ঠ	১৯৯২-৯৩	মঃ আইনাল হ'ক	ডাঃ এ. বাসৰ	৫	৪	৪	-	১৮	১	২	-	
৭ম	১৯৯৭-৯৮	ক্ষিতিশ কলিতা	নগেন্দ্ৰ নাৰায়ণ দেৱান	১৩	৩	৬	-	১৫	৪	৪	-	

(বি.প্ৰ. চলিহা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক শ্ৰীযুত ধীৰেন তালুকদাৰদেৱলৈ কৃতজ্ঞতা জাপন কৰিছোঁ- লেখক)

কবিতা

অর্ঘ্য

প্রভাত চক্রবর্ত্তী
প্রবক্তা, পৰিসংখ্যা বিজ্ঞান বিভাগ

সেউজ দলিচাখনিত
খোজ মেলি দিয়া শিশুটি
অৰুণৰ আভাত উদ্ভাসিত
থৰক-বৰক খোজ তাৰ
সপোনৰ এখনি পাহাৰ,
নীলা আকাশেৰে উৰি উৰি
টুকুৰা টুকুৰ ডাৱৰবোৰে তাক
জনালেহি এদিন-
"বাচাটি মোৰ!
তোমাৰ খোজত বহুতো
ঘাত-প্রতিঘাতৰ চিন,
মোৰ ৰামধেনুখনি
মাথোঁ তোমাৰ বাবেই,
ৰণাংগণলৈ বুলি সাজু হোৱা
সমুখত উদয়ৰ আহবান।"

.....

অস্থিৰ সময়ৰ সোঁতত
আঁউসীৰ এন্ধাৰবোৰ কেনিবা আঁতৰি গ'ল,
থাপনাত মূৰ্ত্তমান
সেউজ দলিচাৰ সেই কণমাণি শিশুটি
যেনিবা সাধনাৰ থলীত
দেৱপ্রসাদ!
হে কর্মযোগী!
তোমাৰ কল্পনাৰ বিচৰণ ভূমিত
হাতৰ ৰামধেনুখনিত
তুমিয়ে গুণ টানিলা,
ৰাজসিংহাসনত
তুমি যে ৰাজাধিৰাজ
তোমাৰ দৃষ্টিৰ পৰিধিত
নীলাভ এগছি বস্তি-
বিমলাপ্রসাদ চলিহা মহাবিদ্যালয়,
য'ত তোমাৰ খোজৰ শব্দত
সংযত হয়
আমাৰ উচ্ছৃংখল ভৰিষ্যৎ
স্মৃতিত ধ্বনিত হয়
অনেক পুতলাৰ বাবে
প্রাণ-প্রতিষ্ঠাৰ মন্ত্র।
হে মহান!
আমাৰ বাবে তোমাৰ সান্নিধ্য
পূর্ণিমাৰ জোনটিৰ দৰেই উদ্ভাসিত,
পদুলি মুখৰ বকুল দুজোপাই
তোমাকেই প্রতীক্ষা কৰে
তোমাৰেই সৌৰভ বিলায়।
হে সাধক!
মহাবিদ্যালয়ৰ কার্নিচৰ তলত
তোমাৰ সাধনাৰ বোধিদ্রুম
যাৰ ছত্রছাঁয়াত
স্মৃতিৰ ৰং তুলিকাৰে
মোৰ কবিতার্ঘ্যতোমালৈ
মাথোঁ
তোমাৰ বাবেই অর্পণ কৰিলোঁ।

(বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ত প্রয়াত দেৱ প্রসাদ শইকীয়াদেৱৰ সোঁৱৰণত সাহিত্য দিৱস উপলক্ষে (৯ অক্টোবৰ, ২০০১ তাৰিখ) আয়োজিত আধুনিক কবিতাৰ বিষয়ে আলোচনা চক্রখনি এই কবিতা আবৃত্তিৰে মুকলি কৰা হয়। আবৃত্তি কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকে)।

স্মৃতি

ৰমিছা খাতুন
স্নাতক, ২য় বর্ষ (কলা)

(১)
তুমি দিয়া ধুপডাল
এযা মই জ্বলাইছোঁ।
এতিয়া কোঠাটিৰ চুকেকোণে
তোমাৰ স্মৃতিৰ সুতীব্র সুগন্ধি মাথোঁ।

(২)
জীৱনটো নিশ্চয় এনেকুৱাই
ধুপৰ দৰে জ্বলি জ্বলি
অৱশিষ্ট ছাইখিনি ৰয়।

(৩)
ৰাতি বহুত হৈছে জানা
মই শোৱা নাই
তুমি শুইছা কিজানি
শুনিছানে মোৰ খাৰুৰ
অস্পষ্ট শব্দ।

(৪)
তোমাৰ বুকুখনি চুবলৈ
অনন্ত হাবিয়াস আছিল
সপোনতে তোমাক পাওঁ
দিঠকত যে হেৰাই যোৱা!

(৫)
উজাগৰী ৰাতিটি
যদি এনেকৈ পাৰ হ'লহেঁতেন
যেনেকৈ পাৰ কৰে
আকাশে অকলে অকলে।
তুমিও কটাইছানে এটি ৰাতি
কাৰোবাৰ মনমৰা
এটি ভাবৰ বাবে!

('সাহিত্য দিবস' উপলক্ষে আয়োজিত খিতাতে লিখা কবিতা প্রতিযোগিতাত প্রথম স্থান প্রাপ্ত)

নতুন উপলব্ধি

নৱনীতা পাঠক
প্রবক্তা, প্রাণীবিজ্ঞান বিভাগ

যান্ত্রিক যুগৰ সভ্যতাৰ অগ্রগতি দেখি
সন্ত্রাসত শিয়ৰি উঠা-
ময়ো এজন মানুহ
মহাকাশ যুগৰ আৰম্ভণি সংগীতৰ সুৰ
ৰিণি ৰিণি শুনো কেতিয়াবা
আৰু শুনো
আণৱিক বিস্ফোৰণৰ বিকট চিঞৰ।
মানৱতা-নৈতিকতা বাদ দিয়া
সভ্যতা কেনে বস্তু.....
তুমি জানানে বন্ধু?
ভয়াল নিশাৰ আকাশত
হিৰোচিমা নাগাচাকিৰ অতৃপ্ত আত্মাৰ
বিদ্রোহৰ শ্লোগান-
কেতিয়াবা শুনিছানে?
অন্তঃ সত্ত্বা জংচনত-
গর্ভৰ নগ্ন মাংস পিণ্ডবোৰ চাই
ভাব হয় মাজে মাজে
"সভ্যতাৰ আবুৰ বিহীনতা বৰ কুৎসিত।"

আমাক কৃষ্টি লাগে

কোৰবান আলী আহমোদ
প্ৰবক্তা, অসমীয়াবিভাগ



আমাক লাগে
গুৰু শংকৰ
মাধৱৰ কৃষ্টিৰ সোৱাদ
গীতৰ
কবিতাৰ
নাটৰ....
জীৱনৰ আনন্দৰ বাবে-
আমাক কৃষ্টি লাগে
আমাক সংস্কৃতি লাগে
গুৰু শংকৰ
মাধৱৰ
বিষ্ণু ৰাভা
আজানৰ ফকিৰৰ
জ্যোতি প্ৰসাদ
আৰু খ্যাত-অখ্যাত বহুজনৰ অৱদান
এখন শক্তিশালী অসমৰ বাবে।
ঐক্য-শান্তি-মৈত্ৰীৰ বাবে
আমাক কৃষ্টি লাগে।
আমাক সংস্কৃতি লাগে।

আহা, বগা কপৌ যুৰি বিচাৰি যাওঁ

ৰবিউল হুছাইন
স্নাতক, ১ম বর্ষ (কলা)

বন্ধু, তুমিও জানা
ময়ো জানো
বগা কপৌ যুৰি আঁতৰি গ'ল।
সিহঁত সূৰ্য্যাস্তৰ ফালেই উৰি গ'ল।
ঘুৰি আহিবনে সিহঁত
এই কথা কিন্তু কোনেও নাজানো।

বন্ধু?
আহা আমি আমাক
চিকুটি চাওঁ
বগা কপৌ যুৰি বিচাৰি যাওঁ-
বন্ধ লেফাফাৰ দুৱাৰ খুলি
বাৰুদে ঢকা আকাশ দুৰৈলৈ ঠেলি
হৃদয়ৰ সেউজীয়াৰে জাল গুঠৌ
আৰু চৰাইযুৰিলৈ
ফান্দ পাতোঁ...।
('সাহিত্য দিবস' উপলক্ষে আয়োজিত থিতাতে লিখা কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)

বিপ্লৱ

মাধুনী কলিতা
স্নাতক, তৃতীয় বর্ষ (কলা)

জীৱন মানেই জানো বিপ্লৱ।
নিকনুৱা হলোঁ বুলিয়ে জানো
আমি হাতত ল'ৰ লাগে পিষ্টল,
যি পিষ্টলৰ একোটা গুলিয়ে
কাঢ়ি নিয়ে একোটা জীৱন।
এয়া জানো বিপ্লৱ!
যি বিপ্লৱৰ প্ৰধান সমল
বোমা-বাৰুদ
যি বাৰুদৰ ধোঁৱাই আজি
অসমখনকে চানি ধৰিছে।
সকলোতে সৃষ্টি কৰিছে
এক ভয়ংকৰ ত্ৰাসৰ।
এয়া জানো বিপ্লৱ।
কাৰোবাৰ হিয়াৰ উচুপনি
কাৰোবাৰ পুত্ৰশোক
আন কাৰোবাৰ আকৌ
কপালৰ সেন্দুৰকণ
মচি দিয়াৰ বাবে হাঁহাকাৰ।
এনে বিপ্লবে পাৰিবনে
অসমলৈ পোহৰ আনিব।
নোৱাৰে। এয়া অসম্ভৱ।
সেইবাবে মই কওঁ
হে বিপ্লৱীসকল
তোমালোক কক্ষপথলৈ
উভতি আহা।
অসমৰ জেউতি
চৰাবৰ বাবে
অহিংসাৰে বিপ্লৱ কৰা।
য'ত নাথাকিব হাতত
পিষ্টল।
থাকিব কেৱল মহাত্মাৰ
আদৰ্শ।

(সাহিত্য দিৱস উপলক্ষে আয়োজিত ক্ষিতাতে লিখা কবিতা প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)

এটি ভাল লগা নিশা

সঞ্জিৱ কলিতা
স্নাতক, ১ম বর্ষ (কলা)

সন্ধিয়াৰ নিয়ৰ সিক্ত জোনাকত
নিস্তব্ধতা ভেদি অহা .....,
অদূৰৰ বৰগী তৰ পদ এফাঁকিয়ে
মুৰটো দেখুৱাই দিলে।

নতুনকৈ বাঢ়ি অহা আঁহত কেইজোপাত
এছাতি বতাহৰ মৃদু আলিংগন,
গাঁৱৰ বাটটোৰ মাধা ভগা
কালভাৰ্টটোত বাই মই আৰু .....।
যৌৱনৰ আদিম পুৱা
তোমাৰ চিঞৰত সাৰ পাই উঠা
নিৰস হিয়াখনে মোৰ
প্ৰাণ পাই উঠে,
তোমাৰ হাতৰ গৰখত ফুলা
ফুলপাহত শুনো
ভোমোৰাৰ সুমধুৰ গান।
ঘড়ীটোৰ টিক্ টিক্ শব্দই
বাস্তৱতা আনিলে,
এছাটি বলীয়া বতাহত
ওখ আমগছ এজোপাৰ পৰা
তল সৰা আমটোৰ দৰে
নিস্তব্ধ মই!!

জীৱন



কুলদ্বীপ কলিতা
স্নাতক, দ্বিতীয় বর্ষ (কলা)

বেদনাৰ সেই পুৰণি নৈখন,
নাই য'ত এখনো সুখৰ দিঙৰা
দুনয়ন মেলখোৱাৰে পৰা
সাতুৰিছোঁ, বুৰিছোঁ,
পাৰলৈচোন আছে আজিও
..... বহুদূৰ।
অশ্রুৰ এটি নিজৰা
মিলিছে আহি বেদনাৰ এই নৈখনত
ভগা হৃদয়ৰ কৰুণ বিননিৰে
নিতাল পৰিব নৈৰ পাৰ .....,
সূৰ্যোদয় য'ত এটি অভিশাপ
নিশাৰ তৰাবোৰো যেন তাৰেই প্রতীক্ষাত
জীৱন যুদ্ধৰ তিতা কেঁহা স্মৃতিয়ে
আমুৰাইছে আজি।
আহিব খোজে ভাহি
হিয়া ভগা এটি কৰুণ বিননি।
জীৱন শলিতাৰ আজি
ধিমিক ধামাক পোহৰ
উজ্বলতাৰ তীব্রতা যেন হেৰাল
গভীৰ অন্তহীন অৰণ্যত,
অনেক দিনৰ পুণ্যৰ ফল
হঠাতে যেন মৰহি গ'ল!

ফাগুনৰ প্রথম ৰতাহজাক

জয়মতী কলিতা
স্নাতক, ১ম বর্ষ (কলা)

কৈশোৰত দেখা তোমাৰ হাঁহিটো
উতলা ফাগুনৰ বা লাগি
ঠেলা খালে মোৰ যৌৱন দুৱাৰত-।
খিৰিকীখন খোলা আছিল কৈশোৰত
চিনাকি চিনাকি যেন লগা
ৰতাহজাকে উদুলি- মুদুলি কৈ নাচি নাচি
সোমাই আহিছিল সেইপিনেৰে-।
খিৰিকীখন খোলা আছিল কৈশোৰত
ফাগুনৰ প্রথম ৰতাহজাকে হঠাতে
এদিন খোলা খিৰিকীখন খুন্দিয়াই
চাটকৈ বন্ধ কৰি দিলে-।
কোঠাৰ দুৱাৰখন খোলোঁতেই
পলাশ ৰঙীণ হাঁহিটোৰে
তোমাক দেখা পালোঁ,
তুমি মোক কি ক'লা বুজিকে নাপালোঁ।
মাথোঁ তোমাৰ চকুযুৰিৰ পৰা
আবেগ নিগৰি নিগৰি পৰা দেখিলোঁ
কোঠাৰ দুৱাৰখন মেলোঁতেই-।

আজিও তোমালৈ মনত পৰে

মোঃ মহিদুল ইচলাম
স্নাতক, ২য় বর্ষ (কলা)

ৰঙা ৰঙা ফুল
দেখিলে আজিও
তোমালৈ মনত পৰে,
কিয় জানা?
মোৰ এই হৃদয় উদ্বেলিত
তোমাৰ মৰমেৰে।
দূৰৰ বনত শিমলু পলাশ
উঠিছিল যে ফুলি।
তোমাৰ মোৰে
চিনাকি সেই
ব'হাগীৰ গধূলিতে।
দুটি মন এটি হৈছিল
প্ৰীতিৰ দোলেৰে
ৰঙা ৰঙা ফুল
দেখিলে আজিও-
তোমালৈ মনত পৰে।



মোক এটা শৰৎ দিছিলা তুমি

ৰঞ্জুমণি কলিতা
স্নাতক, ২য় বর্ষ (কলা)

মোক এটা শৰৎ দিছিলা তুমি
পৃথিৱীখন নিয়ৰটোপালে বুৰাই পেলাইছিল
শেৱালিৰ স্নিগ্ধতাত প্ৰকৃতি উজলি উঠিছিল,
মোৰ মনৰ মণিকোঠাটোত
নিয়ৰটোপালবোৰ মুকুতা সদৃশহৈ জিলিকিছিল,
কোমল অনুভূতিবোৰে মোকেই স্পৰ্শ কৰিছিল,
পৃথিৱীয়ে চৰাইৰ মাতৰ দৰে সুৰীয়া সপোনটো
দেখিছিল আৰু-
মোৰ প্ৰাণৰ সমতলত ৰৈ গৈছিল
প্ৰেৰণাবোৰ ....।
মোৰ দুচকুৰ সোঁমাজত এইখন ৰামধেনু,
আঁকি দিছিলা তুমি,
শৰতৰ এটি ৰ'দ ৰৰষুণৰ সানমিহলি আবেলি,
যাৰ বাবে বুকুৰ তেজ সানি পথাৰ কৰিছোঁ সেউজীয়া।

মোক এটা শৰৎ দিছিলা তুমি
যাৰ বাবে মোৰ ওঁঠত সজাল হৈ উঠিছিল
জীৱনৰ প্ৰথমটো কবিতা....।

পণ

নীলাঞ্জন কলিতা
প্রাক্তন ছাত্র

ভগ্ন হিয়াৰ দেৱাল ভঙা শব্দত মই সাৰ পাওঁ
কাণপাতি শুনো সিহঁতৰ মায়াবী যাত্রাৰ পদধ্বনি
নিদ্রাৰ বিলাসী আমেজৰ মাজতো অনুভৱ কৰোঁ
বঞ্চিত জনৰ ৰিক্ততাৰ হাঁহাকাৰ.....
নৱ-বধুৰ হাঁহিৰ খলকনি
জুই জ্বলে মোৰ দুচকুত
ঠানবান হৈ যায় বহু বিলাসী স্বপ্নৰ মায়াবী আমেজ।
সন্তান সম্ভৱা বধুৰ মাতৃময়ী মূর্ত্তিটোত মই দেখা পাওঁ
যন্ত্রণা কাতৰ বহুজনৰ অকথিত বেদনাৰ জ্বালামায়ী শিখা
দুচকুত প্রত্যাশাৰ স্বপ্ন, বহুত কিবা পোৱাৰ
বহুত কিবা কৰাৰ, বহুত কিবা হোৱাৰ মৌন বিদ্রোহ!
কঁপি উঠা দুটি ওঁঠত যুঁজি যুঁজি জীয়াই থকাৰ প্রতিশ্রুতি
মোৰ মুষ্টিবদ্ধ দুহাতৰ বলিষ্ঠ মুঠিত বান্ধি লওঁ
এক বজ্র নির্ঘোষ পণ-
দি যাম, এপাহ তেজ ৰঙা ফুল
দ্রৌপদীৰ অক্ষয়, ভাণ্ডাৰৰ দৰেই
মোৰ এই ৰঙা কলিজা!

শেৱালি

চন্দন বনিক্য
স্নাতক, প্রথম বর্ষ (কলা)

শৰতৰ জোনাক নিশা
মায়াৱিনী শেৱালি জোপাই
খিৰিকীৰে চাই থাকে
সদ্যস্নাতা প্রেয়সীৰ সাজেৰে
নিয়ৰস্নাতা হৈ
হৃদয়ত ৰঙীণ ছবি আঁকি দিয়ে
পদুমী খোজেৰে
আহে মোৰ কাষলৈ
অযুত চুমাৰে উপচাই দিয়ে
মোৰ ভাগৰুৱা দেহা
জোনাকত সিঁচি দিয়ে
মিঠা সুবাস সনা শীতল নিঃশ্বাস
মন মোৰ জুৰ পৰি যায়!

প্রতিশ্রুতি

চন্দন দাস
উঃমাঃ ২য় বর্ষ (কলা)

নিৰিবিলি এই গধুলি
উকা হৈ থাকে মোৰ পদুলি
ৰৈ থাকোঁ মই তোমাৰ বাবে
পোহৰাই দিবা বুলি
চকুৰ পলকেও পাহৰি গৈছে
কেতিয়া চকু মুদিব লাগে
মাথোঁ চাই থাকোঁ পদুলিলৈ
তুমি আহিবা বুলি মোৰ কাষলে'
ৰওঁতে ৰওঁতে ৰাতি পুৱাবৰ হ'ল
মোৰ চকুত তোমাৰ প্রতিচ্ছবিৰ বাহিৰে
আন একোকে নেদেখোঁ।
সঁচাকৈয়ে ইমান নিষ্ঠুৰ তুমি
আহিবা বুলি এবাৰো নাহিলা
মোৰ পদুলিলৈ বুলি
কিয় প্রতিশ্রুতি দিছিলা ভাল পাওঁ বুলি
প্রতিটো ক্ষণ একেলগে কটাম বুলি।

মৰীচিকা

কপিল পাঠক
উঃমাঃ, ২য় বর্ষ (বিজ্ঞান)

কুঁৱলীৰ আঁৰে আঁৰে
লুকাভাকু খেলি,
অন্ধ খোজেৰে
কাণে কাণে কৈ গ'ল
আকৌ আহিম বুলি
বুকুৰ উম বিচাৰি।
সেয়েহে
দেখা পাওঁ তোমাৰ দুচকুত
অনেক অবুজ বেদনা।
প্ৰাণহীন ছায়া ছবি।
হৃদয়ৰ মৰীচিকাত
মৰূদ্যান বিচাৰি
অনুভব কৰোঁ অনেক স্পন্দন
দৌৰি ফুৰিছোঁ
তোমাক নিচেই কাষত পাবলৈ
অথচ
তোমাৰ প্ৰতিবিম্ব ভাহি উঠে
আৰু শেষত
মাথোঁ বিচাৰি পাওঁ হতাশা
সমুখত এখন প্ৰাচীৰ
অবুজ বেদনাৰে ভৰা।
হৃদয়হীন দিগন্তৰ ছায়া।

ছহিদৰ সপোনৰ দেশ

অৰুণজ্যোতি দাস
স্নাতক, ১ম বর্ষ (কলা)

শোষণৰ বাঘজৰী আঁতৰাই
মুক্ত আকাশৰ তলত
সোণোৱালী সুৰুজৰ এচেৰেঙা
ৰ'দ কাঁচলি লোৱাৰ প্ৰবল
হেঁপাহৰ অন্তত,
কত জনা ছহিদৰ কোৱাল
যৌৱন সনা কেঁচা তেজৰ
কাহিনীৰে .....,
দুশ বছৰীয়া হীনমন্যতাৰ হৈছিল
অৱসান।
অপেক্ষাৰত এটি প্ৰাণ মোৰ
ৰাখিছোঁ ঢাকি বুকুৰ মাজত
হিংসা, সন্ত্ৰাস জৰ্জৰিত
ছহীদৰ সপোনৰ পৃথিৱীত
জ্বলিব কেতিয়া
শান্তিৰ অনিৰ্বাণ বত্তি?



সপোন

হান্নানুল আহমেদ
স্নাতক, দ্বিতীয় বর্ষ (কলা)

অমাৱস্যাৰ ঘোৰ অন্ধকাৰ ৰাতি
হাড় কঁপোৱা জাৰত
দুৱাৰত টক্ টক্ শব্দ কৰি
প্ৰৱেশ কৰিছিলা তুমি অকলে
মোৰ নিৰ্জন শোৱনি কোঠাত।

.....

কোঠালিৰ এচুকৰ পৰা
একে থিৰে চাই আছিলা মোলৈ
চকুত চকু থৈ
মিচিকিয়া হাঁহি মাৰি
আদৰিছিলোঁ তোমাক মই
মোৰ কাষলৈ আহিবলৈ।

.....

থৰক বৰক খোজেৰে আহি
বহিছিলা মোৰ ওচৰত
তোমাৰ সুগন্ধি কোলাত মুৰ থৈ
মই ব্যক্ত কৰিছিলোঁ
আৱেগ অনুভূতিয়ে আচ্ছন্ন কৰি ৰখা
মোৰ মনৰ কতৰা .....।

.....

হঠাৎ সাৰ পাই উঠি
বিচাৰিছিলোঁ তোমাক
কিন্তু ক'তা?
তুমি ক'লৈ গুছি গ'লা!

বেদনাৰে ভৰা এপাহ গোলাপ

ৰূপাঞ্জলি মেধি
স্নাতক, প্ৰথম বৰ্ষ (কলা)

চকুৰ পানীৰে এধাৰি মালা গাঠিছোঁ
তাৰ প্ৰতিটো ফুলত
জিলিকি আছে মোৰ যন্ত্ৰণা জৰ্জৰ
মুখৰ ছবি, মই বাৰে বাৰে
চকু নিওঁ তালৈ আৰু লৈ যাওঁ সুদূৰলৈ
আছে নেকি, এপাহ বেলেগ ফুল
মই গাঁঠি থ'ম মাজত
চকুৰ পানীৰে ধোৱা নহয়
এপাহ নিয়ৰে ধোৱা
গোলাপ মাথোঁ এপাহ!

মৰমী নদী

চম্পক কলিতা
স্নাতক, তৃতীয় বৰ্ষ (কলা)

মৰম জনা নদীখন
কিয় আজি অকলশৰীয়া,
দূৰ দিগন্তলৈ তাই,
নিলাজী লতাৰ দৰে
অকলে কিয় বাৰু চাই আছে ...।
ক'বানে মৰমেৰে এবাৰ,
সেই দুভৰ্গীয়া টোৰ খলকনিৰ
মৰম লগা ভাষাৰে।
আছেনে তোমাৰ বুকুত
উজ্জ্বল আশাৰ ৰঙীণ সপোন।
জিলমিলীয়া নদীৰ
মৰমলগা হাঁহি,
সঁচাকৈ মোৰ আপোন!

অ' ৰাইজ!

নজমুল হক
স্নাতক, প্রথম বর্ষ (কলা)

অ' ৰাইজ অ'ৰাইজ
নেহাঁহানো কিয়?
ভঁৰালত যে ধান নাই
মই নো হাঁহিম কিয়?
অ' ভঁৰাল অ' ভৰাঁল
ধান নাইনো কিয়?
বানপানীয়ে যে খেতি খালে
ধাননো থাকিব কিয়?
অ' বানপানী অ' বানপানী
খেতি খালি কিয়?
মথাউৰি যে ভাঙি পৰিল
মইনো নেখাম কিয়?
অ' মথাউৰি অ' মথাউৰি
ভাঙি পৰিলি কিয়?
ঠিকাদাৰে যে বালিৰে বান্ধিলে
মইনো নেভাঙিম কিয়?
অ' ঠিকাদাৰ অ' ঠিকাদাৰ
বালিৰে বান্ধিলি কিয়?
ইঞ্জিনিয়াৰে যে ভেটি লয়
মইনো নেবান্ধিম কিয়?
অ' ইঞ্জিনিয়াৰ অ' ইঞ্জিনিয়াৰ
ভেটি খোৱানো কিয়?
সৰেই দেখোন ভেটি চেলেকে
মইনো এৰোঁ কিয়?

স্মৃতিৰ দাপোণ

মোঃ মুছা আলী
স্নাতক, দ্বিতীয় বর্ষ (কলা)

তীব্র পোহৰে মোৰ হৃদয়ত
প্রেমৰ জোনাক শিহৰণ তুলি
সময়ৰ স'তে আহিছিলা তু মি
হৃদয়ত প্রেমৰ সাঁচ বহুৱাই।
নীল আকাশৰ দৰে আছিল
মোৰ প্রেমৰ সময়বোৰ
তোমাৰ স্পর্শই মোৰ হৃদয়ত
মিঠা শিহৰণ তোলে,
অচিন বুকুৰ কোলাত তুমি
আচম্বিতে হেৰাই গ'লা।
হৃদয়ে বিচাৰে তোমাৰ বাট
হিয়াখনিক পাবলৈ,
মনত পৰে এতিয়াও তোমাক
বুকুত বেদনা বৰ,
স্মৃতিৰ দাপোণ মোৰ হৃদয়ত
দপ দপকৈ জ্বলে,
ক'ৰ নোৱাৰোঁ কেনেকৈ
চকুলো সৰে।।
আহিবা, আহিবা তুমি,
তোমাৰ অপেক্ষাত আছোঁ মই।

মৃত্যু

আর্জুবাবা বেগম
স্নাতক, ২য় বর্ষ (কলা)

মৃত্যু তোমাক সুধিছোঁ মই
তুমি কিয় ভয়ানক?
তুমি কিয় ইমান বেদনা দায়ক?
তুমি চিবসত্য জানিও মই
ভাগবি পবিছোঁ মাতৃ শোকত।
তুমি যেন জন্মব চিনাকি মোব।
জানিছোঁ মই, জীবনব শেষ সংগী
তুমি মোব।
তুমি বেদনাদায়ক বিশ্ব বিধাতাই সজোবা
এই সুন্দব জগতত।
তুমি যে নিষ্ঠুব তথা চিবায়ত।
জানিছোঁ, আহিবা এদিন মোকো নিবলৈ
যাবই যে লাগিব সিদিনা মই তোমাব লগত
বাখিব যে নোবাবে মোক কোনেও সিদিনা
তোমাব পবা আঁতবত।
জানিব বব হেঁপাহ মোব, তোমাব কেনে কপ
জনাবা সিদিনা মোক আহিবা যিদিনা নিবলৈ মোক।

হৃদয়ব বতবা

আবুল বাসাব আনছাবী
স্নাতক, দ্বিতীয় বর্ষ (কলা)

ফাগুনব পচোবা বতাহে
কঢ়িয়াই আনে
তোমাব প্রেমব চিঠি
মোব স্বপ্ন ভংগ হয় তাকে দেখি।
সোণজনী বেয়া নাপাবা
শেষত নামো নিদিলা।
নাম বিহীন চিঠিব আছে জানো মূল্য
তোমালৈ মোব এয়া মুকলি প্রশ্ন ?
জনাবলৈ নেপাহবিবা
তুমি কাঠ চিতীয়া নহ'বা
তোমাব চিঠি নেপালে
নিঃশ্বাসতো অনুভব কবোঁ যন্ত্রণা।
তোমাব খোজব চিন,
বৈ আছে বালি চাপবিত
প্রিয়তমা তুমি আকৌ আহিবা
মোব হৃদয়ব বতবা ল'বা।

ব্যর্থতা

মনোৱাব হুছেইন
স্নাতক, ১ ম বর্ষ (কলা)

মৰুব মাজত মই সাজিলোঁ
ধেমালিব বালিঘব
কল্পনাব পাখিবে সাতুবিলোঁ
কতনো সাগব
সাতুবি - নাদুবি মই
নাপালোঁ যে পাব
ভাগবি হতাশ হৈ মাথোঁ
দেখোঁ হাহাঁকাব
মিছা এই প্রহেলিকা
ক্ষুদ্র জীবনব
ভাগবব নিঠবব
ঠেহ আত্মাব
অসমাপ্ত যাত্রা মোব
বিফল প্রচেষ্টাব
এয়েতো জীবন মোব
দুখ সাগবব।



জোনাকৰ স'তে লুকাভাকু নেখেলিবা

দিগন্ত বড়া
স্নাতক, ২য় বর্ষ (কলা)

শুনা
পোহৰত দৌৰি নুফুৰিবা
হঠাৎ পোহৰ হেৰাই যাব,
জোনাকৰ স'তে লুকাভাকু নেখেলিবা
হাৰি গ'লে জোনবায়ে লাজ দিব।
কাৰণ জোনবাই কলংকিত
তোমাকো কলংকিত কৰিব প্ৰিয়া।

তুমি
নাভাবিবা এন্ধাৰৰ অৰ্থ নিসংগতা
দিব তোমাক সংগ আৰু প্ৰেম,
এন্ধাৰৰ স'তে তুমি মিতিৰালি পাতা
ভাঙি দিব তোমাৰ আলসুৱা ভেম।
এন্ধাৰৰ এটি নিজা স্বাদ আছে
মিঠা আৰু সামান্য লুণীয়া।।

সংগ পাবা
এন্ধাৰে তোমাক আলিংগন কৰিব
মৰমৰ চুমা দিব তোমাৰ ওঁঠত,
ভালদৰে চিনাকি কৰি দিব
জোনাকী পৰুৱাৰ স'তে।

এজাক বৰষুণৰ অপেক্ষাত

উৎপল জ
স্নাতক, প্ৰথম বৰ্ষ (ক

মই অপেক্ষা কৰি আছোঁ
ঢেৰেকনি গাজনিৰে
এজাক বৰষুণ আহিব বুলি।
বৰষুণ জাক আহিলে
পৃথিৱীৰ ধুলি-মাকতিবোৰ নাইকিয়া হৈ
পৃথিৱীখন পৰিষ্কাৰ হ'ব!
গছ-গছনি, জীৱ- জন্তুৰে
নতুন জীৱন পাব।
মাটিবোৰ ৰসাল হ'ব
ৰসাল মাটিত ভাল ফচল হ'ব
আমাৰ অভাৰ গুছিব।
তাৰ বাবেই
মই অপেক্ষা কৰি আছোঁ
এজাক বৰষুণলৈ।

বসন্ত

শ্বেইখ্ জলুফিক্কাৰ আ
উঃ মাঃ দ্বিতীয় বৰ্ষ (ক

তুমি আহিবা
এই বাটেৰে
যত বাধা বিঘিনি অতিক্ৰমি
প্ৰেমৰ সোঁত বোৱাই দিবা
মোৰ হৃদয়ৰ মাজেৰে।
ক'ৰবাত হেৰাই যোৱা
মন প্ৰাণ ছট ফটাই থাকে
তোমাক কাষত পাবলৈ।
তুমি আহা আৰু যোৱা
একেটি বাটেৰে
তোমাক আকোঁৱালি ৰাখিব পৰা হ'লে।
তুমি আহিবা ....।
এই বাটেৰে....

সাপ

আবু বক্কৰ ছিদ্দিক

প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

সাপটোৰ স'তে চিনাকি হৈছিল
বহুদিন আগতেই,
পিছত গঢ় লয় বন্ধুত্ব।
বিষ দাঁত আছে বুলি শুনিও
অবিশ্বাস কৰিছিলোঁ,
কোনো দিনে পৰীক্ষা কৰাও নাছিলোঁ।

বিষ দাঁতৰ ওপৰেৰে জিভা উলিয়াই
মোৰ ভাগৰুৱা মস্তিষ্কত চেলেকিছিল,
শান্ত হৈ তেতিয়া শুইছিলোঁ।

বহুদিনৰ মুৰত সিদিনা আকৌ দেখা হ'ল,
কিন্তু বহু পৰিবৰ্তন—
এতিয়া মোট সলাইছে,
মই অহা যোৱা কৰা বাটেদিয়েই
চিকাৰ ভুমিলৈ যায়
তাৰ অতৃপ্ত ভোকৰ তাড়নাত
মই কেতিয়াও বিধি পথালি দিয়া নাছিলোঁ।
আক্ৰান্ত চিকাৰে আৰ্তনাদ কৰি
মোৰ আগতেই ফাদিল কৰিছিল —
চিকাৰীৰ বিবেকহীন বৰ্বৰতা।
বিৱেকৱান হ'বলৈ পৰামৰ্শ দিয়াত
মোৰ অপৰাধ হ'ল।
অমাৱস্যাৰ ঘোৰ অন্ধকাৰত
ভুল পথেদি গৈ এঠাইত
জিৰণি লৈছিলোঁ।
হঠাতে সাপটোৱে আহি
মোক খুটিলে।
বিষত ছট ফটাই থাকিলোঁ।
ক্ষান্ত নহৈ অইন অইন প্ৰজাতিবোৰকো উচটালে
খোটা এওঁক খোটা
কিন্তু ব্যৰ্থ হ'ল তাৰ নিস্ফল উচটন।
বিষত আৰ্তনাদ কৰি থাকোঁতেই
কাণত পৰিল এক দৈৱবাণী
"বিবেকহীন কৃত্ৰিম বন্ধুতকৈ প্ৰকৃত শত্ৰুই শ্ৰেয়।"
এতিয়াও দন্ত ক্ষতত
যেতিয়াই চকু পৰে
তেতিয়াই ধৈৰ্য্যৰ শিকলিডাল
কৰোঁ প্ৰায় ছিন্ন-ভিন্ন।

বুভুক্ষা

হুছনি আবু চান্দাৰ
উ. মা., দ্বিতীয় বর্ষ (বিজ্ঞান)

ঈদৰ দিন ওচৰ চাপিলেই। লাইলাৰ মনত আনন্দৰ সীমা নাই। দেউতাকে ঈদত তাইলৈ নতুন ফ্ৰক চোলা আনিব। তাই নতুন কাপোৰ পিন্ধি সমনীয়া সকলৰ লগত নাচি-বাগি আনন্দ কৰিব। কি যে মজা লাগিব! মৰম আকলুৱা লাইলা জনী দেউতাক আৰু আইতাকৰ নয়নৰ মণি। দেউতাক ৰহমানৰ সপোণ, লাইলাক এদিন স্কুললৈ পঠিয়াব। পঢ়াশুনা কৰি তাই শিক্ষিতা হ'ব, ডাঙৰ মানুহ হ'ব।

লাইলাহঁতৰ ঘৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ বালি চাপৰিত। দেউতাকে চহৰত ৰিক্সা চলায়। দেউতাকে কেইবাদিন ধৰি ঘৰলৈ নাহিলে তাই আইতাকক খুব আমনি কৰে। কেতিয়াবা কান্দি কান্দি একো নোখোৱাকৈ টোপনি যায়। কেতিয়াবা পিৰালিত বহি আঠুত মু�ৰ পেলাই আকাশ-পাতাল ভাবি থাকে। দেউতাক ঘৰলৈ আহিলে তাই অভিমান কৰে, ঠেহ লাগি নমতাকৈ থাকে। কেতিয়াবা দেউতাকক কয় "দেউতা মোকো গুৱাহাটীলৈ লৈ যাব লাগিব। তুমি চলোৱা ৰিক্সাখনত উঠাই ফুৰাব লাগিব।" জীয়েকৰ মৰম সনা কথাত ৰহমানৰ শোঁতা মুখ খনিত হাঁহি বিৰিঙি উঠে। কেতিয়াবা দেউতাকক সোধে "দেউতা, গুৱাহাটীখন দেখিবলৈ কেনেকুৱা? ৰিক্সাৰ চকা কেইটা?" তেলৰ অভাৱত মৰাপাটৰ দৰে হৈ পৰা তাইৰ চুলিৰ মাজেৰে হাতফুৰাই দেউতাকে যথাযথ উত্তৰ দি যায়।

ঈদৰ দিনা দেউতাকে অনা ফুট্‌ফুটীয়া ফ্ৰকটো পিন্ধি তাই লগৰীয়াবোৰৰ ওচৰলৈ গুলাই গ'ল। দেউতাকে তাইৰ হাতত টকা দুটা দি ইতিমধ্যে নামাজ পঢ়িবলৈ গ'লেই। আইতাকে লাইলাক মৰমৰ চিন স্বৰূপে তেওঁৰ হাতত থকা এটকাৰ মুদ্ৰাটোকে দি দিলে। তাইৰ মনত আনন্দৰ সীমা নাই। তাই ডেউ দি নাচি-বাগি লগৰীয়াবোৰৰ কাষ পালেহি। ইতিমধ্যে সিহঁতে খেজুৰ, গোল্লা, চকলেট আদি কিনিছেই। কিছুমানে ৰঙং বিৰঙৰ কাগজৰ চৰাই আৰু চকৰি কিনিছে। লাইলাই সতৃষ্ণ নয়নেৰে সিহঁতলৈ চাই থাকিল। সমনীয়াবোৰে কোনেও তাইলৈ লক্ষ্য কৰা নাই। আটাইয়ে খোৱা আৰু আনন্দত মছগুল। হঠাৎ তাইৰ মনটো বিষাদেৰে ভৰি পৰিল। তাই লাহে লাহে সমনীয়াবোৰৰ কাষৰ পৰা আঁতৰি আহিল। অলপ আঁতৰৰ দোকান এখনত শাৰী শাৰীকৈ সজাই থোৱা চেপেনা বিলাক দেখি লাইলাৰ মনটো উজলি উঠিল। লৰালৰিকৈ দোকানলৈ আহি সুধিলে- "খুৰা, সেই চেপেনা বিলাকৰ দাম কিমান?" 'চাৰি টকা'- দোকানীয়ে উত্তৰ দিলে। হাতৰ মুঠিত থকা টকা তিনিটা জোৰকৈ চেপা মাৰি ধৰি ক'লে- "মোৰ হাতত তিনি টকাহে আছে। পাৰে যদি সেইখিনি পইচাৰে দিয়কনা খুৰা।" তাইৰ মাতত এক আকুলতা ফুটি উঠিল।

চেপেনাডাল হাতত লৈ তাই দৌৰি দৌৰি ঘৰ পালেহি। তাই হাঁহি হাঁহি সেইডাল আইতাকক ঈদৰ উপহাৰ স্বৰূপে দিলে। আইতাকে তাইলৈ ভেবালাগি চাই থকা দেখি ক'লে- 'তুমি যে কটি ভাজোঁতে সদায় হাতত পোৱে সেই বাবে এইডাল আনিলো আইতা, আজিৰ পৰা চেপেনাৰে কটি ভাজিবা।' আইতাকে তাইক সাৱটি ধৰি চুমা খালে। তেওঁৰ শোঁতোৱা শোঁতোৰ হৈ পৰা দুগালেৰে দুধাৰি চকুলো বৈ আহিল।

লাইলাৰ মাক নাই। তাই আইতাক আৰু দেউতাকক প্ৰায়ে মাকৰ কথা সোধে। আইতাকে একো উত্তৰ নিদিয়ে। দেউতাকে তাইক বুজনি দিয়ে- মাক সৌ দূৰৈৰ আকাশত তৰা হৈ জিলিকি আছে। তাৰ পৰা তেওঁ সদায় তাইক চাই থাকে। তাই নাজানে, তাই নিচেই সৰু থাকোঁতে সুতিকা ৰোগত মাক ঢুকাইছে। ওচৰৰ ক'তো ডাক্তৰ নথকাত গাঁৱৰ বেজৰ হতুৱাই চিকিৎসা কৰাইছিল। কিন্তু চিকিৎসাৰ কোনো ফল নধৰিল। তাইক নিঠৰুৱা কৰি মাক চিৰদিনৰ বাবে গুছি গ'ল। তেতিয়াৰে পৰা আইতাকৰ বুকুৰ মাজত লাইলা ডাঙৰ হৈছে। সিহঁতৰ অভাৱগ্ৰস্থ সংসাৰখনত সকলো বস্তুৰে নাটনি। তথাপিও আইতাকে বহুত কষ্ট তাইক উপলব্ধি কৰিব নিদিয়ে। জোনাক নিশা চোতালত ঢাৰি পাৰি আইতাকে তাইক ধুনীয়া ধুনীয়া সাধু কয়। সেইবোৰ সাধু শুনি তাইৰ মন ভৰি যায়। ক'ৰ নোৱাৰাকৈ দুচকু মুদ খায়।

ওচৰৰে ৰহিম খুৰাকে লৈ অহা এক ভয়ংকৰ বতৰাই লাইলাৰ সোণালী শৈশৱ চুৰমাৰ কৰি দিলে। অইন দিনাৰ দৰে সেইদিনাও ৰাতিপুৱাই তাইৰ দেউতাক ৰহমানে বিক্সাখন লৈ ৰাজপথ পাইছিলগৈ। হঠাতে এক তীব্ৰবেগী ট্ৰাকে ৰহমানক বিক্সাৰে সৈতে খুন্দা মাৰি ৰাজপথত পেলাই দিছিল। কপালৰ ঘাম মাটিত পেলাই সৎ উপাৰ্জনেৰে জীৱন নিৰ্বাহ কৰা ৰহমানৰ বুকুৰ তেজেৰে ৰাজপথ ৰাঙলী হৈ পৰিছিল। ডাক্তৰে বহুত চেষ্টা কৰিও তেওঁক বচাব নো�ৱাৰিলে। দেউতাকৰ ৰক্তাক্ত মৃতদেহটোৰ ওপৰত পৰি তাই হিয়া ঢাকুৰি কান্দিছিল। তাইক বুজনি দিবলৈ আইতাকৰ কোনো ভাষা নাছিল। বিধাতাৰ নিষ্ঠুৰ বিধানত তেওঁ যেন মূক হৈ পৰিছিল।

এদিন দুদিনকৈ সময়বোৰ পাৰ হৈ যায়। লাহে লাহে সিহঁতৰ অৱস্থা পানীত হাঁহ নচৰা হৈ পৰে। খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই। দেউতাকৰ দিনৰ সেই ভগা জুপুৰীটোৰ ছালবোৰ জহি খহি যাবলৈ ধৰিছে। এজাক ৰৱষুণ আহিলে ভিতৰ বাহিৰ একাকাৰ হৈ পৰে। বহুদিন খাবলৈ এমুঠি অন্ন নোপোৱা ক্ষুধাৰ্ত কংকাল সদৃশ কুকুৰ এটাৰ দৰে চালৰ কামিবোৰ ওলাই গৈছে। একেৰাহে কেইবাদিনো ধাৰাসাৰ ৰৱষুণ হোৱাৰ ফলত তাই কলৈকো খুজিবলৈ যাব নোৱাৰা হ'ল। ইপিনে আইতাকৰ ভীষণ জ্বৰ। দৰৱ নাই, খাবলৈ নাই। তাই কান্দি কান্দি ভাগৰি পৰিল। অৱশেষত বিনা চিকিৎসাত তাইক অথাই সাগৰত পেলাই আইতাকেও চিৰদিনৰ বাবে গুছি গ'ল।

লাইলাৰ অন্তহীন নিৰস যাত্ৰা আৰম্ভ হ'ল। ক'তো আশাৰ ৰেঙনি দেখা নাপালে। মানুহৰ ঘৰত খুজিবলৈ গ'লে কিছুমানে ভেঙুচালি কৰি খেদি দিয়ে, সমাজৰ আৱৰ্জনা বুলি গালি পাৰে। কিছুমানে আকৌ কাম কৰি খাবলৈ তিতা মাত মাতে। তাৰ মাজতে কোনোবাই সেই অনাথ ঘাট-মাউৰা ছোৱালীজনীৰ দুখত দুখী হৈ এমুঠি খাবলৈ দিয়ে। কিন্তু কিমানদিন — কিমান দিন তাই এনেদৰে চলিব। যোৱা দুদিন ধৰি লাইলাৰ পেটত খুদকণ এটাও পৰা নাই। এই নিষ্ঠুৰ পৃথিৱীখনিত তাইৰ দৰে অসহায় লোকক সহায় কৰিবলৈ ঈশ্বৰে যেন কোনো মানুহৰ সৃষ্টি কৰা নাই। থৰক্ বৰক্ খোজেৰে লাইলাই ক'লৈ গৈ আছে নিজেও ক'ব পৰা নাই। বোকা পানীৰে ভৰা ৰাস্তাৰ দাঁতিত হাঁহে খেদ্ খেদাই থকা দমকলটোৰ পৰা পানী অলপ খাই তাই পুনৰ আগবাঢ়িল। কিছুদূৰ যোৱাৰ পিছত তাই দূৰৈৰ পৰা ল'ৰা-ছোৱালী কিছুমানে ধুনীয়া পোছাক পিন্ধি ধেমালি কৰি থকা দেখিলে। কোনোবা সম্ভ্ৰান্ত লোকৰ ঘৰত বিবাহ উৎসৱ। নিজৰ শতধাচ্ছিন্ন ফ্ৰকটোলৈ চাই তাই সেইফালে খোজ আগবঢ়ালে।

বিবাহ উৎসৱত ধুমধামেৰে অভ্যৰ্থনা চলিছে। কিছুমানে খাইছে, কিছুমানে খাই আছে। চাৰিওফালে সুস্বাদু গোন্ধ। লাইলাৰ লঘোনীয়া পেটটো কৰমৰাই উঠিল। তাই ভয়ে ভয়ে এজন সেৱকৰ কাষ চাপি এমুঠি খাদ্যৰ কথা ক'লে। সেৱকজনে ততালিকে হুংকাৰ দিলে — "এই আঁতৰ হ বুলি কৈছোঁ নহয়। এই খাদ্যবিলাক তহঁতৰ দৰে ভিকহুৱোৱৰ বাবে নহয়।" লাহে লাহে পৃথিৱীখন তাইৰ পৰা আঁতৰি যোৱা যেন লাগিল। তাইৰ চিঞৰি চিঞৰি কান্দিবলৈ মন গ'ল। তথাপিও কিবা এক পোৱাৰ আশাত পদুলি মুখতে কুছি-মুছি বহি থাকিল। ওচৰেদি কোনোবা এজন পাৰ হৈ যোৱা দেখি তাই পুনৰ কাও বাও কৰিব ধৰিলে। এইবাৰো তাইক ধমক দি তৎক্ষণাৎ আঁতৰি যাবলৈ ক'লে। ভোকৰ জ্বালাত তাই আৰু ৰ'ব নোৱাৰিলে। নাতি দূৰৈত পৰি আছে আলহীবোৰৰ পেলনীয়া আহাৰৰ দ'ম। কিছুমান কংকাল সদৃশ কুকুৰে চিঞৰ-বাখৰ কৰি সেইবোৰ খাই আছে। লাইলায়ো সেই উচ্ছিষ্ট আহাৰৰ দ'মলৈ এখোজ দুখোজকৈ আগবাঢ়িল ....।

তিমিৰ ফেৰিয়া বাজ

যতীন্দ্ৰ নাথ তালুকদাৰ
প্ৰবক্তা, পৰিসংখ্যা বিজ্ঞান বিভাগ

শাৰদীয় বতৰত চুবুৰীয়ে চুবুৰীয়ে নিশাৰ ভাগলৈ উখলমাখলৰ পৰিৱেশ থাকে, ক্ৰমশঃ নিশাৰ ভাগলৈ পৰিৱেশ গোমা হ'বলৈ ধৰে। নিয়ৰৰ কণাবোৰ জমিবলৈ ধৰাৰ সময়ত অনুভা বৰুৱাই বিচনালৈ যোৱাৰ কথা চিন্তা কৰিলে। অধ্যাপিকা বৰুৱাই চকীখন বেৰৰ কাষলৈ ঠেলি দি লাইট নুমুৱাই বিচনাত পৰাৰ সময়ত ৰাতি পুৱাবলৈ বেছি সময় নাছিল।

চহৰ বুলি দাবী কৰা অথচ চহৰৰ পৰা কিছু দূৰৈত অৱস্থিত সৰু চহৰখনত অনুভা বৰুৱা বুলিলে আজিৰ চামে হয়তো অধ্যাপিকা বৰুৱা বাইদেউ বুলিয়ে বুজে। বুদ্ধিদীপ্ত চকুহালি অনবৰতে তিৰবিৰাই থাকে, চকুহাল আবৰি থাকে সোণালী ফ্ৰেমৰ চশমাৰে। হাতত এবোজা কিতাপ লৈ ৰাস্তাৰে গৈ থাকিলে, চাক্ষুষ দৃষ্টিত দৃষ্টি আকৰ্ষণ কৰিব পৰা সহজাত ব্যক্তিত্বৰ অভাৰ কোনোদিনেই অনুভৱ কৰা নাছিল।

শাৰদীয় বতৰত অফিচ, কেছাৰী আদি বন্ধ থাকিলে স্বাভাবিকতেই বেয়া লাগে। আজিকালি অৱশ্যে যেতিয়াই তেতিয়াই বন্ধ থাকে। আনকি বাতৰি যোগানিয়াৰেও গম নোপোৱা অঘোষিত বন্ধ সংস্কৃতিয়ে সমাজখনক সৰ্বগ্ৰাস কৰাৰ সময়ত অনুভা বৰুৱা এনেয়ে বহি থকা মহিলা নাছিল। বাতৰি কাকত, আলোচনী আদিত লিখামেলা কৰা বৰুৱাই শাসকদলকে ধৰি কেবাটাও তথাকথিত ছাত্ৰ সংগঠনৰ পৰা ভাবুকি পাইছিল। টেলিফোনত ধমক দিয়া ঘটনা প্ৰায়েই ঘটাৰ সময়ত নাম ঠিকনা নজনা কেইজনমান যুৱকে আহি তেওঁক উৎসাহ-উদ্দীপনা যোগাইছিল।

ৰাতিপুৱাৰে পৰা বিজুলী যোগান বন্ধ হোৱা ৰাবে পানী যোগান ব্যাহত হোৱাত বাধ্য হৈ অনুভা বৰুৱাই দমকলটোৰপৰা পানী দুবাল্টি ভৰাই আনিলেগৈ। ঘৰত কাম কৰা ছোৱালীজনী পূজা চাবলৈ গাঁৱৰ ঘৰলৈগৈছে।

কোনো কাৰণতে, কোনোদিনে অনুভা বৰুৱা শিক্ষক জিৰণি কোঠাৰ আলোচ্য ব্যক্তি হ'বলগা হোৱা নাছিল। কোনে কি শাৰী পিন্ধে, দেহৰ ফিগাৰ কাৰ ভাল, কোন অধ্যাপিকাই সমগ্ৰ নাভিমণ্ডল উলিয়াই দেহৰ আবেদন প্ৰকট কৰি হকে বিহকে গাত চিকুটি দিহে কথা কয়, অধ্যক্ষজনাৰ চকুৰ ভাষা আদি বিষয়লৈ অনুভা বৰুৱা দস্তুৰমত বিৰক্ত হয়। সহকৰ্মী একাংশ অধ্যাপক-অধ্যাপিকাৰ মতে অনুভা বৰুৱা সম্পূৰ্ণ ফ্ৰিজ্‌দ। নিজে কাকো একো নিদিয়ে, উপযাচি নলয়ও।

প্ৰাত্যহিক জীৱনত অনুভা বৰুৱাই সুখ দুখক এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলিয়েই গণ্য কৰি আহিছে। অসম চৰকাৰৰ শিক্ষা বিভাগৰ সৎ-নিষ্ঠাৱান বিষয়া প্ৰণৱ বৰুৱাৰ উচ্চ ৰক্তচাপ জনিত অকাল বিয়োগত দিশহাৰা হৈ পৰা অনুভা বৰুৱাৰ একমাত্ৰ দুহিতা পাহি বৰুৱাই দিল্লী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ স্নাতকোত্তৰ ডিগ্ৰী লৈ ইংলেণ্ডলৈ গৱেষণা কৰিবলৈ যোৱাৰ পিছৰে পৰা অনুভা নিঠৰুৱা হৈ পৰিল। প্ৰণৱ বৰুৱাৰ আকস্মিক মৃত্যুৰ পিছত পাহিক লৈ অনুভা বৰুৱাই চিন্তা কৰিবলগা নহ'লেও, কিছু শংকিত হৈছিল। এংলো ইণ্ডিয়ান এজনৰ লগত বিয়া হৈ যোৱাৰ খবৰ লণ্ডনৰ পৰা টেলিফোনযোগে পোৱাৰ পিছত বিশেষ কৰিব লগা একো নাছিল।

কাগজ-কলমৰ লগত মিতিৰালি পতাটো কিমান কষ্টকৰ, কিমান যন্ত্ৰণাদায়ক পিছলৈ অনুভা বৰুৱাই বুজিছিল। শুধ বগা কাগজ এখনত চিয়াহী এটোপাল পৰিলে অথবা হঠাৎ নেদেখিব লগা বস্তু কিছুমান দেখিলেও গালত ভাঁজ পৰা অনুভা বৰুৱাই কাগজ-কলমকে জীৱনৰ সংগী কৰি লৈছিল, মানে বাধ্য হৈ পৰিছিল। পৰাপক্ষত সামাজিক ৰাজহুৱা জীৱনৰ পৰা কৌশলেৰে আঁতৰি থকাৰ পক্ষ লোৱা অনুভাৰ জীৱনত স্বীকৃতি আৰু মৰ্য্যাদা অবশ্যেই আহিছিল। সাহিত্য সৃষ্টিৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা পোৱাৰ পিছত স্বৰ্গগত গিৰিয়েকৰ ফটোৰ ফালে চাই কেৱল কান্দিছিল, কান্দি কান্দি এটা সময়ত ভাগৰি পৰিছিল। সেন্দুৰৰ টেমা যিদিনাই প্ৰথম নৰ্দমাত পেলাইছিল, সেইদিনাৰ দৰেই সমানে কান্দিছিল। নৈৰ্ব্যক্তিক পকৰে গঢ়ি উঠা বস্তুবাদী সমাজখনত পংকৰ মাজত পংকজ গঢ়িতোলাৰ সংকল্প লোৱাৰ সময়ত অনুভা বৰুৱা সোণালী অৰ্কৰ সন্ধানত ব্যস্ত আছিল।

এই যে পাহি.....পাহিয়ে প্ৰথম দিল্লীৰ পৰা উভতি আহোঁতে অনুভালৈ অনা কাশ্মিৰী শ্বাল, জৰ্জেট, কাঞ্চীপুৰমৰ শাৰী, অথবা তন্তুজৰ পাতল নীলাভ শাৰী অনুভাই পিন্ধে। অনুভালৈ অনা বিভিন্ন ধৰণৰ বস্তুবোৰ দ'ম হৈ পৰি থকাৰ সময়তে অনুভা ব্যস্ত হৈ পৰিল। কামৰ ভিতৰত কিতাপ পঢ়া, মাজে সময়ে তাগিদাত পৰি লিখা মেলা কৰা আৰু পাহিলৈ চিঠি লিখা। পিছৰ কামটো অৱশ্যে অনুভাই নিয়মিত ভাৱে কৰিছিল। পাহিলৈ চিঠি লিখাৰ সময়ত অনুভাৰ মনটো ভৰি পৰে, অনাবিল আনন্দত।

জ্যা পল ছাত্ৰৰ অস্তিত্ববাদৰ বিষয়ে লিখা গৱেষণা গ্ৰন্থৰ বাবে ডক্তৰেট ডিগ্ৰী পোৱা অনুভা বৰুৱাই জীৱনটোক ভালদৰে বুজি পোৱাৰ আগতে একোটাইত যন্ত্ৰণাত ভুগিছিল। কানসমনীয়া ভায়েকৰ দুব্যৱহাৰ, সহকৰ্মী সকলৰ অশ্লীল ইঙ্গিত (এজন সহকৰ্মীৰ মতে নাৰীৰ কাম হ'ল শোৱাপাটীৰ বাবেহে।) আদি অৱশ্যে পিছলৈ হজম কৰিব পৰা হৈছিল।

কলেজৰ পৰা সোনকালে উভতি আহি বাহিৰৰ পৰ্টিকত থকা বনজাই কেইটাক পানী দিলে। মাধৱীলতা ডাললৈ অনুভাই এনেয়ে চালে। টি-টেবুলখনত থকা বাতৰিখনলৈ চকু যাওঁতেই অনুভাই কলিংবেলৰ শব্দ শুনিলে। প্ৰতিবেশী মফিদা বেগম। বেগমে অনুভাক খুউব মৰম কৰে। ৰাতিৰ ভাত সাজৰ বাবে নিমন্ত্ৰণ জনাই জপনাখন বন্ধ কৰি গ'লগৈ।

সন্মুখৰ বাগিছাখনত এষ্টাৰ আৰু ক্ৰিচেনথিমামৰ বেড দুখন। সোঁমাজত ডালিয়া। কছমচৰ শুৱিত পানী দি থাকোঁতেই গুৰুম গুৰুম গুলীৰ শব্দত অনুভা বৰুৱা হতভম্ব হ'ল। চাৰিওফালে পুলিচ মিলিটেৰীৰ হুইচেল আৰু গুলীৰ শব্দ।

কি কৰিম কি নকৰিম ভাবি থাকোঁতেই এটা গুলীয়ে পৰ্টিকৰ মৰমৰ বনজাইটোত পৰি চূৰ্ণাকৃতি হ'ল। এটা সময়ত হাতত উদ্যত পিস্তল লোৱা যুৱক কেইজনে ভিতৰৰ বেড্‌ৰুমত সোমাই দৰ্জা বন্ধ কৰি দিলে। খিৰিকিৰে সুবিধা বুজি যুৱক দুজনেও ভিতৰৰ পৰা ধাৰাষাৰ গুলীবৰ্ষণ কৰিবলৈ ধৰিলে।

কেতিয়া আৰু কেনেকৈ অনুভা বৰুৱাই বাগিছাৰ কাষতে থকা ভঁড়ালৰ ঘৰৰ দুৱাৰ খুলি ছোৱালীজনীৰ

বিচনাত বাগৰ দিলে, অনুভাই গমকে নাপালে।

প্রচণ্ড বিস্ফোৰণত যেন ঘৰটো ভাগি পৰিবহি। কিছু সময় নিতাল মৰাৰ পিছত দৰ্জাত বন্দুকৰ কুন্দাৰ অনৰ্গল আঘাত পৰিল। অচেতন অৱস্থাত থকা অনুভা বৰুৱাক মুখত কাপোৰ দি চিঞৰিব নোৱাৰা কৰি দাংকোলাকৈ নি মজিয়াত বগৰাই দিয়াৰ সময়ত অনুভাই ভগৱান, যীশু, মহম্মদৰ নাম ল'লে। বিৱস্ত্ৰা অনুভা বৰুৱাই মজিয়াত পৰি থকা বক্ষ বন্ধনী আৰু পেটিকোটলৈ চাই নীৰৱে হুমুনিয়াহ কাঢ়িলে।

সাত দিনমান পাছতহে কথা পাতিব পৰা অনুভাই গম পাইছিল গ্ৰেনেড বিস্ফোৰণ কৰি আত্মহত্যা কৰা যুৱক দুজনৰ কথা। প্ৰাক্তন ছাত্ৰ হিচাপে সিহঁতৰ পৰিচয় তেওঁ অৱশ্যেই জানিছিল।

যিটো সময়ত শাৰদীয় বতৰত উখল মাখল লাগিব লাগিছিল, সেইখিনি সময়ত অনুভা বৰুৱা ব্যস্ত হৈ থাকিল জিলা দণ্ডাধীশৰ আগত সাক্ষ্যদান কৰি। চহৰ বুলি দাবী কৰা অথচ চহৰৰ উপকণ্ঠ অঞ্চলত বসবাস কৰা অনুভা বৰুৱাৰ চুবুৰীত মন্ত্ৰী-বিধায়ককে ধৰি বিভিন্ন ধৰণৰ ছাত্ৰ সংগঠনৰ প্ৰতিনিধিয়ে দিয়া সান্ত্বনাবাণী নীৰৱে হজম কৰি অনুভাই পৰ্টিকত থকা বনজাইটোলৈ চাই ৰ'ল। এটা সময়ত কপাল আৰু বুকুত সামৰিক বাহিনীয়ে দি যোৱা দাগটোলৈ চাই ৰ'ল। জ্যা পল ছাত্ৰেৰ কথা মনলৈ আহিল। এনেয়ে। অস্তিত্ববাদৰ প্ৰবক্তা ছাত্ৰেৰ জীৱন-দৰ্শনৰ প্ৰাসঙ্গিকতাৰ ওপৰত গৱেষণা কৰা অনুভাই চাই ৰ'ল বিশৃঙ্খল ভাবে পৰি থকা কিতাপ, বয়-বস্তুবোৰলৈ।

আশা নকৰাকৈয়ে কেবাটাও ঘটনা নীৰৱে সহ্য কৰি অহা অনুভা বৰুৱাই জীৱনৰ নাটকীয় ক্ৰম সহজে হজম কৰি গৈছিল। বাতৰি কাকতবোৰে দিয়া ঘটনাৰ বিৱৰণীবোৰ পঢ়ি অনুভা বৰুৱাই হুকহুকাই কান্দি দিলে। যিটো সময়ত অনুভা বৰুৱাই পোহনীয়া কুকুৰ টমৰ সৈতে খেলিব লাগিছিল অথবা ফুলনিত পানী দি বিয়লি পৰত পৰ্টিকত আগন্তুকৰ সৈতে কটাব লাগিছিল, সেই সময়তে বুকুৰ ভিতৰত বিষ অনুভৱ কৰিলে, অনুভাই। প্ৰতিবেশী মফিদা বেগমে ঘৰৰ পৰা দিয়া জলপান খালতে পৰি ৰ'ল। টেবুলত থকা টেলিফোনৰ অনৰ্গল শব্দত অনুভা বৰুৱা সচকিত হ'ল। মেলিলোৱা কিতাপ পুনৰ জপাই থৈ অনুভাই ভাবিলে হয়তো মুখ্যমন্ত্ৰীৰ ফোন। হয়তো মুখ্যমন্ত্ৰীয়ে ফোনত সুধিব— "আপুনি কেনে আছে?" হয়তো বাতৰি যোগনিয়াৰে কাইলৈ গৰম বাতৰি পৰিবেশন কৰিব। খিৰিকিখন মেলি দুৱৰে আকাশ খনলৈ অনুভা বৰুৱাই চালে। এনেয়ে।

(পুনশ্চ ঃ গল্পটোৰ চৰিত্ৰবোৰ সম্পূৰ্ণ কাল্পনিক। অতিসাম্প্ৰতিক অসমৰ ৰাজনৈতিক অৱস্থানৰ অৱক্ষয়ৰ আংশিক ৰূপৰেখাক মাপকাঠি হিচাপে অংকন কৰা অনুভাৰ চৰিত্ৰৰ লগত কোনোবা জীৱিত অথবা মৃতব্যক্তিৰ মিল থাকিবও পাৰে, সেইটো মুঠেই নুই নকৰোঁ। অৱশ্যে গল্পটোৰ কিছু ঘটনা যে সত্য, সেয়া সচেতন পাঠক মাত্ৰেই বুজিব পাৰিব। শ্ৰীকণু কলিতা তালুকদাৰলৈ ধন্যবাদ জনালোঁ, তেওঁ জুমুঠিটো কৰি দিয়া বাবে। — গল্পকাৰ)

চিন্তনীয়

যিসকল লোকে নাটক আৰু গল্প-উপন্যাস লিখে, তেওঁলোকৰ কাৰণে জীৱনৰ এটা প্ৰধান কামেই হ'ল বিভিন্ন নৰ-নাৰীৰ স্বভাৱ, আচৰণ আৰু জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ প্ৰতি তেওঁলোকৰ প্ৰতিক্ৰিয়া সূক্ষ্ম ভাবে পৰ্যবেক্ষণ কৰা আনৰ জীৱনৰ প্ৰতি যিসকল লোকৰ কৌতূহল নাই, তেওঁলোকে গল্প উপন্যাস লিখিবলৈ চেষ্টা নকৰাই ভাল।

— হোমেন বৰগোহাঞি

ব্যর্থ জীৱনৰ ইতিহাস

যুগস্মিতা চৌধুৰী
স্নাতক, ৩য় বর্ষ (কলা)

ব্যস্ততাপূর্ণ মহানগৰী। কাৰো কোনোফালে চোৱাৰ সময় নাই। নিজক লৈয়ে সকলো মানুহ ব্যস্ত। স্বার্থপৰ পৃথিৱী। চহৰৰ চুকে-কোণে কেৱল মানুহ আৰু মানুহ। সৰুবপৰা ডাঙৰলৈ, ডাঙৰবপৰা সৰুলৈ, মহাজনবপৰা চাকৰলৈ। কোনোবাই কাম কৰিছে ফুটপাথত, কোনোৱে কাম কৰিছে সুউচ্চ প্রাসাদত। কাৰোবাৰ মুখত সোণ-ৰূপৰ চামুচ, কাৰোবাৰ মুখত নৰ্দমাৰপৰা বুটলি নিয়া এটুকুৰা শুকান ৰুটি। কাৰোবাৰ চিন্তা লাহ বিলাসেৰে জীয়াই থকাৰ, কাৰোবাৰ চিন্তা জীৱনটো জীয়াই ৰখাৰ।

সেইখন চহৰৰে কোনো এক কুখ্যাত গলিত কাম কৰে ৰাজু আৰু গায়ত্রী। দুয়ো ভাই-ভনী। থকিবলৈ সিহঁতৰ ঘৰ নাই, খাবলৈ এমুঠি অন্ন নাই। অভাৱ-অনাটনত সিহঁত জর্জৰিত। জীৱনৰ লগত সংগ্রাম কৰি সিহঁত ভাগৰি পৰিছে। গলিয়ে গলিয়ে সিহঁতে কটাইছে যাযাবৰী জীৱন। এমুঠি অন্নৰ বাবে, এটুকুৰা ৰুটিৰ বাবে সিহঁতে দিনৰ দিনটো ঘুৰি ফুৰে।

হতভগা ৰাজু। হতভাগিনী গায়ত্রী। দুটা জীৱন। এটা পথ। অভিশপ্ত দুয়োৰে জীৱন। সজল চকুৰে চাই থাকে গায়ত্রীজনীয়ে। তাইৰ লোভনীয় দেহৰ ওপৰেৰে পাৰ হৈ যায় হেজাৰ জনৰ কামুক চকু। কিন্তু ৰাজু। সি জন্মান্ধ। তাক দেখিলে হেজাৰজনে চকু ঘু�ৰায়। জন্মৰ পৰাই সি দেখা নাই পৃথিৱীৰ পোহৰ। দিন আৰু ৰাতিৰ, এন্ধাৰ আৰু পোহৰৰ পার্থক্য নাজানে ৰাজুৰে। মাক-দেউতাকৰ মৰম সি নাপালে। সৰুতে মাকদেউতাকে সিহঁতক নিঠৰুৱা কৰি এৰি গ'ল। তাৰ জীৱনৰ একমাত্র অৱলম্বন গায়ত্রী। তাৰ বায়েক। তাইৰো জীৱন! বেচেৰা ৰাজুক এৰি ক'লৈকো যাব নোৱাৰে। তাইৰ অবিহনে ৰাজুৰ জীৱন নিস্ফল। জীৱিকাৰ পথ সিহঁতৰ ৰুদ্ধ। পোৱা নোপোৱাৰ মাজেদিয়েই অতিবাহিত হয় সিহঁত দুয়োৰো জীৱন।

ৰাজু আৰু গায়ত্রী, চহৰৰ দুটা চিনাকি নাম। চহৰৰ এনে এটা গলি নাই, এনে এখন ঠাই নাই, য'ত দুয়ো মাগিবলৈ যোৱা নাই। কেতিয়াবা কোনোবাই সিহঁতক সহানুভূতিৰে দুই চাৰি অনা দিয়ে। কেতিয়াবা কেটেৰা জেঙেৰা মাৰি খেদি পঠিয়ায়। তাতৈ সিহঁতৰ ভ্রূক্ষেপ নাই। পোৱা নোপোৱাৰ মাজত সিহঁতৰ আক্ষেপ নাই। তেনেকৈয়ে সিহঁত জীয়াই আছে।

ল'ৰা-ছোৱালীবোৰে সিহঁতৰ গালৈ শিলগুটি দলিয়ায়। ডেকাবোৰে গায়ত্রীৰ লোভনীয় দেহলৈ লোলুপ দৃষ্টিৰে চায়। মলিয়ন গাৰ কাপোৰযোৰে গায়ত্রীৰ যৌৱনক ম্লান কৰিব পৰা নাই। আৰু ৰাজু নির্বিকাৰ। অন্ধ হ'লেও পৃথিৱীৰ হাঁহাকাৰ সি শুনে, গালি-শপনি সি বুজি পায়। তথাপি সি নিমাত। এইদৰে ভাবি ভাবি সি বায়েক গায়ত্রীৰ

লগত আহি আছে ভিক্ষাৰ জোলোঙা লৈ। গায়ত্রীক বিয়া দি উলিয়াই দিয়াৰ চিন্তা তাৰো আছে। কিন্তু সি কি কৰিব? তাৰদৰে 'মগনীয়া' ভিকহু এজনৰ বায়েক জনীক বিয়া কৰাবলৈ কোনোবা জানো আহিব? কোনোবাই জানো সাহস কৰিব? তথাপি সি ভাবে গায়ত্রীৰ বিয়াৰ কথা।

"গায়ত্রী বাইদেউ, তই বিয়াত বহ, কাৰোবাৰ লগত তই গুচি যা।" ৰাজুৰ কথাত উচপ খাই উঠে গায়ত্রী। তাইৰ চিন্তাত আউল লাগে। এৰা, ঘৰ-সংসাৰ সকলোৱে বিচাৰে। তায়ো বিচাৰে। কিন্তু ৰাজু? তাইৰ ভায়েক ৰাজুৰ কথা ভাবিলে তাইৰ সকলো কামনা-বাসনা শেষ হৈ যায়। চলচলীয়া চকুলোৰে তাই কৈ যায়, "তেনে কথা নকবি ৰাজু, মই তোক এৰি ক'লৈকো নাযাওঁ। মই গুচি গ'লে তোৰ কি হ'ব? তই যে .....।" গায়ত্রীয়ে আৰু একো ক'ব নোৱাৰিলে। তাইৰ কোমল বুকুত কিহবাই যেন খুন্দা মাৰি ধৰিলে। জীৱনত ঘটি যোৱা ঘটনাবোৰ তাইৰ এটাৰ পাছত এটাকৈ মনত পৰি গ'ল। তথাপি তাই জীয়াই আছে একমাত্ৰ ভায়েক ৰাজুৰ বাবে। তাইকতো বহুতেই বিচাৰে। কিন্তু ৰাজুক? ৰাজুক দেখোন কোনেও নিবিচাৰে। ৰাজুক এৰি তাই যাব ক'লৈ? তাই যে ৰাজুৰ পথ প্ৰদৰ্শক। তাইৰ হাত ধৰিয়ে ৰাজুৱে ভিক্ষা মাগে, যি পায়, তাৰেই সিহঁতেপেট-প্ৰৱৰ্তায়। আজি তাইৰ মনত পৰিছে শইকীয়া ডাক্তৰৰ কথা। আলি কেকুঁৰিটো পাৰ হৈয়ে শইকীয়া ডাক্তৰৰ ঘৰ। ভৰ দুপৰীয়া ওপৰত চোকা ৰ'দ। বাট কুৰি বাই ঠিকসেইখিনি পাইছিল ৰাজু আৰু গায়ত্রী। চিনাকি এহাল ডেকা-গাভৰু। আগে আগে গায়ত্রী পিছে পিছে ৰাজু। পিয়াহত সিহঁতৰ অণ্ঠ-কণ্ঠ শুকাই গৈছিল। শইকীয়াৰ লোৰ গেটখন হাতেৰে ঠেলি দি সোমাই গৈছিল দুয়ো ঘৰৰ চৌহদলৈ। বাৰান্দাত শুই থকা এলচিচিয়ান কুকুৰটোৱে মুখ মেলিখেদি আহিছিল সিহঁতৰ ফালে। গায়ত্রী স্থবিৰ হৈ গৈছিল। অসহায় দৃষ্টিৰে চাই আছিল মাথোঁ চোফাত বহি থকা শইকীয়াৰ ফালে। কুকুৰটোৱে ৰাজু আৰু গায়ত্রীৰ ভৰিৰ কেঁচা মঙহবোৰ কামুৰি একৰাই নিছিল? তেওঁ মাথোঁ হাঁহিছিল এক তাচ্ছিল্যৰ হাঁহি। "ঐ তই কাম কৰিব নোৱাৰ, এই অন্ধটোৰ লগত ফুৰিলে কি হ'ব? তোৰ জানো ৰূপ-যৌৱন নাই? তই মোৰ ইয়াতে থাক। সুখত থাকিব পাৰিবি। নে এই অন্ধটোক নিজৰ কৰি....।" গায়ত্রীয়ে একো ক'ব নোৱাৰিলে। তলমূৰ হৈ থিয় হৈ আছে তাইৰ একমাত্ৰ ভায়েক ৰাজু। তাৰ ফালে চোৱাৰ লগে লগে তাইৰ হিয়াখন ভাঙি চুৰমাৰ হৈ গ'ল। তাই হুক্ হুকাই কান্দি দিলে।

"আমি যাওঁ ব'ল বাইদেউ"- ৰাজুৰ কথাত গায়ত্রী যেন সাৰ পাই উঠিল। এখোজ দুখোজকৈ ওলাই আহিল শইকীয়া ডাক্তৰৰ ঘৰৰপৰা দুয়ো ভাইভনী। চোতালৰ মাথোঁ পৰি ৰ'ল সিহঁতৰ কেঁচা-কেঁচা ৰঙা তেজবোৰ।

ডাক্তৰৰ ঘৰৰপৰা পোণেপোণে সিহঁত আহিল ৰাজআলিৰ কাষলৈ এটা চিন্তা-গধুৰ মন লৈ। তিনি অভিজ্ঞতাৰে সিহঁত উপস্থিত হ'ল এটা বাছ আস্থানত। বহুদিন ধৰি সিহঁত গাঁৱৰ ফাললৈ যোৱা নাই। চহৰৰ মানুহৰ প্ৰতি তাইৰ বিৰাগ জন্মিছে। ইফালে ৰাজুই সদায় গাঁৱৰ কথা কৈ থাকে। গাঁৱত কিজানি সি অলপ শান্তিৰে থাকিব পাৰে। হেজাৰ আশা বুকুত বান্ধি লৈ গাঁৱলৈ অহাৰ প্ৰৱল ইচ্ছাৰে সিহঁত উপস্থিত হ'ল বাছ-আস্থানত। জনবহুল বাছ আস্থান। যাত্ৰীৰ ভিৰ ঠেলি আগবাঢ়িল ৰাজু আৰু গায়ত্রী।

'মিলনপুৰ' এটা চিনাকি নাম। আপোন আপোন লগা এখনি সৰু গাওঁ। সিহঁতৰ লক্ষ্যস্থান বুকুৰ আপোন মিলনপুৰ। বহুদিনৰ পিছত সিহঁতে মিলনপুৰ অভিমুখে যাত্ৰা কৰিছে। ৰাজু, লাহে-লাহে উঠিবি, যাত্ৰীৰ বৰ ভিৰ।" গায়ত্রীয়ে ৰাজুক দজ্জাৰি মুখলৈ তুলি নিলে। কিন্তু পিছফালৰ পৰা কোনোবাই গৰজি উঠিল "ঐ নাম, নামি আহ, বাপেৰৰ গাড়ী পাইছ নেকি? ভিক্ষাৰী উঠাৰ বাবে আমি গাড়ী কিনা নাই নহয়?" গায়ত্রী থমকি ৰ'ল। অনুনয়ৰ সু�ৰত তাই কৈ গ'ল, "ডাঙৰীয়া, আমি ভাড়া দিম, মিলনপুৰলৈ যাম, আমাক যাবলৈ দিয়ক, আমি থিয় হৈয়ে যাম, ৰাতি হ'লে বিপদ হ'ব নহয়।" তাইৰ কথাত ভদ্ৰলোক কেইজনমানে গাড়ীৰ ভিতৰলৈ দুয়োকে তুলি নিলে। দুয়ো স্বস্তিৰ নিস্বাস এৰিলে। পিছত সিহঁত এটা চিটৰ কাষত থিয় হ'ল। ৰাজুই খেপিয়াই খেপিয়াই ওপৰৰ বেলিঙত ধৰি থিয় হৈ থাকিল। গায়ত্রী ৰাজুৰ পিছতে ৰ'ল। বিভিন্ন চিন্তাই গায়ত্রীৰ মনৰ মাজত জুমুৰি দি ধৰি থাকিল। ওচৰতে বহি থকা ৰঙ বিৰঙৰ শাৰী পৰিহিতা ছোৱালী এজনীৰ লগত তাই নিজকে তুলনা কৰিলে। তাইৰোতো যৌৱন আছে; ভাল খাবলৈ, ভাল পিন্ধিবলৈ তাইৰো জানো ইচ্ছা নাই। আজি যদি তাইৰ মাক-বাপেক থাকিলহেঁতেন। ভায়েক ৰাজু অন্ধ নহ'লহেঁতেন, তেনে হ'লে...?

"ঐ কি চাইছ? গুণ্ডা নেকি? ছোৱালী দেখা নাই নিলাজ কৰবাৰ, এটা চৰত দাঁত সৰাই দিম।" হঠাৎ উচপ খাই উঠিল গায়ত্রী। তাইৰ চিন্তাত আউল লাগি গ'ল। উভতি

চাই দেখে তাইৰ ভায়েকৰ মুখেৰে তেজ ওলাইছে। গালত জিলিকি আছে 'পাচোঁটা নিষ্ঠুৰ আঙুলিৰ চাপ' মাথোঁ উচুপি আছে, মুখেৰে সি একো কোৱা নাই। আৰু গায়ত্রী, তাইৰ দুগালেৰে বৈ আহিল দুধাৰি তপত চকুলো, কিন্তু তাই একো ক'ব নোৱাৰিলে। সমাজৰ লাঞ্ছনা, গঞ্জনা, সহ্য কৰিবলৈকে যেন সিহঁতৰ জীৱন। গাড়ীৰ যাত্রীবোৰৰ মাজত সৃষ্টি হ'ল এক আলোড়ন। মুখখুলি কোনেও প্রতিবাদ নকৰিলে। আটায়ে চাই ৰ'ল ৰাজু আৰু গায়ত্রীৰ ফালে। আৰু সেই মহিলা গৰাকী। তাই যেন দিগ্‌বিজয় কৰিলে। যুদ্ধত জয়ী হোৱা সৈনিকৰ দৰে তাইৰ ওঁঠত ভাহি আহে- এক বিজয়ৰ হাঁহি। সেই হাঁহি তাচ্ছিল্যৰ, আভিজাত্যৰ, নে বিজয়ৰ? গাড়ীখন আগবাঢ়ি গ'ল ৰাস্তাৰ ধূলি উৰুৱাই। আগবাঢ়িল মিলনপুৰৰ ফালে। আধা ঘন্টামান যোৱাৰ পিছত পিছফালৰপৰা শুনা গ'ল "মিলনপুৰ চ'ক, নামি আহক"। গায়ত্রী সাজু হ'ল। বাওঁহাতেৰে মোনা এখন আৰু লাখুটিডাল লৈ সোঁ হাতেৰে ৰাজুক ধৰি ক'লে, "ৰাজু নামি আহ, মিলনপুৰ পালোঁ নহয়। মোৰ হাতত ধৰি লাহেলাহে নামি আহ। আগে আগে গায়ত্রী আৰু পিচেপিচে ৰাজু। যাত্রীৰ ভিৰ ঠেলি খোজখোজে উজুটি খাই নামি আহে ৰাজু-গায়ত্রী আৰু সেই মহিলা গৰাকী? তাই চাই ৰ'ল ৰাজুৰ ফালে। তাইৰ সম্বিৎ ঘুৰি আহিল। যি জনক তাই তাইৰ ফালে চাই থকাৰ বাবে চৰ সোধালে, অপমান কৰিলে সেইজন যুৱক অন্ধ। অথচ তাই এই নিষ্ঠুৰ হাতেৰে তাকেই আজি আক্রমণ কৰিলে। কি যে পাপ কৰিলে তাই। মানসিক দংশনত তাই চটফটাবলৈ ধৰিলে। তাই যেন যুৱকজনৰ ওচৰত ক্ষমা মাগিব আৰু সেই হাতত ধৰি নিয়া যুৱতী গৰাকী, তাইৰ প্রতি দয়া উপজিল। সিহঁতক যেন তাই এতিয়াই লগ ধৰি ক'ব- "মোক ক্ষমা কৰা, মোৰ ভুল হৈছে ...।"

"আপোনালোক নামক, গাড়ী আৰু ইয়াৰপৰা নেযায়, আগৰ দলং বেয়া হৈছে।" মহিলাগৰাকীৰ চিন্তাত আউল লাগিল। গাড়ীৰপৰা নামি চাই দেখে গাড়ী বহুত আগত ৰখালে। ইফালে এন্ধাৰ হওঁ হওঁ। অলপ অলপকৈ সূর্য্যটো আগবাঢ়িছে পশ্চিমৰ ফালে। আৰু ৰাজু, গায়ত্রী, দুয়ো চাগৈ আগবাঢ়িছে মিলনপুৰৰ ফালে। এন্ধাৰৰ আঁৰে আঁৰে .....। মিলনপুৰ বা কিমান দূৰত ...।

লাও খা বেঙেনা খা বছৰে বছৰে বাঢ়ি যা

চিন্তনীয়

পাঠ্যক্রম এনেকুৱা হোৱা উচিত যে যিকোনো বিষয়ৰ বিশ্লেষণ তথা সমস্যা সমাধানত এক অন্তিম উত্তৰ দিয়াৰ পৰিবর্ত্তে সমস্যাবিলাকক লাঘৱ কৰা নাইবা তাৰ উত্তৰ দিয়াৰ বিভিন্ন ধৰণৰ সম্ভাৱনা সমূহৰ নাইবা বিকল্প সমূহৰ ওপৰত চিন্তা কৰি চোৱাৰ প্রেৰণা দিব পাৰে।

—মহাত্মা গান্ধী

অৱশেষত

বিপুঞ্জয় কলিতা
উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ (কলা)

মানুহজন ব্যস্ত ৰাজপথটোৰে গৈ আছিল। পিছপিনৰ পৰা তীব্ৰ গতিত আহি গাড়ীখনে তেওঁক প্ৰচণ্ড জোৰেৰে খুন্দা মাৰিলে। মানুহজন চিটিকি বাগৰি পৰিল। গাড়ীখন তেওঁৰ ওপৰতে উঠিলহি। এটা মৰণ কাতৰ আৰ্তনাদ, তাৰ পিছত তেজেৰে ৰাঙলী ৰাজপথত নিশ্চল হৈ পৰিল তেওঁ। গাড়ীখন দুৰন্ত বেগেৰে অন্তৰ্ধান হৈ গ'ল। কোনেও একো ধৰিব নোৱাৰিলে।

মুহূৰ্ততে চাৰিওপিনে হুলস্থুল লাগি পৰিল। পুলিচক খবৰ দিয়া হ'ল। পুলিচ আহিল। ডেডব'ডি চিনাক্ত হৈ গ'ল। মৃত ব্যক্তিজন হ'ল ৰতন কলিতা, ৰঙাজান চাহ বাগিছাৰ কেৰাণী। সৰবৰহী কলিতাক সকলোৱে চিনি পায়।

ৰতন কলিতাৰ ওপৰত বাগান কৰ্ত্তৃপক্ষৰ অগাধ বিশ্বাস আছিল। কুৰি দিনমান আগতে হুণ্ডীৰ টকা লৈ আহোঁতে গাড়ীত কলিতাও আছিল। চাহ বাগিছাৰ মাজৰ জনবসতিহীন অঞ্চলটো পাওঁতেই হঠাৎ কেইজনমান বন্দুকধাৰী ডকাইতে তেওঁলোকৰ গাড়ীখন আগুৰি ধৰিলে। মেনেজাৰে নিজৰ পিষ্টলটো তুলিবলৈকে অৱসৰ নাপালে। ডকাইতহঁতে সত্তৰ হাজাৰ টকাৰে সৈতে পিষ্টলটোও কাঢ়ি

লৈ উধাও হ'ল। বহুতৰে সন্দেহ হৈছিল কলিতাৰ ওপৰত তেওঁ ডকাইতৰ দলটোৰ কোনোবা এটাক দেখি হেনো কৈছিল " আৰে ভাইয়া ..... তুমি.....?"

ডকাইতি ঘটনটো ঘটিছিল নৱেম্বৰ মাহৰ এক তাৰিখে আৰু ৰতন কলিতাৰ এক্সিডেণ্টটো হ'ল তাৰ কুৰিদিন পিছত। তদন্তকাৰী বিষয়া অবিনাশ বৰ্মনৰ মনলৈ কিয় জানো বাৰে বাৰে এটাই সন্দেহ আহিব ধৰিলে— এই ডকাইতি আৰু এক্সিডেণ্টটোৰ মাজত যেন কিবা এক যোগ সূত্ৰ আছে। মৃত কলিতাৰ লগত তেওঁৰ এটা ঘৰুৱা সম্পৰ্ক আছিল। ঘৰুৱা ভাৱে বহিও তেওঁ বহুদিন চেষ্টা কৰিছিল, কথাবোৰ উলিয়াবলৈ। কিন্তু কলিতা নিৰ্বিকাৰ। কিবা এক অদৃশ্য শক্তিয়ে তেওঁক যেন এক অনামী ভয় আৰু শংকাত। নোৱাৰিলে, কলিতাৰ পৰা তেওঁ একো উলিয়াব নোৱাৰিলে। আৰু আজি..... কোনোবাই তেওঁক ইচ্ছাকৃতভাৱে হত্যা কৰিলে। দেখাত এক্সিডেণ্ট যেন লাগিলেও এইটো যে এটা পৰিকল্পিত হত্যা তাক তেওঁৰ বুজিবলৈ বাকী নাথাকিল।

গাড়ীখন চিনাক্ত নহ'লেও এটা গুম্‌টিৰ ল'ৰাই দিয়া সাক্ষ্য অনুসৰি গাড়ীখনৰ নম্বৰ পোৱা গ'ল। সেই পথটোৰে সেই সময়ত যোৱা এক মাত্ৰ গাড়ীখনৰ নম্বৰ হ'ল এ. এচ. জেদ ৫৩৫০। তদন্তৰ সেই আনুমানিক সাক্ষ্যৰ ভিত্তিত কোনো আশাৰ ৰেঙণি নেদেখিলে ইন্সপেক্টৰ বৰ্মনে। গতানুগতিক ভাৱে লাচ চালান দি পৰৱৰ্তী অনুসন্ধানত কিবা সূত্ৰ পোৱাৰ অপেক্ষা কৰিলে।

সেইদিনা আছিল ৩০ নৱেম্বৰ। সেই দিনা স্থানীয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কিছুমানে বনভোজ খাবলৈ গৈছিল। দুপৰীয়া ভাত-পানী খোৱাৰ পিছত ছাত্ৰ-ছাত্ৰী সকলে আনন্দতে নাচ গান আৰম্ভ কৰিলে। সিহঁতৰে মাজৰ প্ৰাঞ্জল আৰু বিস্তয়ে দলৰ পৰা ফালৰি কাটি সৰু জলপ্ৰপাতটোৰ পাৰত উপস্থিত হ'লগৈ। ঠাইখন বৰ সুন্দৰ। চাৰিওফালে চৰাইৰ কলধ্বনি। ইফালে সিফালে চাই দুৰলৈ এটা পাহাৰৰা পথ দেখা পালে। পথটোৰ ভাঁজটোতে এখন গাড়ী বৈ থকাও দেখিলে।

এই জংঘলৰ মাজত এইটো সময়ত ক'ৰ পৰা গাড়ীখন ওলালহি! সিহঁত কৌতূহলী হৈ উঠিল। দুয়ো লাহে লাহে গাড়ীখনৰ কাষ চাপি গ'ল। চকুত পৰিল নম্বৰ প্লেটত — A. S. Z - 7350 নম্বৰটো। পঢ়ি চাই প্ৰাঞ্জলে ক'লে —" তই মন কৰিছানে বিস্তু, সেই ৰহস্যজনক গাড়ীখনৰ নম্বৰটো আছিল A. S. Z - 5350 ।

"যদি সাত সংখ্যাটো পাঁচ কৰি পুলিচৰ চকুত ধূলি দিয়া হৈছিল?" বিস্তুয়ে অভিজ্ঞ পুলিচ অফিচাৰৰ দৰে প্ৰশ্ন কৰিলে।

"ৰবি ৰবি, মোৰ মনলৈ বুদ্ধি এটা আহিছে" কথাৰ লগে লগে প্ৰাঞ্জলে সাত সংখ্যাটোত হাত দিলে। কিছু সময় ইফাল সিফাল ৰবি দিয়াত সাত সংখ্যাটো লৰচৰ কৰি উঠিল।

হঠাৎ আৰ্বিভাৱ হ'ল দুটা গুণ্ডা চেহেৰাৰ মানুহৰ। মানুহ দুটা জাপ মাৰি সিহঁতৰ ওপৰত পৰিল। সিহঁতে একো ধৰিব নোৱাৰিলে। সিহঁতে কিবা কোৱাৰ আগতে মানুহ দুজনে দুয়োটাৰে মুখত সোপা দি বান্ধি গাড়ীত তুলিলে। উল্কা বেগেৰে গাড়ী গুছি গ'ল।

কলেজীয়া দলটো তেতিয়া নাচ গানত মচগুল হৈ আছিল। কোনোৱে গান গাইছিল, কোনোৱে নাচিছে, মুঠতে বেচ আনন্দ স্ফুৰ্তিৰে সময় অতিবাহিত হৈ আছিল। কিন্তু বিষাদৰ ক'লা ডাৰৰ নামি আহিবলৈ বেছি দেৰি নালাগিল। সিহঁতৰ মাজেৰে নিপুৰে প্ৰথমে কথাটো লক্ষ্য কৰিলে। সি ৰাজেশক সুধিলে— " প্ৰাঞ্জল আৰু বিস্তক দেখা নাই। সিহঁত ক'লৈ গৈছে তই জান নেকি?" কিন্তু অ'ত ত'ত ভাগ হৈ থকা দলটোত সিহঁতক দেখা নাপালে। কোনোবা এটাই ক'লে প্ৰাঞ্জল আৰু বিস্তক পাহাৰৰ বাটটোৰে যোৱা দেখিছে। দলৰ অধিনায়ক অসীমৰ কাণত পৰাৰ লগে লগে তৎক্ষণাত এটা হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। পাহাৰৰ ওপৰলৈ যোৱা বাটটোৰে কেইজনমান দৌৰা দৌৰিকৈ আগুৱাই গ'ল। জুৰি. ভাৰতী, ভাগিৰথী, ডেইজী, ৰবিতাইতে ভয়তে উচুপিবলৈ ধৰিলে।

গাড়ীখন য'ত আছিল সেই ঠাইত উপস্থিত হৈ নিপুৰে গাড়ীৰ চকাৰ চিনবোৰ দেখা পালে। সি ৰাজেশক মাতি ক'লে—" চাচোন ৰাজেশ, ইয়াত নিশ্চয় গাড়ী এখন ঘুৰাইছিল।"

ঃ কিন্তু গাড়ী ইয়ালৈ কিয় আহিছিল?

উত্তৰ কোনেও বিচাৰি পোৱা নাছিল। অৱশ্যে সকলোৱে উপলব্ধি কৰিলে গাড়ীখনৰ লগত প্ৰাঞ্জল আৰু বিস্তৰ নিৰুদ্দেশৰ নিশ্চয় কিবা সম্পৰ্ক আছে। যদি সিহঁতক কোনোবাই অপহৰণ কৰিছে।

অসীম মৰ্মাহত হ'ল। সি উন্মাদৰ দৰে বহুত সময় বিচাৰি অৱশেষত মুৰে কপালে হাত দি বহি পৰিল। বাটটো মাজতে ফাটি দুটা হৈছে। গাড়ীখন কোনটো বাটেৰে গৈছে জানিব? সি এতিয়া প্ৰাঞ্জল আৰু বিস্তৰ

ধৰত কি ক'ব? সিহঁত বা এতিয়া কি বিপদত পৰিছে।

আন্ধাৰ কোঠা এটাত প্ৰাঞ্জল আৰু বিন্তুক হাতে ভৰিয়ে বান্ধি পেলাই থোৱা আছে। দুয়োটাৰে মুখ বন্ধা। ক'লৈ আনিছে বা ক'ত সিহঁতক বন্দী কৰি ৰাখিছে একো উমান ধৰিব পৰা নাই। কোনোবা এফালৰ পৰা দুজন মানুহৰ কথাবার্তা সিহঁতৰ কাণত পৰিল।

ঃ আমি সিহঁতৰ মুক্তিপণ দুই লাখকৈ দাবী কৰিব পাৰোঁ।

ঃ সেইটোৱে হওক। কিন্তু কামটো কাৰ জৰিয়তে কৰিবা?

ঃ তই একেবাৰে বুৰবক হৈ আছ! সিহঁতৰ হতুৱাই ফোন কৰাম।

ঃ আমাৰ ফোন কৰা উচিত নহ'ব। কেনেবাকৈ ধৰা পৰিব পাৰোঁ। কোনোৱা P. C. O অৰ পৰা সিহঁতৰ মাক বাপেকক ক্ৰেইমটো জনাই দিব পাৰি।

ঃ ঠিক কৈছ তই। তই এতিয়াই সিহঁতৰ গার্জেনৰ নাম ঠিকনা উলিয়াবলৈ চেষ্টা কৰ গৈ। মই অলপ সময়ৰ কাৰণে ওলাই যাওঁ।" সোনকালে ঘূৰি আহিম।

গাড়ীৰ শব্দ আহি সিহঁতৰ কাণত পৰিল। কোনোৱা এটা তাৰ পৰা তেন্তে ওলাই গৈছে। প্ৰাঞ্জলে দুই কাণ সজাগ কৰি ৰৈ থাকিল। দুৱাৰ খোলাৰ শব্দ শুনা গ'ল। হাতত এটা লণ্ঠন লৈ সোমাই আহিল গুণ্ডা যেন লগা ৰুক্ষ চেহেৰাৰ মানুহটো। সি ক'লে— " ঐ ল'ৰাহঁত! তহঁতে যদি মোৰ কথামতে চল তহঁতক মই খাব দিম, বান্ধ খুলি ভালকৈ থাকিবলৈ দিম। ক, চলিবি মোৰ কথামতে।"

দুয়োটাই মূৰ দুপিয়াই সন্মতিসূচক ভংগী কৰিলে। মানুহটোৱে দুবাৰ হাততালি দিলে। এটা মানুহ সোমাই আহিল। সি ক'লে—" ইহঁতৰ খানা আন।" মানুহটো আঁতৰি গ'ল। প্ৰথমটোৱে সিহঁতৰ মুখৰ বান্ধ খুলি দি ক'লে— "চা, তহঁতে পলাবলৈ চেষ্টা নকৰিলে আমি তহঁতক একো নকৰোঁ। আমি তহঁতৰ বন্ধুহে , শত্ৰু নহয়।"

প্ৰাঞ্জলে ক'লে —" আমি নপলাওঁ খুৰা। আমাৰ বান্ধ খুলি দিয়ক।"

ঃ নপলাবতো?

ঃ শপত খাই কৈছোঁ খুৰা। আমি নপলাওঁ— বিন্তুৱে উত্তৰ দিলে।

মানুহটোৱে সিহঁতৰ বান্ধ খুলি দিলে। ইতিমধ্যে দ্বিতীয়টোৱে খানা আনিলে। দুয়োটাই খালে। ভোক গুচাত দুয়ো যেন জীৱন ঘুৰাই পালে। প্ৰাঞ্জলে ক'লে, "ই ককালৰ বান্ধটো টিলাই দিয়কচোন। বৰ দুখ পাইছোঁ।

ঃ দিম , দিম। একেবাৰে খুলি দিম। প্ৰথমে ক তোৰ নাম কি?

প্ৰাঞ্জলে চকুৰে এটা ইঙ্গিত দিয়াত বিন্তুৱে ক'লে —মোৰ নাম গৌতম শৰ্মা।

ঃ দেউতাৰৰ নাম?

ঃ দ্বীপেন শৰ্মা।

নাম দুটা কাগজ এডোখৰত লিখি সি প্ৰাঞ্জলক সুধিলে —" তোৰ নাম?"

ঃ প্ৰহ্লাদ বেজবৰুৱা।

ঃ দেউতাৰৰ নাম?

ঃ ৰীপম বেজবৰুৱা।

ঃ ঠিকনা?

ঃ ৰঙাজান চাহ বাগিচা।

মানুহটো যেন আনন্দিত হ'ল। সি নাম দুটা গৰ কাগজ ডোখৰ লিৰিকি বিদাৰি থাকোঁতেই প্ৰাঞ্জলে লৰালৰি তুলি জোৰেৰে মানুহটোৰ গালে দলিয়াই দিলে। লগে লগে দপ্ দপ্‌কৈ জুই জ্বলি উঠিল। জুইৰ পোহৰত কোঠাটো উজলি উঠিল। মানুহটো হতভম্ব হৈ পৰিল। বিন্তুৱে একেজাপে মানুহটোৰ চুলিত ধৰি বগৰাই দিলে। প্ৰাঞ্জলে তাৰ মুখত সোপাটো গুজি দি ৰচীৰে বান্ধি পেলালে। বাহিৰত গাড়ী এখন অহাৰ শব্দ শুনিলে। প্ৰাঞ্জল আৰু বিন্তু লৰালৰিকৈ কোঠাৰ পৰা বাহিৰৰ অন্ধকাৰলৈ দৌৰ দিলে।

ঘটনাৰ সোঁত তেতিয়া বিপৰীতমুখী হৈছে। গাড়ীৰ পৰা নমা মানুহ দুজনে কাপোৰ পোৰা গোন্ধ পাই ঘৰৰ ভিতৰৰ পৰা উজ্জ্বল পোহৰ দেখি উদ্বিগ্ন হৈ পৰিল। কোঠাৰ ভিতৰলৈ দৌৰি সোমাই গ'ল। কিন্তু ই কি! তাত বন্দী কেইজন নাই, সঙ্গীজন অৰ্ধদগ্ধ হৈ পৰি আছে। তেওঁ এতিয়া চিকিৎসা লাগে। সিহঁতৰ মগজুলৈ এতিয়া বন্দী দুটাৰ কথা অহা নাই। সিহঁতে ততাতৈয়াকৈ সঙ্গীজনক গাড়ীত তুলিলেগৈ।

প্ৰাঞ্জল আৰু বিন্তুৱে সেই সুযোগতে আহি গাড়ী ডিকিত সোমালহি। ড্ৰাইভাৰৰ চিটত বহা জনে গাড়ী এৰি দিলে।

□ □ □

সম্পূর্ণ বাৰ ঘণ্টা পাৰ হৈ গ'ল। সময় তেতিয়া ৰাতি তিনি বাজিছে। পুলিচ ইন্সপেক্টৰ অবিনাশ বৰ্মন শ্ৰান্তৰ দৰে ঘৰৰ ভিতৰলৈ সোমাই আহিল। তেওঁৰ পত্নীয়ে ব্যাকুল হৈ সুধিলে— পালা, খবৰ পালা কিবা? বেগতে কোৱা।

ঃ নাই। একো খবৰ পোৱা নাই। দেউতাকহঁতে কোনেও নাজানে ক'লৈ গ'ল সিহঁত। অপূর্ব ঠাকুৰে মোক ফোন কৰাৰ পাছত নিপু আৰু ৰাজেশকলৈ ওলাই গ'ল; এতিয়া, ঘুৰা নাই।

ঃ তেন্তে এতিয়া কি হ'ব।

ঃ তুমি চিন্তা নকৰিবা। মিঃ বৰ্মনে আশ্বাস দিলে — ঠাকুৰ নিজে দলবল লৈ ওলাই গৈছে। বিশেষ ভাৱে পুলিচৰ দল মোতায়ন কৰা হৈছে। নগৰৰ বাহিৰলৈ কোনো যাব নোৱাৰে। সকলো চেকিং হ'ব। পুলিচে তালাচি চলাইছেই।

ঃ কিন্তু সিহঁত নিৰুদ্দেশ হৈছে আবেলি তিনি বজাতে। তেতিয়াৰ পৰা এই ৰাতি তিনি বজালৈ কিমান সময় ভাবি নোচোৱা কিয়? প্ৰাঞ্জলৰ মাক প্ৰীতিলতা বাইদেউ কান্দি কান্দি লেবেজান হৈ গৈছে। বিন্তুৰ মাকৰো একেই অৱস্থা। তেওঁলোকক কি বুলি সান্ত্বনা দিওঁ?

ক্রিং..... ক্রিং..... ক্রিং.....। বৰ্মনে ফোনৰ বিচিভাৰ উঠালে। হঠাতে চঞ্চল হৈ উছিল মি ঃবৰ্মন। তেওঁ শ্ৰীমতীক আশ্বাস দি লৰালৰিকৈ গৈ গাড়ী ষ্টাৰ্ট দিলে। পলকতে গাড়ী অদৃশ্য হৈ গ'ল।

□ □ □

এটা বেনামী ফোন পাই থানাৰ সহকাৰী দাৰোগা উত্তেজিত হৈ উঠিল। তেওঁ চিনিয়ৰ হাবিলদাৰজনক মাতি সশস্ত্ৰ বাহিনীৰ অধিনায়কলৈ এটা আৰ্জেণ্ট নোট দিলে। পৰিদৰ্শক বৰ্মনলৈ ফোন কৰিলে যদিও তেওঁক নাগাই কমিচনাৰ চাহাবৰ লগত যোগাযোগ কৰিলে। কমিচনাৰ স্বয়ং আহি উপস্থিত হ'লহি।

সহকাৰী দাৰোগাই জনালে এটা ফোন আহিছিল ছাৰ।

ঃ ফোন কোনে কৰিছিল?

ঃ পৰিচয় দিয়া নাই ছাৰ। কিন্তু কোৱা হৈছে যে গাড়ীৰ নম্বৰ এ. এচ জেদ ৫৩৫০; আৰোহীৰ সৈতে এতিয়া স্থানীয় চিকিৎসালয়ত।

দলটো সাজু হৈ ওলাই গ'ল। চিকিৎসালয়ত উপস্থিত হৈ তেওঁলোক আচৰিত হ'ল। অ' চি ঠাকুৰে দুটা গুণ্ডাৰ চেহেৰাৰ মানুহক জেৰা কৰি আছে। চাৰিও ফালে অস্ত্রধাৰী পুলিচে হস্পিতাল চৌহদ আগুৰি আছে।

কমিছনাৰক দেখি প্ৰাঞ্জল আৰু বিন্তু দৌৰি আহিল। প্ৰাঞ্জলে ক'লে— আমিয়েই ফোন কৰিছিলোঁ ছাৰ। কলিতাৰ হত্যাকাৰী আৰু সত্তৰ হাজাৰ টকা লুট কৰা আচামী ইহঁতেই ছাৰ। ইহঁতে আমাকো কিড্‌নেপ কৰিছিল।

অৰ্ধদগ্ধ অপৰাধীৰ তেতিয়া অন্তিম অৱস্থা। তাৰ কোনো ষ্টেটমেণ্ট ল'ব পৰা ন'হল। এ. এচ. জেদ ৭৩৫০ নম্বৰ গাড়ীখনৰ কাষ চাপি সাত সংখ্যাটোৰ ওপৰত জোৰেৰে হেঁচি দি প্ৰাঞ্জলে ক'লে— চাওক ছাৰ। সাত সংখ্যাৰ ৰহস্য হ'ল, জোৰেৰে পুচ কৰিলে সি অন্তর্ধান হৈ যায়। সেই স্থান পাঁচ সংখ্যাই অধিকাৰ কৰে। আচলতে ৭৩৫০ আৰু ৫৩৫০ একেখন গাড়ী।

কমিছনাৰে আনন্দতে প্ৰাঞ্জল আৰু বিন্তুক ক'লে — "চাবাচ, তোমালোকেই দেশৰ ভৰিষ্যৎ। তোমালোকৰ সহায়ৰ বাবেই এই কুখ্যাত অপৰাধীহঁতক ধৰা সম্ভৱ হ'ল।" আটাইবে মুখত হাঁহি বিৰিঙি উঠিল।

□ □ □

চিন্তনীয়

উত্তৰ পূৰ্বাঞ্চল বনজ সম্পদ, তেল, কয়লা আৰু চাহৰ ক্ষেত্ৰত অতি সমৃদ্ধিশালী। কিন্তু আমাৰ বিদ্যালয়সমূহৰ পাঠ্যক্ৰমৰ অন্তৰ্গত কোনো এখন পাঠ্যপুথিতেই এই সম্পদৰাজি সম্বন্ধীয় এটাও পাঠ নাই। নিজৰ মাতৃভূমি তথা ইয়াৰ চৌপাশৰ বিষয়ে উঠি অহা চামক জ্ঞান প্ৰদান কৰাব পগতে এই দিশত অনুধাপিত কৰাটো আমাৰ অন্যতম দায়িত্ব হোৱা উচিত।

— জাহ্নু বৰুৱা

নিশাৰ আলহী

সুৰভি দাস

এনেকুৱা এটা পৰিস্থিতিৰ সন্মুখীন হৈ এইদৰে ভয় খাব বুলি ইৰাই কেতিয়াও নিজে ভবা নাছিল, অথবা দুবছৰ আগেয়ে মাকে ইয়াকে ভয় কৰি ঘৰৰ পৰা দূৰত থকা আওহতীয়া গাঁও গাগলমাৰীলৈ চাকৰি কৰিবলৈ আহিব তেওঁক বাৰে বাৰে বাধা দিছিল।

কেবাটিও পৰিয়াল থাকিব পৰাকৈ সজা এটি সুবিধাজনক ভাৰা ঘৰ। প্ৰকাণ্ড ঘৰটো দুটা কোঠা অধিকাৰ কৰি থকা ইৰাত বাদে কোনোৱেই আজি ঘৰত নাই। চৌধুৰীহঁত গুৱাহাটীলৈ গৈছে, নীলিমা বৰা গৈছে ঘৰলৈ, আনকি ইৰাৰ একেবাৰে কাষতে থকা তালুকদাৰ দম্পতি ৰাতিপুৱাতে বুঢ়া গোঁসাইৰ থানলৈ গৈছিল, এই নিশাখনো দেখা দেখি নাই। যোৱাৰ সময়ত তেওঁলোকে ইৰাকো লগ ধৰিছিল, ইৰা নগ'ল। নোযোৱাৰ প্ৰধান কাৰণ দুটা, এটা হৈছে দুজন ব্যক্তিৰ লগত তৃতীয় জনৰ উপস্থিতি বৰ মধুৰ নহয়, আনটো হৈছে বুঢ়া গোঁসাইক পূজা কৰিলে সোনকালে সঙ্গী মিলে বুলি মিচেছ তালুকদাৰে কৰা অনুকম্পা মিহলি উক্তি। মিচেছ ৰাণী তালুকদাৰে পাকে-প্ৰকাৰে ইৰাক কৈ থাকে চাকৰিত সোমাৰাতকৈ বিয়াত সোমোৱাটোহে তিৰোতাৰ বাবে ডাঙৰ কথা। সময়ৰ কাম সময়তে নকৰিলে পিচত আপচোচ আহে। ইৰাই উত্তৰত একো নকয় যদিও ৰাণীৰ কথা কেতিয়াও মানি নলয়। মান্ধাতাৰ দিনৰে ভাব আদৰ্শ বৰ্ত্তমান যুগত চলাই নিয়াত ইৰাৰ সমৰ্থন নাই। তিৰোতাৰো জীৱনটোক নিজস্ব দৃষ্টিভঙ্গীৰে নিৰীক্ষণ কৰাৰ সামৰ্থ্য আছে।

আবেলি তালুকদাৰহঁত উভতি অহাৰ কথা আছিল। কিন্তু আহিব কেনেকৈ? দুপৰীয়াৰ পৰা ৰাতি আঠ বজালৈ নেৰা নেপেৰা ববষুণ পৰি আছিল। তদুপৰি তেওঁলোক যি ঠাইলৈ গৈছে মাজতে নদী এখন পাৰ হৈ যাব লাগে।

ইৰা থকা ঘৰটোৰ ইফালে সিফালে মানুহৰ ঘৰ নাই। এফালে আছে এখন বাঁহনি, এফালে প্ৰকাণ্ড পুখুৰী এটা, এফালে আলিবাট, আনফালে দিগন্তৰ পাহাৰলানিত মিলি যোৱা শ্যাম বৰণীয়া খেতি পথাৰ। ববষুণৰ জম জম শব্দ, বজ্ৰৰ কাণ তাল মৰা শব্দ, বতাহৰ সোঁ-সোৱনি মাৰ যোৱাৰ পিচত চাৰিওফালে যেন অনন্ত নীৰৱতা বিৰাজ কৰিছে।

ববষুণজাকে যত কূটৰ ঘাই। ববষুণ নোহোৱা হ'লে গাঁৱৰ পৰা নিয়তি নামৰ নৱম শ্ৰেণীত পঢ়া ছোৱালীজনী ইৰাৰ ওচৰলৈ অঙ্ক শিকিবলৈ আহিলহেঁতেন। প্ৰতি দেওবাৰে অহাৰ দৰে কলী আবু বুলি খ্যাত বুঢ়ী এগৰাকীয়ে ঢেকীয়াশাক, কলডিল, ভেদাইলতাৰ পাত আৰু নৰসিংহৰ পাত লৈ ইৰাক বিচাৰি আহিলহেঁতেন। ইৰাক অকলশৰীয়া দেখিলে কলী আবুয়ে নিজেই ইৰাক এৰি নগ'লহেঁতেন।

আচলতে ভয় কৰিবলগীয়া একো নাই। আকস্মিক ভাবে আজি অকলে থাকিবলগীয়া হৈছে ইৰাই, এইদৰে ৰাতিটো পাৰ হৈ যাব। এতিয়া ইৰাই নিশাৰ কাজ কৰ্ম শেষ কৰি শেতেলীত পৰাটোৱে ভাল।

ঠিক এনে সময়তে ইৰাৰ কোঠাৰ বাহিৰৰ ফালৰ দুৱাৰত প্ৰথমে কেইটিমান মৃদু টোকৰ, তাৰ পিচত প্ৰবল ডাঙৰ টোকৰ, তাৰ পিচত বেচ ডাঙৰকৈ দিয়া টোকৰ

শুনা গ'ল।

যতে বাঘৰ ভয় ততে ৰাতি হয়। দুখ আৰু ভয়ৰ মাজতো কলীয়া মেঘত বিজুলীৰ সোণোৱালী ৰেখাৰ দৰে হৃৱাৰ মনেৰে হাঁহিৰ ভাব এটি পাৰ হ'ল।

টোকৰ মৰা শেষ হোৱাৰ পিচত কিছু সময় নীৰৱতা। দেখা যাওক ক'ৰ পানী কলৈ যায়। সোমাবলৈ দৰকাৰ আছে যদি আৰু টোকৰ মাৰিব। অৱশ্যে দুৱাৰ ভাঙিও সোমাব পাৰে।

দুৱাৰত শব্দ শুনাৰ পিচত ইৰাৰ ভয় কমি গৈছে। চোৰ হওক, ডকাইত হওক নাইবা লম্পতেই হওক দুৱাৰত যিজনে এনেকুৱা শব্দ কৰিছে তেওঁ মানুহ। মানুহত বাদে এনে শব্দ আনে নকৰে, কৰিব নোৱাৰে।

"বাইদেউ, বাইদেউ।" নাৰীৰ কণ্ঠস্বৰ। ইৰাই আকৌ ছাঁটোটে বাঘটো দেখে।

ইৰাই লৰালৰিকৈ দুৱাৰ খুলিলে। বিনা বাক্যব্যয়ে মানুহজনী সোমাই আহিল।

মানুহজনীক দেখি ইৰাৰ চকু কপালত উঠিল। সৃষ্টি কৰ্ত্তাই সমগ্ৰ শক্তি প্ৰয়োগ কৰি সুন্দৰকৈ নিৰ্মাণ কৰা নাৰী এগৰাকী। ইৰাৰ বিস্ময়ৰ সীমা নাই।

" মই পুখুৰীৰ পৰা উঠি অহা ভূতুনী নহওঁ। মই গীতা।"

"ভূত বুলি ভবা নাই। অপেস্বৰী হ'লে হ'ব পাৰা।" ইৰাই ক'লে।

" মই আজি ৰাতিৰ আলহী। ৰাতি কথা পাতিম, খাম আৰু অৱশেষত টোপনি মাৰিম।"

" হ'ব , হ'ব। কোনো কথা নাই।"

" মোলৈ ভয় লাগিছে? মোক ভয় কৰিলগীয়া নহয় বুলি নকওঁ। পিচে তোমাৰ কোনো অনিষ্ট কৰিবলৈ অহা নাই।"

" হ'ব বাৰু। মই চাহ একাপ আনো।" এই বুলি কৈ ইৰাই ভিতৰলৈ সোমাই গ'ল।

চাহ বিস্কুট লৈ ইৰাই গীতাৰ কাষলৈ আহিল। গীতালৈ চাহ আগবঢ়াই ইৰাই সুধিলে, "মোক তুমি কেনেকৈ চিনি পালা? মইতো তোমাক চিনি নাপাওঁ।"

" মোক চিনি নোপোৱা, বহুতে প্ৰয়োজন অনুসৰি চিনি পায়। মোক চিনি পাবলৈ যত্ন নকৰিবা। মোৰ নাম আছে, দাম নাই।"

"তেনেহ'লে একেবাৰে চিনি পাইছোঁ।"

দুয়োজনীয়ে দুয়োজনীৰ চকুৰে চকুৰে চালে। দুয়োৰে হাঁহি উঠিল।

গীতা কোনো এক নিষিদ্ধ সংগঠনৰ আত্মগোপনকাৰী সদস্যা । জীৱন বিপন্ন কৰি বাচি লৈছে অসাধৰণ পথ। কি প্ৰবল ব্যক্তিত্ব। কি চুম্বকৰ দৰে আকৰ্ষণ। গীতাৰ কাষত ইৰাৰ নিজকে সৰু সৰু যেন লাগিল।

চাহ কাপ পান কৰাৰ পিচত গীতা বাথৰুমলৈ গ'ল। ইৰাই ৰান্ধনীঘৰত সোমাল।

ইৰাৰ মনত হেজাৰটা প্ৰশ্নই ভূমুকি মাৰিছে। গীতাৰ আচল নাম কি? ঘৰ ক'ত আছিল? কেনেকৈ আৰু কিহৰ বাবে আত্মগোপনকাৰী হ'ব লগা হ'ল? তেওঁ সন্ত্ৰসবাদত বিশ্বাস কৰে নেকি? বোমা পুতি সাধৰণ মানুহক বধ কৰি মানুহৰ মাজত আতঙ্কৰ সৃষ্টি কৰি তেওঁ নতুন পৃথিৱী সৃষ্টি কৰিব নেকি? গোটেই পৃথিৱীতে সন্ত্ৰাসবাদৰ জয় জয় ময় ময় অৱস্থা। সৌ সিদিনা আমেৰিকাৰ গৌৰৱ 'ট্ৰেড চেণ্টাৰ'ৰ অট্টালিকা সন্ত্ৰাসবাদীয়ে ধ্বংস কৰিছে। সন্ত্ৰাসে ধ্বংসহে কৰিব পাৰে, একো সৃষ্টি কৰিব নোৱাৰে।

ইৰাই ভাত ৰান্ধিবলৈ ধৰাত গীতায়ো আহি সহায় কৰিলে। সেই সময়ত দুয়োজনীয়ে ৰন্ধা বঢ়াৰ কথাকে পাতিলে।

খোৱা বোৱা শেষ হোৱাৰ পিচত দুয়োজনীয়ে ৰাহিৰফালৰ ৰাৰন্দাত অকণ মান ৰহিল।

" তুমি বাচি লোৱা পথ এৰি ঘূৰি আহা।" ইৰাই ভয়ে ভয়ে গীতাক ক'লে।

" তুমি বৰ সহজ সৰল। সহজ পথ এৰি গুছি গ'লে উভতি অহা সহজ নহয়। পদে পদে বিপদ আছে। পিচে জীৱন আজিকালি কাৰো বাবে সহজ নহয়। ব'লা আমি শুই পৰোঁগে। টোপনি ধৰিছে।"

পিচদিনা ৰাতিপুৱা সাৰ পাই উঠি খিৰিকী খুলি ইৰাই দেখিলে আকাশৰ ক'তো অকণো মেঘ নাই।

ইৰাই গীতা শোৱা বিচনাৰ কাষলৈ গৈ দেখিলে বিচনা উদং। ইফালে সিফালে চাই কেনিও তাই গীতাক দেখা নাপালে।

গীতা আহিছিল ধুমুহা এচাটিৰ দৰে, ঠিক একেদৰে গুছি গ'ল। .....

এক মিনটিৰ গল্প

উষ্কা

আজমল হক
স্নাতক, ৩য় বর্ষ (কলা)

-"যাব দিয়ক",- বুলি কোৱাৰ লগে লগে চালকে গাড়ী চলাবলৈ আৰম্ভ কৰিলে। গাড়ীখন কতোৱেই নৰয়। বিজাৰ্ভ গাড়ী। জিলাৰ মিটিঙত আহিছিল। ডেকা-গাভৰু আৰু বয়সীয়াল লোকেৰে গাড়ীখনৰ প্ৰতিটো ছিটেই পূৰ্ণ। কোনো এজনো খিয়, হৈ থকা নাই, সেয়েকোনো ঠেলা হেঁচাও নাই। অপূৰ্বই কেবিনত বহিছে, চাৰিজনীয়া ছিটৰ সন্মুখৰ আইনাৰ ওচৰত। সি তাৰে পৰাই গিছলৈ চালে গাড়ীৰ প্ৰায়বোৰ মানুহৰ প্ৰতিচ্ছবি দেখা পায় আৰু সন্মুখত কি যে মনোৰম দৃশ্য, শুন্য বাস্তাত হেড্‌লাইটৰ পোহৰ যেন পূৰ্ণিমাৰ বাতি। সন্মুখৰ পৰা মাজে মাজে অহা গাড়ীৰ হেড্‌লাইটৰ পোহৰে চকু ছাট মাৰি ধৰে। আইনাৰ মাজেৰে অপূৰ্বৰ চকু পৰিল তিনিজনীয়া ছিটত বহি থকা ধুনীয়া গাভৰু এজনীলৈ। চকুতে চকু পৰাৰ লগে লগেই তাই মিচিকাই হাঁহিলে। অপূৰ্বই উচপখাই উঠিল। পিছ মুহূর্ত্ততে যেন তাৰ কিবা ভাল লাগি গ'ল। আকৌ এবাৰ চালে; গাভৰুজনীয়ে তাক লক্ষ্য কৰিয়েই আছে। অপূৰ্বয়ো হাঁহিলে, গাড়ীৰ ভিতৰত জ্বলি থকা মিঠা নীলা লাইটৰ পোহৰত সি ছোৱালীজনীৰ মুখখন ভালদৰে চাব পৰা নাছিল। সন্মুখৰ পৰা অহা গাড়ীৰ পোহৰে ছোৱালীজনীৰ মুখখন মুহূর্ত্তৰ বাবে উজলাই তুলিছিল। অপূৰ্বই তাইৰ সৌন্দৰ্য্য লক্ষ্য কৰে যদিও সি তাইৰ মুখখনত যেন কিবা বিচাৰি আছে। দুঘণ্টা বাট কেনেকৈ পাৰ হৈ গ'ল অপূৰ্বই গমকে নাপালে। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নামি গাড়ীখন যেতিয়া ঘৰমুৱা P.W.D. ৰাস্তাত Parking কৰালে তেতিয়া অপূৰ্বৰ চেতনা আহিল। চাহ খাবলৈ মাতিছে, অপূৰ্বই Restaurant ত বহি লক্ষ্য কৰিলে, বেচ ধুনীয়া ছোৱালী। তাইৰ উঠি অহা যৌবন, সোণালী মুখমণ্ডল, ক'লা মেঘৰ দৰে চুলিকোছা আৰু আটিল দেহাৰে 'পৰী যেন লাগিল অপূৰ্বৰ। গাড়ী পুনৰবাৰ চলিল, দুয়ো আকৌ মিচিকিয়ালে। মনত ৰঙীণ কল্পনাই বাহ ল'লে। এইবাৰ গাড়ীখন বখোৱা যেন অনুমান হ'ল। হয় পালেহি। গাড়ীৰ পৰা নামি আহিল। ৰাতি দহ বজালৈ উৎকণ্ঠাৰে অপেক্ষাৰত দদায়েকৰ লগত তাই গুচি গ'ল। - তাইৰ নামটোও সোধা নহ'ল। ঘৰ ক'ত তাকো নাজানিলে অপূৰ্বই। নেতাৰ নিৰ্দেশত 'মিটিঙে মিটিঙে' ইন্‌কিলাৰ' দি ফুৰা বেকাৰ অপূৰ্বই বিষন্ন মনেৰে ঘৰলৈ খোজ দি ভাবিলে- চিনাকি দিবলৈকে তাৰ নিজৰ দেখোন একোৱেই নাই।

বিভ্রাট

আব্দুল বাতেন আকন্দ
স্নাতক, ২য় বর্ষ (কলা)

টিঙ্কু, জিন্টি, ভোলা আৰু বিঙ্কু চাৰিওজনে গাঁৱৰ তিনি আলিৰ এটি চকুত চাৰিটা বাঁহৰ খুটিৰ ওপৰত কেৰম এখন স্থাপন কৰি লৈছে। বৰষুণ নিদিয়া দিনকেইটা তেওঁলোকে এই আঁহত জোপাৰ তলতেই খেলে। খেল আৰম্ভ হয় মানে কাৰো দুপৰীয়াৰ ভাতৰ কথা মনত নাথাকে। গেম খেল, ফকিৰি খেল, একক, দ্বৈত আদি নানাখেল বাজী ধৰি ধৰি খেলে। চাৰিজনে এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা দিছে। পৰীক্ষা মানেসেই.....। পাছ কৰাটো ধান্দা নহয়, নিদিলে অভিভাৱকে নেৰে- সেয়াই, এবাৰৰ নহয়, টিংকু আৰু ভোলাই দুইবাৰকৈ ফেলৰ পিয়লা চুহিছে, এইবাৰ তেওঁলোকৰ তৃতীয় অভিযান। খেলৰ মাজতে তেওঁলোকৰ আলোচনা, কোনে কি কৰিলে, কোনজনী ছোৱালী কেনেকৈ খোজকাঢ়ে, কাৰ চুলিৰ কাট কেনে, কাৰ ছোৱালী বেছি ধুনীয়া-সীমাহীন আলোচনাৰ অন্ত নপৰে বিশেষকৈ এই চাৰিমূৰ্ত্তি একেলগ হ'লে।

টিঙ্কু, বিঙ্কু, জিন্টি, ভোলা চাৰিওজন ছোৱালী জোকোৱাত পাকৈত। সেয়ে গাঁৱৰ ছোৱালীবোৰে এই চাৰিজনক দেখিলে বনৰজা বাঘ দেখা যেন দেখে, কোনেও নামাতে এই চাৰিওজনক। গাঁৱৰ ছোৱালীবোৰ অকলে অকলে প্ৰায়ে সেই তিনি আলিটোত নাহেই। সকলোৱে জানে তালৈ গ'লে কি কি শব্দ শুনিব লাগিব। বহুতেই শুনিও নুশুনাৰ ভাও লয়। ছোৱালীবোৰে ভালদৰেই জানে এওঁলোকৰ লগত প্ৰতিবাদ কৰিলে কোনো ওৱালগালি দিয়ে। দুই চাৰিজনীয়ে মুখামুখিকৈ নোকোৱাকৈ নাথাকে। নিকপায় পিতৃসকলে ধুবন্ধৰ চাৰিটাৰ কিমান যে বিচাৰ কৰিছে হিচাপ কৰা টান।

সোমবাৰ। আগদিনাই দিয়া সময়সূচী মতে পুৱা ন বজাত আহি কেৰমৰ চাৰি কাষত স্থান লৈছে। টিঙ্কুৰ ষ্ট্ৰাইক, গুটি নামাৰি, বাটলৈ চকু দিছে ; দূৰৰ বাঁহনি ডৰাৰ আঁৰত পৰা জিন্সৰ স্কাৰ্ট পৰিহিতা ছোৱালীজনী দেখিয়েই ক'লে-'আহিছে'। তিনিও অগা-পিছাকৈ বাটলৈ চাই একো নেদেখি টিংকুক সুধিলে- কি আহিছে ? টিঙ্কুই ক'লে,- "পটাই দিব পাৰ যদি তহঁতক খানা দিম।" টিঙ্কুই দেই, কি ধুনীয়াকৈ খোজ কাঢ়ি আহি আছে। একেবাৰে গজগামিনী আকৌ তিনিওজন বন্ধুক অনুৰোধ কৰিলে যাতে তেওঁৰ হৈ টিঙ্কুৰেই ভনীয়েক কৰী।

দৃষ্টিভঙ্গী

(বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ প্ৰয়াস আগত ৰাখি 'দৃষ্টিভঙ্গী' শিতানটো আগবঢ়োৱা হৈছে। মহাবিদ্যালয়ৰ বিভিন্ন অঙ্গৰ প্ৰতিনিধিত্বসূচক সাতগৰকী ব্যক্তিলৈ দুটা প্ৰশ্ন প্ৰেৰণ কৰা হৈছিল। ছগৰাকীৰ লিখিত উত্তৰ সন্নিবিষ্ট কৰা হ'ল। এগৰাকীৰ উত্তৰ পোৱা নগ'ল। প্ৰশ্ন দুটা মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী,ছাত্ৰ-ছাত্ৰী অভিভাৱক তথা শুভাকাঙ্ক্ষী ৰাইজলৈ আগবঢ়াইছোঁ। ইচ্ছুকসকলে লিখিত উত্তৰ অধ্যক্ষ (ভাৰপ্ৰাপ্ত)লৈ প্ৰেৰণ কৰিব পাৰে।

— সম্পাদনা সমিতি)

১ নং প্ৰশ্ন : বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ শৈক্ষিক মান সম্পৰ্কে আপোনাৰ অভিমত কি?

২ নং প্ৰশ্ন : একবিংশ শতিকাত আহি পৰা প্ৰত্যাহ্বানৰ সন্মুখীনে হ'ব পৰাকৈ শৈক্ষিক মান বৰ্ত্তমানতকৈ উন্নত কৰিবলৈ কি কি কাৰ্য ব্যৱস্থা ল'ব লাগে বুলি আপুনি ভাবে?

নিৰোদ বৰণ দাস

ভাৰপ্ৰাপ্ত অধ্যক্ষ

১ নং প্ৰশ্নৰ উত্তৰঃ মহাবিদ্যালয়ৰ মান অতি উন্নত নহলেও বৰ্ত্তমান বেয়াও নহয়।

২ নং প্ৰশ্নৰ উত্তৰঃ বৰ্ত্তমান শতিকাৰ চাহিদা অনুযায়ী শৈক্ষিক মান উন্নত কৰিবলৈ পৰ্যাপ্ত আন্তঃ গাঁথনি, বৰ্ত্তমানৰ পাঠ্যক্ৰম সময়ৰ লগত খাপ খুৱাব পৰাকৈ সলনি কৰা আৰু লগতে বৃত্তিমূলক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব।

উৎসৱানন্দ দাস

সভাপতি, মহাবিদ্যালয় শিক্ষক গোট

১ নং প্ৰশ্নৰ উত্তৰ :

বৰ্ত্তমানৰ পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ আধাৰত শিক্ষকসকলে কৰা পাঠদান আৰু ছাত্ৰ-ছাত্ৰী সকলৰ স্থিতাৱস্থা বা ক্ৰমবৰ্ধমান পাঠ গ্ৰহণৰ প্ৰৱণতাকৈ চাই বি.পি. চি . মহাবিদ্যালয়ৰ বৰ্ত্তমানৰ শৈক্ষিক মান উন্নত ন'হলেও স্থিতাৱস্থা ৰক্ষা কৰিছে বুলি মই ভাবোঁ। নিম্নগামী যে হোৱা নাই এইটোও মই নিশ্চিত। কিন্তু মই সন্তুষ্টও নহওঁ । শিক্ষাৰ পৰিৱেশ আৰু শিক্ষাৰ মান পৰস্পৰ নিৰ্ভৰশীল - এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। পৰিৱেশ উন্নত হ'লে মান উন্নত হ'বলৈ বাধ্য। ইয়াত মই বাহ্যিক পৰিৱেশক গৌণ কৰি আভ্যন্তৰীণ পৰিৱেশক মুখ্য স্থান দিছোঁ। এখন মহাবিদ্যালয়ৰ আভ্যন্তৰীণ অনুকূল পৰিৱেশ বুলিলে - প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক মূল্যৱান তথা আধুনিক বিজ্ঞান সম্মত কিতাপেৰে ভৰা পুথিভঁৰাল, পাঠাগাৰ, আধুনিক আচবাব খচিত বিজ্ঞানাগাৰ, গৱেষণাগাৰ, শিক্ষকৰ বাবে আধুনিক সা-সুবিধা সম্বলিত জিৰণী কোঠা, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে অংশকালীন সময় কটাব পৰাকৈ পৰ্য্যাপ্ত পৰিমাণৰ সা-সুবিধা ইত্যাদি বুজায় আৰু এনেবোৰ সুবিধা থাকিলে শিক্ষক ছাত্ৰ-ছাত্ৰী উভয়ে পাঠদান আৰু পাঠ গ্ৰহণত আগ্ৰহী হ'ব বাবেই শিক্ষাৰ মান উন্নত হোৱাৰ যথেষ্ট সুযোগ থাকে। আজি কেইবছৰ মানৰ পৰা দেখা গৈছে যে বাহিৰৰ পৰা ছাত্ৰ-ছাত্ৰীৰ আমাৰ মহাবিদ্যালয়লৈ প্ৰব্ৰজন ক্ৰমাংৎ হ্ৰাস পাই আহিছে। বহিঃ প্ৰব্ৰজন এখন শিক্ষানুষ্ঠানৰ শিক্ষাৰ মান নিৰ্ণায়ক এটি সূচক। সেইফালৰ পৰা মহাবিদ্যালয়ত শিক্ষাৰ মানৰ স্থিতাৱস্থা কিছু পৰিমাণে শিথিল হৈছে বুলিও অনুমান কৰিব পাৰি। এই ক্ষেত্ৰত উপযুক্ত পৰিৱেশ তৈয়াৰ কৰিব পৰাকৈ কৰ্তৃপক্ষ সজাগ হোৱাৰ সময় সমাগত।

২ নং প্ৰশ্নৰ উত্তৰ :

একবিংশ শতিকাৰ শিক্ষাৰ সংজ্ঞা সলনি হৈছে। আধুনিক শিক্ষা পদ্ধতি , আধুনিক শিক্ষা ব্যৱস্থাই প্ৰতিযোগিতাৰ দৌৰত অৱতীৰ্ণ হৈছে। যাৰ ফলত বহুতো নিঃকিন শিক্ষানুষ্ঠান হয় বন্ধ হৈ যাব , নহয় পিছ পৰি থাকিব। গোলকীকৰণ, উদাৰিকৰণৰ ধাৰণাই সৃষ্টি কৰিছে এক জ্ঞানৰ বিস্ফোৰণৰ যুগ। কম্পিউটাৰ প্ৰযুক্তি, যোগাযোগ-তথ্য প্ৰযুক্তি আৰু ইলেক্ট্ৰনিক প্ৰযুক্তিৰ ন ন আবিষ্কাৰৰ

ফলত কৌশলগত জ্ঞানৰ চাহিদা প্ৰতি মুহূৰ্ততে বাঢ়ি অহাত আধুনিক শিক্ষাৰ গুৰুত্ব দুগুণে বাঢ়িছে। গতিকে শিক্ষানুষ্ঠানৰ দায়বদ্ধতাও আগতকৈ বাঢ়িছে। উন্নতদেশবোৰে বিগত দুই তিনি দশকৰ পৰা উচ্চ শিক্ষাৰ বৈপ্লৱিক পৰিবৰ্ত্তনৰ পৃষ্ঠপোষকতা কৰি আহিছে। ১৯৯৫ চনৰ 'আমেৰিকান কাউন্সিল অৱ এডুকেচন' ৰ ৰিপোৰ্টত কোৱা হৈছে — "Unless today's students develop the competence to function effectively in a global environment, they are unlikely to succeed in the 21st century". E- Education (Electronic-Education) ৰ ধৰণা দি Dr.V.P. Kulkarni ৰ NEW EDUCATION ERA ত লিখা তথ্যৰ আধাৰত নিম্ন লিখিত উদ্ধৃতিটোৱেই উপযুক্ত উত্তৰ হ'ব বুলি সন্নিবিষ্ট কৰিলোঁ— The prerequisite of a good Education system is the expert teachers. In countries like India there is a tremendous shortage of teachers particularly in a remote area. The students are deprived of good education for want of both material and teachers. The integrated Internet Education system of E - Education delivers the courses to this students directly at their door steps using various tools like multimedia and virtual reality. The local teacher has to act only as a facilitator. The support resources of the virtual bank of experts are also avilable to the students through Internet, E-mail, chat sessions, video conferences and video phones. In a very simple system, one can use MSN messenger service or yahoo messenger service and can get into a conference with the expert teachers and instantaneously exchange typed messages. The students can ask questions, clarifications and the teachers can send replies from their respective P.C's at their home... একবিংশ শতিকাৰ শিক্ষাব্যৱস্থাৰ শিক্ষককেন্দ্ৰিক আৰ্হিৰ পৰা শিক্ষাৰ্থীকেন্দ্ৰিক আৰ্হিলৈ (From teacher centred model to learner centred model) যি বিচ্যুতি (sift) ঘটিছে তাক প্ৰত্যাহবান (challange) হিচাপে ল'ব পৰাকৈ অমি প্ৰস্তুত হ'ব লাগিব। তাৰবাবে ন ন প্ৰযুক্তিগত কৌশলবোৰ আহৰণৰ বাবে বাতাৰৰণ তৈয়াৰ কৰি ল'ব লাগিব। অকল class room education যে যথেষ্ট নহয় সেয়া শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী কোনেও কাৰো বাবে অপৰিহাৰ্য হৈ নাথাকিব।

নুৰ আলম হক
মুৰব্বী, উদ্ভিদ বিদ্যা বিভাগ।

১ নং প্ৰশ্নৰ উত্তৰ : মহাবিদ্যালয়ৰ বৰ্ত্তমান শৈক্ষিক মান সম্পৰ্কে অভিমত দিয়াটো বৰ জটিল। তথাপিও মোৰ দৃষ্টিভঙ্গীৰে জুকিয়াই চাব বিচাৰিছোঁ। মহাবিদ্যালয় এখনৰ শৈক্ষিক মান নিৰ্ভৰ কৰে সু-শাসন, ছাত্ৰ-ছাত্ৰী শিক্ষক আৰু অভিভাৱক ৰ মাজত থকা সু-সমন্বয়ৰ ওপৰত। মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা অধ্যক্ষ 'দেৱ প্ৰসাদ শইকীয়াদেৱৰ সু-শাসনৰ বাবে সকলোৰে মাজত এক সু-সমন্বয় গঢ় লৈ উঠিছিল। শিক্ষক সকলেও নিয়মিত পাঠদানৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ আধ্যাত্মিক, শাৰীৰিক তথা মানসিক বিকাশত গুৰুত্ব দিছিল। কিন্তু বৰ্ত্তমান পৰিস্থিতিত, প্ৰশাসনিক কিছু শিথিলতাই দেখা দিছে, ফলত মহাবিদ্যালয়খনত শৈক্ষিক বাতাৰৰণ কিছু বিঘ্নিত হোৱা যেন ধাৰণা হয়। তদুপৰি বৰ্ত্তমান বন্ধ সংস্কৃতিৰ কু-প্ৰভাৱে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণত বাধাৰ সৃষ্টি কৰিছে। শিক্ষক-শিক্ষয়িত্ৰীসকলেও যিখিনি দায়িত্ব পালন কৰিব লাগিছিল সেয়া হোৱা নাই যেন লাগে।

২ নং প্ৰশ্নৰ উত্তৰ : আমাৰ শিক্ষা ব্যৱস্থা, বিশেষকৈ উচ্চ শিক্ষা বৰ্ত্তমান সময়ত দেশৰ চিন্তাশীল সকলৰ কাৰণে এক জটিল সমস্যা ৰূপে দেখা দিছে। বছৰৰ পিছত বছৰ ধৰি বাঢ়ি যোৱা অকৃতকাৰ্যতাৰ হাৰ, কৃতকাৰ্য হোৱা সকলবো মানৰ প্ৰশ্নত বিতৰ্কৰ অন্ত নাই। শিক্ষাৰ গুণগত মান দ্ৰুত নিম্নগামী হোৱা দেখা গৈছে।গতিকে আমাৰ অধোমুখী শিক্ষা ব্যৱস্থাৰ সংস্কাৰ বা উন্নতি সাধন কৰিবলৈ বিচাৰিলে শিক্ষক, অনাশিক্ষক উভয় পক্ষৰ সমুহীয়া প্ৰচেষ্টাৰ প্ৰয়োজন। শৈক্ষিক মান উন্নত কৰাৰ ক্ষেত্ৰত দুই ধৰণৰ কাৰ্য ব্যৱস্থা হাতত ল'লেমোৰবোধেৰে কিছু উন্নতি হ'ব। প্ৰথমতে বৰ্ত্তমান সময়ত মহাবিদ্যালয়বোৰত চলি অহা সাধাৰণ পাঠ্যক্ৰমৰ লগতে কিছু বৃত্তিমূলক দিশত লাভৱান হ'ব পৰাকৈ নতুন পাঠ্যক্ৰম খুলিব পৰা যায়।তেতিয়া বৰ্ত্তমান শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা কেৱল মানৱীয় মূল্যবোধৰ উপৰিও অৰ্থকৰী জ্ঞানবো আহৰণ হ'ব। কিয়নো এতিয়া উৎপাদন ভিত্তিক শিক্ষাৰহে আদৰ বাঢ়িছে। শিল্পোন্নত ইউৰোপ বা আমেৰিকাত ছাত্ৰ ছাত্ৰীসকলে কাৰিকৰী শিক্ষাৰ ফালেহে ধাবিত হোৱা দেখা গৈছে। Biotechnology, Genetic Engineering, Plasma Physics আদিৰ বহুল প্ৰচলন হৈছে। ইয়াৰ কাৰণ হ'ল এনেধৰণৰ কাৰিকৰী শিক্ষা অধিক অৰ্থকৰী। গতিকে সাধাৰণ বিষয়ৰ লগতে বিজ্ঞান প্ৰযুক্তি জ্ঞান থকা বিষয়ৰ শিক্ষণেও শৈক্ষিক দিশত গুণগত ভাৱে কিছু উন্নত হ'ব আৰু তেতিয়া অকাৰিকৰী শিক্ষাৰে শিক্ষিতৰ ভিতৰত অৰ্থোপাৰ্জনৰ ক্ষেত্ৰতো ডাঙৰ বৈষম্য নাথাকিব। আন কাৰ্য পন্থাৰ ভিতৰত মহাবিদ্যালয়ৰ আভ্যন্তৰীণ

সমস্যাবাজিৰ নিৰাময়ৰ কাৰণে শিক্ষাদানৰ বাবে সুস্থ পৰিৱেশৰ সৃষ্টি কৰিব লাগিব। বৰ্ত্তমান সময়ত আমাৰ মহাবিদ্যালয়কে আদি কৰি সমগ্ৰ অসমতে শিক্ষাৰ পৰিবেশ আৰু পৰিস্থিতি কিছু বিঘ্নিত হৈছে। । এনে ক্ষেত্ৰত মহাবিদ্যালয়ত অধ্যক্ষৰ দায়িত্বই অপৰিসীম। ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ বাবে সতকাই উৎসাহিত কৰিবৰ কাৰণে কলেজবোৰত যিবোৰ ন্যূনতম সা -সুবিধা লাগে, তাৰ প্ৰতি যত্নপৰ হ'ব লাগিব। বিভিন্ন খেল-ধেমালিৰ সামগ্ৰী, ছাত্ৰ-ছাত্ৰী নিবাস, উচ্চশিক্ষাৰ অংগ এক সুপৰিকল্পিত পুথিভঁৰাল, পাঠাগাৰ, বিজ্ঞান শিক্ষাৰ উন্নত বিজ্ঞানাগাৰ,তথা বিভিন্ন সা-সঁজুলিৰ যোগান ধৰিব লাগিব। তদুপৰি কলেজ এখনৰ বিল্ডিং আদি (Infnastructure) উন্নত নহ'লে হীনমন্যতাত ভুগিব। ছাত্ৰ ছাত্ৰীক সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত অভিভাৱকসকলৰো দায়িত্ব কম নহয়। ছাত্ৰ সমাজক একাগ্ৰতাৰে অধ্যয়নৰ মেজলৈ ঘুৰাই অনাৰ ক্ষেত্ৰত দায়িত্বশীল ভূমিকা ল'ব পাৰে। মোৰ দৃষ্টিৰে বৰ্ত্তমান শিক্ষা ব্যৱস্থাত শিক্ষকসকলৰ ভূমিকা সকলোতকৈ উচ্চত। বৰ্ত্তমান পৰিস্থিতিত প্ৰয়োজন হৈছে শিক্ষক শ্ৰেণীৰ সাহসী আৰু নিষ্ঠাৱান নেতৃত্ব। ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পৰাকৈ সু-চৰিত্ৰ সম্পন্ন আৰু সমাজ চেতনাৰে উদ্বুদ্ধ হ'ব লাগিব।

সুবোধ কলিতা

সভাপতি,মহাবিদ্যালয় কর্মচাৰীগোট

১নং প্ৰশ্নৰ উত্তৰ ঃ

বিমলা প্ৰসাদ চলিহা মহবিদ্যালয়ৰ বৰ্ত্তমানৰ শৈক্ষিক মান নিম্ন নহয়। ভিতৰুৱা অঞ্চলৰ অনুন্নত যাতায়ত ব্যৱস্থাৰ ঠাই হিচাপে অসমৰ আন আন মহাবিদ্যালয়ৰ তুলনাত বহুত উন্নত বুলি ক'ব লাগিব। অৱশ্যে যোৱা কিছু বছৰ ধৰি ওচৰে পাজৰে গঢ়ি উঠা উচ্চতৰ মাধ্যমিক শাখা তথা মহাবিদ্যালয়ৰ বাবে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (enrolment) বহুত খিনি হ্ৰাস পোৱাত কলেজৰ আৰ্থিক ক্ষতিৰ লগতে কিছু সৌন্দৰ্য ম্লান হৈছে। আনহাতে বৰ্ত্তমান সকলো ছাত্ৰ ছাত্ৰীৰ সম্মুখত কোনো ভৱিষ্যৎ কৰ্ম-সংস্থানৰ দিশ নোহোৱাত ছাত্ৰ-ছাত্ৰীসকলে কোনো স্থিৰ লক্ষ্য আগত ৰাখি পঢ়া-শুনা কৰিব পৰা নাই। যাৰ ফলত সামগ্ৰিকভাৱে শিক্ষাৰ ক্ষেত্ৰত সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ উদ্যম কমি গৈছে।

২নং প্ৰশ্নৰ উত্তৰ ঃ

একবিংশ শতিকাৰ শিক্ষা ব্যৱস্থাত মূল প্ৰত্যাহবান হৈছে ভয়াবহ নিবনুৱা সমস্যা। সেয়ে এই ক্ষেত্ৰত বৃত্তিমুখী তথা ব্যৱহাৰিক শিক্ষা ব্যৱস্থাৰ নিতান্ত প্ৰয়োজন আহি পৰিছে। যাতে ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যৎ কৰ্ম-সংস্থানৰ লক্ষ্য আগত ৰাখি পঢ়া-শুনা কৰিব পাৰে। অৱশ্যে এই শিক্ষা ব্যৱস্থাৰ আঁচনি কৃতকাৰ্য হ'ব লাগিলে চৰকাৰৰ সক্ৰিয় সহযোগ লাগিব। বিভিন্ন ধৰণৰ শিল্প উদ্যোগ স্থাপনৰ লগতে বৃত্তিমূলক পাঠ্যক্ৰমৰ প্ৰৱৰ্ত্তন কৰিব লাগিব।

ধীৰেন তালুকদাৰ

গ্ৰন্থাগাৰিক, বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় গ্ৰন্থাগাৰ

১নং প্ৰশ্নোত্তৰ ঃ

বৰ্ত্তমানে আমাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত পৰম্পৰাগত শিক্ষা পদ্ধতিৰ দ্বাৰাই পাঠদান কৰি থকা হৈছে। বৰ্ত্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিকাশৰ যুগত কোনো নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তি কৰিব পৰা হোৱা নাই। কিন্তু আমাৰ ৰাজ্যখনত নগৰৰ দুই চাৰিখন মহাবিদ্যালয়ৰ বাহিৰে সকলো মহাবিদ্যালয়তে পৰম্পৰাগত শিক্ষা পদ্ধতিৰে পাঠদান কৰি থকা দেখা গৈছে, সেয়েহে শিক্ষাৰ মান নিৰূপণ কৰাত কিছু অসুবিধাৰ সৃষ্টি হয়। বৰ্ত্তমান শিক্ষা পদ্ধতিত শিক্ষানুষ্ঠানৰ পৰীক্ষাৰ ফলাফলেই শিক্ষাৰ মান নিৰূপণৰ মূল বিষয় হ'ব বুলি মই ভাবোঁ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা সংসদ আৰু বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা পৰীক্ষাসমূহত ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ শিক্ষা সংসদ আৰু বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰতকৈ প্ৰতি বছৰে উন্নত দেখা যায়। সেইফালৰ পৰা চালে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ ফল উন্নত বুলি ক'ব লাগিব। মহাবিদ্যালয়ত সময়ে সময়ে অনুষ্ঠিত কৰা আলোচনাচক্ৰ, কুইজ প্ৰতিযোগিতা আদিত ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি আশাপ্ৰদ সাফল্য দেখুওৱা পৰিলক্ষিত হৈছে। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰি খেল-ধেমালি, নৃত্য-গীত আদিতো সাফল্য লাভ কৰিব পাৰিছে বুলি মই ভাবোঁ।

২ নং প্রশ্নোত্তৰ ঃ

বৰ্ত্তমান যুগটো হ'ল বিজ্ঞান আৰু প্ৰযুক্তি বিকাশৰ যুগ। এতিয়াৰ শৈক্ষিক মানেৰে স্বাভাৱিকতে এই তীব্ৰ প্ৰতিযোগিতামূলক বিশ্বত তাল মিলাবলৈ হ'লে বিজ্ঞান আৰু প্ৰযুক্তিৰ শিক্ষাত গুৰুত্ব দিবই লাগিব। আমাৰ গাৱঁলীয়া এলেকাৰ সাধাৰণ মহাবিদ্যালয়সমূহত এতিয়াও প্ৰায় পৰম্পৰাগত শিক্ষা পদ্ধতিয়েই বাহাল আছে। সেয়েহে মই ভাবোঁ নিম্ন লিখিত পদক্ষেপ সমূহে শিক্ষাৰ মান উন্নত কৰাৰ লগতে যুগোপযোগী কৰিব পৰা যাব ঃ

১) বৃত্তিমূলক শিক্ষাৰ প্ৰচলন, ২) কম্পিউটাৰ আৰু ইণ্টাৰনেট ব্যৱস্থাৰ প্ৰচলন, ৩) স্বনিয়োজনৰ সহায়ক হ'ব পৰা পাঠ্যক্ৰম (স্থানীয় সম্পদসমূহ কামত খটুৱাব পৰা ব্যৱস্থাৰ প্ৰযুক্তি যেনে - ডেইৰি ফাৰ্ম, ফুড প্ৰচেছিং আদি) প্ৰৱৰ্ত্তন কৰিব লাগিব, ৪) নিয়মীয়াকৈ ইউনিট টেষ্ট আদি পতাৰ ব্যৱস্থা কৰা, ৫) মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো বিভিন্ন বিষয়ক পুথি , আলোচনী আৰু বাতৰি কাকতেৰে সময়োপযোগী কৰা,৬) প্ৰশাসনিক শিথিলতা দূৰ কৰা, ৭) বিভিন্ন বিষয়ৰ সঘনাই আলোচনা চক্ৰ আৰু শৈক্ষিক বিষয়ত প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা, ৮) শিক্ষাদান কাৰ্য্যত ব্যাঘাত জন্মোৱা সঘনাই হোৱা বন্ধ আদি পাৰ্য্যমানে এৰাই চলা, ৯) শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক বিষয়ত ঘনিষ্ঠ সম্পৰ্কৰ প্ৰতি উৎসাহ প্ৰদান কৰা, ১০) সৰ্বভাৰতীয় প্ৰশাসনিক সেৱা আৰু অসমৰ প্ৰশাসনিক সেৱাৰ পৰীক্ষাসমূহত বহিবৰ বাবে উপযুক্ত হ'বলৈ কোচিং চেণ্টাৰৰ ব্যৱস্থা কৰা, ১১) মাজে মাজে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বক্তৃতানুষ্ঠানৰ আয়োজন কৰা।

পম্পী পাটোৱাৰী

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা (২০০১-২০০২)

১ নং প্ৰশ্নৰ উত্তৰ ঃ

আমাৰ মহাবিদ্যালয় হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত এখন উল্লেখযোগ্য মহাবিদ্যালয়। এই মহাবিদ্যালয়ৰ শৈক্ষিক মান উচ্চস্তৰৰ আছিল। কিন্তু বৰ্ত্তমান সময়ত এই মহাবিদ্যালয়ৰ শৈক্ষিক মান নিম্নগামী হোৱা পৰিলক্ষিত হৈছে। উপাধ্যক্ষই অধ্যক্ষৰো দায়িত্ব পালন কৰিবলগীয়া হোৱা বাবে মহাবিদ্যালয়ৰ শৃঙ্খলা তথা নিয়মানুবৰ্ত্তিতাৰ ক্ষেত্ৰত কিছু শিথিলতা পৰিলক্ষিত হয়। কিছু সংখ্যক প্ৰবক্তা তথা কৰ্মচাৰীয়ে শৈক্ষিক আৰু প্ৰশাসনিক কামত যথোচিত গুৰুত্ব দিয়া দেখা নাযায়। মহাবিদ্যালয়ৰ বৰ্ত্তমান শৈক্ষিক মান নিম্নগামী হোৱাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰো কিছু ভূমিকা আছে। বৰ্ত্তমান সময়ত কিছু সংখ্যক ছাত্ৰ—ছাত্ৰী পঢ়া শুনাৰ প্ৰতি আগ্ৰহী হোৱা দেখা নাযায়। কিছুমানৰ ঘৰুৱা অসুস্থ পৰিবেশ আৰু বাহ্যিক অশান্ত পৰিবেশৰ জৰিয়তে বিৰক্তি, দুখবোধ আৰু অকলশৰীয়া ভাবৰ সৃষ্টিৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়।

২নং উত্তৰ ঃ

একবিংশ শতিকাত আহিব পৰা প্ৰত্যাহ্বানৰ সম্মুখীন হ'ব পৰাকৈ প্ৰথম কাৰ্যব্যৱস্থা হিচাপে আমাৰ নতুন প্ৰজন্মৰ মাজত কৰ্ম্ম- সংস্কৃতি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। বৰ্ত্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতিৰ ফলত হোৱা আৰ্থ-সামাজিক পৰিবৰ্ত্তনে মানুহৰ মনত প্ৰচলিত শিক্ষাৰ প্ৰতি ক্ৰমাৎ আস্থা কমাই আনিছে। সেই ববে বৃত্তিমূলক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা আহি পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব অবদান কম্পিউটাৰ, ইণ্টাৰনেট আদিৰ প্ৰচলন কেবল চহৰ নগৰত সীমাবদ্ধ নাৰাখি গাঁওৰ পিছপৰা অঞ্চলৰ স্কুল-কলেজসমূহৰ শৈক্ষিক মান উন্নত কৰিবলৈ ইয়াৰ ব্যবহাৰৰ ব্যৱস্থা কৰিব লাগে। কম্পিউটাৰ শিক্ষা ব্যবস্থা ইমান ব্যয়বহুল যে এই শিক্ষাৰ পৰা দুখীয়া ছাত্ৰ-ছাত্ৰীসকল বঞ্চিত হৈ আছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি স্কুল কলেজত কম্পিউটাৰ আদি আধুনিক শিক্ষা হাতত লোৱা উচিত। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত থকা সুপ্ত প্ৰতিভা সমূহ বিভিন্ন ধৰণৰ কৰ্ম-সূচীৰ মাজেৰে যাতে সুস্থ ভাবে প্ৰকাশ পায় তাৰ কাৰণে আগ্ৰহী হোৱা উচিত । নৃত্য, গীত ,আভিনয়,খেলা- ধূলা, চিত্ৰবিদ্যা আদিৰ মাজেদি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাসমূহ বিকশিত কৰিবলৈ আৰু কৰ্মক্ষেত্ৰত উদ্যোগী হ' বলৈ কৰ্তৃপক্ষই কাৰ্যকৰী ব্যবস্থা লোৱা উচিত।

উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ বিভিন্ন সংগ্ৰামৰ মুহূৰ্তত যিসকল পৰিত্ৰ আত্মাক আমি হেৰুৱালোঁ সেই ব্যক্তিসকলৰ পুণ্যাত্মাক শ্ৰদ্ধাৰে সুৱৰিছোঁ। যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়খনি গঢ় লৈ উঠিল, সেইসকল মহান ব্যক্তিলৈকো মই ভক্তি ভৰা প্ৰণিপাত নিবেদন কৰিছোঁ। লগতে শিক্ষানুষ্ঠানখনলৈ অৰিহণা আগবঢ়োৱা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শুভাকাংক্ষীলৈকো মই মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

২০০০-২০০১ চনৰ বছৰটোৰ বাবে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক উপ সভাপতি ৰূপে নিৰ্বাচন কৰি ছাত্ৰ-ছাত্ৰীসকলক নেতৃত্ব দিয়াৰ সুযোগ দিয়াৰ বাবে সমূহ সতীৰ্থ বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দৈনন্দিন ভোগ কৰি অহা সমস্যাসমূহ নিৰাময় কৰিম বুলি আমি একতা সভাৰ তৰফৰ পৰা আপ্ৰাণ চেষ্টা চলাই গৈছিলোঁ। কিন্তু দুখৰ বিষয় যে মহাবিদ্যালয়ৰ অৰ্থনৈতিক দুৰবস্থাৰ কাৰণে ইচ্ছা থাকিলেও আঁচনিসমূহ বাস্তৱত ৰূপায়ণ কৰাটো সম্ভৱ হৈ নুঠিল। অৰ্থনৈতিকভাৱে দুৰ্বল আৰু পিচপৰা অঞ্চলত মহাবিদ্যালয়খন অৱস্থিত হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলোকে ধৰি শিক্ষাগুৰু সকলেও অসুবিধাৰ সম্মুখীন হ'ব লগা হৈছে। বিভিন্ন অভাব অভিযোগেৰে মহাবিদ্যালয়খন জুৰুলা হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহয়। শ্ৰেণী কোঠা, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ উপযুক্ত জিৰণি কোঠা, প্ৰয়োজনীয় সংখ্যক কিতাপ-পত্ৰ, প্ৰয়োজনীয় সংখ্যক শিক্ষকৰ অভাৱ আদি নানা সমস্যাৰে মহাবিদ্যালয়খন জৰ্জৰিত।

উপ-সভাপতি হিচাপে কিমান সঠিকভাৱে নেতৃত্ব দিলোঁ তাত সন্দেহ আছে। কিন্তু মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহকে আদি কৰি যিবোৰ কাৰ্যসূচী অনুস্থিত হৈছিল সেইবোৰত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি দিহা পৰামৰ্শ দিয়াৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি কৰা নাছিলোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো পদক্ষেপতে আন্তৰিকতাৰে দিহা পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকললৈ মই মোৰ অকৃত্ৰিম শ্ৰদ্ধা নিবেদিছোঁ। শেষত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সুউজ্জ্বল ভৱিষ্যৎ কামনাৰে—

জয়তু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।

সঞ্জয় কুমাৰ পাঠক

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

"তমসো মা জ্যোতির্গময়" প্ৰতিবেদনৰ শুভাৰম্ভণিতে এইখন জ্ঞানৰ পৰিত্ৰ আলয় বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ স্থাপন তথা সাম্প্ৰতিক অৱস্থালৈ উন্নীত কৰা আলোক সন্ধানী ত্যাগী পৰলোকগত তথা জীৱিত সুধী ব্যক্তিসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এইখন মহাবিদ্যালয় অসমী আইৰ যিজন সুযোগ্য সন্তানৰ নামেৰে নামকৰণ কৰা হৈছে তেখেতকো শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু তেখেতৰ বিদেশী আত্মাৰ সদগতিৰ কাৰণে সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ লগতে যিজন ব্যক্তিয়ে এই মহান অনুষ্ঠানটিৰ প্ৰসৱৰ অৱস্থাৰ পৰাই প্ৰতিনিধিত্ব কৰি তাতেই ক্ষান্ত নাথাকি সৰ্বাংগিণ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিছিল সেইগৰাকী দেৱপ্ৰসাদ শইকীয়াদেৱলৈ মোৰ শ্ৰদ্ধা থাকিল, লগতে যিসকল পোহৰ সন্ধানীয়ে জাতি, ধৰ্ম নিৰ্বিশেষে এইখন অনুষ্ঠানৰ জন্ম দিলে সেইসকললৈ থাকিল মোৰ শ্ৰদ্ধাঞ্জলি। মোৰ কাৰ্যকালৰ আৰম্ভণিৰ পৰা বিভিন্ন দিহা পৰামৰ্শ দিয়া শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্বাহ আলম ছাৰক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ আৰু তেওঁৰ আত্মাৰ সদগতিৰ বাবে সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

ছাত্ৰ একতা সভাৰ নিৰ্বাচন ঃ ১৯৭২ চনত এইখন মহাবিদ্যালয় স্থাপিত হৈছিল যদিও ১৯৭৯ চনত অসম আন্দোলন হোৱাৰ পৰা মনোনীত পদ্ধতিৰে ছাত্ৰ একতা সভা গঠন কৰা হৈছিল। অৱশ্যে এই সময়ছোৱাত ছাত্ৰ একতা সভাৰ যাৱতীয় কাম-কাজ সুচাৰুৰূপেই সম্পন্ন হৈছিল বুলি জানিব পাৰিছোঁ। ১৯৯২ ইং চনৰ পৰা নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰু ৰূপেই চলি আছিল যদিও মাজতে ১৯৯৯-২০০০ ইং চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন ছাত্ৰ-ছাত্ৰীৰ মতানৈক্যৰ ফলত এবছৰ নিৰ্বাচন স্থগিত থাকিল। কিন্তু পুনৰ ছাত্ৰ-ছাত্ৰীৰ আলোচনা মৰ্মে ২০০০-২০০১ চনৰ নিৰ্বাচন অনুষ্ঠিত হৈ যায়। এই নিৰ্বাচনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ আহ্বানক আওকাণ কৰিব নোৱাৰি মই সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰিলোঁ। এই নিৰ্বাচনত মোক ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা হাফিজুৰ, আব্দুল গফুৰ, আব্দুল মান্নান, গাজিবত, মুক্তাৰ, আমিন, ৰুহুল, আমজাদ, আমিৰ হামজা, আবুখামা, শ্বাহ আলম, বিল্লাল, ইউনুচ, মইনুল, কায়ুম, লুৎফৰ ৰেজ্জাৰ, হাকিম, ৰবিউল, মস্তাফা, জিয়াদুৰ, নুৰ হামিদ, ছিদ্দিক, সঞ্জয় পাঠক, হেমন্ত ঠাকুৰীয়া, যাদৱ, হিমাংশু, পৰিত্ৰ, প্ৰদীপ, অপূর্ব, চন্দন, জাবেদা, ৰেহেনা, মৰিয়ম, গীতিকা, জোনালী আদি বন্ধু-বান্ধৱীয়ে মোক নিৰ্বাচনত থি সহায় আগবঢ়ালে তাক মই উল্লেখ নকৰিলে তেওঁলোকৰ প্ৰতি অকৃতজ্ঞ হ'ম।

মহাবিদ্যালয় সপ্তাহ ঃ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশৰ মাধ্যম হ'ল মহাবিদ্যালয় সপ্তাহ। ২২, ২৩, ২৪, ২৫, ২৭ আৰু ৩০ জানুৱাৰী তাৰিখলৈ ছয়দিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ ধুম-ধামেৰে পালন কৰা হয়। ২২/১/০১ ইং তাৰিখ ৰাতিপুৱা ৮ বজাত মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচী মতে পতাকা উত্তোলন কৰে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নিৰোদ ৰঞ্জন দাসদেৱে আৰু মহাবিদ্যালয় সপ্তাহৰ খেল-ধেমালিৰ শুভ উদ্বোধন কৰে অধ্যাপক মাননীয় ড০ আবুল বাসাৰ ছাৰে। মহাবিদ্যালয় সপ্তাহৰ মাজেৰে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ খেল পথাৰত খেলসমূহ অনুষ্ঠিত হয় আৰু স্থায়ী প্ৰেক্ষাগৃহ নথকাত মহাবিদ্যালয় কোঠাত অস্থায়ীভাৱে সজোৱা প্ৰেক্ষাগৃহত সাংস্কৃতিক, সংগীত, কুইজ, তৰ্ক আৰু সাহিত্য প্ৰতিযোগিতাসমূহ সুকলমে সমাপ্ত কৰা হয়।

মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষদেৱে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে দূধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ক্ষীৰোদ খাখলাৰীদেৱ আৰু বিশিষ্ট অতিথি হিচাপে শ্ৰীযুত গোবিন্দ চন্দ্ৰ নাথ, মঃ ছায়েদ আলী। আটাইকেইজন বক্তাই ছাত্ৰ-ছাত্ৰীসকলৰ এই উৎপাদনশীল সময়খিনিক গঠনমূলক কামত খটুৱাই নিজৰ আৰু দেশৰ ভৱিষ্যৎ উজ্জ্বল কৰিব বুলি আশা প্ৰকাশ কৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে যাতে ক্ৰীড়া আৰু অধ্যয়নৰ মাজেৰে বৌদ্ধিক, মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধন কৰাৰ বাবে যত্নাবান হয় তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক

আহ্বান জনাই আমাক কৃতার্থ কৰে।

বিভিন্ন উৎসৱ পালন ঃ পৰম্পৰাগত ভাৱে এইবাৰো আমাৰ মহাবিদ্যালয়ত ২৮/১/২০০১ ইং তাৰিখে শ্রীশ্রীসৰস্বতী পূজা পালন কৰা হয় আৰু শিক্ষাৰ অধিষ্ঠাত্রী দেবী শ্রীশ্রীসৰস্বতী মাৰ চৰণত পুষ্পাঞ্জলি অর্পণ কৰা হয়। ২৯/১/২০০১ তাৰিখে প্রতিমা বিসর্জনৰ মাজেৰে এই উৎসৱৰ সামৰণি মৰা হয়। ১৮-১০-০১ ইং তাৰিখে পবিত্র বিশ্বনবী দিৱস উৎসৱটি পালন কৰা হয়। নতুন দৃষ্টিভংগীৰে দিনটোত বিশ্ব নবী হজৰত মহম্মদৰ জীৱনী, মিলাদ-ই-মেহফিল, কো�ৰাণ তেলাৱত, ৰচনা, কুইজ আদি প্রতিযোগিতা পতাৰ উপৰিও দিনৰ ১ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে আৰবী বিভাগৰ অধ্যাপক মাননীয় মোঃ আব্দুছ চালাম ছাৰে। সভাত বিশ্বনবীৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে হাফিজকাৰী মৌঃ ছায়দুল্লা, মৌঃ আবু তাহেৰ আকবৰ আলী, মিএল্লা, শ্রীযুত গোবিন্দ চন্দ্র নাথ, অধ্যাপক কোৰবানী আলী আহমেদ, অধ্যাপক আব্দুল মজিদ নাদবীদেৰে।

মহাবিদ্যালয়ৰ উৎসৱসমূহৰ ভিতৰত আটাইতকৈ আকর্ষণীয় মনোমোহা উৎসৱ নৱাগত আদৰণী সভা উদযাপিত কৰা হয়। ১৫/৯/০১ তাৰিখ ৰাতিপুৱা ৯ বজাৰ পৰা পৰিচয় পর্ব আৰম্ভ হয়। মাননীয় অধ্যাপক কছেৰ আলী আহমেদ, অধ্যাপিকা দীপ্তিৰেখা পাঠক মজুমদাৰ, অধ্যাপিকা ভূমিজা বর্মন কলিতা আৰু অধ্যাপক শ্রীঅপূর্ব ঠাকুৰীয়া দেৰে পৰিচালক হিচাপে উপস্থিত থাকি উক্ত পর্বটো অধিক আকর্ষণীয় আৰু মনোমোহা কৰি তোলে। আবেলি ১ বজাৰ পৰা মুকলি সভাখন অনুষ্ঠিত হয়। সভাত মাননীয় ভাৱপ্রাপ্ত অধ্যক্ষ শ্রীযুত নিৰোদ ৰৱণ দাসদেৰে পৌৰাহিত্য কৰে। মুখ্য অতিথি হিচাপে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্রীযুত গোপীনাথ দাসদেৰ, বিশিষ্ট অতিথি হিচাপে আৰটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ আকবৰ আলী মিএল্লাদেৰ, নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্রীযুত হেমেন্দ্র দাসদেৰ আৰু শিমলীতোলা হাইস্কুলৰ বিষয় শিক্ষক শ্রীযুত মলয় কুমাৰ দাসদেৰ উপস্থিত থাকি আমাক কৃতার্থ কৰে। তেখেতসকলে ন-পুৰণি ছাত্র-ছাত্রীৰ এই মিলন মহামিলনৰ মন্ত্র হওক বুলি আশা প্রকাশ কৰে।

আমাৰ কার্যকালৰ সফলতা আৰু বিফলতা ঃ কোনো মানুহেই জীৱনত সম্পূর্ণ সফলতাৰ দাবী কৰিব নোৱাৰে। সফলতাৰ কাষে কাষে বিফলতা থাকিবই। আমাৰ কার্যকালত আমি সফলতাৰ দাবী কৰিব নোৱাৰোঁ তথাপি আমি খোৱা পানীৰ লগতে শৌচাগাৰৰ অসুবিধাখিনি দূৰ কৰিব পাৰিছোঁ। ছাত্র-একতা সভাৰ কার্যালয়ত চকী-মেজ আৰু আলমাৰী আদি লাগতিয়াল বস্তুখিনি ভাৱপ্রাপ্ত অধ্যাক্ষ মহোদয়ে দিম বুলি প্রতিশ্রুতি দিছিল যদিও সেই প্রতিশ্রুতি ৰক্ষা কৰিব নোৱাৰিলে। লগতে মহাবিদ্যালয়ৰ স্থায়ী তোৰণ নির্মাণৰ বাবে চেষ্টাৰ অভাৱ আমাৰ নাছিল। আমি তোৰণ নির্মাণৰ বাবে নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ লগতে স্থানীয় বিধায়কক অনুৰোধ জনাইছিলোঁ যদিও তোৰণ খন হৈ নুঠিল। পৰৱর্ত্তী চামে উক্ত কামখিনি কৰিব পাৰিব বুলি আমাৰ আশা থাকিল। ছাত্র একতা সভাৰ কার্যকালত কোনো প্রকাৰৰ সাম্প্রদায়িক বা অশৈক্ষিক পৰিৱেশ সৃষ্টি কৰা কোনো কার্যক আমি প্রশ্রয় দিয়া নাছিলোঁ।

মহাবিদ্যালয়ৰ গৌৰৱ ঃ কালাপানী সদৃশ ঠাইত অৱস্থিত মহাবিদ্যালয়খন বিভিন্ন দিশত বিশেষকৈ আর্থিক দিশত পিচপৰা যদিও কলেজখন পৰীক্ষাৰ ফলাফলৰ দ্বাৰা অসমৰ ভিতৰত এখন লেখত ল'বলগীয়া মহাবিদ্যালয় হিচাপে পৰিচিত হৈছে।

মহাবিদ্যালয়ৰ অভাৱ অভিযোগ ঃ প্রত্যেক অনুষ্ঠান প্রতিষ্ঠানৰ অভাৱ অভিযোগ থাকেই। কেইটামান এৰাব নোৱাৰা অসুবিধাৰ সময়োপযোগী আৰু কার্যকৰী ব্যৱস্থা সংশ্লিষ্ট কর্তৃপক্ষই পূৰণ কৰিব বুলি আশা কৰিছোঁ।

- স্থায়ী তোৰণ নির্মাণ।
- কলা বিভাগৰ অসমীয়াত স্নাতকোত্তৰ শ্রেণী খোলা।
- ছাত্র একতা সভাৰ স্থায়ী কার্যালয় আৰু প্রয়োজনীয় আচবাব পত্র যোগান ধৰা।
- স্থায়ী অধ্যক্ষৰ ব্যৱস্থা কৰা।
- মহাবিদ্যালয়ত পূর্ণাঙ্গ প্রেক্ষাগৃহ আৰু ষ্টেডিয়াম নির্মাণ কৰা।
- ছাত্রসকলৰ বাবে অনতিপলমে ছাত্রাবাস নির্মাণ আৰু ছাত্রীনিবাসখনক পূর্ণাঙ্গ ৰূপ দিয়া।
- কম্পিউটাৰ চেণ্টাৰ আৰম্ভ কৰা।
- প্রয়োজনীয় সংখ্যক শ্রেণীকোঠা নির্মাণ কৰা আৰু প্রয়োজন অনুপাতে শিক্ষক নিযুক্তি দিয়া।

☛ অধনির্মিত বিল্ডিং সম্পূর্ণ কৰা।

কৃতজ্ঞতা স্বীকাৰ : মোৰ কার্য্যকালত শিক্ষক-শিক্ষয়িত্রী, ছাত্র-ছাত্রী আৰু বাইজৰ আশিষ পাইছোঁ। আটাইবে নাম একেলগে আহি যায়। কিন্তু মই আটাইবে নাম উল্লেখ কৰিব নোৱৰাৰ অপৰাধ স্বীকাৰ কৰিছোঁ। তথাপি মোৰ কার্য্যকালত সর্বতো প্রকাৰে দিহা পৰামর্শ দিয়া পথ প্রদর্শক মাননীয় ভাৰপ্রাপ্ত অধ্যক্ষ শ্রীযুত নিৰোদ বৰুণ দাসদেৱ, অধ্যাপক মাননীয় সূর্য কলিতা ছাৰ, নির্মল কলিতা ছাৰ, বিপুল শর্মা বৰপূজাৰী ছাৰ, নুৰ আলম ছাৰ, শাহজামাল মোল্লা ছাৰ, আব্দুছ চালাম ছাৰ, ৰসন্ত কলিতা ছাৰ, যতীন্দ্রনাথ তালুকদাৰ ছাৰ, আব্দুচ ছামাদ আলী ছাৰ, উপেন সাহা ছাৰ, নীলকমল বৰদলৈ ছাৰ, লগতে সংশ্লিষ্ট সকলো ছাৰ, বাইদেউ আৰু কর্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বন্ধুবৰ সর্বশ্রী মনোৰাৰ মণ্ডল দা, নুৰজামাল, নুৰুল, ৰমজান, নজৰুল, বুলবুল, শাহজাহান, আব্দুল বাসাৰ, জুৰান, শফিক, ভৈৰব, হিমাংশু, চন্দন, আব্দুল বাতেন, নাজিৰুল, নুৰি, আর্ঘু, নুৰজাহান, ৰেণুকা, ৰমিছা, জোনালী, হান্নানুল আৰু মৰমৰ সকু ভাইটি এলিচ হাচন মুকতাৰুল হক আদি কবি সদৌটিয়েই মোৰ কাম-কাজত সহায় সহযোগিতা আগবঢ়াই যি মহৎ উপকাৰ সাধিলে তাৰবাবে তেওঁলোক মোৰ মানস পটত চিৰ যুগমীয়া হৈ ৰ'ব।

বিদায়ৰ বেদনাৰে : মই মোৰ অজ্ঞাত ভুলবোৰৰ বাবে ক্ষমা প্রার্থী হৈ আপোনালোকৰ ওচৰত দণ্ডায়মান। মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী আৰু ছাত্র একতা সভাৰ ভৰিষ্যৎ কার্য্যত পৰম কৰুণাময়ে সহায় কৰক, মহাবিদ্যালয়খন মোৰ আৰু সমুহ ছাত্র-ছাত্রীৰ বাবে এক প্রেৰণাৰ উৎস হওক আৰু এই উৎসৰ পৰা বিকিবিত হোৱা ৰশ্মিয়ে আটাইবে জীৱন আনন্দেৰে উপচাই তোলক এই কামনাৰে মোৰ প্রতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয়তু বিমলা প্রসাদ চলিহা মহাবিদ্যালয়
জয়তু বিমলা প্রসাদ চলিহা মহাবিদ্যালয় ছাত্র একতা সভা

বজৰ আলী আহমেদ

সহকাৰী সাধাৰণ সম্পাদকৰ প্রতিবেদন

প্রতিবেদনৰ পাতনিতেই অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্রামত প্রাণ আহুতি দিয়া বীৰ হহিদসকললৈ মোৰ ভক্তি অঞ্জলিৰে শ্রদ্ধা নিৰেদিছোঁ। যিসকল ছাত্র-ছাত্রীয়ে মোক ২০০০-২০০১ ইং চনৰ নির্বাচনত বিনা প্রতিদ্বন্দ্বিতাৰে বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে এই মহান অনুষ্ঠানটোলৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে সেই বন্ধু-বান্ধৱী, ভাইটি-ভণ্টিলৈ মোৰ আন্তৰিক মৰম থাকিল।

আমাৰ এই মহান অনুষ্ঠানটোত বিভিন্ন সম্প্রদায়ৰ ছাত্র-ছাত্রীয়ে শিক্ষা লাভ কৰিবলৈ আহে। সেই ভিন ভিন সম্প্রদায়ৰ ছাত্র-ছাত্রীৰ মাজত যোগসূত্র স্থাপন কৰা একমাত্র মাধ্যম হৈছে ছাত্র একতা সভাখন। ছাত্র একতা সভাখনে আয়োজন কৰা বিভিন্ন ধৰণৰ সাংস্কৃতিক অনুষ্ঠান আদিয়ে ছাত্র-ছাত্রীৰ মাজত ভাতৃত্বভাৰ গঢ়ি তোলে। ছাত্রৰ জীৱনটো হ'ল সংগ্রামী আৰু প্রতিযোগিতামূলক জীৱন। ছাত্র-জীৱনৰ এই সুন্দৰ পটভূমিত বিভিন্ন ধৰণৰ ৰং সানি দিবলৈ ছাত্র একতা সভাৰ দায়িত্ব অপৰিসীম।

ছাত্র-একতা সভাৰ সদস্য হৈ থকাৰ সময়ছোৱাত এই মহাবিদ্যালয়ৰ সমস্যাসমূহ হৃদয়ঙ্গম কৰিব পাৰিছিলোঁ; কিন্তু মোৰ পদবীৰ মূল চাবি কাঠি সাধাৰণ সম্পাদকৰ লগত। সেয়ে প্রায়বোৰ কামেই সাধাৰণ সম্পাদকৰ লগত পর্যালোচনা কৰি কৰিবলগা হৈছিল। নিজাববীয়াকৈ কিবা এটা কৰাৰ ক্ষমতা সীমিত আছিল। সেইবাবে নিজৰ মনত থকা পৰিকল্পনাবোৰ মনতেই সীমাবদ্ধ হৈ থাকিল। সেয়েহে

মহাবিদ্যালয়ৰ কিছুমান সমস্যা দূৰ কৰাটো সম্ভৱ নহ'ল।

'মহাবিদ্যালয় সপ্তাহত' ছাত্ৰ একতা সভাৰ সদস্যক দিহা পৰামৰ্শ তথা সহায় আগবঢ়োৱাৰ ওপৰিও নৱাগত আদৰণি সভা, সৰস্বতী পূজা আদি উৎসৱ দিনযোৱা কাৰ্য্যসূচীবে চলাই নিবলৈ সক্ষম হওঁ। উল্লেখযোগ্য যে মহাবিদ্যালয় সপ্তাহত লঘু খেলবিভাগৰ সম্পাদকৰ অনুপস্থিতিত তত্ত্বাবধায়ক শ্ৰীযুত বীৰেন্দ্ৰ বৰাদেৱৰ পৰামৰ্শেৰে সেই দায়িত্ব মই চলাই নিবলৈ সক্ষম হওঁ।

বিভিন্ন উৎসৱ উদ্‌যাপন ঃ

আমাৰ কাৰ্য্যকালত মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ ওপৰিও ধৰ্মীয়-সাংস্কৃতিক অনুষ্ঠান আদিও পালন কৰা হয়। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ সহায়-সহযোগ আৰু অংশগ্ৰহণৰ দ্বাৰা সেই অনুষ্ঠানসমূহ আকৰ্ষণীয় ৰূপত সমাধা হয়।

'মহাবিদ্যালয় সপ্তাহ' জানুৱাৰী মাহৰ ২২, ২৩, ২৪, ২৫, ২৭ আৰু ৩০ তাৰিখ এই ছয় দিনীয়া কাৰ্যসূচীবে পালন কৰা হয়। ৩০ জানুৱাৰীৰ দিনাই দিনৰ ১২-৩০বজাত মুকলি আৰু বঁটা বিতৰণী সভাখন অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ এই উৎসৱটো হ'ল আটাইকেইটাতকৈ ডাঙৰ সাংস্কৃতিক আদান-প্ৰদানৰ মাধ্যম। যাৰ যোগেদি বিভিন্ন ভাষা-ভাষী আৰু ছাত্ৰ-ছাত্ৰীবে একতা আৰু সম্ভাৱ উদয় হোৱাত সহায়ক হয়। 'নৱাগত আদৰণি সভাখন' ২০০১ চনৰ চেপ্তেম্বৰৰ ১৫ তাৰিখ শনিবাৰে অনুষ্ঠিত হয়। এই সভাখনত নতুন ছাত্ৰ-ছাত্ৰীখিনি পুৰণি ছাত্ৰ-ছাত্ৰীৰ লগত চিনাকি হয়। ২৯-১-২০০১ ইং তাৰিখ সোমবাৰে এক শান্তিপূৰ্ণ আৰু ভক্তিপূৰ্ণ পৰিবেশৰ মাজেৰে শ্ৰীশ্ৰীসৰস্বতী পূজা উদ্‌যাপন কৰা হয়। ইয়াত প্ৰতিমা স্থাপন, পুষ্পাঞ্জলি অৰ্পণ, প্ৰসাদ বিতৰণ, ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি-ভোজন, অভ্যৰ্থনা আৰু প্ৰতিমা বিসৰ্জনৰ মাজেৰে উৎসৱটিৰ সামৰণি মৰা হয়। পৱিত্ৰ 'বিশ্বনৱীদিৱস'১৮-১০-০১ তাৰিখে বিভিন্ন কাৰ্যসূচীবে পালন কৰা হয়।

আমাৰ মহাবিদ্যালয়খন যদিও পিছপৰা অঞ্চলত অৱস্থিত তথাপিতও ই আমাক জ্ঞানৰ পোহৰ বিলাই অসমৰ শিক্ষা জগতত সুখ্যাতি অৰ্জন কৰিছে। মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে ভৱিষ্যতে যেন মহাবিদ্যালয়ৰ সমস্যাসমূহ সমাধান কৰিবলৈ যত্নপৰ হয়।

মোৰ দায়িত্ব সুচাৰুৰূপে চলাই নিয়াত দিহা পৰামৰ্শ দিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা 'ছাত্ৰ একতা সভা'ৰ সভাপতি শ্ৰীযুত নিৰোদ বৰণ দাসদেৱ লগতে মহাবিদ্যালয়ৰ পৰম পূজনীয় অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। তদুপৰি মোৰ প্ৰতিটো মুহূৰ্ত্তত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে হেমন্ত, পঙ্কজ (খুনা), প্ৰাঞ্জল, জালাল, অমিয়, বিজয়, বাপন, শৈলাস আদিলৈ মোৰ মৰম তথা শুভেচ্ছা থাকিল।

সদৌ শেষত বিমলা প্ৰসাদ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি আৰু মোৰ কৰ্তব্য পালন কৰোঁতে হোৱা অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ওৰণি টানিলোঁ।

গৌতম সাউদ

গুৰু খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতেই অসমৰ হকে সংগ্ৰামত প্ৰাণ আহুতি দিয়া ছহিদসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ। ইং ২০০০-২০০১ চনৰ বৰ্ষটোৰ বাবে গুৰু খেল বিভাগৰ দায়িত্ব অৰ্পণ কৰা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বৰ্তমান সময়ত খেল-ধেমালি শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ। শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰাৰ উপৰিও ক্ৰীড়াই এটা জাতিৰ প্ৰাণ চাঞ্চল্যৰ পৰিচয় দাঙি ধৰে। খেলা-ধূলাৰ জৰিয়তে বহু ৰাষ্ট্ৰই আন্তৰ্জাতিক স্তৰত নিজস্ব মৰ্যাদা প্ৰতিপন্ন কৰিবলৈ সমৰ্থবান হৈছে। কিন্তু ভাৰতবৰ্ষ এখন বিশাল দেশ হোৱা সত্বেও খেলা-ধূলাৰ মান যথেষ্ট নিম্ন।

সেয়ে ইয়াৰ উন্নতিৰ বাবে চিন্তা-চৰ্চাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই মই 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে আয়োজিত খেলসমূহ পৰিচালনা কৰিছিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে খেল-ধেমালিৰ জৰিয়তে নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে, সেইসকললৈ মোৰ অভিনন্দন জ্ঞাপন কৰিছোঁ। আৰু যিসকলে সফল হ'ব নোৱাৰিলে তেওঁলোকলৈ মোৰ অনুৰোধ যাতে তেওঁলোকে নিজৰ প্ৰতিভা বিকাশৰ বাবে চেষ্টা কৰে। উল্লেখ্য যে, আমাৰ খেলুৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবলৈ দৰ্শক ছাত্ৰ-ছাত্ৰীৰ অভাৱ পৰিলক্ষিত হৈছিল। তদুপৰি উপযুক্ত খেলৰ সামগ্ৰীৰ অভাৱ, উপযুক্ত অনুশীলনৰ অভাৱ আদিৰ বাবে খেলৰ মান উন্নত হোৱা নাছিল। সেয়েহে মই মহাবিদ্যালয় কৰ্তৃপক্ষক আমাৰ খেলুৰেসকলক আৱশ্যকীয় সামগ্ৰী যোগান ধৰাৰ লগতে দৈনিক ৰুটিনৰ যিকোনো এটা দিনত খেল অনুশীলনৰ বাবে আঁচনি প্ৰস্তুত কৰিবলৈ আবেদন জনালোঁ।

সদৌ শেষত খেল পৰিচালনাৰ ক্ষেত্ৰত পদে পদে দিহা পৰামৰ্শ দিয়া তত্ত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত বিপুল শৰ্মা ৰৰপূজাৰী ছাৰলৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা নিবেদিছোঁ। তদুপৰি যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য পৰিচালনাত সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালত ঘটা বিভিন্ন ভুল ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

চন্দন ঠাকুৰীয়া

ক্ৰীড়া বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই মোক ক্ৰীড়া বিভাগত বিনা প্ৰতিদ্বন্দ্বিতাৱে নিৰ্বাচিত কৰি পৱিত্ৰ অনুষ্ঠানটোৰ সেৱা কৰিবলৈ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীক হিয়াভৰা শুভেচ্ছা আৰু কৃতজ্ঞতা জনালোঁ।

সম্পাদক হিচাপে কিবাকিবি নতুনত্ব আনিম বুলি ভাবিছিলোঁ যদিও সীমিত সা-সুবিধাৰ বাবে আশা পূৰণ নহ'ল। খেল-ধেমালি এখন দেশ তথা জাতিৰ গৌৰৱ। উন্নত মানৰ খেলৰ যোগেদিয়েই জয় যাত্ৰা আৰম্ভ হয় স্কুল বা কলেজৰ পৰা। সেই গৌৰৱ ৰক্ষা কৰি দেশ তথা নিজৰ শাৰীৰিক মান ৰক্ষা কৰিব পাৰি । সেই ফালৰ পৰা পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে আমাৰ মহাবিদ্যালয়খন যথেষ্ট পিছ পৰি আছে। ইয়াৰ কাৰণ হ'ল আৰ্থিক অনাটন, উপযুক্ত প্ৰশিক্ষণ আৰু ছাত্ৰ-ছাত্ৰীৰ অনুশীলনৰ অভাৱ, খেলৰ সা-সামগ্ৰীৰ অভাৱ। এই দিশত সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

ছয়দিনীয়া কাৰ্যসূচী হাতত লৈ মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। এটা পৰিতাপৰ বিষয় যে ক্ৰীড়া বিভাগত ছাত্ৰী প্ৰতিযোগীৰ সংখ্যা আছিল অতি তাকৰ। সীমিত কেইজনীমান ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল যদিও তেওঁলোকক বাৰে বাৰে অনুৰোধ কৰিব লগা হৈছিল।

যিসকল বন্ধু-বান্ধৱীৰ সহায় সহযোগিতাই মোক উৎসাহিত কৰিছিল সেইসকলৰ ভিতৰত আঃ হান্নান, নুৰুল ইছলাম, নজৰুল, মইনুল হক, আব্বাছ আলী, জাহাঙ্গীৰ, আতোৱাৰ, মমতাজ বেগম, ফৰিদা খাতুন, বিল্লাল, শাহ আলম আদিৰ নাম উল্লেখযোগ্য।

শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

বেজাউল হক

তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

পোনতে মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক উক্ত বিভাগৰ দায়িত্বত বাছনি কৰি এইখন মহান আলোক সন্ধানী অনুষ্ঠানলৈ সেৱাৰ সুবৰ্ণ সুযোগ দিছিল সেইসকললৈ আন্তৰিক কৃতজ্ঞতাৰে ধন্যবাদ জনাইছোঁ।

শপত গ্ৰহণ তথা দায়িত্বভাৰ পোৱাৰ পিছতেই 'মহাবিদ্যালয় সপ্তাহ' চলাবলগীয়া হৈছিল। মোৰ দায়িত্বৰ ভিতৰত অসমীয়া, ইংৰাজী, তৰ্ক, আকস্মিক বক্তৃতা, প্ৰশ্নোত্তৰ, অসমীয়া-ইংৰাজী আলোচনাচক্ৰ আৰু ম'ক পাৰ্লিয়ামেণ্ট (Mock parliament on important current topics of academic interest) ইত্যাদি প্ৰতিযোগিতা চলাইছিলোঁ। তদুপৰি নতুনত্ব হিচাপে স্ব-নিৰ্বাচিত বিষয়ত বক্তৃতা প্ৰতিযোগিতাও পতা হৈছিল। মহাবিদ্যালয়ৰ (বাৰ্ষিক) সপ্তাহত উক্ত প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ চলাই নিয়াত কোনো অসুবিধা হোৱা নাছিল। তাতে পথ প্ৰদৰ্শক আৰু প্ৰেৰণাদায়ক হিচাপে মোক সৰ্বতোপ্ৰকাৰে দিহা পৰামৰ্শৰে সফল হেৱাত সোণত সুৱগা চৰাইছিল তত্ত্বাৱধায়ক মাননীয় অধ্যাপক সূৰ্য কলিতাদেৱে। ছাত্ৰ একতা সভাৰ কাম-কাজত অৱশ্যে কেতবোৰ কৰ্মচাৰীৰ পৰা আশানুৰূপ সহায় নোপোৱাৰ বাবে দুঃখিত। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচীত পতাকা উত্তোলন কৰি ভাৰপ্ৰাপ্ত অধ্যক্ষদেৱে বিশ্ববিদ্যালয় যুৱ মহোৎসৱত দিয়া যোগদানৰ আশ্বাসেৰে উৎসাহিত কৰিও যথা সময়ত অৱলম্বন কৰা মৌনতাই আমাক আওপাকে বিব্ৰত কৰিছিল।

মহাবিদ্যালয়ৰ অভাৱ আৰু তাক আঁতৰ কৰা সন্দৰ্ভত ভিতৰি ভিতৰি বহুখিনি সচেষ্ট হৈয়ো সংশ্লিষ্ট কৰ্তৃপক্ষৰ সঁহাৰি নোপোৱাত সেই উচ্চাকাংক্ষা মনতে মাৰ গ'ল। প্ৰায় ডেৰকুৰি বছৰ পূৰ্বে স্থাপিত আৰু বিশ্ববিদ্যালয়ৰ সহায়ক অনুদানৰ মঞ্জুৰিপ্ৰাপ্ত কলেজ এখনৰ তোৰণ নথকাকে ধৰি এশ এটা সমস্যাৰাজিৰে জৰ্জৰিত হৈ থকাটো বৰ পৰিতাপৰ কথা।

মোৰ কাৰ্যভাৰ চলাই নিয়াত শ্ৰদ্ধেয় প্ৰবক্তামণ্ডলী বিপুল শৰ্মা বৰপূজাৰী, দীপ্তিৰেখা পাঠক মজুমদাৰ, নবনীতা পাঠক, নিৰ্মলচন্দ্ৰ ভোই, নূৰ আলম, ড° নীলকমল বৰদলৈ, ফিৰোজা বেগম, ভূমিজা বৰ্মন বাইদেৱে অকুণ্ঠ সহায়-সহযোগিতা আগবঢ়াই উপদেশ দিয়া হেতু মই নথৈ কৃতজ্ঞ। তত্ত্বাৱধায়ক হিচাপে আদিৰে পৰা অন্তলৈ প্ৰতিটো কাম সুচাৰুৰূপে চলোৱাত উপদেশ দিয়াৰ ওপৰিও নিজে কিছুমান দিশত অগ্ৰণী হৈ প্ৰকৃত পথ প্ৰদৰ্শকৰ আদৰ্শেৰে মোক প্ৰেৰণা দিয়া বাবে পূজনীয় মহাশয় সূৰ্য কলিতাদেৱৰ প্ৰতি মই সঁচাকৈয়ে চিৰকৃতজ্ঞ। মোক প্ৰায়ে সঁহাৰি জনাই মনতে ৰেখাপাত কৰা বন্ধু-বান্ধৱীৰ ভিতৰত মণ্ডলদা, ছানিয়াৰা, ৰজব, ৰূপম, মিনু, লায়লা, বাসাৰ এওঁলোক উল্লেখ্য।

শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনাৰে সকলো ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি. প্ৰ. চ. মহাবিদ্যালয়

মনোৱাৰ হুছেইন

ছাত্রী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্রতিবেদনৰ পাতনিতে বিমলা প্রসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ ছাত্রী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নির্বাচন কৰি মোক মহান অনুষ্ঠানটোক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়ত্রী তথা ছাত্র-ছাত্রীক মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্রী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্রহণ কৰি ইয়াৰ সমস্যাসমূহ আঁতৰাই নতুন ৰূপত সজাম বুলি ভাবিছিলোঁ। কিন্তু মই ব্যর্থ হওঁ। ইয়াৰ কাৰণ বহুতো। মুখ্য হ'ল অর্থৰ অভাৱ। আৰু যাৰবাবে খেল-ধেমালিৰ বাবে প্রয়োজনীয় সামগ্রী কিনিব পৰা নগ'ল।

মোৰ কার্যকালত মোক সহায় কৰা বাবে তত্ত্বাৱধায়িকা অধ্যাপিকা শ্রীযুতা অনিতা কেওট বাইদেউ আৰু লগতে শ্রীযুতা ভূমিজা বর্মন (কলিতা) বাইদেউলৈ মোৰ আন্তৰিক শ্রদ্ধা নিবেদন কৰিলোঁ। লগতে মোক প্রতিটো মুহূর্ততে সহায় কৰা ৰূপা, বিজু, জোনালী, নিভা, স্বপ্নালৈ মোৰ কৃতজ্ঞতা যাচিছোঁ। সদৌ শেষত মোৰ হৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰি মোৰ প্রতিবেদনৰ সমৰণি মাৰিলোঁ।

গীতিকা কলিতা

সাহিত্য বিভাগৰ সম্পাদকীয় প্রতিবেদন

প্রতিবেদনৰ আৰম্ভণিতেই জাতি, ধর্ম, বর্ণ নির্বিশেষে অসমবাসীৰ গৌৰৱ কঢ়িয়াই অনা লেখক-লেখিকা সকললৈ মোৰ আন্তৰিক শ্রদ্ধা জ্ঞাপন কৰিছোঁ। ২০০০-০১ বর্ষটোৰ বাবে মোক মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে বিনা প্রতিদ্বন্দ্বিতাৱে সাহিত্য বিভাগৰ সম্পাদক হিচাপে যি গুৰু দায়িত্ব অর্পণ কৰিছে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

আমাৰ মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ অভাৱৰ অন্ত নাই যদিও সীমিত সময়-সুবিধাৰেই এক নতুনত্ব প্রকাশ কৰিম বুলি ভাবিছিলোঁ কিন্তু মহাবিদ্যালয় কর্তৃপক্ষৰ মৌনতাত কিছুমান কাম কৰিব নোৱাৰিলোঁ। অর্থনৈতিক সা-সুবিধাৰ ওপৰতো শৈক্ষিক মান নির্ভৰ কৰে। এই ক্ষেত্রত দেখা যায় যে প্রায়ভাগ ছাত্র-ছাত্রীয়ে অর্থৰ অভাৱত লাগতিয়াল কিতাপ-পত্র যোগাৰ কৰিব নোৱাৰে। আন আন মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰাল অলপ উন্নত মানৰ যদিও আজিলৈকে ইয়াত সীমিত কিতাপ-পুথিৰ বাহিৰে আৰু কলা শাখাত কোনো ধৰণৰ ৰেফাৰেন্স মূলক কিতাপ, আলোচনীৰ উন্নত ব্যৱস্থা হোৱা নাই। গতিকে এই সমস্যাসমূহ সমাধান কৰিবলৈ কর্তৃপক্ষক টানি অনুৰোধ কৰিছিলোঁ যদিও সেয়া কামত নাহিল।

আন আন বছৰৰ দৰে ২০০০-০১ ইং বছৰৰ মহাবিদ্যালয় সপ্তাহ উলহ-মালহৰে পালন কৰা হয়। মোৰ দায়িত্বত থকা কামসমূহ নিয়াৰিকৈ চলাই নিয়াৰ বাবে মাননীয় তত্ত্বাৱধায়ক শ্বাহ জামাল মোল্লা ছাৰলৈ মোৰ অকৃত্রিম শ্রদ্ধা নিবেদিছোঁ। যিসকল ছাত্র বন্ধুয়ে মোৰ কার্য্যত সহায় সহযোগিতা আগবঢ়াইছে তেওঁলোকৰ ভিতৰত ৰজৰ আলী আহমেদ (সাঃ সম্পাদক), আঃ হাছেম, আঃ হাকিম, ৰূপম কলিতা, ৰবিউল হক, নুৰুল ইছলাম, হান্নানুল আদিৰ নামেই উল্লেখনীয়। শেষত আমাৰ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্রতিবেদনৰ আঁৰ-কাপোৰ টানিছোঁ।

।। জয়তু বিমলা প্রসাদ চলিহা মহাবিদ্যালয় ।।

আব্দুল হামিদ মণ্ডল

সমাজ সেৱা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

মাতৃভূমিৰ হকে কলিজাৰ ৰঙা তেজ ঢালি ত্যাগৰ শলিতা জ্বলাই যিসকলে নিজৰ জীৱনক দেশৰ পূজাৰ ফুল চন্দন ধূপ দীপ হিচাপে আহুতি দিলে সেইসকলৰ মহান ত্যাগৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম নিবেদিলোঁ।

অজ্ঞান চাকনৈয়া এফলীয়া কৰি যোৱা জ্ঞান সমৃদ্ধিৰে পৰিপুষ্ট এই বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় অসমৰ অন্যান্য শিক্ষানুষ্ঠানৰ তুলনাত অনুন্নত ঠাইত, কিন্তু সম্মানীয় স্থান পোৱা অসমৰ এখনি শিক্ষানুষ্ঠান।

এই প্ৰতিবেদনত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত দেৱ প্ৰসাদ শইকীয়াদেৱক আৰু অৰ্থনীতি বিভাগৰ প্ৰাক্তন অধ্যাপক প্ৰয়াত শাহ আলম ছাৰক শ্ৰদ্ধাৰে সুৱৰিছোঁ। যিসকল সতীৰ্থই মোক ২০০০-২০০১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ 'সমাজ সেৱা' বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচন কৰে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ থাকিল।

মোক নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰীসকলে মোলৈ যি মৰম আৰু সহানুভূতি দেখুৱাইছিল ; মোৰ কাৰ্য্যকালৰ কাৰ্মবাজিৰে তাৰ কিঞ্চিত প্ৰতিদানও দিব নোৱাৰাৰ একমাত্ৰ কাৰণ পুঁজি। পুঁজিৰ অভাৱত হৃদয়ৰ এচুকত সাজি থোৱা পৰিকল্পনাবোৰ বাস্তৱতাৰ মুখ দেখা নেপালে। মহাবিদ্যালয়ৰ 'স্থায়ী তোৰণ নিৰ্মাণ' তাৰে এটা।

মহাবিদ্যালয় সপ্তাহত সমাজ সেৱা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিলোঁ। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সমুহ ছাত্ৰ-ছাত্ৰীলৈ এই ছেগতে মোৰ হিয়াভৰা ওলগ যাচিলোঁ। এই প্ৰতিযোগিতাখিনি সুচাৰুৰূপে পৰিচালনাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যাপক আমজাদ হুচেইন, অধ্যাপক শ্যামাচৰণ ঠাকুৰীয়া আৰু অধ্যাপিকা নুৰণ নাহাৰ বেগম বাইদেউলৈ কৃতজ্ঞতা জনাইছোঁ।

কিন্তু দুখৰ বিষয় মই পুঁজিৰ অভাৱত অসম বিজ্ঞান সমিতিৰ সহায়ত অনুষ্ঠিত হোৱা পৰিৱেশ প্ৰদূষণ সম্পৰ্কে আলোচনা চক্ৰত যোগদান কৰিব পৰা নাছিলোঁ। এই ছেগতে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ এটি বিনম্ৰ অনুৰোধ জনাইছোঁ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ প্ৰদূষণ সম্পৰ্কে সচেতন কৰি তোলাৰ পৱিত্ৰ মানসেৰে প্ৰতিবছৰে মহাবিদ্যালয়ত এন, এছ, এছ, কেম্প পতাৰ ব্যৱস্থা কৰে যেন।

সৰ্বদিশে পৰামৰ্শ দানেৰে মোৰ কাৰ্যকাল সুচাৰু ৰূপে চলাই নিয়াৰ অগ্ৰণীজন (বিভাগীয় তত্ত্বাৱধায়ক) মাননীয় অধ্যাপক শ্ৰীযুত বিষ্ণুৰাম তালুকদাৰ ছাৰৰ ওচৰত মই চিৰঋণী। প্ৰতিটো মুহূৰ্তত সহায় সহযোগিতা কৰা বন্ধুবৰ শাহ মাহবুব আলম ৰফিকুল আলম, লুৎফৰ ৰহমান, আবুল বাসাৰ, জাহাংগীৰ, হান্নান, আলিম, ৰূপম, সঞ্জয়, ভৈৰৱ, জেহেৰুল, আর্জু, অঞ্জনা, নুৰজাহান, ৰুফিদা, মৰিয়ম আৰু জেচমিন বাইটিৰ মৰম মোৰ মনৰ মণিকোঠত চিৰ সজীৱকৈ সাঁচি ৰাখিম।

আজি মই বিদায় বেলাত আৰু বিদায় যন্ত্ৰণাত মই মোৰ অজ্ঞাত ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ আঁৰ কাপোৰ টানিলোঁ।

জয়তু বি, প্ৰ, চলিহা মহাবিদ্যালয়

জয়তু বি. প্ৰ. চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

মইদুল ইচলাম

চিন্তনীয়

আমি ভাৱতীয় সকলৰ ওচৰত ঋণী। তেওঁলোকে আমাক গণনা পদ্ধতি শিকাইছে, যাৰ অবিহনে কোনো ধৰণৰ বৈজ্ঞানিক আবিষ্কাৰ সম্ভৱ নহ'লহেতেন।

— এলবার্ট আইনষ্টাইন।

সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ শীৰ্ষতে মই সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ শান্তি শয়নত শুই থকা বীৰ, ছহিদ সকললৈ, লগতে শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ তেওঁলোকলৈ যাৰ মহান প্ৰচেষ্টাত গঢ় লৈ উঠিল এই মহাবিদ্যালয়।

২০০০-২০০১ ইং চনৰ বৰ্ষটোৰ বাবে মোক সাংস্কৃতিক বিভাগত সম্পাদক ৰূপে নিৰ্বাচিত কৰাৰ কাৰণে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ এই গুৰু দায়িত্বটো মই কিমান সফলতাৰে বহন কৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য। তথাপি অজানিতে হৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে মই ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

সংস্কৃতিয়েই হৈছে মানুহৰ আত্মা স্বৰূপ। যাৰ অবিহনে কোনো এটা জাতিয়েই বুকু ফিন্দাই পৰিচয় দিব নোৱাৰে। সেই সংস্কৃতিৰ এক মহান অংগ হৈছে সংগীত, যাৰ মূলমন্ত্ৰ হৈছে সাধনা। সেই সংগীতেই জয় কৰিব পাৰে মানুহৰ হৃদয়।

বিভিন্ন অভাৱ, অসুবিধাৰ মাজেৰে সাংস্কৃতিক মঞ্চ এখন নিয়াৰিকৈ চলাই নিব পৰাটো মোৰ কাৰণে খুউব ডাঙৰ পৰীক্ষা অৰ্থাৎ মাত্ৰ কেইটিমান বাদ্য-যন্ত্ৰৰে সংগীত, নৃত্যসমূহক অতি মনোৰঞ্জক আৰু উৎকৃষ্ট মানৰ কৰিবলৈ কঠিন। ইয়াৰ উপৰিও মোৰ কাৰ্যৰ ভিতৰত থকা 'সৰস্বতী পূজা'ৰ খৰচৰ অনুপাতে মূলধনৰ পৰিমাণ যথেষ্ট কম। তথাপি এইবোৰ সমস্যাৰ মাজেৰেও আমি প্ৰত্যেকটো অনুষ্ঠানেই ভাল ধৰণে উলহ-মালহেৰে পালন কৰোঁ। শেষত মই শ্ৰদ্ধাৰে কৰ্তৃপক্ষলৈ আন্তৰিকতাৰে টানি অনুৰোধ জনাওঁ যে তেওঁলোকে যেন আমাৰ প্ৰতিভা সমূহক বাট দেখুৱায়, লগতে আমাৰ প্ৰত্যেকটো অভাৱেই পূৰণ কৰাৰ চেষ্টা কৰে।

সৰ্বশেষত মোক বিপুল অনুপ্ৰেৰণা যোগোৱা মাননীয় তত্ত্বাৱধায়ক আমজাদ হুছেইন, নগেন্দ্ৰ নাৰায়ণ দেৱান, যতীন্দ্ৰ নাথ তালুকদাৰ, অপূৰ্ব ঠাকুৰীয়া আদি ছাৰ আৰু ভূমিজা বৰ্মন বাইদেউলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোক সহায় আগবঢ়োৱা বন্ধু-বান্ধৱী কুলদীপ, হৰি, চন্দন, পঙ্কজ, লাইলা, ইলি, গীতিকা, মানসী আৰু মনালিছালৈ মোৰ হিয়াভৰা কৃতজ্ঞতা যাচি মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰিছোঁ। ধন্যবাদেৰে—

হিমাংশু ঠাকুৰীয়া

লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বিমলা প্ৰসাদ চলিহা কলেজৰ প্ৰতি থকা মোৰ শ্ৰদ্ধা জনাইছোঁ আৰু লগতে যিসকল মহান ব্যক্তিৰ অক্লান্ত শ্ৰম আৰু ত্যাগৰ বিনিময়ত এই মহৎ অনুষ্ঠান গঢ়ি উঠিছে তেওঁলোকলৈ মই মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

২০০০-২০০১ চনত বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ দৰে এখন গৌৰৱমণ্ডিত শিক্ষানুষ্ঠানৰ সেৱা আগবঢ়াবলৈ সুবিধা দি মোক লঘু খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰাৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ- ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ। এনেকুৱা এটা গধুৰ দায়িত্ব গ্ৰহণ কৰাৰ সুযোগ পোৱাত মই সঁচাকৈ আনন্দিত। এই কৰ্তব্য পালনত কিমানদূৰ কৃতকাৰ্য হৈছোঁ সেয়া আপোনালোকৰ বিচাৰ্য।

২০০০-২০০১ চনত ছদিনীয়া কাৰ্য্যসূচীৰে কলেজ

সপ্তাহ চলাই নিয়া হয় আৰু এই ক্ষেত্ৰত বিশেষভাৱে সহায় কৰা তত্ত্বাবধায়ক শ্ৰীযুত বীৰেন্দ্ৰ বৰা ছাৰক কৃতজ্ঞতা জনাইছোঁ।

মোৰ কাৰ্য্যকালত সহায় সহযোগিতা আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সদস্যসকলৰ উপৰিও আঃ ছামাদ (চাচা), লুৎফৰ দা, আঃ ছালাম, ছাইফউদ্দিন, আৰফান, শ্বফিকুল আদিলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মই মোৰ অজানিতে হোৱা ভুল ত্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু বিঃ প্ৰঃ চঃ মহাবিদ্যালয়।

নুৰজামাল হক

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

ইংৰাজী ২০০০-২০০১ বছৰটোৰ বাবে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মনোনীত কৰি ছাত্ৰ বন্ধুসকলৰ প্ৰতি কিঞ্চিৎ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে সংশ্লিষ্ট আটাইলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতে ভাবিছিলোঁ ছাত্ৰ জিৰণি কোঠাৰ সমস্যাসমূহ সমাধান কৰি ইয়াক নতুন ৰূপত সজাম। কিন্তু কৰ্তৃপক্ষৰ মৌনতাই মোৰ সেই অভিলাষ পূৰ্ণ কৰাত বাধাৰ সৃষ্টি কৰিলে। আমাৰ ছাত্ৰৰ জিৰণি কোঠাটো ছাত্ৰৰ সংখ্যা অনুপাতে যথেষ্ট সৰু হৈছে, দুই চাৰিখন ডেস্ক-বেঞ্চ আৰু দুই এখন কেৰমৰ বাহিৰে অন্য কোনো ধৰণৰ খেলৰ সামগ্ৰী নাই। সেয়েহে মই কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যাতে ছাত্ৰ জিৰণি কোঠাৰ অভাৱসমূহ পূৰণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰসকলক কৃতাৰ্থ কৰে। লগতে মোৰ পৰৱৰ্তী সম্পাদকলৈ অনুৰোধ জনালোঁ তেৱোঁ যেন এই অভাৱসমূহ পূৰণ কৰাৰ কাৰণে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰে।

আন বছৰৰ দৰে মোৰ কাৰ্যকালতো 'মহাবিদ্যালয় সপ্তাহ' ছদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পৰম্পৰাগতভাৱে চলি অহা ছাত্ৰ জিৰণি কোঠাৰ অধীনত প্ৰতিযোগিতাসমূহ এইবেলি তত্ত্বাৱধায়ক হিচাপে পৰিচালনা কৰে আৰৰী বিভাগৰ প্ৰৱক্তা মহঃ আব্দুছ ছালামদেৱে। খেল সমূহ হ'ল একক কেৰম, দ্বৈত কেৰম, ডৰা, পাঞ্জা আৰু ফেশ্বন। খেলসমূহৰ প্ৰতিযোগীৰ সংখ্যা অন্য বছৰৰ তুলনাত অধিক হোৱাৰ বাবে খেল পৰিচালনা কৰাত অলপ অসুবিধা হৈছিল যদিও সেইবোৰ ধৈৰ্য সহকাৰে পালন কৰি সফল হৈছিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে খেলাৰ সামগ্ৰী তেনেই কম। সেয়ে খেলৰ সামগ্ৰী পৰ্যাপ্ত পৰিমাণে মজুত আৰু যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষক মই টানি অনুৰোধ জনাইছোঁ। বিগত কাৰ্যকালৰ ভিতৰত মই কি কৰিলোঁ কি নকৰিলোঁ সেই টো আপোনালোকৰ বিচাৰ্য। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় আৰু সু-পৰামৰ্শ দি বিশেষভাৱে সহায় কৰা আঃ মালেক, আঃ হাসেম, সঞ্জীৱ, ৰবিউল হক, আহম্মদ আলী, আমজাদ, হেমন্ত, নজৰুল সেখ, চৌকত আলী, আঃ হাকিম, আঃ বাৰিক, আঃ হাই আলহাদি, ছবমুজ আলী আহমেদ প্ৰমুখ্যে বন্ধু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। পূজনীয় শিক্ষাগুৰুসকল আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়বৰীয়ালৈ কৃতজ্ঞতা নিবেদন কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু বি. প্ৰ. চ. মহাবিদ্যালয়!

জয়তু বি. প্ৰ. চ. মহাবিদ্যালয় ছাত্ৰ একতা সভা!!

এম, নুকল ইছলাম

BIMALA PRASAD CHALIHA COLLEGE MAGAZINE

Eight Issue, Session : 2000-2001

An English Bouquet

President
Nirode Baran Das

Magazine in- Charge
Nagendra Narayan Dewan

Editor
Bhairab Thakuria

The Global Environment

Umesh Chandra Das,
Head, Dept. of Geography

Our earth is about five billion years old. It is more than 3.5 billion years since the form of life emerged. Biological species have come and gone but, life have persisted without interruption. But the rapid changes in the Global environment is a great challenge to human life.

Due to the various activities of man, the global environment is undergoing profound change. In his quest for development in different aspects man has interference with the earths system and Nature has not forgiven mankind for his short sighted policy of interfering with the environment.

The environmental factor which affect each and every person directly is climate. But at present man's impact on the environment can not be neglected. As a result it is very difficult to define natural environment. So many parts of the natural environment such as, vegetation and animal life, have so greatly changed that, they might be considered man made. To satisfy his increasingly large range of needs and desires man has been interfering with the environment. Thus the integration between man and environment has a two way system i.e. environment influence man and man influence environment. The rapid growth of global population has also a great impact on the environment and has polluted it. Pollution, whether of land, water, air, and even of noise is of tragic consequence. Various pollutants have already caused changes in the composition of the earth's atmosphere and the percentage of trace gases such as carbondi oxide (co_2), methane, Nitrus oxide and chlorofluer carbon(CFCS) has rapidly increased. These gases has an important role in changing the atmospheric temperature. Gases produced by human activity will probably cause the earth's average temperature to increase within the life time of most people living today.

T.C. Chamberlin in the last decade of 19th century, in his carbo dioxide theory stated that, carbon di-oxide content of the atmosphere play a dominant role in causing world-wide climatic changes. This gas is not only transparent to incoming solar radiation, but absorbs outgoing long wave terrestrial radiation. The absorbed terrestrial radiation is radiated back to the earth's surface. Carbon-di-oxide and water vapour contents of the atmosphere being the most important heat absorver produce what is called the "Green Houe Effect".

The 1980 were the warmest decade recorded on a global basis, but scientists are still uncertain whether the warm spell was a normal climatic function or a response to the billions of tons of carbon injected into the atmosphere each year by human activities. The weather events of 1988 did, however, convey an idea of the kinds of environment effects. In that year the North American corn crop was stunted by draught and for the first time in U.S.A. the productivity fell below consumption. Water level in the Mississippi river dropped so low that, barges and their cargoes were stranded for weeks, forest fire burnt uncontrollably in America's great natural parks, super hurricane threatened Americas Gulf coast, the floods in Bangladesh lead to the death of 2000 people and drove millions of others from their homes. The horrible floods in Assam in the same year may be due to the green house effect.

The principle of Green House Effect explains the cold climate of Mars, hot climate of Venus (Life could not survive) and the moderate climate here on earth.

Building up of carbon-di-oxide in the atmosphere warms the earth's climate. After water vapour, carbon-di-oxide is the most plentiful and effective green house gas. The human activities are injecting almost 6 billions tons of carbon each year into the atmosphere. Scientists presumed that, about half of the carbon injected into the atmosphere is being absorbed by oceans and plant life and about half remain

in the atmosphere. In the 19 th century marked growth of carbon-di-oxide began from about 280 PPM (pats per Million) in 1850, to 350 PPM today. It is known that, other gases such as Methane (CH_4) increasing at a rate of about 1. 1 percent each year, chlorofluro carbon (CFC_s) When raise to the stratosphere, they release free chlorine, which then catalyses the break down of ozone, the protective layer that shields the earth from utra violet radiation. Concentration of Nitrus Oxide (N_2O) are increasing by about 0.25 P.C. per year. It has a long residence time in the atmosphere, and so concentration would be increased from more than 200 year even if emission rates were to freeze at current levels. Scientists believe that nitrus oxide levels in the year 2030 will be about 34% more than per industrial level. Per molecule this trace gas 250 times the capacity of CO_2 to trap heat.

The global warming has added tremendous pressure on the minds of the scientist and thinkers. Agriculture is most vulnerable to the effect of global warming. Since climate is a very important parameter in agriculture, the increased green house effect will undermine the agricultural activities. We can expect extremely serious effects on the various aspects of plant growth such as fertilization, pollination, leafing and maturing.

The people in the richer developed countries with only one quarter of the world population, consume most of the world's energy. They command about 80% of the world's wealth, use most of the natural resources and generate the most waste. Most of the green house gases and chemicals that are changing the composition of the atmosphere and thus contributing to the projected climatic changes and to other changes such as acid deposition have been emitted by industrialized nations of Northern Hemisphere.

People in developing countries with three quarters of the world's population, has less than one quarter of the wealth also contribute to resource depletion and environmental stress due to large population. The poor and hungry are often compelled to destroy their environment in order to survive.

However the global environmental change cannot be stopped but the pace of change can be slowed. To get rid of the rapid effect of global warming the process of economic and social development are to be transformed by adopting the concept of sustainable development.

In the world commission on environment and development in1987,Gro Harlem Burndtland former Prime Minister of Norway and chair person of the commission pointed out in her key-note address to the forum- "only growth can eliminate proverty and create the capacities to solve environmental problems. But growth cannot be based on over exploitation of the resources of developing countries. It must be managed to enhance the resource base on which these countries all depend".

Effort to reduce the rate of population growth, to restore and maintain natural resources, and to adopt modern technologies that are less polluting than the ones already out dated in the industrial world are the only means to check the global warming. Besides, social and economic policy, political will and intensive researches in this field is essential.

In the Language of Gro Harlem Brundtland it may be concluded that, - "if we are earnest in our desire to solve some of the pressing problems facing humanity, we can no longer separate the global environment from political, economic and moral issues. Environmental considerations must permeate all decisions from consumer choices to national budgets to international agreements. We must learn that, environmental considerations are part of unified management of our planet. This is our ethical challenge. This is our practical challenge. A challenge we must accept."

References:

1. Environmental pollution and Global environmental change- (The Geographer vol- I, Jan, 1991- M Shafi
2. Our Changing global environment- C.S. Silver and R.S. Defries, National Academy of Sciences
3. Environmental pollution- N. Mani Vaskam
4. Energy use and Environment- Mehdi Raza- Geographer vol. - 2 (July 1991)
5. Climatology- D.S. Lal.
6. Global change and our common future- Gro-Harlem Brundt land.

ROLE OF GUIDANCE IN THE EMPOWERMENT OF YOUTH IN NORTH -EAST INDIA

Dr. Bibhuti Bhusan Panda
Lecturer, Deptt. of Education

Youth is a priceless possession of any society or nation. The future of any society/nation depends upon the quality and calibre of its youth. They are the elan vital of the society. Kofi Anan, the secretary General of U.N. eulogised the youth when he says" A society that cut itself off from its youth severs its life line, it is condemned to bleed to death". The youth not only symbolises the vigour, vitality and valour but also embodies in it the best ideals, sensitivities and a dream of a vibrant nation full of prosperity and happiness.

The youth of North-east India like their counterparts in the country have played a vital role in the socio-economic, political and cultural development of the region. The post-independence effort by national and State Governments have made significant progress in the field of education of children and youth, which subsequently transformed backwardness of the area to some extent. The present scenario of youth development however, not as rosy as it was previously. Contradictions have ruined its vitality and progress. The youth of North-east besides many problems of contemporary India are specifically beset with the problems arising out of illegal migration, Geopolitical problems, unplanned economic growth, massive unemployment, alienation, drug addiction, insurgency, failure of education to empower the youth and above all the problem of the conspicuous absence of proper guidance.

EMPOWERMENT OF THE YOUTH

For maximum progress and alround development of North-East India empowerment of its youth is the need of the hour, Empowerment means a whole some improvement of capacities of the individuals to the maximum, for individual excellence and social effectiveness. It is the enhancement of inherent capacities of the individual, equipping it with all possible knowledge, skill and attitude to play an efficient role in the wider society. It is for the enlargement of choices of the people, the choices that are infinite and changeable. In all, empowerment envisages an integrated growth and development of the individual potentialities which fits him play an effective role in the present complex society leading to a life of peace and prosperity.

THE CONCEPT OF GUIDANCE :

Guidance is as old as human civilisation. It is that aspect of educational programme which is concerned specially with helping the pupil to become adjusted to his present situation and to plan his future in line with his interests, abilities and social needs. (Erickson quoted by Kochhar, 1989).

Guidance is concerned with helping each student to plan and make proper decisions within the context of social opportunities and freedom on the one hand and social realities and responsibilities on the other. Organised guidance programme is a fillip to education process. It helps in the production and utilisation of proper man power. It also helps in producing knowledgeable, skilled, matured and self confident individualis who are not only personally enlightened but also socially effective and useful.

Guidance as an organised professional activity is not very old in our country. While in America the guidance movement started as an attempt to fulfil the practical needs of employers and teachers, in India, it began as an academic discipline. "Through the years guidance has acquired a much wider connotation, it now concerns the entire individual in relation with other members of the group. It aims at helping young people to attain experience which are

individually satisfying and socially effective". (Pasricha, 1979)

There is a close relationship between education and guidance, While some consider it as an important part of education process, there are others who view it as synonymous with education. Guidance is not teaching but, it may be done by teachers. Guidance as a process helps the individuals in choosing a goal which is significant for him/her and also useful to society. It assists the individuals in his personal, social and emotional adjustment. It also provides assistance in selecting educational courses, planning and entering in a vocation and developing in it. On the whole it assists in all spheres of human life, personal, educational and vocational. Thus, guidance is a sub-process of the whole process of education. Guidance can be given in many ways. The foremost among them is counselling. Counselling is a face to face interaction between the guidance counsellor and the counselee, enabling the latter to solve his/her problems.

(1) NEED OF GUIDANCE IN NORTH EAST INDIA:

Guidance as an organised activity or service has not been given its due place in Indian education. It still remains to be less known to practising teachers and educational administrators in schools and colleges of N. E. India. It is confined to a few University guidance bureaus and adorns the syllabus of education courses only. The necessity of guidance in N. E. India for the empowerment of its youth is given below.

(a) For proper Human Resource Development.In an age of cutting edge technologies N. E. India is still devoid of minimum infrastructural facilities to equip the youth with necessary education and training to meet the challenges of new millennium. For proper man power planning, organised guidance programme is necessary as the so called modern technology is still the privilege of city people and majority of rural, semi-urban population are a victim of lack of information and limited choice. It is difficult for them to choose proper educational courses for future career. Besides in a labour-intensive economy guidance can help the job seeking youth in selecting proper vocation in the world of work, and getting in to it. In other words it helps in putting square pegs in square holes.

(b) The post-liberalisation economy in India has its influence in every field, economic, socio-political and cultural. In this context, proper guidance can go a long way to help the youth to choose proper path, making him self confident and self directive.

(c) N.E. scenario is quite different from the rest of India due to its geo-political, demographic and cultural factors. Traditional pattern of farming, shifting cultivation, recurrent flood and erosion have made the condition worst. The rich flora and fauna, mineral wealth and extraordinary variegated culture is valuable but not properly utilised for societal benefit. Proper guidance can bring a sea change if the Government makes serious effort in upgrading rural technologies and cottage industries.

(d) Guidance has a great potential to provide the budding youths necessary information, and coaching to face interviews, prepare for competitive examinations and to have proper placements. Special guidance and counselling is also necessary for S.C. S.T. and other backward class people for their empowerment.

(e) The need of guidance is felt more than ever before for personal, social adjustment and emotional development of youth. Youth have fallen a pray to several problems like achievement anxiety, loneliness, shyness, frustration, feeling of insecurity, sex related problems, drug addiction and various other problems including insurgency. In order to check these, guidance can play an important role in developing positive attitude, self concept and required psychological make up for their proper growth and balanced development of personality.

PROGRAMME OF ORGANISD GUIDANCE IN N.E. INDIA

Over the years guidance too has acquired the form of a discipline from its earlier form of just vocational guidance in schools. In fact in countries like U.S.A. and Australia almost all schools and colleges have guidance counsellor. India in general and N.E. region in particular need a sound programme of organised guidance. What is needed today is a clear cut, relevant and viable national policy regarding guidance in eduction. The goals and expectations of education and guidance with particular relevance to our immediate, long-term requirements needs to be refocused and unnecessary duplication work by various agencies needs to be avoided. (Kochhar 1989) for that, at national as well as regional level

বিমলা প্রসাদ চলিহা মহাবিদ্যালয় আলোচনী

guidance activities should be planned neatly and systematically starting from national or state level to grass root level. The following steps may be taken care of while organising guidance programme in N.E. India.

1. Formulation of integrated policy of education and guidance starting from Primary level to University level on regional or state basis. A sound network of guidance programme should be created at first.

2. Establishment of guidance and counselling centre in every school, college and university.

3. Appointment of trained counsellor and settings up of guidance team consisting counsellors, psychologists, social workers and doctors. In small places guidance and counselling complex may be set up.

4. Emphasis on orientation of administrators, teachers, students and general public regarding guidance programme and their role in it.

5. Consolidating the existing guidance agencies and centres and bringing them in to the fold of national/regional/state set-up for maximum utility and benefit.

6. University employment Information and Guidance Bureaus and Student Advisory bureaus should be combined to avoid wastage and duplication.

7. Establishing rapport with employment Exchange and Guidance centres for disseminating vocational information and helping the youth to select and enter suitable jobs.

8. Providing guidance to local educated/ uneducated youths either by the counseling centre of college/university or special centre set up by the NGOs.

9. Arrangement of coaching by guidance and counselling centre for different competitive examinations entrance tests etc.

10. Arrangement of campus interview and placement.

11. Providing guidance to youths for acquiring skill in information technologies.

12. Making provision for special guidance for the SC, ST and other backward class youth.

13. Providing guidance for training and rehabilitation of handicapped youth.

14. Guidance for self employment of educated and uneducated youth. For this close link should be there with local employment exchange, govt. offices, private sectors, banks and other developmental agencies.

15. Provision of personal guidance by trained counsellors for various emotional, social, academic and ethical problems faced by the students in schools, colleges and universities. Special attention should be given to the guidance and counselling for sex related problems, drug addiction, psychological problems and other problems of youths.

16. At schools and college level teachers interested in guidance may be trained and given extra responsibility of guidance counsellor.

17. Last but not the least, guidance can help the youths in choosing proper life goal, making sound adjustment, selecting proper educational and vocational courses, besides giving more assistance in various endeavours of human life.

CONCLUSION : Only teaching can not solve all problems which our youth encounter. Conanthas has rightly observed that on the success or failure of our guidance and councelling programmes, hangs in all probability, the success or failure of our education system. It requires a missionary zeal on the part of the leaders, planners and educationists to jointly frame suitable policies, where education and guidance act in unison from grass root level of education to higher eduction. For such transformation, we need a strong political will, a sensitive and sympathetic attitude, proper man-power planning and integrated vision for the progress and development of youth in N.E. India.

REFERENCES :

1. Anand, S.P. - ABC's of Guidance in Education, Uniquepublications Pathankot, 1994.
2. Bhuyan, D. - Counselling and mentoring in the 21st century. The Assam Tribune, 25th July/2000.
3. Kochhar, S.K. - Guidance and counselling in colleges and Universities Sterling publisher pvt. Ltd. New Delhi. 1989.
4. Mahadevan, U - Guidance services in colleges. University News. AIU, Dec/1989.
5. Paricha, P. - Guidance and counselling in Indian Education. NCERT, New Delhi. 1976.
6. Ray, B.D. - Human Resource Development in North-East, The Assam Tribune, November, 1999.

• Paper Presented at the 10th Annual Conference of North East-India Education Society on 7th September, 2000 organised by the Dept. of Education, Pragjyotish College, Guwahati.

INTELLECTUAL FREEDOM AND COMPROMISE

Nirmal Ch. Bhoi
Lecturer, Dept. of English

Freedom is an inalienable right of every lawful citizen in a free society. It ranges from the freedom of speech to the freedom of expression through print and electronic media. It provides strength and support to the very foundation of democracy. No country is really strong and civilized unless it recognizes the freedom of thought and expression of its people. Freedom of expression as a fundamental right has been enshrined in our constitution to enable each citizen to express himself or herself freely without fear, threat or intimidation. To exercise this freedom at all times poses a great challenge to the very spirit of democracy at most occasions. There are some situations like war or social unrest when this freedom granted and guaranteed by our constitution gets relegated to the background. It is against this backdrop the desirability of intellectual freedom in a country ruled by a tyrant or a despot is looked into by focussing on some important events of history where the proestablished forces were strongly resisted by the intellectual forces of the age resulting into either the defeat of the ruling force or a ruthless suppression of the new intellectual forces or a new kind of compromise reached between the two hostile forces.

